# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Hemonto kumar Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhailāya Sabhaā Patāraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha, Jorhat |
| Year: 1973 | Edition: |
| Size: 23 1/2 cms. 4+96+3+95+3+94+3+96+87+104+3+79+3+47+3+64 | Genre: Magazine |
| Volumes: 30 - 9 issues | Condition of the original: Not good |
| Remarks: [illegible]: 1st volume published in 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

চতুৰ্থ সংখ্যা ॥ শাওণ



সম্পাদক : হেমন্তকুমাৰ শৰ্মা

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি অসমীয়া মাহৰ প্ৰথম ভাগত এখনকৈ ওলাব।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০·০০ টকা আৰু ছমহীয়া বৰঙণি ১০·০০ টকা আগ ধৰি দিব লাগিব। প্ৰতি সংখ্যাৰ বেচ ২·০০ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি **এপিঠিত ফট্‌ফটীয়াকৈ লিখি** "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জোঁটনিত দ্বিত্ব বৰ্জ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, মৌলিক আলোচনা আদিয়ে ঠাই পাব।

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকাকড়ি, বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন গুৱাহাটী-১"—এই ঠিকনাত পঠাব।

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

চতুৰ্থ সংখ্যা ॥ শাওণ

ইং ১৯৭৩

সম্পাদক : হেমন্তকুমাৰ শৰ্মা

অসম সাহিত্য সভা পত্ৰিকা
ত্ৰিংশ বছৰ, ৪ৰ্থ সংখ্যা শাওণ
১৮৯৫ শক ॥ ১৯৭৩ চন

প্ৰকাশক :
**শ্ৰীনগেন শইকীয়া**

প্ৰধান সম্পাদক,
**অসম সাহিত্য সভা**

কেন্দ্ৰীয় কাৰ্যালয় :
**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**
যোৰহাট-১

গুৱাহাটী কাৰ্যালয় :
**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন**
গুৱাহাটী-১

বেটুপাত :
প্ৰাচীন কামৰূপ-অসমৰ ঐতিহ্য মণ্ডিত কামাখ্যা মন্দিৰৰ দৃশ্য
( অসম ৰাজ্যিক সংগ্ৰাহলয়ৰ সৌজন্যত )

ছপাশাল :
**পূৰ্বদেশ মুদ্ৰণ**
ৰিহাবাৰী,
গুৱাহাটী-৮

**বেচ—২·০০ টকা**

# সূচীপত্ৰ


| বিষয় | | পৃষ্ঠা | লেখক |
|---|---|---|---|
| ১। কাব্যৰ আত্মা | .... | ॥ ১ ॥ | শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী |
| ২। দাৰ্শনিক দৃষ্টিত সৃষ্টিতত্ত্ব | .... | ॥ ৬ ॥ | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ৩। 'অতি পৰিতাপৰ বিষয়' | .... | ॥ ৯ ॥ | শ্ৰীমোহন চন্দ্ৰ মহন্ত |
| ৪। ৺পূৰ্ণানন্দ শৰ্মা পাঠকৰ সোঁৱৰণত | .... | ॥ ১৬ ॥ | শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা |
| ৫। "মোঁ" কাকতৰ মৌকোঁহ | .... | ॥ ২০ ॥ | ডঃ সত্যেন্দ্ৰনাথ শৰ্মা |
| ৬। নাট্যকাৰ শূদ্ৰকৰ সমাজ | .... | ॥ ২৩ ॥ | শ্ৰীযোগেশ্বৰ শৰ্মা |
| ৭। জ্ঞানৰ প্ৰসাৰত পুথিভঁৰালৰ ভূমিকা | | ॥ ২৮ ॥ | শ্ৰীৰাম গোস্বামী |
| ৮। এখন ছবি ( গল্প ) | .... | ॥ ৩১ ॥ | শ্ৰীধনকান্ত চেতিয়া ফুকন |
| ৯। কামৰূপী চিত্ৰকলা | .... | ॥ ৩৪ ॥ | শ্ৰীযুগল দাস |
| ১০। উমাপতি আৰু শঙ্কৰদেৱ বিৰচিত 'পাৰিজাত-হৰণ' | | ॥ ৪২ ॥ | শ্ৰীকৃষ্ণনাৰায়ণ প্ৰসাদ 'মাগধ' |
| ১১। 'ঢেই আনি মাহোনী গাবাউ' | ... | ॥ ৪৮ ॥ | শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা |
| ১২। 'বনফুল'ৰ কবি দুৰ্বৰা : বেজবৰুৱা-সাহিত্য পটভূমিত | | ॥ ৫১ ॥ | শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা |
| ১৩। কুৰুক্ষেত্ৰ-যুদ্ধত সৈন্যৰ সংখ্যা | .... | ॥ ৫৪ ॥ | শ্ৰীঅমূল্য কুমাৰ ভট্টাচাৰ্য |
| ১৪। বনবীয়া সুৰ ( মোপাচাঁৰ অনূদিত গল্প ) | | ॥ ৫৭ ॥ | অনুবাদক : শ্ৰীঅনন্ত কুমাৰ শৰ্মা |
| ১৫। এৰাবোটলা যৎকিঞ্চিৎ | .... | ॥ ৬২ ॥ | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা |
| ১৬। নিৰামিষ মাংস ( বিজ্ঞান জগৎ ) | ... | ॥ ৭০ ॥ | শ্ৰীৰাজেশ্বৰ শৰ্মা |
| ১৭। সাহিত্য সংবাদ : সুমিত্ৰানন্দন পন্তৰ কাব্য-গ্ৰন্থ | | ॥ ৭৩ ॥ | শ্ৰীধৰ্মদেৱ তেৱাৰী |
| : ইংলেণ্ডৰ ৰাজকবি চাৰ্লছ'ন বেটজেমেন | | ॥ ৭৯ ॥ | শ্ৰীকমলেশ্বৰ শৰ্মা |
| ১৮। ঈশ্বৰচন্দ্ৰ বৰুৱা আৰু তেওঁৰ সাহিত্যৰ আভাস | | ॥ ৮১ ॥ | শ্ৰীশশী শৰ্মা |
| ১৯। পোৱা পুথিৰ চিনাকি | .... | ॥ ৮৮ ॥ | |
| ২০। অসম-অৰুণাচল প্ৰসঙ্গ | ... | ॥ ৯২ ॥ | |
| ২১। ৰাইজৰ চিঠি | .... | ॥ ৯৪ ॥ | |
| ২২। সম্পাদকৰ চ'ৰা | ... | ॥ ৯৫ ॥ | |

সুৰুচিপূৰ্ণ বিভিন্ন বিষয়ক সামৰা
মাহেকীয়া আলোচনী

নতুন প্ৰৱাহ

[ নিয়মীয়াকৈ ওলাই এতিয়া দ্বিতীয় বছৰ পাইছেহি ]

বছৰেকীয়া বৰঙণি—১২·০০ টকা
প্ৰতি সংখ্যা—১·০০ টকা
এবছৰৰ কমত গ্ৰাহক কৰা নহয়।

আপোনাৰ ওচৰৰ এজেণ্টৰ ওচৰত
খবৰ কৰক
নতুবা
বাৰ টকা আগধন পঠিয়াই
বছৰেকীয়া গ্ৰাহক হওক

'নতুন প্ৰৱাহ'ৰ বছৰেকীয়া গ্ৰাহক হোৱা মানেই
আপুনি আৰু আপোনাৰ পৰিয়ালৰ দিনটোৰ
এনেয়ে হোৱা অলাগতীয়াল খৰছৰ
তিনি দশমিক তেত্ৰিশ পইচা
সংকামত লগোৱা

যোগাযোগৰ ঠিকনা—

পৰিচালক : 'নতুন প্ৰৱাহ'
জয়া প্ৰেছ
কমাচল ৰোড
গুৱাহাটী-৩

# কাব্যৰ আত্মা

শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী

সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ আলোচনা কৰি চালে দেখিবলৈ পোৱা যায় যে গুণ, অলঙ্কাৰ, ৰীতি প্ৰভৃতি বিভিন্ন দিশৰ পৰা কাব্যৰ আলোচনা কৰা হলেও ইয়াৰ সাৰ বস্তু যে ৰস এই অভিমত লাহে লাহে গঢ়ি উঠি শেষত প্ৰতিষ্ঠিত হৈছে। অলঙ্কাৰ, গুণ, ৰীতি, ঔচিত্য প্ৰভৃতি সকলোৱে ৰসৰ পুষ্টি সাধনত সহায় কৰে মাথোন। ৰস শব্দই ৰসাভাস, ভাব আৰু ভাবাভাসকো সামৰি লৈছে। বিশ্বনাথে তেওঁৰ "সাহিত্য-দৰ্পণ"ত ৰসৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দি ৰসাত্মক বাক্যই কাব্য (বাক্যং ৰসাত্মকং কাব্যম্) —এনে সিদ্ধান্তত উপনীত হৈছে। কাব্যক ৰসাত্মক বাক্য বোলা সংজ্ঞাটো ইমান ব্যাপক যে সি এহাতে যেনেকৈ সকলো কাব্যকে সামৰি লব পাৰে আন হাতে তেনেকৈ কাব্য-স্বৰূপৰ এটা স্পষ্ট আভাস দিব নোৱাৰে। ৰস আনন্দ-স্বৰূপ। অৱশ্যে এই আনন্দ লৌকিক নহয়। কাব্য বা নাট্যত সংযোগ কৰা বিভাবাদিৰ যোগেদি এই আনন্দৰ সঞ্চাৰ হোৱাৰ গতিকে লৌকিক জীৱনৰ আনন্দতকৈ ইয়াক পৃথক-ৰূপে দেখুওৱা হৈছে আৰু কোৱা হৈছে যে কাব্যানন্দ নিৰাসক্ত, অলৌকিক। জাৰ্মান দাৰ্শনিক কাণ্টেও কলাৰপৰা লাভ কৰা আনন্দ নিৰাসক্ত অথচ সাৰ্বজনীন বুলি প্ৰমাণ কৰি দেখুৱাইছে।

সৰসতা অৰ্থাৎ হৃদয়-সংবাদিতা যে কাব্যৰ ধৰ্ম এই কথা স্বীকাৰ নকৰি নোৱাৰি; কাৰণ কাব্যৰ আবেদন শাস্ত্ৰাদিৰ আবেদনতকৈ বেলেগ। দৰ্শনৰ আঁহফলা যুক্তি আৰু বৈজ্ঞানিক তত্ত্ব-বিশ্লেষণৰ ধৈৰ্যৰ মাজতো এক শ্ৰেণীৰ লোকে আনন্দ পায়। এই আনন্দ বৌদ্ধিক। কাব্যৰ আনন্দ হলে অনুভূত আনন্দ, হৃদয়ৰ পৰিপূৰ্ণতাৰ তৃপ্তি। টলষ্টয়ৰ দৰে লোকে সৌন্দৰ্য আৰু আনন্দ এই দুয়োটাৰ গুৰিতে বাগীকুঠাৰ মাৰি অনুভূতিৰ সঞ্চাৰণৰ অৱলম্বনত সাহিত্যৰ স্বৰূপ ব্যাখ্যা কৰিবলৈ যত্নপৰ হৈছে। তেওঁৰ মতৰ বিৰুদ্ধে এইটো কব পাৰি যে এজন লোকৰ মনত জাগি উঠা অনুভূতি কোনো মাধ্যমৰ সহায়তে আনৰ অন্তৰত একে ৰূপত জগাই তোলাটো অসম্ভৱ। ৰুচি, গ্ৰহণ-ক্ষমতা প্ৰভৃতি বিভিন্ন দিশত ব্যক্তি—ব্যক্তিৰ মাজত থকা বৈসাদৃশ্য সদায় চকুত নপৰাকৈ নাথাকে। এনে স্থলত এজনৰ ব্যক্তিগত অনুভূতি এটা বিশেষ মাধ্যমৰ যোগেদি সঞ্চাৰিত হৈ আন এজনৰ হৃদয়ত একে ৰূপত জাগি উঠাৰ কল্পনা আংশিকৰূপে সত্য হলেও, সম্পূৰ্ণ-ৰূপে সত্য নহয়। সংস্কৃত আলঙ্কাৰিকসকলৰ ৰসৰ কল্পনা বৰং ইয়াতকৈ বিশ্বাসযোগ্য। বিশ্বাসযোগ্য এই বুলিয়েই যে এইসকলে পোনতে মানুহৰ অন্তৰত সুষুপ্ত হৈ থকা কেইটামান ভাবৰ স্বীকাৰ কৰি লৈছে। বিশেষ বিশেষ

মাধ্যমৰ সহায়ত এই ভাব আনৰ অন্তৰত জাগি উঠি তেওঁৰ নিজৰ অন্তৰাত্মাৰ লগত মিলিত হৈ অন্তৰলৈ যি চমৎকাৰিত্ব আনে তাকেই তেওঁলোকে বুলিছে ৰস। ৰস ভাব নহয়, কিন্তু বিভাবাদিৰ সহায়ত ব্যক্ত আৰু আস্বাদিত এক প্ৰকাৰ আনন্দময় মানসিক অৱস্থা, যিটো অৱস্থাত আপোন ব্যক্তিত্বৰ চৈতন্য নিমজ্জিত হৈ থাকে অথচ এক সাধাৰণীকৃত অৱস্থাত ব্যক্তিয়ে ৰসাস্বাদন কৰি আনন্দ লাভ কৰে। এইবাবে ৰসাস্বাদক ব্ৰহ্মস্বাদ-সহোদৰ বুলি কোৱা হৈছে। ইটালীয় দাৰ্শনিক প্লটি-নাছৰ মতেও কলাকাৰৰ সৃষ্টিৰ উপৰি ভাগৰ বিচাৰতে কলাৰ আবেদন সীমিত নহয়, কিয়নো কলাকাৰে বাহ্য জগতৰ প্ৰতিবিম্ব চিত্ৰিত কৰাৰ সলনি সেই সদস্তুৰ (Idea) আভাস বিভিন্ন মাধ্যমৰ মাজেদি দিবলৈ যত্নপৰ হয়। পাঠকে মাধ্যমৰ সীমাবদ্ধতাৰ মাজতে আবদ্ধ হৈ নাথাকি সেই সদস্তুৰ উপলব্ধিৰ বাবে যত্নপৰ হ'ব লাগে। ভাৰতীয় দাৰ্শনিকৰ দৃষ্টিত এই সদস্তুই হ'ল ব্ৰহ্মৰ অভিব্যক্তি। গতিকে প্লটিনাছৰ কাব্যোপলব্ধিৰ গুৰো ব্ৰহ্মস্বাদৰ সদৃশ।

প্ৰখ্যাত নন্দনতাত্ত্বিক ক্ৰোচেৰ মতে ডাণ্টেৰ লেখা বিচাৰ কৰিব খুজিলে আমি নিজকে ডাণ্টেৰ স্তৰলৈ উন্নীত কৰিব লাগিব। যদিও লৌকিক দৃষ্টিত ডাণ্টে আৰু আমি একে নহওঁ তথাপি আমাৰ মাজত আছে এটা ঐক্য। ভাৰতীয় দাৰ্শনিকসকলে ক'ব এই ঐক্য জীৱাত্মাৰ মাজত থকা ঐক্য। ক্ৰোচে অৱশ্যে জীৱাত্মাৰ কথা কোৱা নাই, কিন্তু ভাববাদী দাৰ্শনিক হিচাপে জীৱাত্মাৰ সলনি স্পিৰিট (spirit) শব্দ ব্যৱহাৰ কৰিছে। ব্যক্তিৰ সকলো পৰিচ্ছেদৰ ওপৰত স্পিৰিটেই মূলাধাৰ বুলি গৃহীত হলে ব্যক্তিৰ মাজত থকা ঐক্য বিশেষ মানি লোৱা যায়। ক্ৰোচে ডাণ্টেৰ স্তৰলৈ আমাক উন্নীত কৰা কথাৰ তাৎপৰ্য এয়ে যে যি মাধ্যমৰ যোগেদি তেওঁ নিজৰ অভিজ্ঞতা ব্যক্ত কৰিছে সেই অভিজ্ঞতা আমি নিজৰ অন্তৰত পুনৰ্নিৰ্মিত কৰি এক সমজাতীয় অভিজ্ঞতা লাভ কৰিবলৈ সমৰ্থ হব লাগে। আৰ্টিষ্ট আৰু ৰসগ্ৰাহী পাঠকৰ মনত সমানধৰ্মী চেতনা আছে। এইবাবে আৰ্টিষ্টৰ অভিজ্ঞতা আনৰ অন্তৰত ৰূপায়িত হব পাৰে। পিছে আৰ্টিষ্টৰ সৃষ্টি সকলোৰে অন্তৰত পুনৰ্নিৰ্মিত হোৱাৰ যোগ্যতা আছে বুলি যুক্তিৰ কালৰপৰা গৃহীত হলেও আচলতে পুন-ৰ্নিমিতি এক শ্ৰেণী লোকৰ অন্তৰতহে হয়। এই শ্ৰেণীৰ লোকক সংস্কৃত আলঙ্কাৰিকসকলে বুলিছে সহৃদয়। এওঁলোকৰ অন্তৰত আৰ্ট উপলব্ধিৰ বাসনা আছে আৰু অভ্যাস আৰু অনুশীলনৰ ফলত ৰসাস্বাদন কৰিবলৈ এওঁলোক সমৰ্থ।

ক্ৰোচেৰ ইন্‌টুইছনৰ আদৰ্শৰ ওপৰত কোলেৰিজৰ কল্পনাৰ প্ৰভাৱ পৰাটো সম্ভৱ। কোলেৰিজৰ আগৰ লেখকসকলে আৰু তেওঁৰ সমসাময়িক কেইজনমান লেখকেও কল্পনাক ব্যক্তি-জীৱনৰ অভিজ্ঞতাৰ চাৰিসীমাৰ মাজতে আবদ্ধ কৰি ৰাখিছিল। এইসকলৰ দৃষ্টিত অভি-জ্ঞতালব্ধ জ্ঞানৰ সংযোগ-বিয়োগৰ মাজতে কল্পনা অৱ-ৰুদ্ধ হৈ আছিল। এইটো লক্, হিউম প্ৰভৃতি প্ৰত্যক্ষবাদী দৰ্শনৰ প্ৰভাৱ। কিন্তু জাৰ্মান ভাববাদী দৰ্শনৰ প্ৰভাৱপুষ্ট কোলেৰিজে কল্পনাক অভিজ্ঞতাৰ চাৰিবেৰৰ মাজৰপৰা মুকলি কৰি এই শক্তি এক মুক্ত আৰু স্বতন্ত্ৰ শক্তি বুলি প্ৰমাণিত কৰিলে। ভাৰতীয় কোনো কোনো আলোচকে কোলেৰিজৰ কল্পনা আৰু সংস্কৃত আলঙ্কা-ৰিকসকলে ব্যৱহাৰ কৰা প্ৰতিভা একাৰ্থক বুলি ক'ব খোজে।[১] যি শক্তিৰ সহায়ত নতুন নতুন ৰমণীয়

১. But since genius is a vague and general term, and moreover is alway seen in poetry in the excellence of the poet's imagination. We need not feel any hesitation in equating pratibha with imagination.

—Imagination in Indian Poetics,—T. N. Sreekantaiya



সৃষ্টি সম্ভৱ হয় সেই শক্তি হ'ল প্ৰতিভা। আচলতে প্ৰতিভা শব্দটোৱে কোনো এটা স্পষ্ট অৰ্থৰ সঙ্কেত বহন নকৰে। কাব্যত হলে প্ৰতিভা শব্দটো কল্পনাৰ সৌন্দৰ্যৰ অৰ্থতে ব্যৱহৃত হয়। গতিকে প্ৰতিভা আৰু কল্পনা এক অৰ্থত ব্যৱহাৰ কৰাত এই ক্ষেত্ৰত বাধা নাই। পাশ্চাত্য আলোচকসকলেও প্ৰতিভা শব্দৰ উল্লেখ কৰিছে। প্ৰতিভাশালীলোকে কল্পনাৰ সহায়ত এক প্ৰকাৰৰ নতুন সৃষ্টি কৰে আৰু এই নতুন সৃষ্টিয়েই হল আৰ্ট। ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাৰ মাজত প্ৰতিভাৰ সহায়ত যে তুৰীয় জ্ঞানো তাৎকালিক প্ৰত্যক্ষ জ্ঞানৰূপত উপলব্ধ হব পাৰে এইটো স্বীকাৰ কৰা হৈছে। আলঙ্কাৰিকসকলে এনে তাৎকালিক উপলব্ধি বা ইনটুইছনৰ ওপৰত বিশেষ গুৰুত্ব দি তাৰ বহল আলোচনাত অৱশ্যে প্ৰবৃত্ত হোৱা নাই। তথাপি "ধ্বন্যালোক"ৰ লোচন টীকাত সাৰস্বত-তত্ত্বৰ (কাব্যসত্য) সন্দৰ্ভত অভিনৱ গুপ্তই স্পষ্টকৈ কৈছে যে অভিব্যঞ্জনা (উপাখ্যা) ইনটুইছনৰ (প্ৰখ্যা) পৰৱৰ্তী কাৰ্য—"ক্ৰমাৎ পৰখোপাখ্যা প্ৰসৰ সুভগম্"। ইয়াৰ ব্যাখ্যা হ'ল যে ক্ৰমাৎ শব্দৰ প্ৰয়োগে প্ৰথমে প্ৰখ্যা আৰু পিছত উপাখ্যাৰ কথা বুজাইছে "প্ৰথমং হি প্ৰখ্যা, তদনন্তৰমুপেখ্যা ইতি ক্ৰমঃ।

আই এ ৰিছাৰ্ডছে মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰে কাব্যা-লোচনাত প্ৰবৃত্ত হোৱাৰ কাৰণে প্ৰতিভা নাইবা কল্পনাৰ সৃষ্টি ক্ষমতা বা কাৰয়িত্ৰী শক্তিৰ স্বীকাৰ কৰা নাই। তেওঁৰ মতে কিছুমান মনোবেগ ক্ৰিয়াশীল। এইবোৰৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত মনত এক প্ৰকাৰ সাম্যাবস্থাৰ সৃষ্টি হয়। এনে অৱস্থাৰ শাব্দিক প্ৰকাশেই হ'ল কাব্য। কিন্তু বিৰুদ্ধ শক্তি-সম্পন্ন মনোবেগৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত উদ্ভৱ হোৱা মানসিক অৱস্থাৰ ৰূপায়ণৰ কাৰণেও এটা শক্তি স্বীকাৰ কৰাৰ আৱশ্যক হয় যি শক্তিয়ে উপযুক্ত শব্দৰ মাধ্যমত তাক মনোমুগ্ধকৰ কৰি প্ৰকাশ কৰিব পাৰে। মানসিক স্থৈৰ্য সৃষ্টিৰ পূৰ্বাৱস্থা। ওৱাৰ্ডছৱৰ্থৰ ভাষাত ই হ'ল সাম্যাবস্থাত স্মৰণ কৰা ভাৱ emotion recollected in tranquillity। নহলে এনে সাম্যাবস্থাৰে স্বয়ং প্ৰকাশিত হোৱাৰ যোগ্যতা কল্পনা কৰিব লাগিব। গতিকে ৰিছাৰ্ডৰ ব্যাখ্যা কাব্য-সৃষ্টিৰ পটভূমিৰ ব্যাখ্যাহে।

অভিনৱ গুপ্তৰ মতে প্ৰতিভা অথবা কল্পনাৰ দৰ্শন আৰু বৰ্ণন এই দুয়োটা শক্তিয়ে আছে। দৰ্শন হ'ল উপলব্ধি আৰু বৰ্ণন অভিব্যঞ্জনা। আৰ্টৰ ক্ষেত্ৰত উপলব্ধি আৰু অভিব্যঞ্জনাৰ ওতপ্ৰোত সম্বন্ধ। ক্ৰোচেৰ দৰে আলঙ্কাৰিকে এই দুয়োটাই অভিন্ন বুলি কৈ পিছত লেঠাতে পৰিছে। কল্পনাৰ সহায়ত কবিয়ে যি সৃষ্টি কৰে সি এটা গোট বস্তু। তাৰপৰা প্ৰত্যক্ষ জ্ঞান লাভ হয়, তাৰপৰা আমি আনন্দ পাওঁ আৰু সিয়েই হয় আমাৰ নিঃসঙ্গতাৰ পৰম সুহৃদ।

আধুনিক পাশ্চাত্য জগতত কাব্য এটা স্বয়ং-সম্পূৰ্ণ বস্তু বুলি গৃহীত হৈছে। স্বয়ং-সম্পূৰ্ণ এই অৰ্থত যে ইয়াত বস্তু আৰু ৰূপৰ ঐক্য সাধিত হয় আৰু ই নীতি, ধৰ্ম বা উপযোগিতা আদিৰ প্ৰচাৰ-মাধ্যম নহয়। ব্ৰেড-লিয়ে কোৱাৰ দৰে ই নিজে আভ্যন্তৰীণ নিয়মৰ অধীন গতিকে অনন্য-সাধাৰণ আৰু একক। কাব্যৰ স্বতন্ত্ৰ অৱস্থিতি অৱশ্যে স্বীকাৰ্য। কিন্তু স্বতন্ত্ৰ অৱস্থিতিয়ে ইয়াৰ একমাত্ৰ বা মুখ্য লক্ষণ নহয়। কাব্য-সৃষ্টি হয় সমাজৰ কাৰণে। স্ৰষ্টাৰ অবচেতন মনত এটা আশঙ্কা থাকে যাতে চিত্ৰ-ৰূপ গ্ৰহণ কৰা তেওঁৰ কল্পনা আনে বুজিবলৈ চেষ্টা কৰে আৰু আনে তাৰপৰা আনন্দ লভে। ব্ৰেখটৰ দৰে অত্যাধুনিক এদল নাট্যকাৰে অৱশ্যে নাট-কৰ যোগেদি আনৰ তৃপ্তিদানৰ সলনি খং তুলিবলৈকো ইচ্ছা কৰে। কিন্তু আনন্দই দিয়ক বা খঙেই তোলক এইদল নাট্যকাৰৰ চকুৰ আগত সমাজখন সদায় উজ্জ্বল হৈ আছে, ৰবং আন লেখকৰ তুলনাত এওঁলোক বেছি সমাজ-চেতন আৰু বেছি প্ৰচাৰধৰ্মী মনোভাবেৰে উদ্বুদ্ধ। সংস্কৃত আলঙ্কাৰিকৰ দৃষ্টিত এনে লেখকৰ মনত ৰস-সঞ্চাৰৰ ধাৰণা নাই, আছে ভাব-সঞ্চাৰৰ আদৰ্শ। এওঁ-লোকৰ মতে এনে সৃষ্টি প্ৰথম শ্ৰেণীৰ নহয়, দ্বিতীয়

শ্ৰেণীৰহে। ভালকৈ আলোচনা কৰিলে দেখা যায় যে ভাব-সঞ্চাৰৰ আদৰ্শৰ মাজত সাৰ্বজনীন ভাব আৰু মহৎ কল্পনাৰ ক্ষেত্ৰ ঠেক। হেগেলে কৈছে যে কাব্যত সাৰ্বজনীন ভাব ধাৰা ব্যক্তিৰ মাধ্যমেদি প্ৰকাশিত হয়। কাণ্টৰ মতে কাব্যৰপৰা লাভ কৰা আনন্দ নিৰাসক্ত। সংস্কৃত আলঙ্কাৰিকসকলৰ মতে কৱিয়ে কাব্যত চিত্ৰিত কৰা বিভাবাদি সাধাৰণীকৃত। বিভাৱত নিশ্চয় ব্যক্তিৰ পৰিচ্ছেদ আছে ; কিন্তু বাৰ্গছঁই কোৱাৰ দৰে এই ব্যক্তি জীৱনত লগ পোৱা ব্যক্তিজন নহয়, ই তেওঁৰ বিশিষ্ট ৰূপ, গতিকে অনন্য। কিন্তু এই অনন্য ব্যক্তিজনকো বুজিব পাৰিব লাগিব আৰু তেওঁৰ কাৰ্যকলাপৰো অন্ততঃ কিছু পৰিমাণে আনৰ অনুৰাগ আকৰ্ষণ কৰাৰ ক্ষমতা থাকিব লাগিব। গতিকে অন্ততঃ কিছু পৰিমাণে আনন্দ-দানৰ আদৰ্শ কাব্যত জড়িত হৈ আছে। যদি কোৱা হয় যে কাব্যই কেৱল সৌন্দৰ্যৰ প্ৰতিহে চকু ৰাখে তেতিয়া হলেও কাব্যই যে আনন্দ দান কৰে এই কথাৰপৰা আঁতৰি যোৱা নহ'ল, কিয়নো প্ৰমাতাৰ দৃষ্টিৰ পৰা বিচাৰ কৰিলে যিহে মনত আনন্দ দিব পাৰে বাস্তৱ জগতত সেয়েই সুন্দৰ।

কাব্যৰ এই অলৌকিক, নিৰাসক্ত আনন্দ-দানৰ আদৰ্শৰ প্ৰতি চকু ৰাখি সংস্কৃত আলঙ্কাৰিকসকলে ৰসেই কাব্যৰ আত্মা বুলি তাৰ স্বৰূপ নিৰ্ণয় কৰিছে। কাব্য ৰসযুক্ত হোৱা বাবে শাস্ত্ৰাদি আৰু বিজ্ঞানৰ পৰা ই পৃথক আৰু ইয়াৰ আবেদনৰ মাজত আছে তৃপ্তি, চমৎকাৰিত্ব। তথাপি ৰসসৃষ্টিয়ে কাব্যৰ উদ্দেশ্য এই কথা কলে ভ্ৰান্ত ধাৰণা উপস্থিত হোৱাৰে সম্ভাৱনা বেছি। ৰসাত্মক হোৱা বাবে কাব্য শাস্ত্ৰাদিতকৈ বেলেগ বস্তু। কিন্তু কেৱল ৰসসৃষ্টিয়ে কাব্যৰ একমাত্ৰ লক্ষ্য কেতিয়াও নহয়। কাব্যৰ ৰস-সঞ্চাৰৰ ক্ষমতা এটা লক্ষণহে।

সংস্কৃত আলঙ্কাৰিক সকলেও কাব্যৰ উদ্দেশ্য কি এই প্ৰশ্নৰ উত্তৰ দিবলৈ যত্ন কৰিছে। কেৱে কেৱে কৈছে কাব্যৰ উদ্দেশ্য ত্ৰিবৰ্গ সাধন। বিশ্বনাথৰ দৰে আলঙ্কাৰিকৰ মতে কম বুদ্ধিৰ লোকেও কাব্যৰ যোগেদি ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চতুৰ্বৰ্গৰ ফল লাভ কৰিব পাৰে। শাস্ত্ৰাদিৰ তাত্ত্বিক আলোচনা সকলোৰে প্ৰতি সহজ-সাধ্য নহয়, কিছুমান লোকৰ বুদ্ধি-বৃত্তিও কম আৰু আন কিছুমানৰ সময়ৰো অভাৱ। কিন্তু কাব্য-পাঠ সকলোৰে কাৰণে সম্ভৱ, কাৰণ শাস্ত্ৰাদিৰ যুক্তি-তৰ্কৰ তুলনাত বাস্তৱ চিত্ৰ-সংযোগৰ সহায়ত ইয়াৰপৰা আনন্দৰ মাজেদি জ্ঞান লাভ কৰা যায়। মম্মট ভট্টৰ দৰে আলঙ্কাৰিকৰ দৃষ্টিভঙ্গী বেছি বাস্তৱ। তেওঁৰ মতে কাব্যৰপৰা যশস্যা লাভ হয়, ই অৰ্থাগমৰ কাৰণ, ই অমঙ্গল নাশক আৰু ই কান্তাসম্মিত শাস্ত্ৰ, প্ৰভুসম্মিত নহয়। বেদাদি শাস্ত্ৰই প্ৰভুৰ দৰে হুকুম দিয়ে ; কিন্তু কাব্যই মনোৰমা পত্নীৰ দৰে স্নেহ আৰু ভালপোৱাৰে উপদেশ দিয়ে। পাশ্চাত্য সাহিত্যতো বহুকাললৈ হোৰেছে স্পষ্টকৈ প্ৰকাশ কৰা আনন্দ আৰু শিক্ষাদানৰ আদৰ্শ প্ৰচলিত হৈ আছিল। শেষৰ কাললৈ শিক্ষাদানৰ আদৰ্শৰ ওপৰত আনন্দ-দানৰ আদৰ্শই বেছিকৈ আধিপত্য বিস্তাৰ কৰিলে। ব্ৰেডলিৰ মতে কাব্যিক অভিজ্ঞতা এটা স্বয়ংসম্পূৰ্ণ বস্তু। কাব্যৰ দূৰৱৰ্তী প্ৰমূল্যও কিছুমান আছে। ই ধৰ্ম, সংস্কৃতিৰ সহায়ক ; ই সৎ আদৰ্শৰ বাহক আৰু ইয়ে কৱিক দিয়ে সম্পদ আৰু যশস্যা। কিন্তু কাল্পনিক অভিজ্ঞতা হিচাপে কাব্যৰ মূল্য এই দূৰৱৰ্তী লক্ষ্যৰ সহায়ত নিৰূপিত হব নোৱাৰে। গতিকে কাব্যৰ বিচাৰ সম্পূৰ্ণৰূপে ইয়াৰ আভ্যন্তৰীণ নিৰ্মাধীন হ'ব লাগে। কিন্তু কাব্যৰ আভ্যন্তৰীণ মূল্য কি এই প্ৰশ্নৰ বিচাৰো আৱশ্যকীয়। ভাৰতীয় দৃষ্টিৰ পৰম্পৰাগত মত অনুসৰি কাব্যৰ আভ্যন্তৰীন মূল্য হ'ল ৰস-সঞ্চাৰৰ ক্ষমতা। পাশ্চাত্য কোনো কোনো আলোচকে হয়তো কব যে ই কাব্য-বস্তুৰ উপস্থাপিত ৰূপ (form)। ৰস অৱশ্যে কাব্যৰ প্ৰধান লক্ষণ, কিন্তু উপস্থাপিতৰূপেই কোনো প্ৰধান কাব্য-লক্ষণ প্ৰকাশ নকৰে। কাব্যৰ যে এটা সামাজিক মূল্য আছে এই কথাত নিশ্চয় কাৰো দ্বিমত নাই। যদি এই সামাজিক মূল্য অস্বীকৃত হয় তেন্তে মানৱ-জীৱনত তাৰ প্ৰয়োজনেই বা



কি? অকল ৰসৰ আদৰ্শয়ো কৱিৰ সামাজিক দায়িত্ব বোধৰ স্পষ্ট আভাস নিদিয়ে। বৰং ৰসকেই সৰ্বেসৰ্বা বুলি ধৰিলে কাব্য যে বিলাসৰ বস্তু মাথোন হৈ পৰাৰ আশঙ্কা আছে অলঙ্কাৰ শাস্ত্ৰত উদ্ধৃত কিছুমান শ্লোকৰ পৰা এই কথা বুজা যায়। কাব্যৰপৰা আনন্দ লাভ হয় এই কথা সঁচা। তথাপি ইয়াৰ মাজত থকা বৌদ্ধিক উপাদানে ইয়াকে হৃদয়গ্ৰাহ্য কৰাৰ লগে লগে জ্ঞানগম্য কৰিও তুলিছে। বিশেষকৈ সমাজ বিবৰ্তনৰ ফলত আমাৰ আধুনিক জীৱনত যিবোৰ আউল লগা আৰু জটিল সমস্যাৰ উদ্ভৱ হৈছে সেইবোৰৰ পৰা আনো কাব্য আঁতৰি থকা উচিত? যদি উচিত নহয়, তেনেহলে সামাজিক অন্যায় অবিচাৰ, শোষণ নিৰ্যাতনৰ প্ৰতি কৱি কেতিয়াও উদাসীন হৈ থাকিব নোৱাৰে। এয়ে হলে কৱি হৃদয়-সংবাদী হোৱাৰ উপৰিও হব লাগিব ক্ৰান্তদৰ্শী। কেনে কৌশলেৰে প্ৰচাৰধৰ্মী অভিযোগৰ পৰা কৱিয়ে নিজক মুক্ত কৰিব পাৰে সেইটো তেওঁৰ প্ৰতিভা আৰু কৌশলৰ কথা।

কেইবা শ বছৰৰ আগতে লাঞ্জিনাছে তুঙ্গ বা উদাত্তৰ কথা কৈছিল। তেওঁ প্ৰকাশভঙ্গীৰ ওপৰতে বেছি গুৰুত্ব দিলেও মহৎ কল্পনাৰ আৱশ্যকতা স্বীকাৰ কৰিছে। কাণ্টৰ উদাত্ততাৰ বিচাৰ কাব্য-কেন্দ্ৰিক নহয়। বাৰ্কৰ কৱিকল্পনা অভিজ্ঞতাৰ চাৰিসীমাৰ মাজতে অৱৰুদ্ধ হৈ থকা গতিকে উদাত্ততা, সৌন্দৰ্য প্ৰভৃতি ব্যাখ্যাৰ মাজত মহত্তাৰ পৰিচয় নাই। তথাপি তুঙ্গ বা উদাত্ততাৰ আদৰ্শই যে ভালেমান কৱিক অনুপ্ৰাণিত কৰিছে তাত সন্দেহৰ থল কম।

কৱিৰ হাতত জীৱনৰ পুনৰ্নিৰ্মিতি হয়। এলেন পোৱে কোৱাৰ দৰে এই নিৰ্মিতি স্বয়ং প্ৰকাশিত ৰূপ নহয়, চেতনা-গ্ৰথিত বস্তুহে। ইয়াত গ্ৰহণ-বৰ্জনৰ স্থান আছে, পাৰিপাৰ্শ্বিকৰ স্পৰ্শ আছে। গতিকে কৱিৰ মনৰ ওপৰত ক্ৰিয়াশীল হৈ থকা জীৱন-দৰ্শনৰ ছাপ কাব্যৰ ওপৰত পৰে। জীৱনৰ উপৰি ভাগতে আবদ্ধ হৈ থকা কৱি কৰ্ম এইবাবে হয় তৰল আৰু তেনে কৰ্মৰ আবেদনো হয় ক্ষণস্থায়ী। কিন্তু যিসকল কৱিৰ জীৱন-বোধ ব্যাপক আৰু গভীৰ সেইসকলৰ সৃষ্টি হয় মহৎ ভাৱৰ দ্যোতক। মহত্ত্ব এক ডাঙৰ দাৰ্শনিক তত্ত্ব বুলি মই ভবা নাই। এটা উপেক্ষিত, অনাদৃত জীৱনৰ ৰূপায়ণৰ মাজতো মহত্ত্ব ফুটি উঠিব পাৰে। কাব্যত মহত্ত্বৰ স্বৰূপ হল মানসিক উন্নয়ন আৰু অলৌকিক তৃপ্তি। ৰসৰ আদৰ্শৰ লগতো মানসিক তৃপ্তিৰ আদৰ্শ জড়িত হৈ আছে। ৰক্ষণশীল আলোচকসকলে ৰসানুভূতিৰ মাজতে উন্নয়নৰ আদৰ্শও হয়তো বিচাৰি উলিয়াব। কিন্তু মোৰ বোধেৰে ৰসৰ স্বৰূপৰ মাজতে তন্ময়তা জড়িত হৈ থকাৰ কাৰণে উন্নয়ন-কাৰ্য ৰসৰ আদৰ্শৰ লগত মিলিত হৈ থকা নাই। ৰসানুভূতি এটা তাৎকালিক প্ৰতিক্ৰিয়া, কিন্তু উন্নয়ন তাৰ পৰৱৰ্তী ফল। কাব্য কেৱল সৰস হলেই এনে উন্নয়ন সাধিত হব বুলি কোৱাৰ যুক্তি নাই। কৱি কল্পনাৰ বিশিষ্টতাৰ কাৰণে কোনো কোনো কাব্যই পাঠকক তন্ময় কৰাৰ উপৰিও তেওঁৰ মনটো যেন বেছিকৈ প্ৰসাৰিত কৰে, মনটো উন্নত স্তৰলৈ লৈ যায়। গতিকে কাব্যৰ মাজত থকা এই মহৎ ব্যঞ্জনা নাইবা উন্নয়নৰ সামৰ্থ্যই হল উৎকৃষ্ট কাব্যৰ সাৰ—তাৰ আত্মা। সৎ কাব্যৰ আবেদন অলৌকিক তৃপ্তিৰ মাজতে নিঃশেষ হৈ নাযায়, কিন্তু তাৰ প্ৰভাৱ হয় জীৱন-যোৰা। এই জীৱন-যোৰা প্ৰভাৱ স্মৃতিৰ ৰোমন্থন মাথোন নহয়, ই এক প্ৰকাৰ শুদ্ধজ্ঞান যাৰ পোহৰত মন হয় প্ৰশস্ত। ৰসৰ যি আনন্দ সি তাৎকালিক অভিজ্ঞতা মাথোন। বিভাবাদিৰ উপস্থিতিত ৰস-চৰ্বনা সম্ভৱ হয়। এইবোৰ অনুপস্থিত হলে ৰসানুভূতি অসম্ভৱ। কিন্তু কাব্যৰ আবেদন ক্ষণস্থায়ী নহয়। ৰস চৰ্বনাৰ তন্ময়তাৰ পাছতো সৎ কাব্যৰ প্ৰভাৱে মনৰ সমৃদ্ধি আনে আৰু তাক ওপৰলৈ তোলে। এনে উন্নয়নৰ ক্ষমতাই হ'ল কাব্যৰ সাৰবস্তু—তাৰ আত্মা। *

* প্ৰবন্ধত কাব্য শব্দ সাহিত্যৰ অৰ্থত ব্যৱহাৰ কৰা হৈছে।—লেখক।

# দাৰ্শনিক দৃষ্টিত সৃষ্টিতত্ত্ব

অধ্যাপক শ্ৰীপূৰ্ণচন্দ্ৰ বৰা

গ্ৰহ, তৰা, নক্ষত্ৰ আৰু আমাৰ পৃথিৱীকে ধৰি বিবিধ বস্তু বা পদাৰ্থবোৰেৰে পৰিপূৰ্ণ এই সৃষ্টিখন বাৰু ক'ৰ পৰা হ'ল? উৰণ, বুৰণ, গজন, ভ্ৰমণ এই চাৰিমুঠি জীৱকে ধৰি পৃথিৱীৰ নানান জীৱ, নিৰ্জীৱ-পদাৰ্থ বা ভৌতিক, অভৌতিক বস্তুবোৰ কোনে কেতিয়া ক'ৰ পৰা সৃষ্টি কৰিলে, বা সৃষ্টি হ'ল? এইবোৰ প্ৰশ্নৰ সমিধান দিয়া অতি জটিল। মানৱ জ্ঞানে এতিয়ালৈকে এইবোৰৰ সন্তোষজনক উত্তৰ দি সিদ্ধান্তত আহিব পৰা নাই।

ধৰ্ম (অৰ্থাৎ, বিভিন্ন ধৰ্মবোৰ), দৰ্শন, বিজ্ঞান আদিবোৰে সৃষ্টিৰ উৎপত্তিৰ বিষয়ে ব্যাখ্যা কৰিছে।

ধৰ্মবোৰৰ ব্যাখ্যা মতে সৃষ্টিৰ উৎপত্তিৰ মূল ঈশ্বৰ। ঈশ্বৰৰ ইচ্ছাত বা ঈশ্বৰৰ দ্বাৰা সৃষ্টিৰ উৎপত্তি হৈছে। হিন্দু, খৃষ্টান, ইছলাম প্ৰমুখ্যে পৃথিৱীৰ বিভিন্ন ধৰ্মই ঈশ্বৰৰ ইচ্ছাত বা ঈশ্বৰৰ দ্বাৰা সৃষ্টিৰ উদ্ভৱ হৈছে বুলি কৈছে।

এই গোটেইবোৰ ধৰ্মৰ ব্যাখ্যাসমূহ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু বিশ্বাসবোৰ সদায় সত্য নহয়। সেই কাৰণে ধৰ্মৰ ব্যাখ্যাই যুক্তিপ্ৰিয় অনুসন্ধিৎসু লোকসকলৰ মনক সন্তোষ দিব নোৱাৰে। গতিকে অনুসন্ধিৎসুসকলে দৰ্শন-শাস্ত্ৰ আৰু বিজ্ঞানৰ ওচৰ চাপি সৃষ্টিৰ উৎপত্তিৰ বিষয়ে জানিব লগাত পৰে।

সৃষ্টিৰ উৎপত্তিৰ বিষয়ে দৰ্শন শাস্ত্ৰত বিভিন্ন দাৰ্শনিক-সকলৰ ব্যাখ্যা কিছু ভিন ভিন ৰকমৰ। তথাপিও দৰ্শন-শাস্ত্ৰৰ পৰা বৰ্তমানলৈকে শুদ্ধ বুলি ধৰা মত এটাৰ ব্যাখ্যা এটাকে গ্ৰহণ কৰা হৈছে। সেইটো হ'ল এনে ধৰণৰ—

বিশ্বব্ৰহ্মাণ্ড এখন নহয় অসংখ্য। সেই সকলোবোৰ বিশ্বব্ৰহ্মাণ্ডৰ লেখ আমি নাপাওঁ বা বৰ্তমানলৈকে পোৱা হোৱা নাই। আনকি আমি থকা বিশ্বব্ৰহ্মাণ্ড-খনৰেই সকলো কথা বৰ্তমানলৈকে আমি জানিব পৰা হোৱা নাই।

বিশ্বব্ৰহ্মাণ্ডবোৰত আমি দূৰবীক্ষণ যন্ত্ৰৰে (টেলিস্কোপ্) চালে কিছুমান নেবুলাহে অৰ্থাৎ জলীয় বাষ্প-পদাৰ্থ দেখা পাওঁ। এই নেবুলাবোৰ জড়-পদাৰ্থ বা পদাৰ্থ বা ভৌতিক পদাৰ্থেৰে (Matter) গঠিত; আৰু ঘনত্বহীন বা শক্তিৰ লাঘৱ অৱস্থাত (Attenuated) আৰু বিস্তৃত বা জুলীয়া ভাৱে সিঁচৰতি (Diffused) আৰু বাষ্পীয় (Gaseous) অৱস্থাত আছিল বুলি অনুমান কৰা হৈছে। এই নেবুলবোৰ কিমান কোটি কোটি বছৰ ধৰি আছে, তাক সঠিক কৰি বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। এই নেবুলাবোৰৰ কণিকাবোৰ বা ক্ষুদ্ৰাতি ক্ষুদ্ৰ অংশবোৰ বা অণুবোৰ বৰ্তমানো ভীষণ উত্তেজনাপূৰ্ণ, গতিশীল আৰু কম্পনযুক্ত, আৰু এই কণিকাবোৰৰ সংঘাত (Friction) হলেই পোহৰ (Light) বা অগ্নি-মেঘৰ (Fiery cloud) সৃষ্টি হয়।

পৃথিৱীকে ধৰি আমাৰ বৰ্তমানৰ সৌৰজগতখন কোটি কোটি বছৰৰ আগতে জুলীয়াভাৱে সিঁচৰতি নেবুলা বা জলীয় বাষ্প বা বাষ্পৰ মেঘ, বাষ্প বা নক্ষত্ৰ ধূলি বা বিশ্বধূলি অৱস্থাত আছিল। এই জুলীয়া ভাৱে সিঁচৰিত নেবুলাবোৰত ভৌতিক বা শাৰীৰিক শক্তি অন্তৰ্নিহিত আছিল। আৰু কিছুমান ভৌতিক বা শাৰীৰিক নিয়মো বা নীতি-বিধিও অন্তৰ্নিহিত হৈ থকাৰ কাৰণে সেইবোৰৰ সহায়ত এই জুলীয়ভাৱে সিঁচৰিত হৈ থকা নেবুলাবোৰ লাহে লাহে ক্ৰম বৰ্ধমান বা ক্ৰম-বিকাশ গতিৰে ঘনীভূত হৈ হৈ কালত ছিগি ভাগি গৈ গোলাকাৰ আকৃতিৰ একোটা পদাৰ্থলৈ যেনে—সূৰ্য, গ্ৰহ-বোৰ, নক্ষত্ৰপুঞ্জ, তৰা আদিলৈ পৰিৱৰ্তন হৈ আহিল। এই ভাগি ছিগি যোৱা জলীয়া ভাৱে সিঁচৰিত নেবুলা পুঞ্জবোৰেই (Nebulous Mass) এটা টুকুৰা—আমাৰ এই পৃথিৱীখন।

এই নেবুলা পুঞ্জবোৰৰ পৰা ভাগি ছিগি অহা কিছুমান অতি সৰু সৰু টুকুৰা কালক্ৰমত ঘনীভূত হৈ ক্ৰমবৰ্ধমান গতিত বা ক্ৰমবিকাশ গতিত বা ক্ৰমবিকাশ বিধিত বৰ্তমানৰ গ্ৰহ, তৰা, নক্ষত্ৰবোৰ হ'লহি; কিন্তু, যিখিনি মূল আৰু ডাঙৰ নেবুলা পুঞ্জ আছিল, সেইখিনি সূৰ্য হ'ল। অৰ্থাৎ গোটেই সৌৰজগত এসময়ত নেবুলা বা জলীয়-বাষ্প-পদাৰ্থ অৱস্থাতহে আছিল। এই নেবুলা-বোৰত অন্তৰ্নিহিত হৈ থকা কিছুমান ভৌতিক শক্তি আৰু ভৌতিক বিধি আৰু আকৰ্ষণ-বিকৰ্ষণ শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ কাৰণে এই নেবুলাবোৰ ভাগি ছিগি যায়। এই ভাগি ছিগি যোৱা নেবুলাৰ টুকুৰাবোৰতো ভৌতিক শক্তি, ভৌতিক বিধি, আকৰ্ষণ আৰু বিকৰ্ষণ শক্তিৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াবোৰ থকাৰ কাৰণে এইবোৰে মূল নেবুলাৰ অৰ্থাৎ ডাঙৰ নেবুলাৰ চাৰিওফালে নিৰ্দিষ্ট গতিত ঘূৰিবলৈ ধৰিলে আৰু সৰু সৰু কিছুমান নেবুলাৰ টুকুৰাই ইটোৱে সিটোৰ চাৰিওপিনে ঘূৰিবলৈ ধৰিলে। অৰ্থাৎ সৰু টুকুৰাই কিছু ডাঙৰ টুকুৰাৰ চাৰিওপিনে নিৰ্দিষ্ট ভাৱে ঘূৰিবলৈ আৰম্ভ কৰিলে। মূল নেবুলা পুঞ্জটো বৰ্তমানৰ সূৰ্যটো। আৰু বাদ বাকী সৰু সৰু নেবুলাবোৰ সৰু বৰ হিচাপে বৰ্তমানৰ গ্ৰহ, নক্ষত্ৰ, তৰা আদি আৰু বৰ্তমানৰ চন্দ্ৰ আৰু আমাৰ পৃথিৱীখনেহ।

এই নেবুলাবোৰ সেই সময়ৰ পৰাই লাহে লাহে ক্ৰম বিকাশ বা ক্ৰমবৰ্ধমান গতিত বা ক্ৰমবৰ্ধমান বিধিত বৰ্তমানৰ অৱস্থা পাইছেহি। আমাৰ পৃথিৱীও সেই অতীতৰ জলীয় বাষ্পৰ অৱস্থাৰ পৰা ক্ৰমবিকাশ গতিৰে বা বিধিৰে ক্ৰমে উন্নত হৈ হৈ আহি বৰ্তমানৰ অৱস্থা পাইছেহি।

আমাৰ পৃথিৱীখনে মূল নেবুলা পুঞ্জটোৰ পৰা ছিগি আহি তাৰ চাৰিওকাষে নিৰ্দিষ্ট গতিত ঘূৰিবলৈ ধৰিলে। কিন্তু তপত গাখীৰ চেঁচা হ'লে যেনেকৈ ইয়াৰ ওপৰত ডাঠ সৰ পৰে, ঠিক তেনেকৈয়ে কালক্ৰমত ক্ৰমবিকাশ গতিৰে বা বিধিৰে লাহে লাহে পৃথিৱীৰ ওপৰখন কিছু চেঁচা হৈ শীতল পদাৰ্থলৈ ৰূপান্তৰ হ'ল। লাহে লাহে চেঁচা হৈ হৈ পৃথিৱীৰ ওপৰখন বেছি ডাঠ হৈ আহিবলৈ ধৰিলে। কালক্ৰমত পৃথিৱীৰ ওপৰত শেলুৱৈ জাতীয় উদ্ভিদৰ উৎপত্তি হ'ল। পৃথিৱীৰ ওপৰত চাৰি-ভাগৰ এভাগ মাটিলৈ ৰূপান্তৰিত হ'ল। আৰু বাকী তিনিভাগ পানী হৈ ৰ'ল। তাৰ পিছত, ঢেঁকীয়া জাতীয় উদ্ভিদৰ উৎপত্তি হ'ল। তাৰ পিছত জলজ, আৰু স্থলজ হয়ো, তাৰ পিচত উন্নত ধৰণৰ জলজ, স্থলজ আদি জীৱবোৰৰ উৎপত্তি হ'ল।

এনেদৰে ক্ৰমবিকাশ গতিৰে বা নীতিৰে ক্ৰমে ক্ৰমে আহি বান্দৰ (Apes) জাতীয় প্ৰাণীৰ বিকাশ হয়। আৰু তাৰ পিছত বান্দৰৰ পিছৰ পৰাই লাহে লাহে মানুহৰ উৎপত্তি হয়।

প্ৰথম মানুহবোৰ আজিৰ তুলনাত বৰ্বৰ, মূৰ্খ আদি আছিল। আৰু ক্ৰমবৰ্ধমান গতিত বা নিয়মৰ ফলত শতাব্দীয়ে শতাব্দীয়ে মানুহবোৰ উন্নত হৈ হৈ আহি বৰ্তমানৰ সভ্য মানুহৰ অৱস্থাটো পাইছে। সৃষ্টিখন এনেদৰে উৎপত্তি হৈছে বুলি বিখ্যাত দাৰ্শনিক স্পেন্চাৰ্, টিন্ডল্, ডাৰ্উইন্, (এওঁ এজন বিজ্ঞানীও), লেপ্লে'চ্, লে'মাৰ্ক্, হাক্স্লি প্ৰভৃতিয়ে

ব্যাখ্যা কৰিছে। এই ব্যাখ্যামতে পৃথিৱীকে ধৰি সৌৰ জগতখন বা সৃষ্টিখন বা বিশ্বখন নেবুলাৰ পৰা ক্ৰমবৰ্ধমান গতিৰে বা নিয়মেৰে আহি বৰ্তমানৰ অৱস্থা পাইছে। আৰু কোনো সৃষ্টিকৰ্তাৰ প্ৰয়োজন নোহোৱাকৈ আপোনা আপুনি বা স্বয়ংক্ৰিয়ভাৱে আজিৰ এই অৱস্থাত উপনীত হৈছে।

এওঁলোকৰ এই ব্যাখ্যা মতে নেবুলা-পদাৰ্থবোৰ গতি-যুক্ত, নেবুলা-পদাৰ্থবোৰ নিয়ন্ত্ৰিত কৰা বিধি বা নিয়মযুক্ত শক্তিৰ সংৰক্ষণযুক্ত, আকৰ্ষণ আৰু বিকৰ্ষণ শক্তিযুক্ত, আৰু মধ্যাকৰ্ষণ শক্তিযুক্ত হোৱাৰ কাৰণে এইবোৰৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া কাৰ্যৰ ফলত সৃষ্টিখন কোনো সৃষ্টি-কৰ্তাৰ প্ৰ.য়াজন নোহোৱাকৈ আপোনা-আপুনি সৃষ্ট হৈছে।

ক্ৰমবৰ্ধমান গতিৰে বা নিয়মেৰে সৃষ্টিখন যে নেবু-লাৰ পৰা বৰ্তমানৰ অৱস্থা পাইছেহি, সেই কথা পৃথিৱীৰ সকলোবোৰ উচ্চ শ্ৰেণীৰ দাৰ্শনিক যেনে—অধ্যাপক জেনেট্, অধ্যাপক বাৰ্গখ, এ, ডব্লিউ, বেনেট্, ডঃ মাৰ্টি-নিউ, ডঃ ফ্লিন্ট্, জে, এছ্, মিল্, ওৱাট্চন্ (এওঁ এজন বিজ্ঞানীও) আদি সকলে মানি লৈছে, যদিও "সৃষ্টিৰ ক্ৰমবৰ্ধমান বিকাশ বা গতি আপোনা আপুনি হৈছে। আৰু কোনো সৃষ্টি কৰ্তাৰ প্ৰয়োজন হোৱা নাই" বোলা কথাষাৰ এই দাৰ্শনিকসকলে সমৰ্থন কৰা নাই।

ডঃ ফ্লিণ্টে কৈছে, কিবা এটা দৈৱী সত্তাহে এই সৃষ্টিৰ মূলত আছে। উচ্চ শ্ৰেণীৰ দাৰ্শনিকসকলে সৃষ্টিৰ মূলতে শাশ্বত মন (Eternal Mind), শাশ্বত বুদ্ধিসত্তা (Eternal Intelligence), শাশ্বত শক্তি (Eternal Power) এটা থকাৰ কথা স্বীকাৰ কৰিছে আৰু সৃষ্টিৰ ক্ৰমবিকাশটোৰ কিবা এটা উদ্দেশ্য থকা বুলিও কয় (Teleological Evolution)। ইয়াক উদ্দেশ্যমূলক বা উদ্দেশ্যযুক্ত বিকাশবাদ বা উদ্দেশ্যযুক্ত ক্ৰমবিকাশবাদ (Theory of Teleological Evolution) বোলা হয়। এই মত পোষণ কৰা সকলো উচ্চ পৰ্যায়ৰ দাৰ্শ-নিকসকলে কয় বোলে সৃষ্টিখনত থকা নিয়ম বা শৃঙ্খলা বিধি বা নিয়মৰ অখণ্ড শাসনৰ বা ৰাজত্বৰ কাৰ্যৰ পৰা আমি কব পাৰোঁ যে সৃষ্টিৰ উৎপত্তিৰ মূলতে কিবা এটা সৰ্বোচ্চ মন বা অসীম বুদ্ধিসত্তা বিদ্যামান, যাৰ দ্বাৰা সৃষ্টি সম্ভৱ হৈছে আৰু ক্ৰমবৰ্ধমান বা ক্ৰমবিকাশৰ গতিত বা নিয়মত সৃষ্টিখন কিবা উদ্দেশ্য প্ৰণোদিত হৈ চলি আহিছে, চলি আছে আৰু চলি থাকিব।

এই শাশ্বত শক্তি বা অসীম মানসিক শক্তিটোৱে সৃষ্টিৰ ক্ৰমবিকাশ গতিক নিয়মিত কৰে, ক্ৰমবিকাশ কৰে আৰু এই বিশ্ব-তন্ত্ৰৰ বা বিশ্ব পদ্ধতিৰ বা বিশ্ব-ব্যৱস্থাৰ শক্তিবোৰক নিৰ্দেশ দি নিয়ন্ত্ৰিত কৰি চলায় আৰু কিবা অজ্ঞান উদ্দেশ্য সাধন কৰে। দাৰ্শনিক আৰ্মষ্ট্ৰঙে এই শাশ্বত শক্তিটোক শক্তি (Energy) সংকল্প-শক্তি বা ইচ্ছা-শক্তি বা চিৎ বা আত্মা (spirit) বুলিছে।

এই শাশ্বত শক্তি বা অনন্ত ইচ্ছা-শক্তি বা অনন্ত চিৎ বা অনন্ত আত্মা বা পৰমাত্মাটোকে ঈশ্বৰ বুলিবও পাৰি। অৰ্থাৎ, নেবুলাকে আৰম্ভ কৰি সৃষ্টিৰ প্ৰত্যেকটো বস্তুতেই শাশ্বত বা অসীম শক্তি বা অসীম বুদ্ধি-সত্তা এটা অথবা অসীম মানসিক সত্তা এটা বিদ্যমান, যাৰ দ্বাৰা নেবুলাৰ পৰা ক্ৰমবিকাশৰ গতিত সৃষ্টিৰ আৰম্ভণি হৈ বৰ্তমানৰ অৱস্থা প্ৰাপ্ত হৈছেহি। সৃষ্টিৰ কিবা এটা উদ্দেশ্য আছে। এই কথা নিশ্চিত। যদিও এই উদ্দেশ্য মানুহৰ জ্ঞানৰ সীমালৈ এতিয়াও আহিব পৰা নাই। অৰ্থাৎ মানৱ জ্ঞানে সৃষ্টি-ৰহস্যৰ কথা ভালকৈ জানিব পৰা নাই।

# 'অতি পৰিতাপৰ বিষয়'

শ্ৰীমোহন চন্দ্ৰ মহন্ত

অসম সাহিত্য সভা পত্ৰিকাৰ জন্মাৱধি ইয়াক মাহে-কীয়া আকাৰত দেখিবলৈ হেঁপাহ কৰি আশাটো পালি থকাসকলৰ ভিতৰৰে এজন হিচাপে আমি এই পত্ৰি-কাক এনে ৰূপত পাই 'নোপোৱা-পোৱা' হৈছোঁ আৰু জয়ে জয়ে এই বাৰে অসম সাহিত্য সভাৰ বৰ্তমান কৰ্মব্যস্ত কাৰ্যপালিকাৰ প্ৰতি আমাৰ সশ্ৰদ্ধ ধন্যবাদপূৰ্ণ সম্বৰ্ধনা জনাইছোঁ।

এই নতুন ৰূপৰ প্ৰথম সংখ্যাৰ পত্ৰিকাখনিত লব্ধ-প্ৰতিষ্ঠ সুসাহিত্যিক বন্ধুবৰ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা দেৱে "এৰা বোটলা যৎকিঞ্চিৎ" নামৰ প্ৰবন্ধত তেওঁতৰ সম য়োপযোগী নেতৃত্বশীল আলোচনামূলক সতৰ্কবাণী "অতি পৰিতাপৰ বিষয়" বুলি লিখা আমাৰ আলোচনী-কাকতৰ পক্ষে অতিশয় গুৰুত্বপূৰ্ণ কথাষাৰৰ বিষয়ে অসমৰ সাহিত্য-সেৱী ৰাইজ আৰু বিশেষকৈ অসম সাহিত্য সভাৰ এই মাহেকীয়া পত্ৰিকা প্ৰকাশ কৰিবলৈ দৃঢ় সংকল্প কৰি ধৰা কৰ্মীসকলে সকলোতকৈ বেছিকৈ মনোযোগ দিব লগীয়া হৈছে বুলি আমি অনুভৱ কৰিছোঁ। তেখেতৰ উক্ত প্ৰবন্ধৰ সাৰুৱা কথাখিনিৰ ভিতৰত উদ্ধৃত কৰা "দীপক"ৰ অন্তিমবাণীৰ ১১শ দফাত "আমি সাহিত্য সভা পাতো, কিন্তু অসমীয়া কাকতবোৰ ৰক্ষাৰ ব্যৱস্থা নকৰোঁ।" বুলি কৰা অভিযোগত সাহিত্য সভাৰ কাণত সোঁ-সোঁৱাই যাব লগীয়া কথা এৰাবো আছে।

"দীপকৰ আত্মহত্যা" নামৰ শোক আৰু উদ্বেগজনক কথা দফাত সাহিত্য-গুৰু হাজৰিকা দেৱে সৰ্তাক-মন্ত্ৰ মাতি আমাৰ মৰা-জীয়া সকলো আলোচনী কাকতকে চুই যোৱাকৈ এই দৰে জাৰিছে ;—"আজিৰপৰা আঠৈ কুৰি বছৰৰো আগতে 'জোনাকী'ৰ আত্মকথাত 'প্ৰতিমা'ৰ খনিকৰ চন্দ্ৰকুমাৰে লিখিছিল বোলে অসমত আলোচনীৰ জীৱন কচুপাতৰ পানীৰ নিচিনা। অতি পৰিতাপৰ বিষয়, অত বছৰে সময়ৰ সোঁতত দেশৰ ভাগ্যত কিমান সাল সলনি ঘটিল, কিন্তু আগৰৱালাৰ সেই দুখ লগা কথাষাৰৰ মূল্য একেদৰে সঁচা হৈ থাকিল। সেই বিষয়ে কাণসাৰ কৰিবলৈ কাৰো কাণসাৰ নাই। ইখনৰ পিছত সিখন অসমীয়া আলোচনী ওলাই আছে, মৰি আছে, ই

যেন মানুহৰ হাত নথকা এক স্বাভাৱিক নিয়ম। কোনোবাখন কাকত মৃত্যু হোৱাৰ ফলত যদি জনচেৰেক ছপাশালৰ কৰ্মী কৰ্মচ্যুত হয়, যাইকৈ সেই বাবেহে কেইদিনমান কন্দা-কটা আৰু মালিকক দোষাৰোপ কৰি বাদ-প্ৰতিবাদ চলে। কাকতখন নোহোৱা হোৱাৰ বাবে যি জাতীয় ক্ষতি হয় সেই দিশটোৰ প্ৰতি লক্ষ্য কৰি কোনেও জোৰকৈ মাত নেমাতে। ইয়াৰ যাই কাৰণ হৈছে অসমীয়া ৰাইজৰ জাতীয় চৈতন্যৰ অভাৱ।"

"অসমীয়া ৰাইজৰ জাতীয় চৈতন্যৰ অভাৱ" বোলোঁতে সুবিজ্ঞ সাহিত্য-নেতা গৰাকীকে প্ৰমুখ্য কৰি মোৰ নিচিনা অভাজনলৈকে অসমীয়া জাতিৰ উচ্চ-নীচ সকলোকে সামৰি যোৱাকৈ আটাইৰে গাত কালিমাৰ ফিচকাৰী পৰাত, মোৰ দৰে জীৱনৰ বেলি মাৰ যাবলৈ ধৰা সাহিত্য-সেৱী সাংবাদিকে, কোনো কোনোৰ পক্ষে অপ্ৰিয় হলেও, এই বিষয়ে জনাই-নজনাই দু-আষাৰ মান কবলৈ বাধ্য হৈছে। আমি আমাৰ নাতি-দীৰ্ঘ জীৱনৰ অভিজ্ঞতাৰে এই প্ৰসঙ্গতে আমাৰ পুৰণি-নতুন সকলো আলোচনীৰে সৰ্বসাধাৰণ দোষ-খুঁত কেইটামানৰ কথা তলত আলোচনা কৰিম। কোনেও নিজে এই বিলাক তেওঁকে বা তেওঁৰ কাকতখনকে লক্ষ্য কৰি কোৱা হৈছে বুলি গা পাতি লৈ বেজাৰ-অসন্তোষ নকৰে যেন। 'দীপক'ৰ প্ৰায় কুৰি বছৰীয়া জীৱনৰ অভিজ্ঞতাৰে লিখা অন্তিমবাণীৰ প্ৰতি আমি সম্পূৰ্ণ সহানুভূতি জনাও আৰু এই অন্তিম বাণীয়েই আমাৰ সুহৃৎ হাজৰিকা দেৱে বিচৰামতে আমাৰ জাতীয় চৈতন্য সঞ্জীৱিত কৰি তোলা দেখিবলৈ পালে এই কাকতৰ আত্ম-ত্যাগ সাৰ্থক হৈছে বুলি ধৰিম।

চিন্তাশীল লোকক মানসিক খোৰাক যোগাৰৰ কাৰণেই যাইকৈ আলোচনী-কাকতৰ আৱশ্যক হয়। সময়মতে ভোকৰ ভাত পিয়াহৰ পানী খাবলৈ নেপালে মানৱ মাত্ৰৰে যি দুৰ্দশা হয়, সময়মতে মানসিক আহাৰ নেপালেও গতানুগতিক ভাবেৰে নচলি প্ৰগতিশীল ভাবেৰে চলা চিন্তাশীল প্ৰাণীসকলৰ সেই একে দশাই হয়। সেই কাৰণে পোন প্ৰথমে প্ৰশ্ন উঠে আমাৰ মাহেকীয়া আলোচনীবিলাকে সময়ৰ আৱশ্যকমতে আমাৰ চিন্তাশীল লোকশ্ৰেণীৰ মানসিক খাদ্যাভাৱ পূৰণ কৰিব পাৰেনে? চিন্তা নকৰাকৈ থকা এনেহুৱা শ্ৰেণীৰ লোকক চিন্তাশীল কৰি তোলাটোতেই লিখনীৰ সাৰ্থকতা বেছিকৈ প্ৰতিপন্ন হয়। পিছে তেনে কৰাটোতো দূৰৰে কথা, সংখ্যাত কম হলেও চিন্তাশীল শ্ৰেণীটোকেই সময়মতে "বজৰ চিনিব পৰাকৈ" বা মনৰ স্ফুতি লগাব পৰাকৈ আমাৰ মাহেকীয়া আলোচনীবিলাকে ভাল ৰান্ধনীৰ দৰে ৰান্ধি-বাঢ়ি খুৱাবলৈ নানান কাৰণত অসমৰ্থ হৈ পৰে। কীৰ্তন ঘোষাৰ "উপজি মৰিব যাতনা ভুগিব" বোলা কথাষাৰ আখৰে আখৰে ফলিওৱা আমাৰ মাহেকীয়া আলোচনীবিলাকৰ চমু জীৱন-চৰিত্ৰবিলাক ভালকৈ ফঁহিয়াই চালে এই কথাই প্ৰধানকৈ ওলাই পৰে। "নাচিব নজনা নাচনীয়ে চোতালখন হেৰেমগৰীয়া" বুলি গালি পৰাৰ দৰে আমাৰ উপজি মৰি থকা কাকতপত্ৰবোৰৰ গৰাকীসকলে আনৰ গাত ৰাবেপাচি দোষৰ বোজা জাপি দি নিজে নিজগৰীয়া বা নিৰ্দোষী বোলাই গা সাৰিবলৈ বিচাৰে। আমাৰ দেশৰ দীৰ্ঘজীৱী কাকতকেইখন কি কি গুণৰ বলত তেনে হ'ব পাৰিছে সেই বিষয়ে আমি অলপো ভাবি নেচাওঁ। যিবিলাক দোষ ক্ৰটীৰ কাৰণে আমাৰ কাকতপত্ৰবোৰ অল্পায়ু হয় তাৰ ভিতৰত সৰহ ভাগেই জন্ম লয় কাকতৰ নিজ কাৰ্যালয়ৰ মজিয়াতেই। একো একোজন ৰাইজৰ শ্ৰদ্ধাস্পদ লোকৰ প্ৰচেষ্টাত চলি থাকি অল্পায়ু হোৱা কাকত-পত্ৰবোৰৰ অকাল-মৃত্যুৰ দোষ-খুঁত উকটিবলৈ গ'লে সেই বিশিষ্ট লোকসকলৰ অপ্ৰীতিভাজন হোৱাৰ ভয়তে কোনেও আচল কথা মুখ খুলি ক'বলৈ নেপায়। সম্পাদকসকলে যেনে তেনে প্ৰকাৰে কাকতখন উলিওৱাৰ প্ৰতিহে লক্ষ্য ৰাখে, গ্ৰাহক-পাঠকৰ ৰুচি-বিৰুচিৰ প্ৰতি অলপো দৃষ্টি নেৰাখে। নিজে ভালপোৱা কথা কিছুমানকে গ্ৰাহক-পাঠকেও ভাল পাবই লাগিব বুলি ধৰিলে, হাতেৰে চকনী জোকাৰি ছাত্ৰক পাঠ শিকোৱা স্কুল-পণ্ডিতৰ দৰে, মইমতীয়া



ভাৱে কাকতপত্ৰ ছপাই উলিয়ালেই কাকত চলে জানো? গ্ৰাহক-পাঠকে কোন সময়ত কি জানিবলৈ বিচাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি চলাটোৱেই সম্পাদকৰ প্ৰথম কৰ্তব্য। তেওঁ নিজকে নিজে গ্ৰাহক-পাঠকৰ দৃষ্টিভঙ্গীৰে এনেকৈ জেৰা কৰিব লাগে যে, তেওঁ প্ৰকাশ কৰিবলৈ লোৱা কথাবিলাক গ্ৰাহক-পাঠকে কিমান মূল্য দি কিনি পঢ়িব। যদি সেই কথাবিলাক মূল্য দি পঢ়িব লগীয়া বিধৰ নহয়, তেন্তে গ্ৰাহক-পাঠকে সেইবিলাক নপঢ়িলে অথবা পঢ়িও কাকতৰ দাম দিবলৈ পাহৰি গ'লে কাকত-পত্ৰই নিজকে নিজেহে দুষিব লাগে। আমাৰ কাকত-পত্ৰবিলাক বহু সময়ত "আভোকৰ ন-মুঠি"ৰ নিচিনা কথাৰেই ভৰে। গ্ৰাহক-পাঠকক সম-সাময়িক চিন্তাৰ নেতৃত্ব দিয়াটো দূৰৰ কথা, সাময়িকভাৱে শুদাই নিকাই উপযুক্ত মানসিক আহাৰ যোগোৱাটোতো সেইবিলাক ব্যৰ্থ হয়। সাংবাদিক ৰীতিৰে চলোৱা কোনো কোনো কাকতপত্ৰত প্ৰকাশ হোৱা অনেক বিষয়-বস্তুৰ ভিতৰত একো একোটা মূল্যবান প্ৰবন্ধ বা সংবাদৰ বাবেই কাকতখন কিনি পঢ়িবলৈ গ্ৰাহক-পাঠকে হেঁটাওপৰা লগায়, অথচ এনে বিষয়-বস্তুৰ অভাৱত চকুত লগাকৈ প্ৰকাশিত হোৱা ভাল ভাল কাকত-পত্ৰও তেঁকুৰা লাগি পৰি থাকিব লগীয়া হয়।

আমাৰ কাকতপত্ৰ চলাওঁতাসকলে নিজ নিজ কাৰ্যালয়ত বহি থাকিয়েই গ্ৰাহক-পাঠকসকলৰপৰা প্ৰাপ্যখিনি পাই থাকিবলৈ বিচাৰে। কিন্তু তেওঁলোকৰ কাকত-পত্ৰবিষয়ে গ্ৰাহক-পাঠকৰ মতামত বিচাৰি তেওঁলোকে কেতিয়াও ক'লৈকো এখোজো নেযায়। আন কি, চিঠি-পত্ৰেৰেও এনে মতামত কেতিয়াও নিবিচাৰে। যদি উপৰাচি কোনোবাই তেওঁলোকৰ কাকতপত্ৰৰ দোষ-খুঁত দেখুৱাবলৈ যায়, তেন্তে তেওঁকো তেওঁলোকে খোঁচাহে পায়। ব্যৱসায়ী মনোবৃত্তিৰেই আমাৰ সাময়িক পত্ৰিকা চলাওঁতাসকলে এই ব্যৱসায় হাতত লয়; অথচ তেওঁলোকে এনে ব্যৱসায়ৰ মৌলিক আৱশ্যকতা বিলিৰ লগতেই সম্পৰ্ক নেৰাখে।

কিছুদিনৰ আগতে এখন সাময়িক পত্ৰিকা বিচাৰি যোৰহাটৰ কিতাপ-পত্ৰ বেচা দোকান এখনলৈ গৈছিলোঁ। দোকানীজনে দুখেৰে ক'লে,—"আপোনাৰ নিচিনা জনদিয়েক লোকে বিচাৰে দেখি সেই নামৰ কাকত খনদিয়েক আগেয়ে এবাৰ কিনি আনি সকলো গ্ৰাহকে দেখাকৈয়ে ডেস্কত মেলি থৈছিলোঁ। অনেকেই কাকতকেইখন মেলি-তৰি চালে, কিন্তু কোনেও নিকিনিলে। মোৰ অযথা কিনা টকা কেইটাহে ভৰণি হ'ল। সেই দেখি আকৌ সেই কাকত অনা নাই।" এনে ভুক্ত-ভোগী এজেণ্টৰ পৰা বিক্ৰী নোযোৱা কাকতৰ বাকী বৰঙণি আদায় কৰিবলৈ গ'লে বিফল হোৱাটো নিশ্চয় স্বাভাৱিক। অৱশ্যে "লোকৰ পিঠাৰে বিহু কৰা" লোক অসমৰ ভিতৰত নোহোৱা নহয়। সেই বুলি সকলোকে সামৰাকৈ দোষাৰোপ কৰাটোও উচিত নহয়। ভালকৈ চলি থকা কাকতবোৰ দেখোন দুই-এদিনতে বিক্ৰী হৈ যায়। এনে কাকত-পত্ৰৰ গ্ৰাহক বা এজেণ্টসকলৰ পৰাও মূল্য ঠিক মতেই আদায় হৈ থাকে।

আমাৰ ক্ষণস্থায়ী কাকত-পত্ৰবোৰৰ অকাল মৃত্যু হোৱাৰ বহুতো কাৰণ আছে। সেইবোৰ ফঁহিয়াই চাই তেনে কাৰণৰ পৰা হাত সাৰিবলৈ যোৱাটোহে কৰ্তব্য।

আমাৰ অসমত দৈনিক, সপ্তাহিক প্ৰভৃতি ঘনাই ওলোৱা সাময়িক কাকত-পত্ৰবোৰে আগতেই পঢ়িব লগীয়া বা জানিব লগীয়া কথা আৰু বিষয়বিলাক প্ৰকাশ কৰি যোৱাৰ পাছতহে মাসিক পত্ৰিকা বিলাক প্ৰাকেই চৰ্বিত-চৰ্বণ কৰিবলৈ যায়। এনে চৰ্বিত-চৰ্বণত ঐতিহাসিক অভিলেখৰ বাহিৰে একো সাংবাদিক মূল্য নেথাকে। দৈনিক-সাপ্তাহিক-পাক্ষিক কাকত-পত্ৰবোৰে যিমানখিনি নজনা কথা জনায়; তাতোকৈ বেছি কথা যদি মাসিক পত্ৰিকাবোৰে জনাব নোৱাৰে তেন্তে তেনেকুৱা মাসিক পত্ৰিকাবোৰে "আবতৰীয়া বেতেনাই মোক তোল মোক তোল" কৰাৰ নিচিনাকৈহে নিজৰ বজাৰ বিচাৰিব লগীয়া হয়।

অসমত যেতিয়া ডাকৰ যোগাযোগ আৰু অন্যান্য অসুবিধাত দৈনিক, সাপ্তাহিক, অৰ্দ্ধ সাপ্তাহিক আদি কাকত চলিব পৰা নাছিল; তেতিয়া মাসিক পত্ৰিকাৰ আদৰ বাঢ়িছিল। এতিয়া এনেকুৱা কম সময়ত প্ৰকাশ হোৱা আমাৰ কাকতপত্ৰৰ সংখ্যা বহুত বাঢ়িল আৰু সেইবিলাকে মাহেকীয়া আলোচনীত প্ৰকাশ হ'ব লগীয়া কথা সপ্তাহে সপ্তাহে এনেকি দিনে দিনে প্ৰকাশ কৰিবলৈ ধৰিছে। এনে সুবিধা পাই গ্ৰাহক-পাঠকসকল মাসিক পত্ৰিকাত ওলোৱা চৰ্বিত-চৰ্বণ কৰা বা বহীয়া পৰা কথাত ৰাপ-নোপোৱা হৈ পৰাটো সম্পূৰ্ণ স্বাভাৱিক। আজি কালি দৈনিক, সাপ্তাহিক, অৰ্দ্ধসাপ্তাহিক আদি কাকতে বহু পৰিমাণে আলোচনী-কাকতৰ অভাৱ পূৰণ কৰিছে। তেনে কাকতপত্ৰৰ অনেক গ্ৰাহক-পাঠকৰ বেছি কাকত-পত্ৰ কিনি পঢ়িবলৈ আৰ্থিক সামৰ্থ্যও কম। সেইকাৰণে মাসিক পত্ৰিকাৰ আদৰ কমি গৈছে। এই আদৰ বৃদ্ধি কৰিবলৈ হ'লে মাসিক পত্ৰিকাবিলাক এনে স্বক্তেকীয়া কাকত-পত্ৰাৱলীকতকৈ বেছি তত্ত্ব আৰু তথ্যপূৰ্ণ, নেতৃত্বশীল, চিন্তাগধুৰ, মনোগ্ৰাহী আৰু সঁচি থ'বৰ উপযোগী হ'ব লাগিব। নতুন কথা জানিবপৰা সাংবাদিকতা হ'ব লাগিব কাকতখনৰ মূলনীতি। কাকতখনত যি কথা বা বিষয়ৰেই আলোচনা হওক, তাৰ এটা সাংবাদিক মূল্য থাকিবই লাগিব। আলোচনীৰ আলোচ্য বিষয়ৰ লক্ষ্য হ'ব লাগিব গ্ৰাহক-পাঠকসকলক নতুন কথা জনোৱাটো। পুৰণি ঐতিহাসিক কথা আলোচনা কৰিবলৈ গ'লেও তাৰ লক্ষ্য হব লাগিব নতুনৰ জন্মত পুৰণি সাৰ-পানী যোগোৱাটো। সংবাদিক ৰীতিৰে প্ৰকাশ কৰা হয় দেখিয়েই আমাৰ দৈনিক, সাপ্তাহিক আদি কাকতৰ বিশেষ সংখ্যাবোৰ মাহেকীয়া আলোচনীৰ দৰেই প্ৰকাশ হয় যদিও তাৰ গ্ৰাহক-পাঠকৰ সংখ্যা নকমে, বৰং বেছিহে হয়। এনে কাকত এখনো বিক্ৰী নোহোৱাকৈ পৰি থকা দেখা নেযায়। মাহেকীয়া আলোচনী-কাকতৰ সম্পাদকসকল অকল ভাল সাহিত্যিক হ'লেই নহয়, তেওঁলোকে সাংবাদিকতাও জানিব লাগে।

যোজনীয়া বা আশীৰ্বাদীয়া প্ৰবন্ধ আদিৰেই কাকত-পত্ৰ চলাবলৈ বিচৰা ৰীতিটো এতিয়ালৈকে সুগুচাটোও আমাৰ কাকত-পত্ৰবিলাকৰ এটা ডাঙৰ কুলক্ষণ। ধৰি লওক আপুনি এজন খ্যাতনামা লিখক। আপোনাৰ প্ৰবন্ধ এটা পালেই মোৰ কাকতখনৰ আদৰ বঢ়াৰ আশা আছে। সেই কাৰণে আপোনালৈ মই লিখিলোঁ এটা প্ৰবন্ধ পঠাবলৈ। আপুনি মোৰ কথা ৰাখি এনে এটা প্ৰবন্ধ পঠিয়াই দিলে যিটো হয়তো আন কাকত-পত্ৰই প্ৰকাশ নকৰে বুলি আপুনি আগতেই বঢ়িয়াকৈ জানি পেলাই থৈছিল। সেই প্ৰবন্ধটো পাই মই মোৰ কাকতত আতো-পুতোকৈ "মুকুতা"ৰ দৰে জিলিকাকৈ প্ৰকাশ কৰিলোঁ। কিন্তু গ্ৰাহক-পাঠকে প্ৰবন্ধটো "মুকুতা" নুবুলি "শোকোতা" হে বুলিলে। এনেকুৱা তিতা-শোকোতাৰ সম্ভাৰেৰে প্ৰকাশ পোৱা কাকত কেইকাল টিকিব ?

সাময়িক পত্ৰ-পত্ৰিকা বুলিলে তাত সাময়িক উপযোগী পঢ়িব লগীয়া বিষয়-বস্তু থাকিবই লাগিব। সেয়ে নহলে এনে কাকত-পত্ৰৰ আদৰ নোহোৱা হয়। আজিৰ তাৰিখত প্ৰকাশ হব লগীয়া মাসিক পত্ৰিকা এখনতো আজিৰ তাৰিখৰ দৈনিক কাকতৰ দৰেই আজিলৈকে অতীত মাহটোৰ জানিবলগীয়া মূল মূল কথাবিলাক থাকিবই লাগিব। সেই কাৰণে আজি প্ৰকাশ হব-লগীয়া বিখ্যাত মাসিক পত্ৰিকাবোৰৰ অন্তত: এটা ফৰ্মা কালি ৰাতিহে ছপা কৰা হয়—যাতে কালিৰ ভিতৰত ঘটা প্ৰধান ঘটনাৰ কথাকো কাকতখনত আজি পঢ়িবলৈ পোৱা হয়। এনে আধুনিক কৰি আমাৰ মাহেকীয়া কাকত প্ৰকাশ কৰিব পৰাকৈ ছপাখানা বিলাক এতিয়ালৈকে হৈ উঠা নাই যদিও আজিপৰ্যন্ত আধুনিক হব পৰা সাংবাদিক ৰীতিৰ পৰিপন্থী ব্যৱস্থাৰে পুৰণা তেঁতুৱা জালি থকা কথা কিছুমানকে নতুন কথাৰ দৰে সজাই পৰাই উলিয়াবলৈ গ'লে কাকত অল্পায়ু নহৈ কি হব !

বৰ্তমান যুগত আমি বিদেশৰ পৰা যিবিলাক আনুষ্ঠানিক আদৰ্শ গ্ৰহণ কৰিছো তাৰ ভিতৰত সাংবাদিকতাও



এটা। ইংৰাজ ৰাজত্বৰ আগতে আমাৰ দেশত পত্ৰিকাৰ বাহিৰে নিৰ্দিষ্ট সাময়িকভাৱে প্ৰকাশ হোৱা একো কাকত-পত্ৰই নাছিল। গতিকে, এই সাংবাদিকতাৰ আদৰ্শ আয়ত্ত কৰিবলৈ হ'লে আমি আমাৰ চিৰন্তন সাহিত্যিক ৰীতিৰ বাহিৰেও বৈদেশিক বা আন্তঃৰাষ্ট্ৰীয় আদৰ্শ অধ্যয়ন কৰিব লাগিব। ইংৰাজী ভাষাত বাৰ্তাবাহী কাকত-পত্ৰৰ গ্ৰাহকক বুজোৱা "ছাব্‌স্ক্ৰাইবাৰ" বোলা শব্দটোৰ ঠিক প্ৰতিশব্দ আমাৰ ভাষাত নাই। এই শব্দই সাময়িক কাকত-পত্ৰৰ অকল মূল্য দি কিনি লোৱা গ্ৰাহককেই নুবুজায় কোনো কাকতৰ "ছাব্‌স্ক্ৰাইবাৰ" হোৱাৰ অৰ্থ হৈছে নিম্ন-স্বাক্ষৰকাৰী হোৱা অৰ্থাৎ কোনো কাকত-পত্ৰৰ মতামতৰ সমৰ্থক -হোৱাটোকে বুজায়। সেই দেখি সৰবৰহী কাকত-পত্ৰই সপক্ষ-বিপক্ষ সকলো ৰকমৰ মতামতৰ প্ৰতি সমাদৰ ৰখাকৈ আৰু যিমানদূৰ সম্ভৱ অতি সৰহ সংখ্যাৰ লোকৰ মনোগ্ৰাহী হোৱাকৈ চলিবলৈ বিচাৰে। কিন্তু আমাৰ কাকত-পত্ৰ-পৰিচালক আৰু সম্পাদকসকলে সংস্কাৰশীল মনোবৃত্তিৰে তেওঁলোকৰ নিজৰ মতামতেই শুদ্ধ আনৰ মতামত অশুদ্ধ, এনে অধিনায়কীয় বা মইমতীয়া মনোভাৱেৰে তেওঁলোকৰ কাকত-পত্ৰ ছপাবলৈ গৈ অনেক সময়ত ৰাইজৰ অপ্ৰিয় হৈ উঠিব লগীয়া হয়। এনে সংস্কাৰশীল মনোবৃত্তিৰে চলোৱা মহাত্মা গান্ধীৰ হৰিজন-গোষ্ঠীৰ কাকত কেইখনৰেই অকাল মৃত্যু হব লগীয়া দশা হৈছিল। আমাৰ দলীয় বা সাম্প্ৰদায়িক কাকত-পত্ৰবোৰো অল্পায়ু হৈছে এই দোষতেই। অল্পায়ু হোৱা প্ৰতিখন কাকতৰেই কম-বেছি পৰিমাণে মইমতীয়া প্ৰকৃতি একোটি আছে। অনেক সময়ত এনে মইমতীয়া প্ৰকৃতি অশ্লীল পাতকী হৈ উঠাও পৰিলক্ষিত হয়। এনে প্ৰকৃতিৰ একো আমাৰ কথা এনেকি একো একোটা শব্দয়ে গোটেই কাকতখন ৰাইজৰ অপ্ৰিয় কৰি তোলে। সেই কাৰণে জনপ্ৰিয় সম্পাদকে তেওঁৰ কাকতৰ প্ৰতিটো কথা আনকি প্ৰতিটো শব্দৰ প্ৰতি চকু ৰাখিব লাগে। সৰ্বসাধাৰণ লোকে ভাল নোপোৱা একোটা শব্দৰ ব্যৱহাৰেই গোটেই কাকতখনৰ কাল হবও পাৰে। সম্পাদকৰ ব্যক্তিত্বৰ বাহিৰেও তেওঁৰ সম্পাদিত কাকতখনৰ সুকীয়া নিজৰ এটা ব্যক্তিত্ব থাকে। সেই কাৰণে সম্পাদকৰ নিজৰ মতামতেই সেই কাকতৰো মতামত বুলি ধৰিব পৰা নহয়। যদি কাকতখনৰ এনে ব্যক্তিত্বসূচক মতামতৰ লগত সম্পাদকৰ ব্যক্তিগত মতামত বেলেগ হ'ব লগীয়া হয়, তেন্তে তেওঁ তাক সাধাৰণ লিখকৰ দৰে সুকীয়াকৈ নিজ নামত প্ৰকাশ কৰাই বাঞ্ছনীয়। তাকে নকৰি সম্পাদকে মইমতীয়াভাৱে নিজৰ মতামতকে কাকতৰ মতামত বুলি নিজৰ জয়ঢোল নিজে কোবাবলৈ গ'লে কাকতৰ গ্ৰাহক-সকল "ছাব্‌স্ক্ৰাইবাৰ" বা তেওঁৰ মতামতৰ নিম্নস্বাক্ষৰকাৰী হবলৈ অনিচ্ছুক হৈ উঠে। এনে অৱস্থাত পাৰ গ্ৰাহক-পাঠকসকলে আৰু অনুগ্ৰাহক-সংগ্ৰাহকসকলে কাকতখন চাই-এৰা দিবলৈ ধৰে আৰু কাকতৰ সম্পাদক বা পৰিচালকসকলে ব্যৰ্থমনোৰথ হৈ গ্ৰাহক-পাঠকৰ গাতে দোষৰ ফিচ্‌কাৰী মাৰিলে উভতি নিজৰ গাত পৰাৰহে সম্ভাৱনা বেছি হয়।

সাংবাদিকতাই বৰ্তমান সাহিত্যৰ ৰূপত ৰং-চৰোৱা অঙ্গ হৈ উঠিছে আৰু আমাৰ দৈনন্দিন জীৱনৰ নেতৃত্ব কৰিব লাগিছে। এনে হোৱা সত্বেও আমাৰ সাহিত্যিক অনুষ্ঠানবিলাকে সাংবাদিক সাহিত্য-চৰ্চাৰ ওপৰত একো গুৰুত্ব আৰোপ কৰা নাই। কোনো কোনো লোক বিশিষ্ট সাহিত্যিক হব পাৰে, কিন্তু সেই বুলি তেওঁ সাংবাদিক হ'ব নোৱাৰে। অথচ এনে হোৱাও দেখা যায় যে আলোচনী বা অন্য সংবাদপত্ৰৰ পৰিচালকসকলে সম্পাদক নিযুক্ত কৰিবৰ সময়ত সাংবাদিক যোগ্যতালৈ নেচাই সৰ্বসাধাৰণ সাহিত্যিক বৈশিষ্ট্য লৈ চায়েই সম্পাদক মনোনীত বা নিৰ্বাচিত কৰে। ফলত কাকতৰ অকাল মৃত্যু হয়।

নিজা ছপাখানা আৰু কাকত চলোৱাৰ অন্যান্য সামৰ্থ্য থকা খ্যাতনামা লোকজনচেৰেকৰ হাততো আমাৰ কাকতপত্ৰৰ অকাল মৃত্যু হোৱা দেখা গৈছে।

সাংবাদিকতা বা সাংবাদিক আৱশ্যকতা-পূৰণৰ অভাৱতেই এনে হয়। "মডাৰ্ণ ৰিভিউ" নামৰ কলিকতাৰ পৰা প্ৰকাশ হোৱা বিখ্যাত মাহেকীয়া কাকতখন খ্যাতনামা সাংবাদিক ৺ৰমানন্দ চট্টোপাধ্যায়ৰ হাতলৈ অহাৰ সময়ত মৰামুচা অৱস্থাত আছিল। কিন্তু চট্টোপাধ্যায় মহাশয়ে তেওঁৰ সাংবাদিক জ্ঞানৰ প্ৰভাৱত সেই কাকতখন অগ্ৰগণ্য জনপ্ৰিয় কাকত কৰি তুলিলে। অসমতো স্বনামধন্য সাংবাদিক-গুৰু শ্ৰীলক্ষ্মীনাথ ফুকনে হাতদিয়াৰ ফলত খনদিয়েক (?) কাকত-পত্ৰ বেছি জনপ্ৰিয় অৱস্থালৈ উন্নীত হৈ উঠাৰ কাহিনী আমি জানো। * আনপক্ষে তেখেতকৈ বেছি খ্যাতনামা সাহিত্যিক জনচেৰেকৰ হাতত পৰিও খনদিয়েক কাকতপত্ৰই লোকপ্ৰিয়তা হেৰুৱাই অকাল মৃত্যুৰ হাতত পৰাৰ কথা আৰু কাকত-পৰিচালকৰ মইমতীয়া স্বভাৱৰ ফলত উপযুক্ত সাংবাদিকৰ দ্বাৰা সম্পাদিত হৈ ভালকৈ চলি থকা কাকতপত্ৰবো অসময়তে আধ্যা পৰাৰ কাহিনীও আমি জানো। সম্পাদকৰ বিজ্ঞতাপূৰ্ণ সাংবাদিক স্বতন্ত্ৰতা আৰু পৰিচালকৰ লোকপ্ৰিয়, নিৰ্দলীয় আৰু নিৰপেক্ষ মনোবৃত্তি উভয়েই আৱশ্যক হয় কাকতপত্ৰৰ সুদীৰ্ঘ জীৱনৰ নিমিত্তে।

প্ৰতিখন বিখ্যাত দীৰ্ঘজীৱী আলোচনী বা অন্যান্য ধৰণৰ সাময়িক পত্ৰ-পত্ৰিকাত চকু ফুৰাই চালে দেখা যায় যেন উধৰপৰা মূৰলৈকে কাকতখন একেজন লোকেই লিখিছে। তেনে কাকতৰ নিজা নিজা একোটাইত বৈয়ক্তিক বৈশিষ্ট্য আৰু আদৰ্শ আছে। সেই কাকতৰ নাম-ধাম কাটি তাত ওলোৱা কথা এডোখৰ আন কাকতৰ তেনে এডোখৰ কথাৰ লগত মিজাই চালেই এই বৈশিষ্ট্য বা আদৰ্শ ততালিকে ধৰা পৰে। সেই কাকতলৈ আপুনি যদি প্ৰকাশ কৰিবৰ নিমিত্তে কিবা কথা পঠিয়ায়, তেন্তে আপোনাৰ প্ৰকাশ হোৱা কথাখিনি এনে সুসম্পাদিত আকাৰত আপোনাৰ আগত ওলাবহি যে সেই কথা প্ৰকাশ হোৱাৰ আগতে আপোনাৰ লেখাত থাকি যোৱা দোষ-খুঁতখিনি বঢ়িয়াকৈ আপুনি উপলব্ধি কৰিব পাৰিব। এনে সুসম্পাদিত কাকত-পত্ৰ পঢ়ি পাঠকসকলেও সেই কাকতৰ নিজৰ আহিৰে ভাৱভাষা আৰু লেখাৰীতি সংগঠিত কৰে। আমাৰ কাকতপত্ৰবোৰে এনে আদৰ্শ দাঙি ধৰাত ব্যৰ্থ হৈ পৰা যেন লাগে। আমাৰ একোখন সাময়িক পত্ৰিকা বা আলোচনীৰ পাতে পাতে এনে কি শাৰীয়ে শাৰীয়ে হোৱা ভুলবিলাকৰ বাবে কাকতখন পঢ়িবলৈ মন নোযোৱা হৈ উঠে। আজি কালি অসমীয়া ভাষা ৰাজ্যভাষা তথা শিক্ষাৰ মাধ্যম হৈ উঠাৰ যুগত আদৰ্শনীয় ভাষাৰ শিক্ষা কৰাটোও সকলোৰে পক্ষে আৱশ্যকীয় হৈ উঠিছে। এতিয়া নতুনকৈ অসমীয়া শিকিবলৈ অসংখ্য অনা-অসমীয়া লোকে আগ্ৰহ কৰিছে। অসমীয়া ভাষীসকলো ভাল অসমীয়া জানিবলৈ আগ্ৰহশীল হৈ উঠিছে। এনে হোৱা সত্ত্বেও আমাৰ কাকত-পত্ৰবিলাকে আদৰ্শনীয় ভাৱে নিখুঁত আৰু নিৰ্দোষ হৈ ওলাবলৈ বিচৰাটো আৱশ্যকীয় কথা বুলি নেভাবে। এনে পাচিয়ে পাচিয়ে ভুল কৰি চলা কাকত-পত্ৰ পঢ়ি আদৰ্শভ্ৰষ্ট হোৱাতকৈ কাকতপত্ৰবোৰ এৰি দিয়াটোকেই ন-শিকাৰুসকলে উচিত বুলি বিবেচনা কৰিবলৈ ধৰে। বহুতো গ্ৰাহক-পাঠকে যে ভাষা শিকিবৰ কাৰণেই আমাৰ কাকত-পত্ৰবোৰ নিতৌ পাঠ কৰে এই কথা আমাৰ কাকত-পৰিচালক আৰু সম্পাদকসকলে পাহৰি যায়।

অসমত অসমীয়া কাকত-পত্ৰৰ বাহিৰে এই ৰাজ্যৰ বাহিৰৰপৰা অহা কাকত-পত্ৰবিলাকৰ প্ৰতি বেছি আগ্ৰহ আৰু সেইবিলাকৰ গ্ৰাহক বেছি হোৱাৰ কাৰণ কি সেইটো

১ এই প্ৰসঙ্গতে ৺ৰাধানাথ চাংকাকতী সম্পাদিত 'Times of Assam', শ্ৰীঅমিয় কুমাৰ দাস সম্পাদিত 'অসমীয়া' আৰু ডাঃ শ্ৰীদীননাথ শৰ্মা সম্পাদিত 'আৱাহন' আৰু ওঠৰ বছৰে নিয়মীয়া ভাৱে চলি থকা শ্ৰীসতীশ চন্দ্ৰ কাকতী সম্পাদিত 'অসম-বাণী'ৰ জনপ্ৰিয়তাও উল্লেখযোগ্য।—সম্পাদক, পত্ৰিকা।



বিচাৰ কৰি চালে আমি উল্লেখ কৰা আমাৰ কাকত-পত্ৰবিলাকৰ দোষ-ত্ৰুটিবোৰ স্পষ্টকৈ আমাৰ চকুত লগা হৈ ওলায়। আমাৰ অনেক কাকতপত্ৰৰ সম্পাদকীয় দক্ষতা থাকিলেও ব্যৱসায়িক দক্ষতাৰ অভাৱ হয়। আকৌ এই কথা ওলোটা ধৰণেও খটা বিধৰ অৱস্থাও কেতিয়াবা কেতিয়াবা পৰিলক্ষিত হয়। বিজ্ঞতা আৰু অভিজ্ঞতাপূৰ্ণ সম্পাদনা যেনেকৈ আৱশ্যকীয়, বিচক্ষণ ব্যৱসায়িকতাও সেইদৰেই আৱশ্যকীয়। অনেক সময়ত ব্যৱসায়িক স্বাৰ্থ আৰু সম্পাদকীয় স্বাৰ্থৰ ভিতৰতো সংঘৰ্ষ হৈ উঠে। পাঠকবৰ্গৰ স্বাৰ্থলৈ চাই সম্পাদকে এনে অনেক কথা প্ৰকাশ কৰিব লগীয়া হয়—যিবিলাক কথা হয়তো ব্যৱসায়ৰ স্বাৰ্থৰ পৰা পৰিচালকসকলৰ পক্ষে পৰিপন্থী হৈ উঠে। বিজ্ঞাপন আদি সুবিধা আদায় কৰি থকা অনুষ্ঠান বা লোকৰ বিৰুদ্ধে যোৱাকৈ আমাৰ সম্পাদকসকলে জনপ্ৰিয় সত্য কথাকো প্ৰকাশ কৰিবলৈ সাহ কৰিব নোৱাৰা হয়।

আমি ওপৰত উল্লেখ কৰি অহা আলোচনী-কাকতৰ গুণ-দোষবিলাক আমাৰ আলোচনীবিলাকৰ বাহিৰে কম-বেছি পৰিমাণে অন্যান্য সংবাদপত্ৰতো থাকে। অকল আমাৰ আলোচনীবিলাকৰ জীৱনেই যে "কচুপাতৰ পানীৰ নিচিনা" হৈ আছে, এনে নহয়, অন্যান্য বাতৰি-কাকতৰ জীৱনো তেনেকুৱাই হৈ আছে বুলি ক'লে বঢ়াই কোৱা নহয়। এই কাকত-পত্ৰবোৰৰ মৰণোত্তৰ পৰীক্ষাৰ বুৰঞ্জী গাবলৈ গ'লে আমি বহুতো অপ্ৰিয় সত্যৰ প্ৰমাণ পাওঁ। সাংবাদিক সাহিত্যই আজি কালিৰ সভা দেশবোৰত প্ৰাধান্য লাভ কৰিছে যদিও অসমত এই বিষয়ে চিন্তা-চৰ্চা এতিয়ালৈকে আশানুৰূপভাৱে নোহোৱাটো অতিশয় পৰিতাপৰ বিষয়। সাহিত্য সভাৰ অধিবেশনবিলাকতো এই বিষয়ে যথেষ্ট আলোচনা-বিলোচনা হোৱা দেখিবলৈ বা শুনিবলৈ পোৱা নহয়।

অসম সাহিত্য সভা পত্ৰিকাখন প্ৰথম মাহেকীয়া হৈ ওলোৱা বছৰটো নানান কাৰণত আমাৰ জাতীয় ইতিহাসত চিৰস্মৰণীয় হৈ থাকিবৰ সম্ভাৱনা হৈছে। এই বছৰটোতে অঘটন ঘটন হোৱা এই পত্ৰিকাৰ মাহেকীয়া ৰূপটো যদি অসম সাহিত্য সভাৰ নিচিনা অসমীয়াৰ সৰ্বশ্ৰেষ্ঠ জাতীয় অনুষ্ঠানে চিৰস্থায়ী হোৱাৰ ব্যৱস্থা কৰিব নোৱাৰে, তেন্তে তাতকৈ আৰু বেছি পৰিতাপ বা অনুতাপ কৰিব লগীয়া কথা শাখা-প্ৰশাখাৰে সৰ্ববৃহৎ অসমীয়া ৰাজহুৱা অনুষ্ঠানটোৰ পক্ষে আন একোৱেই নহ'ব। অসম সাহিত্য সভা পত্ৰিকাৰ দোষ-গুণবিলাকো মহাপুৰুষ মাধৱদেৱে "নাম-ঘোষা"ত আত্মনিন্দা কৰি আত্মবিশ্লেষণ কৰাৰ দৰে সমালোচনা কৰাটোও উচিত হৈ পৰিছে। এই ৰাজহুৱা কাকতখনো জন্মাৱধি আজিলৈকে কিয় একে ধৰণেই গতানুগতিক ভাৱেহে কোনোমতে চলি থাকিব লগীয়া হৈছে সেইটোও বিচাৰ কৰিব লগীয়া বিষয়েই হৈছে। সাহিত্যৰো স্বকীয় সাংবাদিকতা আছে আৰু সেই সাংবাদিক ৰীতিৰেই সাহিত্য সভা পত্ৰিকাও চলিব লাগে। কিতাপ-পুথিত নোপোৱা ধৰণৰ নতুন কথা এনে পত্ৰিকাই যোগাব পাৰিলেহে ইয়াৰ মূল্য বৃদ্ধি হয়। *

* টোকা : প্ৰবীণ চিন্তাশীল লিখক আৰু অধিবক্তা শ্ৰীমোহন চন্দ্ৰ মহন্তদেৱে আমাৰ জাতীয় জীৱনৰ এটা গুৰুতৰ সমস্যাৰ বিষয়ে লিখা এই আলচটোৱে সমূহ অসমীয়া ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিলে আমি ভাল পাম। কাকতৰ সম্পাদকৰ লগতে পৰিচালক আৰু প্ৰকাশকৰ সম্পৰ্কও ওতঃপ্ৰোতভাৱে জড়িত। এই সম্পৰ্কত চন্দ্ৰকুমাৰ আগৰৱালা, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু শ্ৰীৰাধাগোবিন্দ বৰুৱাৰ দৰে বৰেণ্য লোকসকলৰ অৱিহণাও কম নহয়। এই আলচত সেই সমস্যাৰ সকলো দিশ সামৰি লোৱা হোৱা নাই যদিও চিন্তাৰ যথেষ্ট খোৰাক আছে। অৱস্থা চাই ব্যৱস্থা কৰাটোহে বাঞ্ছনীয়। এই বিষয়ে পঢ়ুৱৈৰ সুচিন্তিত অভিমত পালে প্ৰকাশ কৰা হ'ব। সম্পাদক, পত্ৰিকা।

# ৺পূৰ্ণানন্দ শৰ্মা পাঠকৰ সোঁৱৰণত

**শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা**

অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাতাসকলৰ অন্যতম শ্ৰীপূৰ্ণানন্দ শৰ্মা পাঠক ডাঙৰীয়া অলপদিন মাত্ৰ বাৰ্ধক্য জনিত অসুখত ভুগি যোৱা ৪ জুন তাৰিখে ৰাতি যোৰহাটৰ ঘৰত স্বৰ্গী হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স চাৰিকুৰি চাৰি বছৰ পাৰ হৈছিল। তেখেতৰ লগে লগে অসম সাহিত্য সভা প্ৰতিষ্ঠাতাসকল প্ৰায় নোহোৱাই হ'ল। অসম সাহিত্য সভাৰ প্ৰথম সভাত কুৰি দুজন সভ্যই সমগ্ৰ অসমৰ প্ৰতিনিধিত্ব কৰিছিল। প্ৰথম কাৰ্যনিৰ্বাহক সভাখনৰ সভ্য পাঠক ডাঙৰীয়াৰ পাছত এতিয়া দুই তিনি জনমানহে ৰৈছেগৈ। ১৯১৫ চনত যোৰহাটৰ কাছাৰীত আইন ব্যৱসায় কৰাৰ লগে লগেই পাঠক ডাঙৰীয়া সাহিত্য সভাৰ লগতো জড়িত হৈছিল। তেওঁ প্ৰথমতে আছিল যোৰহাট সাহিত্য সভাত, দুবছৰ পিছত অসম সাহিত্য সভা স্থাপন হোৱাত তাতো সোমাল। এই দুই অনুষ্ঠানৰে পাঠক ডাঙৰীয়া অপৰিহাৰ্য সভ্য হৈ পৰিছিল। জীৱনৰ পাছৰ ছোৱাতো তেখেতে সাহিত্য সভাৰ খা-খবৰ লোৱা, এই বিষয়ত নানা সজ উপদেশ দিয়া আৰু যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়লৈ সঘনে আহি তাত অনুষ্ঠিত হোৱা সভা-সমিতিত যোগ দিয়া আদি কাৰ্যত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক, সৰ্বজনপ্ৰিয় আশাশুধীয়া কৰ্মী, সভাগুৰুনি সুদৰ্শন পুৰুষ ৺শৰৎচন্দ্ৰ গোস্বামীৰ লগত পাঠক ডাঙৰীয়াক সভাতে সভাৰ কাৰ্যত ব্যস্ত থকা দেখা গৈছিল। সাধাৰণতে বগলী পাখী যেন বগা চুৰিয়া, পঞ্জাবী চোলা পিন্ধি কানত চাদৰ আৰু হাতত লাঠি লৈ সভাৰ কাৰ্যত ফুৰা, গোসাঁইদেৱৰ লগতে একেধৰণেৰে পোছাক পিন্ধা আৰু কেতিয়াবা কোৰাপতীয়া পাগুৰি মাৰি যোৱা ৺পাঠকক সঘনে দেখা কথা আজিও মোৰ মনত পৰে। কি গহীন-গম্ভীৰ চাল-চলন। অসম সাহিত্য সভাৰ কাৰ্যালয় নিৰ্মাণ কৰিবৰ নিমিত্তে দুহেজাৰ টকীয়া প্ৰথম দানটো পাঠকদেৱে নিজৰ সম্বন্ধীয় বড়ামাটি মাহৰা সত্ৰৰ মাননীয় দেৱেশ্বৰ গোস্বামীৰ পৰা আগতে লবলৈ ঠিক-ঠাক কৰি, পাছত নিয়মিতভাৱে সম্পাদক ৺শৰৎচন্দ্ৰ গোস্বামীৰ হতুৱাই কাৰ্যনিৰ্বাহক সভাৰ হৈ গ্ৰহণ কৰায়। সেই সময়ত কাৰ্য নিৰ্বাহক সভা গোট খুউৱা বৰ সহজ নাছিল। দূৰণিবটীয়া সভ্যসকলৰ নিয়ৰ নিজৰ চৰকাৰী বিষয়-বাব বা নিজৰ ব্যৱসায় আদি এৰি যেতিয়াই তেতিয়াই গোটখোৱা অসুবিধা আছিল। তাৰ উপৰিও যান-বাহনৰ অসুবিধায়ো বাধাৰ সৃষ্টি কৰিছিল। তথাপিও নতুন অনুষ্ঠান এটা পতাৰ প্ৰথম উৎসাহে পৰাপক্ষত সভ্যসকল, আৱশ্যকীয় সভা-সমিতিত উপস্থিত হবলৈ চেষ্টা কৰিছিল। সাধাৰণতে যোৰহাট আৰু





ওচৰ পাঁজৰৰ লোক সকলেই আহি সভাৰ কাম চলাইছিল। সভাৰ গুৰুত্বপূৰ্ণ বিষয়বিলাকত আঁতৰত থকা সভ্যসকলক বিশেষভাৱে নিমন্ত্ৰণ কৰি আনিব লগীয়া হৈছিল। কোৱা বাহুল্য, যথেষ্ট দূৰদৰ্শিতাৰে সৈতে যোৰহাটত বা ওচৰে পাঁজৰে বিষয় বাব লৈ থকা অন্যান্য জিলাৰ লোকসকলৰ ভিতৰৰ পৰাই, সাহিত্যৰ প্ৰতি আগ্ৰহ থকা লোকক বিচাৰি কাৰ্য্য-নিৰ্বাহক সভাৰ সভ্য নিৰ্বাচিত কৰা হৈছিল। এই কাৰণে সমিতিৰ কাম কৰিবলৈ থূল হোৱাত বিশেষ অসুবিধা নহৈছিল। দক্ষিণ পাৰে ৺নৰদেৱ গোস্বামীৰ ন্যাস পুঁজিৰ বিষয়তো পাঠক-দেৱৰ পোনপটীয়া চেষ্টা যথেষ্ট আছিল। নিজৰ সুযোগ্য পুত্ৰ দুজনক হেৰুৱাই, তেওঁবিলাকৰ স্মৃতি ৰক্ষাৰ নিমিত্তে শোকাতুৰ পিতৃ দানবীৰ ৰাধা কান্ত সন্দিকৈ ডাঙৰীয়াই প্ৰথমতে ২৫,০০০ হেজাৰ টকাৰ দান আগ বঢ়ায়। এই দানেৰে বৰ্তমান কেন্দ্ৰীয় কাৰ্যালয় থকা মাটি ডোখৰত চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণ কৰিবলৈ লোৱা হয়। গৃহ নিৰ্মাণ কৰিবলৈ পোৱা আগৰ দুহেজাৰ টকা, দাতাসকলৰে সৈতে পৰামৰ্শ কৰি '৺কমলা দেৱী শিশু সাহিত্য' ন্যাস পুঁজিলৈ ৰূপান্তৰিত কৰা হয়। এইবিলাক কামত পাঠক ডাঙৰীয়াই আন্তৰিকতাৰে সৈতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পাঠক ডাঙৰীয়াৰ সাংগঠনিক বিচক্ষণতা আৰু বাগ্মিতাই প্ৰথম অৱস্থাত সাহিত্য সভা প্ৰতিষ্ঠা কৰাত যি সহায় কৰিলে তাৰ তুলনা বিৰল। সভাৰ দলিল-পত্ৰ, জাননী, গোহাৰি আদি শুৱলা আৰু গহীন ভাষাত পাঠকে প্ৰথমে লিখি দিলেহে বাকী সকলোৱে আলোচনা কৰি আৱশ্যক বুজিলে ইকাল সিকাল কৰে। পাঠক দেৱে নিজে লিখা কথাৰ লালসলনি কৰিবলৈ এলাগেছাকৈ নিদিয়ে, যথেষ্ট যুক্তি-তৰ্কৰ পিছত নিজে ভালকৈ বুজিলেহে সৈমান হয়, নহলে নিজৰ মত এৰি নিদিয়ে। সেই সময়ৰ প্ৰধান সম্পাদক গোস্বামী দেৱে সভাৰ আইন সম্বন্ধীয় কাকত-পত্ৰবিলাক প্ৰথমতে আইন ব্যৱসায়ী পাঠক ডাঙৰীয়া আৰু ৺দেৱেশ্বৰ শৰ্মাৰ পৰামৰ্শ মতে লিখি প্ৰধান আইনজ্ঞ ৺ৰাধানাথ ফুকন, ৺দুৰ্গেশ্বৰ শৰ্মা আদিৰ লগত আলোচনা কৰি তাৰ পিছতহে কাৰ্যনিৰ্বাহক সভাৰ অনুমোদন কৰাই লয়। ৺শৰৎ চন্দ্ৰ গোস্বামী দেৱে বেছি কথা নকয়। অকাট্য যুক্তিৰে সৈতে গহীন-গম্ভীৰভাৱে চমুকৈ কথা কোৱাটোৱেই তেখেতৰ স্বভাৱ, সেইহে কোনো সভা-সমিতি হোৱাৰ আগতে তেওঁ পাঠক-দেৱ আদিৰে সৈতে ভিতৰুৱাকৈ আলোচনা কৰি লয়। ৺পাঠক দেৱে বক্তৃতা দিবলৈ হলে দীঘলীয়া কথাৰে সকলো কথা তন্ন তন্নকৈ বুজাই দিবলৈ যত্ন কৰে। তেখেতৰ কথা পানী নসৰকা বিধৰ। দীঘলীয়া বক্তৃতা দি সকলো কথা ভালকৈ বুজাই দিয়াটো কৰ্তব্য বুলি ভবা কাৰণেই পিছলৈ খুঁত থাকিলেও, লৰালৰিকৈ কাম শেষ কৰিবলৈ বিচৰা সকলে পাঠক দেৱে বক্তৃতা দিবলৈ উঠিলে বৰ ভাল নাপাইছিল। শেষ বয়সতো তেখেতে দীঘলীয়া কথা কৈ বহুত পুৰণি লাগতিয়াল কথা প্ৰকাশ কৰিবলৈ ভাল পাইছিল। কোনো কোনো উৎসাহী, অনুসন্ধিৎসু ডেকাই তেখেতৰ বক্তৃতাৰ পৰা পুৰণি কথা টুকি লোৱাও দেখা গৈছিল। ১৯৪৪ চনলৈকে সাহিত্য সভাৰ বাৰ্ষিক সভাৰ সভাপতিজন গোটেই বছৰ সভাপতি হৈ থকাৰ নিয়ম নাছিল, সম্পাদক জনেই সভাৰ গুৰিয়াল হিচাপে সকলো দায়িত্ব বহন কৰিব লগীয়া হৈছিল। এনে অৱস্থাত পাঠক দেৱেও ১৯২৭ চনৰ পৰা ১৯৪২ চনলৈকে সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ গুৰুভাৰ এৰাধৰাকৈ সাত বছৰ কৰিব লগীয়া হৈছিল। সভাৰ বিশেষ পৰিস্থিতি উদ্ভৱ নহলে সেই সময়ত একেজন সম্পাদককে প্ৰায়ে নিৰ্বাচন কৰা নহৈছিল। সেই সময়ৰ নিৰ্বাচনবিলাকলৈ মন কৰিলে এই বিষয় সহজে বুজিব পাৰি। ১৯৩৩ চনত পাঠক ডাঙৰীয়া ৺ডিম্বেশ্বৰ নেওগ দেৱৰে সৈতে যুটীয়াকৈ সাহিত্য সভা পত্ৰিকাৰো সম্পাদক নিৰ্বাচিত হয়। এই বিলাকৰ উপৰিও ন্যাসপুঁজি আদিতো পাঠক দেৱ সভ্য-ৰূপে আছিল। এই দৰেই আৰম্ভৰ পৰাই পাঠক দেৱ ওতঃপ্ৰোত ভাৱে অসম সাহিত্য সভাৰ লগত জড়িত আছিল।

যোৰহাট নগৰৰ পৰা প্ৰায় দহ মাইল পূবে থকা দিহাত ৺পূৰ্ণানন্দ শৰ্মা পাঠকৰ পুৰণি বাসস্থান আছিল। এই দিহাতেই বকুল বনৰ কবি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা আৰু বৰ্তমান অসমীয়া সাহিত্যৰ অন্যতম কবি-সাহিত্যিক শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য-দেৱৰো পুৰণি ঘৰ। প্ৰায় তিনি কুৰি বছৰ আগতে পাঠক পৰিয়াল ঘৰৰ তিনি চাৰি মাইল পূবে থকা টীয়কৰ জগদুৱাৰ চাপৰিলৈ উঠি যায়। তাত তেওঁলোকে খেতি-বাতি কৰি গৰু-ম'হ, ৰাখি আদৰ্শ গাৰ্হস্থীয়া গৃহস্থ হিচাপে বসতি কৰিবলৈ লৈছিল। তেওঁলোকৰ জনচেৰেকে বাগিছা আদিতো কাম কৰি আঢ্যৱন্ত হৈছিল। এই পৰিয়ালতে ৺পাঠক দেৱ ১৮৮৯ চনৰ ১৪ ভাদত জন্ম গ্ৰহণ কৰে। প্ৰাথমিক বিদ্যালয়ত শিক্ষা সাং কৰি যোৰহাটত থাকি চৰ্কাৰি উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজত আৰু কলিকতাৰ মেট্ৰপলিটান মহাবিদ্যালয়ত পঢ়ি স্নাতক হৈ আইন অধ্যয়ন কৰে। মাজতে তেওঁ নাজিৰা আৰু দেৰগাওঁ উচ্চ ইংৰাজী বিদ্যালয়তো কিছুদিনৰ কাৰণে শিক্ষকতা কৰে। তাৰ পিছত আইন পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯১৫ চনত যোৰহাটত ওকালতি আৰম্ভ কৰে। এই বিষয়ত তেওঁ তিনিকুৰি বছৰৰো ওপৰ কাল, বিশেষকৈ দেৱানী গোচৰত, যথেষ্ট অভিজ্ঞতা সম্পন্ন উকিল বুলি নাম কৰিব পাৰিছিল। আইন ব্যৱসায়ত তেওঁৰ প্ৰচুৰ উপাৰ্জন হলেও ঘৰত সততে আলহী-অতিথি ৰখাৰ বাবে আৰু আনক আৰ্থিক সহায় কৰাৰ কাৰণে তেওঁ উপাৰ্জনৰ জোখাৰে অৰ্থ সঞ্চয় কৰিব নোৱাৰিছিল। যি মানুহে অকল আত্মকেন্দ্ৰিক নহৈ বহুতৰ কাৰণে ভাবিব লগীয়া হয়, বা ভবা উচিত বুলি ভাবে, তেনে মানুহ সাধাৰণতে তথাকথিত ধনী হ'ব নোৱাৰে। পাঠকদেৱৰ বিষয়তো এই কথা খাটিছিল। অনেক জ্ঞান আহৰণ কৰিও তেওঁ সাহিত্য ভাল পোৱালৈ চাই কিতাপ-পত্ৰ লিখি প্ৰকাশ কৰিব নোৱাৰিলে। মনত আছিল যদিও অৱস্থাই নিদিলে। তেওঁ অৱশ্যে নিজেই অভিনয়ত অংশলৈ, যোৰহাট আৰু তৰাজান ৰঙ্গমঞ্চত ভাল অভিনেতা বুলি নাম কৰিছিল। অভিনয় কৰিবৰ নিমিত্তে কেৰাখনো মৌলিক নাটক লিখিছিল, আন ভাষাৰ নাটকো অনুবাদ কৰিছিল। দুখৰ বিষয় তেওঁৰ মৌলিক নাটক আজিও অপ্ৰকাশিত অৱস্থাতে আছে। তেওঁৰ ভালেমিনি ওখ খাপৰ প্ৰবন্ধ পুৰণি আলোচনী কিথনত প্ৰকাশ হৈছিল। তেওঁ বহুত পুথি কিনি এটা পুথিভঁড়াল ঘৰতে সুন্দৰকৈ ৰাখিছিল। কোনো অসমীয়া ছপা কিতাপ-আলোচনী ওলোৱা গম পালেই তেওঁ যত্ন কৰি সংগ্ৰহ কৰিছিল।

তেওঁ স্বধৰ্মনিষ্ঠ পিতৃ ৺দুৰ্গাৰাম পাঠক আৰু মাতৃ ৺ধৰ্মেশ্বৰী দেৱীৰ দৰেই স্বধৰ্মনিষ্ঠ, ঈশ্বৰ বিশ্বাসী, সাত্ত্বিক ভাবৰ নিভাঁজ অসমীয়া ভদ্ৰলোক আছিল। মিত্ৰিৰ-কুটুম, আত্মীয় স্বজনৰ খা-খবৰ ৰখা, বিপদে-আপদে দেখা শুনা কৰা, সহায় সাৰথি কৰাটো তেওঁৰ অপৰিহাৰ্য নীতি। নিজে ধৰ্ম বিষয়ত নিষ্ঠাবান হলেও আন ধৰ্মৰ লোকৰ লগতো নিজক খাপ খুৱাই চলিব জনাটো তেখেতৰ বিশিষ্ট গুণ। কোঁচাপতীয়া পাগুৰি মৰা, ঘাগৰি গতিয়াকৈ চেলেং, খনীয়া কাপোৰ লৈ ফুৰা, এই জাকত জিলিকা মানুহজনে তথাকথিত অভিজাত বা ধনীৰ অপৰিহাৰ্য আহিল-পাতি নোহোৱাকৈয়ে, প্ৰায় ছয় দশক যোৰহাট নগৰখন জিলি থকা লোকসকলৰ এজন স্বৰূপে সকলোৰে সন্মানৰ পাত্ৰ হৈ আছিল। যোৰহাটৰ সকলো ৰাজহুৱা অনুষ্ঠানৰ লগত পাঠক দেৱৰ সম্বন্ধ অপৰিহাৰ্য। যোৰহাট নগৰৰে তৰাজান অঞ্চলটো সকলো ৰকমে উন্নত কৰাত তেওঁৰ চেষ্টা আছিল অতুলনীয়। সেই অঞ্চলত 'মিলন মন্দিৰ' পুথি ভঁড়াল, ৰঙ্গমঞ্চ আজি স্থাপন কৰাত পাঠকদেৱে গুৰি ধৰিছিল। দেৱী চৰণ বৰুৱা প্ৰাথমিক বিদ্যালয়, বালিকা উচ্চ বিদ্যালয়, বালিকা মহা বিদ্যালয় আদি অনুষ্ঠানৰ লগত তেখেতৰ সম্বন্ধ অবিচ্ছেদ্য আছিল।

যোৰহাট নগৰত থাকিব লগীয়া হৈও তেওঁৰ পুৰণি বাসস্থান টীয়ক অঞ্চলটোৰ কথা নাপাহৰিছিল। ১৯১১



চনত আৰম্ভ হোৱা টীয়ক ছাত্ৰ সন্মিলন, সেই সময়ৰ অসমৰ বৃহৎ জাতীয় অনুষ্ঠান অসম ছাত্ৰ সন্মিলনৰ অন্যতম ঘাই শাখা সভা আছিল। সভা-সমিতি আদি ৰাজহুৱা অনুষ্ঠানৰ মোল নোপোৱা টীয়ক-বাসীয়ে টীয়ক ছাত্ৰ সন্মিলন অনুষ্ঠানটিক অভিনৱ বুলি ভাবিছিল। নামত ছাত্ৰসকলে গুৰি ধৰিলেও সেই সময়ৰ শিক্ষিত ভদ্ৰলোকসকলেও এই অনুষ্ঠানৰ লগত সহযোগ কৰি ইয়াক জাকত জিলিকা সৰৱৰহী অনুষ্ঠানত পৰিণত কৰিবলৈ যত্ন কৰিছিল। পাঠক-দেৱ প্ৰতি শনিবাৰে 'বাইচাইকেলেৰে' ঘৰলৈ আহি দেওবাৰে পুৱা হাট বজাৰ কৰি, অন্যান্য ৰাজহুৱা অনুষ্ঠানৰ লগতে এই সভাৰ খা-খবৰ কৰি ছাত্ৰসকলক প্ৰায়েই লগ ধৰি আৱশ্যকীয় উপদেশ আদি দিছিল সেইহে তেওঁ নিজৰ অঞ্চলটোৰ সকলোৰে লগত চিনা-জনাহৈ আপোনজন হৈ পৰিছিল। টীয়ক ছাত্ৰ সন্মিলনৰ তৃতীয় বাৰ্ষিক অধিবেশনত পাঠক ডাঙৰীয়া সভাপতি আছিল। টীয়কৰ ইংৰাজী বিদ্যালয়, টীয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয় আদি প্ৰতিষ্ঠানত তেওঁৰ বিশেষ বৰঙণি আছিল। টীয়ক সাহিত্য সভাৰ সভাপতি স্বৰূপেও পাঠকৰ সহায় লেখত ল'ব লগীয়া।

পোনপটীয়াকৈ অসহযোগ আন্দোলনত যোগ দিয়া নাছিল যদিও আচাৰ-ব্যৱহাৰ, পোছাক-পৰিচ্ছদ আৰু সংগঠনমূলক কামত পাঠকে মহাত্মা গান্ধীক নিষ্ঠাৰে অনুসৰণ কৰিছিল। আন্দোলনৰ সময়ত তেখেতৰ ঘৰ, গাঁৱৰ স্বেচ্ছাসেৱকৰ বাহৰ হৈ পৰিছিল। তেওঁ এই সকলোৰে খৰচ বহন কৰিব লগীয়া হৈছিল। তেওঁ ভায়েক শ্ৰীকেশৱানন্দ পাঠকৰ হতুৱাই মহাত্মা গান্ধীৰ এখন জীৱনী গ্ৰন্থ লিখাই প্ৰকাশ কৰাইছিল।

পাঠক ডাঙৰীয়াই এটা বৃহৎ শিক্ষিত পৰিয়ালক উপযুক্ত গঢ় দি এৰি গৈছে। এই পৰিয়ালৰ লোক সকল যোৰহাট আৰু টীয়কত আছে। শৰ্মা পাঠকৰ জীৱনৰ বহুমুখী আদৰ্শই আমাৰ উঠি অহা ডেকাসকলক উন্নতি আৰু প্ৰগতিৰ পথত আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগাওক।

---

'যি ভাষাৰ শব্দ-সম্ভাৰ সৰহ সেই ভাষাই উন্নত, তাক কোৱা বাহুল্য। সেইবাবে সাহিত্যৰ ভিতৰত নানা শব্দৰ যোজনা লিখকসকলৰ এটা গৌৰৱৰ কথা, তাত সন্দেহ নাই। বিচিত্ৰ শব্দ প্ৰয়োগ হিচাপে জাপানৰ ভাষাই পৃথিবীৰ সকলো ভাষাতকৈ শ্ৰেষ্ঠ।

······যিবোৰ শব্দ ভাষাৰ লালিত্য, সাহিত্যৰ অলঙ্কাৰ আৰু ভাব প্ৰকাশৰ সুবিধাৰ নিমিত্তে দৰকাৰ, তেনে শব্দ অকল ভিন ভিন জিলাৰ পৰাই নহয়, আন আন ভাষাৰ পৰাও লোৱা উচিত। চৈনিক, আৰবী, পাৰ্চ্ছী, পৰ্বতীয়া এনেকি ইংৰাজী শব্দ হলেও তাক গ্ৰহণ কৰাত আমাৰ আপত্তি কৰা অনুচিত।''

—নগেন্দ্ৰনাৰায়ণ চৌধুৰী।

---

# ‘মৌ’ কাকতৰ মৌকোঁহ

ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্মা

১৮৮৯ চনত ‘জোনাকী’ কাকত প্ৰকাশ হয়। এই কাকতেই অসমীয়া সাহিত্যলৈ এটা নবযুগ আদৰি আনে। ‘জোনাকী’ প্ৰকাশৰ আগে আগে কেবাখনো সাহিত্য-আলোচনী ওলাই দুই-এবছৰৰ ভিতৰতে মৰি গৈছিল। ক্ষণস্থায়ী হলেও এই স্বল্পায়ু আলোচনী কেইখনে অসমীয়া সাহিত্যৰ বুনিয়াদ তৈয়াৰ কৰাত যথেষ্ট বৰঙণি দি গৈছে। এনে আলোচনীৰ ভিতৰত গুণাভিৰাম শৰ্মা বৰুৱা সম্পাদিত ‘আসাম বন্ধু’ আউনী-আটি সত্ৰৰ পৰা ওলোৱা ‘আসাম বিলাসিনী’ আৰু হৰ-নাৰায়ণ বড়া সম্পাদিত ‘মৌ’ বিশেষভাৱে উল্লেখযোগ্য। ‘মৌ’ কাকতৰ মাত্ৰ চাৰিটা সংখ্যা প্ৰকাশ হৈছিল। ইয়াত প্ৰকাশ পোৱা ‘চাহ বাগিছাৰ কুলি’ প্ৰবন্ধৰ কাৰণে বেঙ্গবৰুৱাকে প্ৰমুখ্য কৰি দুই-এজন অসমীয়া ডেকাই কাকতখনৰ বিৰূপ সমালোচনা কৰে। তাৰ ফলতে চাৰি সংখ্যাৰ পাছতে কাকতখন বন্ধ কৰিব লগা হয়। কাকতখনত প্ৰকাশ পোৱা প্ৰবন্ধাৱলীয়ে সেই সময়ৰ শিক্ষিত ডেকা এচামৰ দৃষ্টিভঙ্গী আৰু অসমৰ সমস্যাৰ প্ৰতি তেওঁলোকে কেনে মনোভাৱ গ্ৰহণ কৰিছিল তাৰ কিছু আভাস পাব পাৰি।

‘মৌ’ প্ৰকাশ হৈছিল ১৮৮৬ খ্ৰীষ্টাব্দত। ইয়াৰ সম্পাদক আছিল হৰনাৰায়ণ বড়া; কিন্তু প্ৰকৃততে সম্পাদনা আৰু পৰিচালনা কৰিছিল বলিনাৰায়ণ বড়াইহে। কলিকতাৰ ৭নং মদন দত্ত লেন, বহুবজাৰৰ পৰা ‘মৌ’ প্ৰকাশ হৈছিল। ‘মৌ’ৰ ইংৰাজী নাম Bee বুলি বেটুপাতত লিখা আছে। বেটুপাতত মাইকেল মধুসূদন দত্তৰ ‘মেঘনাদ বধ’ কাব্যৰ প্ৰথম সৰ্গৰ পৰা এটা উদ্ধৃতি দিয়া হৈছিল। সেই উদ্ধৃতি দৰাচলতে অসমীয়া পাঠকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। উদ্ধৃতিটো এই “ৰচ মধুচক্ৰ, গৌড়জন যাহে আনন্দে কৰিবে পান সুধা নিৰবধি।” প্ৰকাশিত চাৰিটা সংখ্যাৰ বেটুপাতত মাইকেলৰ উক্ত উদ্ধৃতিটো আছে। ‘মৌ’ৰ বছৰেকীয়া বৰঙণি আছিল তিনি টকা আৰু প্ৰতিসংখ্যাৰ দাম ছয় অনা।

‘মৌ’ত প্ৰকাশ হোৱা প্ৰবন্ধৰাজী অনুধাৱন কৰিলে ধাৰণা হয় যে কাকতৰ নীতি কিছু পৰিমাণে ৰক্ষণশীল আছিল। আজিৰ দৃষ্টিভঙ্গীৰে চালে প্ৰতিক্ৰিয়াশীল আছিল বুলিয়ে কৰলৈ কোনো কোনোৱে হয়তো সংকোচ নকৰিব। এই কাকত চাহবাগিছাত প্ৰচলিত গিৰমিটীয়া প্ৰথাৰ সমৰ্থক আছিল, নাৰীয়ে উচ্চ শিক্ষা লাভ কৰাটো পচন্দ নকৰিছিল, ঠায়ে ঠায়ে প্ৰতিষ্ঠা হোৱা ৰায়ত সভাৰ বিৰোধী আছিল, অনুন্নত শ্ৰেণীৰ লোকে নগৰৰ মধ্যবৰ্তী স্থানত বাস কৰাৰ পক্ষপাতী নাছিল। সকলো চাকৰিৰ দুৱাৰ বাচ-বিচাৰ নকৰি ভাৰতীয়সকলৰ কাৰণে মুকলি কৰি দিয়াৰ পক্ষপাতী ‘মৌ’ নাছিল, কাৰণ তেনে কৰিলে ইংৰাজসকল এসময়ত ভাৰতবৰ্ষ এৰি গুচি যাব লগা অৱস্থা আহি যাব পাৰে। ভাৰতবৰ্ষৰ মঙ্গলৰ কাৰণে ইংৰাজ ৰাজত্ব বহুদিনলৈ অব্যাহত থকাটো ‘মৌ’ৱে সমৰ্থন কৰিছিল।

‘মৌ’ কাকতৰ বঙলা ভাষা আৰু বঙালীলোকৰ প্ৰতি কিছু দুৰ্বলতা থকা যেন ধাৰণা হয়। অসমত উচ্চ শিক্ষা প্ৰচলনৰ এটা অভিনৱ উপায় ‘মৌ’ৱে আগ বঢ়াইছিল। সেই সময়ত ইংৰাজী স্কুলৰ দুই-চাৰিটা শ্ৰেণী পঢ়িয়েই অসমীয়া লৰাই পঢ়া এৰি দি বাগিছাৰ চাকৰি বা তেনে ধৰণৰ আন চাকৰিত সোমাই গৈছিল। অসমীয়া অভিভাৱক বা ল’ৰাৰ উচ্চ শিক্ষাৰ প্ৰতি ৰাউতি বিশেষ নাছিল। উচ্চ শিক্ষা লবলৈ বাধ্য কৰিবৰ কাৰণে ‘মৌ’ কাকতে “ইংৰাজী শিক্ষা” নামৰ প্ৰবন্ধত এইদৰে লেখিছিল—“অলপমান পঢ়িয়েই অসমীয়া লৰাবোৰে কামত সোমাবলৈ যায়। এইটোও অসমত ইংৰাজী শিক্ষাৰ উন্নতি নোহোৱাৰ এটা কাৰণ। এই অনিষ্ট গভৰ্ণমেণ্টে কিছু পৰিমাণে নিবাৰণ কৰিব পাৰে। উপায়টি অসমীয়া মানুহে ভাল নাপাবও পাৰে। সেই উপায় এই যে গভৰ্ণমেণ্টে সকলো কেৰাণি-মহৰি কামবোৰ খালি হলেই অসমীয়াক নিদি বঙালীক দিব লাগে। তেনে কৰিলে অসমীয়াবোৰে উচ্চ শিক্ষা লবলৈ বাধ্য হ’ব।” (প্ৰথম সংখ্যা, পৃ, ৩০)

দ্বিতীয় সংখ্যাৰ ‘অসমীয়া আৰু বঙালী’ শীৰ্ষক প্ৰবন্ধত লিখকে বঙালী-অসমীয়া মিল হোৱাৰ সপক্ষে যুক্তি দাঙি ধৰি লেখিছে—“অসমীয়া ভাষা বঙালী ভাষাতকৈ বেলেগ—ই সত্য কথা। কিন্তু অসমীয়াৰ পক্ষে ই গৌৰৱৰ কথা নহয়, বৰঞ্চ দুখৰহে কথা। কিয়নো অসমীয়া আৰু বঙালী একে হোৱা হলে অসমীয়াক ইমান পিচ পেলাই বঙালীয়ে সভ্যতাৰ পথত অকলে আগবাঢ়িব নোৱাৰিলেহেঁতেন।” তৃতীয় সংখ্যাত মথুৰা-মোহন বৰুৱাই বঙালীক কঠোৰ সমালোচনা কৰি লিখা প্ৰবন্ধৰ উত্তৰত সম্পাদকে তলত দিয়া ধৰণে প্ৰত্যুত্তৰ দি কৈছে যে ভাৰতৰ মঙ্গলৰ কাৰণে অসমীয়া আৰু বঙালী একে হোৱা মঙ্গল। সম্পাদকে আৰু লিখিছে—“যদি দুৰি লক্ষ ছিলঠীয়া মানুহৰ কথিত ভাষা ছিলঠীয়া আৰু লিখিত ভাষা বঙালী হব পাৰে, তেন্তে আঠ লক্ষ বাস্তৱিক অসমীয়াৰ কথিত ভাষা অসমীয়া আৰু লিখিত ভাষা বঙালী হব নোৱাৰেনে? (তৃতীয় সংখ্যা, পৃঃ ১২৬)

মৌ কাকতৰ এনে ধৰণৰ মন্তব্য শিক্ষিত অসমীয়া সমাজে নিশ্চয় গ্ৰহণ কৰিব পৰা নাছিল আৰু সেই কাৰণেই কাকতখনে অকাল মৃত্যু বৰণ কৰিব লগাত পৰিল। স্ত্ৰীশিক্ষা সম্পৰ্কে ‘মৌ’ৰ দৃষ্টিভঙ্গীৰ বৰ ৰক্ষণশীল আছিল। ঘৰুৱা কামকাজ, ৰব-কাটিব পৰা আৰু ৰন্ধন কাৰ্যত নিপুণতাহে স্ত্ৰীৰ প্ৰকৃত শিক্ষা বুলি ‘মৌ’ৰ অভিমত। ইংৰাজী শিক্ষা দিয়া বা উচ্চ শিক্ষিতা কৰা স্ত্ৰী-শিক্ষাৰ উদ্দেশ্য হব নেলাগে বুলি ‘তিকতাৰ বন কি?” এই প্ৰবন্ধত অভিমত দাঙি ধৰিছে। কিন্তু পুৰুষৰ উচ্চ শিক্ষাবিস্তাৰৰ অৰ্থে অসমত কলেজ স্থাপন আৰু বৃত্তি-বিধানৰ ব্যৱস্থা কৰিবলৈ দঁকিয়াই দিছে। উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষক নিয়োগ, হাইস্কুলসমূহৰ অৱস্থাৰ উন্নয়ন, শিক্ষাৰ শিতানত চৰকাৰৰ অধিক অৰ্থ ৰবাদ আৰু অসমত কলেজ স্থাপনৰ পৰামৰ্শ আগ বঢ়াইছে। কম বয়সীয়া ল’ৰাক কলিকতালৈ নপঠাই স্থানীয় স্কুল বা কলেজত পঢ়োৱাৰ ব্যৱস্থা কৰিবলৈ দিহা দিছে। ‘পুৰুষৰ স্বাধীনতা’ নামৰ প্ৰবন্ধত অসমীয়া ল’ৰাই সকলুৱা চৰকাৰী চাকৰিৰ কাৰণে চেষ্টা নকৰি স্থানীয় কৌলিক ব্যৱসায়সমূহৰ উন্নতি সাধন কৰাৰ সপক্ষে যুক্তি দাঙি ধৰিছে।

অসমত অধিক পৰিমাণে স্বায়ত্ত-শাসন প্ৰৱৰ্তনৰ ‘মৌ’ পক্ষপাতী আছিল। স্থানীয় লোকেলবোৰ্ড, মিউনিচিপেলিটিত অধিক সংখ্যক চৰকাৰ-মনোনীত সদস্য নিয়োগ কৰাৰ বিৰুদ্ধাচৰণ কৰি ‘মৌ’ৱে বেচৰকাৰী সদস্যৰ সংখ্যা বঢ়াবলৈ যুক্তি দাঙি ধৰিছে। কিন্তু আনহাতে আকৌ ঠায়ে ঠায়ে ৰায়ত সভা পাতি ৰাইজে ভূমি স্বত্ব বিচাৰি চৰকাৰক আবেদন-নিবেদন কৰাটো ‘মৌ’ৱে সমৰ্থন কৰা নাই। এই প্ৰসঙ্গত এঠাইত লিখিছে—“যি দেশত মাটিৰ খান হব এৰিলে, সেই দেশৰ মাটিৰ আইনেই বা লাগিছে কেলেই আৰু সেই মাটিৰ স্বত্বৰ বাবে যুজিব লাগিছে কেলেই?” (পৃঃ ৫৩)

"ভূমিৰ নতুন ব্যৱস্থা" নামৰ প্ৰবন্ধত চৰকাৰৰ ভূমি-নীতিৰ বিৰুদ্ধে ৰায়তে যি প্ৰতিবাদ কৰিছিল 'মৌ'ৱে তাকো সমৰ্থন কৰা নাই। একচনীয়া পট্টাৰ ঠাইত ম্যাদী পট্টাৰ ব্যৱস্থা কৰিবলৈ ৰায়তসভাই কৰা আবেদন 'মৌ'ৰ মনঃপুত হোৱা নাই। 'মৌ'ৰ লিখকৰ মতে ভূমিৰ চিৰস্থায়ী বন্দবস্ত, ১০ বছৰীয়া ব্যৱস্থা আৰু একচনীয়া ব্যৱস্থা বাহাল থাকিব লাগে। একচনীয়া বন্দবস্ত উঠাই দিব নেলাগে।

"চাহ বাগানৰ কুলি" শীৰ্ষক প্ৰবন্ধত অসমত কাম কৰিবলৈ অহা কুলিবোৰ যে সুখে-সন্তোষে থাকে তাকে বুজাবলৈ চেষ্টা কৰিছে। আনকি গিৰমিট প্ৰথাও নিন্দা কৰা নাই। সমাজৰ নিম্নস্তৰৰ লোকৰ প্ৰতি 'মৌ'ৰ বিশেষ সহানুভূতি থকা যেন নেলাগে। সাধাৰণ মানুহৰ কথা কওঁতে হেয়বাচক ইতৰ শব্দটো সঘনে ব্যৱহাৰ কৰিছে। পুৰণি দাসপ্ৰথা উঠি যোৱাত লেখকে এঠাইত এইদৰে লেখিছে—"আমাৰ ভাগ্য গুণে আসাম ৰজাই দেশত দাসত্ব প্ৰচাৰ কৰি বেগাৰ খটাই এইবোৰ কীৰ্তি (দৌল-পুখুৰী) ৰাখি গৈছে।" (পৃঃ ১৪৯)। দাসত্ব প্ৰথা ওপৰত কোৱা বাক্যেৰে প্ৰকাৰান্তৰে সমৰ্থন কৰিলেও সেই সময়ৰ অসমত প্ৰচলিত অসমীয়া মানুহক বেগাৰ খটাই কুলি ধৰা প্ৰথাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। 'আসামত কুলি' নামৰ প্ৰবন্ধৰ এঠাইত লিখিছে—"কুলি ধৰাৰ ভয়ত মানুহে দিনটো হাবিত লুকাই থাকে, ৰাতিহে ঘৰলৈ আহে। মৌজাদাৰেও চুপি থাকি ধৰি নিয়ে। চৰকাৰে এই জোৰ কৰি কুলি ধৰা প্ৰথা উঠাই দিবলৈ প্ৰাৰ্থনা কৰো।" 'মৌজাদাৰ' নামৰ প্ৰবন্ধত মৌজাদাৰপদ যাকে তাকে নিদি প্ৰাচীন সম্ভ্ৰান্ত বংশৰ লোককহে দিবলৈ 'মৌ'ৱে ওকালতি কৰিছে—"একপুৰুষ আগে যি যি মানুহ আসামৰ সৰ্ব-গণ্য আছিল, যিবিলাকক আদি ইংৰাজসকলে অতি সন্মানেৰে উচ্চপদ দিছিল সেইবিলাকৰ সন্তান-সন্ততিক যে আজি-কালিৰ শাসনকৰ্তাসকলে নিচিনেই এই কথা কোৱা বাহুল্য মাথোন। এই শ্ৰেণী মানুহৰ ক্ৰমে অৱনতি হব ধৰিছে—এই শ্ৰেণীৰ অৱনতি হব দিয়াত গভৰ্ণমেণ্টৰ কৰ্তব্যকৰ্মৰ বিৰুদ্ধাচৰণ কৰা হয়। অকল সেয়ে নহয় তাৰ দ্বাৰাই গভৰ্ণমেণ্টৰ নিজৰ অনিষ্টৰ মূল ৰোপিত কৰা হয়" (পৃ ১৩৯)। এই প্ৰসঙ্গতে লেখকে 'ইতৰ' শ্ৰেণীৰ লোকক মৌজাদাৰ পদ দিয়াৰো বিৰুদ্ধাচৰণ কৰিছে।

'মৌ'ৰ তৃতীয় সংখ্যাত 'ভাৰতৰ জাতীয় মহাসভা' নামৰ প্ৰবন্ধত অসমৰ কেইজনমান ছাত্ৰ আৰু দুজনমান বঙালীয়ে প্ৰতিনিধিত্ব কৰা দেখি দুখ প্ৰকাশ কৰিছে। লেখকৰ মতে শিক্ষিত আৰু বয়সস্থ অসমীয়াইহে জাতীয় মহাসভাত অসমৰ প্ৰতিনিধিত্ব কৰা উচিত আছিল। প্ৰসঙ্গক্ৰমে লেখকে ইংৰাজ ৰাজত্বৰ গুণগান কৰি কৈছে যে ইংৰাজ ৰাজত্বই সমস্ত ভাৰতত একতা আনি দিয়া কাৰণেহে জাতীয় মহাসভাৰ দৰে বৃহৎ অনুষ্ঠান পতা সম্ভৱ হৈছে।

'মৌ' কাকতৰ চাৰিটা সংখ্যাত কবিতা প্ৰকাশ পোৱা নাছিল বুলিলেও হয়। মাত্ৰ ব্যঙ্গাত্মক দুটা কবিতা প্ৰকাশ হৈছিল। এই ব্যঙ্গ কবিতা দুটা হ'ল "ডাঙৰীয়া" আৰু "অসমীয়া বাবু"। মধুৰ বিশুদ্ধ শ্ৰেণীৰ কবিতাই ঠাই পোৱা নাছিল।

'মৌ'ৰ চাৰিটা সংখ্যাত প্ৰকাশ পোৱা প্ৰবন্ধাৱলীৰ এটা তালিকা তলত দিয়া হ'ল।

**প্ৰথম সংখ্যা, ১৯৮৬, ডিচেম্বৰ**

১। তিকতাৰ বন কি ?
২। চাহবাগিছাৰ কুলি
৩। লোকেল বোৰ্ড
৪। ইংৰাজী শিক্ষা
৫। ৰান্ধনি
৬। ডাঙৰীয়া ( কবিতা )
৭। প্ৰাকৃতিক ভূগোল

( ২৪ পৃষ্ঠিত চাওক )

# নাট্যকাৰ শূদ্ৰকৰ সমাজ

( আগৰ সংখ্যাৰ পিছৰ পৰা )

শ্ৰীযোগেশ্বৰ শৰ্মা

**বেপাৰ-বাণিজ্য :**

নাট্যকাৰৰ সমাজত বেপাৰ-বাণিজ্যৰ প্ৰচুৰ প্ৰচলন আছিল। ই কেৱল নিজৰ দেশতেই সীমাবদ্ধ নাছিল ; দেশ-দেশান্তৰলৈ বেহা-বেপাৰৰ নৌকাৰ প্ৰচলন আছিল। ব্যৱসায়-বাণিজ্যৰ বলতেই সমাজখন সমৃদ্ধিশালী হৈ উঠিছিল। ইয়াত ব্ৰাহ্মণসকলে শ্ৰেষ্ঠ অংশ গ্ৰহণ কৰি দেশখনক ধন-ধান্যেৰে সুসমৃদ্ধ কৰি তোলাত যথেষ্ট অৰিহণা যোগাইছিল। চাৰুদত্তৰ পূৰ্ব পুৰুষসকলে ব্যৱসায় কৰিছিল আৰু তাৰপৰা যথেষ্ট ধনো উপাৰ্জন কৰিছিল। তেওঁলোক সাৰ্থবাহ (বণিক) বুলিয়ে জনাজাত আৰু তেওঁলোকে বাসকৰা গাওঁখনো সাউদৰ গাওঁ বুলিয়েই খ্যাতি লভিছিল। নাটকৰ নৱম-অঙ্কত বসন্তসেনাৰ মাকৰ কথাৰপৰা ইয়াক সহজে অনুমান কৰিব পাৰি।

বাণিজ্য-ব্যৱসায়ৰ দ্বাৰা সমাজৰ সমৃদ্ধ অৱস্থা হলেও মানুহে চৌৰ্য-বৃত্তিৰ আশ্ৰয় নোলোৱাকৈ থকা নাছিল। চুৰি কাৰ্যত মানুহে যথেষ্ট পাৰ্গতালি দেখুৱাইছিল আৰু সিন্ধি খান্দি চুৰি কৰা প্ৰথাও সমাজত প্ৰচলিত আছিল। তথাপি মানুহে ব্ৰাহ্মণৰ ধন নাইবা সোণ অপহৰণ কৰা মহাপাপ বুলি বিবেচনা কৰিছিল। মানুহৰ বিশ্বাস যে যাগ-যজ্ঞাদি সৎকাৰ্যৰ কাৰণে সংগৃহীত ধন চুৰি কৰা সমীচীন নহয়। চৌৰ্যবৃত্তি পৰায়ণ শৰ্বিলকৰ উক্তিৰপৰা আমি জানিব পাৰো যে চুৰি কাৰ্যত নিপুণ হলেও তেওঁ প্ৰস্ফুটিত পুষ্পলতাৰ দৰে অলঙ্কাৰেৰে বিভূষিত হৈ থকা নাৰীক অপহৰণ নকৰে; ব্ৰাহ্মণৰ ধন নাইবা যজ্ঞৰ কাৰণে গোটাই থোৱা বস্তুকো তেওঁ চুৰি নকৰে ; সেইদৰে ধনাৰ্থী হৈয়ো তেওঁ কদাপি ধাত্ৰীৰ কোলাত থকা শিশুক হৰণ নকৰে। চুৰি-কাৰ্যত ব্ৰতী হোৱাৰ সময়তো তেওঁৰ বিবেকে সদায় উচিত-অনুচিত আদি বিচাৰ কৰিহে চলে।

অভাৱী মানুহেই সাধাৰণতে চুৰি কাৰ্যত নামে। অভাৱৰ বাহিৰে আন কিহে মানুহৰ স্বভাৱ নষ্ট কৰিব পাৰে ? চোৰ-চৰিত্ৰহীনজনৰো জানো উচিত-অনুচিতৰ বিবেচনা থাকিব পাৰে ? শূদ্ৰকৰ সমাজত সেই চৰিত্ৰ-হীনজনৰো ইয়াৰ বিচাৰ-বিবেচনা কৰা শক্তি লোপ হোৱা নাই। অন্যায়ত প্ৰবৰ্ত্তিত হোৱাৰ সময়তো মানুহে বিবেকৰ নিৰ্দেশ মানে। এনে আচৰণে সমাজৰ সভ্যতাৰ আন এটি দিকৰ সূচনা কৰে।

**অৰ্থনৈতিক অৱস্থা :**

সমাজৰ অৰ্থনৈতিক পৰিস্থিতিলৈ লক্ষ্য কৰিলে দেখা যায় যে ৰজাৰ কুশাসনৰ ফলত সমাজৰ সৰ্বসাধাৰণৰ অৰ্থনৈতিক অৱস্থা অতি শোচনীয় হৈ পৰিছিল। নাটকত সূত্ৰধাৰ আৰু দৰ্দুৰকৰ উক্তিৰপৰা সাধাৰণ

মানুহৰ আৰ্থিক অৱস্থাৰ বিষয়ে বিশেষ ভাৱে অনুমান কৰিব পাৰি। সাধাৰণ মানুহবোৰ দিনে দিনে দুখীয়া হৈ গৈছিল আৰু দুখীয়াবোৰ দিনে দিনে অধিক দুখীয়া হৈ পৰিছিল ; আনহাতে মধ্যবিত্ত শ্ৰেণীৰ লোকসমূহ দিনে দিনে চহকী হৈ উঠিছিল। এই মধ্যবিত্ত শ্ৰেণীৰ লোকসমূহেই আৰ্থিক প্ৰতিপত্তি আৰু সামাজিক প্ৰতিপত্তিৰ বলত সমাজত নৃত্য-নাট্য, গীত-বাদ্য আৰু সঙ্গীত-কলা আদি জীৱনৰ নানাবিধ আমোদ-প্ৰমোদৰ সামগ্ৰীৰ মাজেৰে জীৱন অতিবাহিত কৰিছিল আৰু দীন-দুখীয়াবোৰে জীৱন নিৰ্বাহৰ উপায়ৰ পৰা বঞ্চিত হৈ মদ্যপান, জুৱা-খেল আদি লোকনিন্দনীয় আৰু সমাজবিৰোধী কাৰ্য্যসমূহত লিপ্ত হৈ পতিতালয়ত আশ্ৰয় লৈ জীৱনত শান্তি বিচাৰিছিল।

## নৈতিক ব্যভিচাৰ :

শূদ্ৰকৰ সমাজখনক নৈতিক ব্যভিচাৰৰ বিষাক্ত বায়ুৱে স্পৰ্শ নকৰাকৈ থকা নাছিল। আৰ্থিক প্ৰতিপত্তিয়েই আছিল সমাজ-জীৱনৰ নৈতিক ব্যভিচাৰৰ মূল কাৰণ। ধনৰ প্ৰাচুৰ্য্যৰ বাহিৰে আন কিহে বা সমাজক বিলাস-মাতৃকা কৰি তুলিব পাৰে ? উজ্জয়িনীৰ ধন-সৰিতৰ দাঁতিয়ে দাঁতিয়ে গঢ়লৈ উঠিছিল মদ্যপানৰ কেন্দ্ৰ, জুৱাৰীৰ আড্ডা, বাৰবিলাসিনীৰ বিলাস-নিকেতন। বাণিজ্য কেন্দ্ৰিক নাগৰিক জীৱনৰ প্ৰতিষ্ঠাই সমাজ-শাসন উচ্ছন্ন কৰি ব্যভিচাৰৰ দুৱাৰ উন্মুক্ত কৰিছিল আৰু লগে লগে বিলাস-জীৱনৰ আকৰ্ষণীয় সামগ্ৰী-সমূহে অনায়াসে আত্মপ্ৰকাশ কৰিছিল। সমাজত বেশ্যা-বৃত্তিৰ প্ৰচুৰ প্ৰচলন আছিল। সম্ভ্ৰান্ত লোকসকলেও প্ৰকাশ্যে বাৰবনিতাৰ লগত সংসৰ্গ কৰিবলৈ সংকোচবোধ কৰা নাছিল। সেয়েহে আমি চাৰুদত্তৰ দৰে সম্ভ্ৰান্ত লোককো নিৰ্বিবাদে বেশ্যাৰ লগত জড়িত হোৱা দেখিবলৈ পাওঁ।

বেপাৰ-বাণিজ্যেৰে সঞ্চিত হোৱা সমাজৰ প্ৰচুৰ ধন বেশ্যাসকলৰ হাতলৈ বাগৰি গৈছিল। এই বেশ্যাবৃত্তি কৰিয়েই বসন্তসেনাই প্ৰচুৰ ধন ঘটিছিল আৰু জাকজমকভাৱে কুবেৰৰ প্ৰাসাদৰ লগত ফেৰ মাৰিব পৰা অট্টালিকাৰ অধিকাৰিণী হৈ সমাজক চমকৃত কৰি

( ২২ পিঠিৰ পিছৰ পৰা )

**দ্বিতীয়া সংখ্যা, ১৮৮৭, জানুৱাৰি**

১। অসমীয়া আৰু বঙালী
২। ৰায়ত সভা
৩। পুৰুষ স্বাধীনতা
৪। উচ্চ শিক্ষা
৫। প্ৰাকৃতিক ভূগোল
৬। ৰাজস্ব কমিটি
৭। ভূমিৰ নতুন ব্যৱস্থা

**তৃতীয় সংখ্যা, ১৮৮৭, ফেব্ৰুৱাৰি।**

১। চাহবাগিছাৰ কুলি
২। মহাৰাণীৰ মহোৎসৱ
৩। অসমীয়া বাবু ( কবিতা )
৪। জাতীয় মহাসমিতি
৫। পাবলিক্ সাৰ্বিস কমিসন
৬। প্ৰতিবাদ—মথুৰামোহন বৰুৱা

**চতুৰ্থ সংখ্যা, ১৮৮৭, মাৰ্চ**

১। উচ্চ শিক্ষা
২। মৌজাদাৰ
৩। আসাম ৰহস্য
৪। আসামত কুলি
৫। আসামৰ স্বাস্থ্যৰক্ষা
৬। জুবিলি
৭। প্ৰাকৃতিক ভূগোল।

প্ৰবন্ধ লেখকসকলৰ নাম নাছিল। সম্ভৱতঃ সৰহভাগ প্ৰবন্ধ হৰনাৰায়ণ বৰা আৰু বলিনাৰায়ণ বৰাই লিখিছিল।



তুলিছিল। সেয়েহে বসন্তসেনাৰ বাসভৱন দেখি বিদূষকে কৈ উঠিছিল এয়া কি বেশ্যাৰ ঘৰ অথবা কুবেৰৰ প্ৰাসাদ ?

চতুৰ্থ অঙ্কত বিদূষকৰ কথাৰপৰা আমি জানিব পাৰো যে সমাজত সাধু, সুৰা, আসৱ নামে তিনি প্ৰকাৰ মদৰ বাহিৰেও প্ৰচলন আছিল। সাধু আৰু আসৱ এই দুবিধ মদ দৰাচলতে কুঁহিয়াৰৰ ৰসৰপৰা প্ৰস্তুত কৰা হৈছিল। কুঁহিয়াৰৰ ৰস পগাই তৈয়াৰ কৰা মদক সাধু আৰু সেই ৰসৰ স্বাভাৱিক বা অপক্ব অৱস্থাৰপৰাই তৈয়াৰ কৰা মদক আসৱ বুলি কোৱা হৈছিল। সুৰা নামৰ মদ ভাতৰপৰা তৈয়াৰ কৰা হৈছিল।

সমাজ-জীৱনৰ নৈতিক ব্যভিচাৰ কেৱল মদ্যপানৰ লগতেই জড়িত নাছিল ; কিন্তু মদ্যপানৰ ব্যাপকতাই ইয়াক ধ্বংসৰ পথলৈ আগ বঢ়াই নিয়াত যথেষ্ট সহায় কৰিছিল। আৰু বিশেষভাৱে জুৱা-খেল আৰু বেশ্যা-বৃত্তি আদি সমাজৰ লোক-বিগৰ্হিত প্ৰথাসমূহে শূদ্ৰকৰ সমৃদ্ধ সমাজখনক ক্ষয়িষ্ণু কৰি তোলাত যথেষ্ট ৰৰঙণি যোগাইছিল। জুৱাখেলৰ আড্ডাবোৰ সংগঠিত আছিল আৰু খেলসমূহ নীতিনিয়মৰ মাজেৰে পৰিচালিত হৈছিল। জুৱাৰী সস্থাৰ এজন নায়ক নাইবা সভাপতি আছিল। জুৱাৰী মাত্ৰেই সস্থাৰ সৰ্বসম্মত নিয়ম মানি চলিব লাগিছিল। জুৱাখেলত হাৰিলে জয়লাভ কৰা-জনক প্ৰতিশ্ৰুত ধন দিব লাগিছিল। সেই ধন দিব নোৱাৰিলে সেই পৰিমিত ধন-সম্পত্তি বিক্ৰী কৰা হৈছিল। ধন-সম্পত্তিৰ অভাৱত পৰাজিত লোকে নিজে দাসত্ব কৰিব লগীয়াও হৈছিল। সভাপতিয়ে নিয়মানুসাৰেই পৰাজিত ব্যক্তিক আটক কৰি ৰাখি ঋণ পৰিশোধৰ দাবী চলাব পাৰিছিল। লগে লগে সেই ধন দিব নোৱাৰিলে পিছত হলেও দেয় ধন দিবই লাগিছিল। গতিকে পৰাজিত মানুহৰ পক্ষে প্ৰতিশ্ৰুত ধন নিদিয়াকৈ অব্যাহতি পোৱাৰ কোনো প্ৰশ্নই নাছিল।

সমাজত বেশ্যাবৃত্তি কৰা নিচেই সাধাৰণ বা মুঠেই চকুত নলগা ব্যৱসায় হৈ পৰিছিল ; কিয়নো চাৰুদত্তৰ দৰে পুৰুষৰ কাৰণেও বেশ্যাৰ লগত ঘনিষ্ঠভাৱে সম্বন্ধ থকাৰ কথা গোপনে ৰখাৰ কোনো প্ৰয়োজনেই অনুভৱ কৰা হোৱা নাছিল। বোধ হয় আৰ্থিক প্ৰতিপত্তিয়ে চাৰুদত্তক সমাজ-শাসন অস্বীকাৰ কৰিবলৈ সমৰ্থ কৰি তুলিছিল। তথাপি বেশ্যাসকলৰ দৰ্শন অবাধ গতিৰে চলা নাছিল। সমাজনীতিক অস্বীকাৰ কৰিবলৈ যি সকল অসমৰ্থ ভেওঁলোকৰ ঘৰৰ ভিতৰলৈ বেশ্যাবোৰৰ প্ৰৱেশ নাছিল ; অইন কি বেশ্যাসকলে ব্যৱহাৰ কৰা অলঙ্কাৰ-পাতিকো ভদ্ৰনাগৰিকে ঘৰৰ ভিতৰলৈ অনা দূষণীয় বা নিন্দনীয় বুলিয়েই বিবেচনা কৰিছিল।

বৈবাহিক প্ৰথাৰ কঠোৰ বান্ধোন ক্ৰমাৎ শিথিল হৈ গৈছিল। ব্ৰাহ্মণসকলে শূদ্ৰসম্প্ৰদায়ৰ তিৰোতাক ভাৰ্যা-ৰূপে গ্ৰহণ কৰিবলৈ আপত্তি কৰা নাছিল ; অইন কি বেশ্যাকো তেওঁলোকে পত্নীত্বৰ মৰ্যাদাৰে সম্মানিত কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সেই বুলি গণিকাসকলে বিবাহিত স্ত্ৰীৰ সম্মান লাভ কৰিব পৰা নাছিল। গণিকা বসন্তসেনাক চাৰুদত্তই পিছত পত্নীত্বৰ মৰ্যাদাৰে গ্ৰহণ কৰাৰপৰা বুজা যায় যে সেইসময়ত প্ৰতিলোম বিবাহৰ প্ৰথা প্ৰচলিত আছিল। এনে ধৰণৰ বিবাহে ৰজাৰ অনুমোদনো লাভ কৰিছিল।

## ধৰ্ম ঃ

শূদ্ৰকৰ সমাজখনত এহাতে যিদৰে নৈতিক ব্যভিচাৰৰ তাণ্ডৱলীলা দেখিবলৈ পোৱা যায় সেইদৰে আনহাতে দেখিবলৈ পোৱা যায় নৈতিক আচাৰ আৰু নীতি-নিয়ম। মানুহৰ ঘৰত এতিয়াও গৃহদেৱতাৰ অনুষ্ঠান বিৰাজমান, এতিয়াও দেৱতাৰ পূজা-অৰ্চনা আৰু শঙ্খ-বাদ্যৰ মাঙ্গলিক ধ্বনিয়ে মানুহৰ মনত পবিত্ৰ ভাৱ যোগাই তোলে, এতিয়াও মানুহে দেৱতালৈ উপহাৰ আগ বঢ়াই আছে, এতিয়াও দেৱতাৰ উদ্দেশ্যে বলি-বিধানৰ ব্যৱস্থা প্ৰচলিত হৈ আছে। প্ৰচলিত কেন্ত-বোৰ ব্ৰত-উৎসৱে মানুহক এতিয়াও নৈতিক পথত প্ৰবৃত্ত হবলৈ অনুপ্ৰেৰণা যোগাই আছে। এতিয়াও

মানুহে পৰলোকত বিশ্বাস ৰেকওৱা নাই; মৃত্যুৰ পিছত পুত্ৰৰপৰা পিণ্ডজললৈ আশা বিবৰ্জিত হোৱা নাই 'নিৰাপোদক ভোজনম্।'

সমাজত শিৱ-পূজা আৰু দুৰ্গাৰ আৰাধনা সমানে চলি আছিল। সহ্য পৰ্বতবাসিনী চণ্ডিকা দুৰ্গাদেৱীয়ে চণ্ডালসকলৰ আৰাধ্যা দেৱী।

নাট্যকাৰৰ সময়ত বৌদ্ধ-ধৰ্মৰ গৌৰৱময় সূৰ্য্য অস্তাভিমুখী হলেও তাৰ উষ্ণতাৰ অৱসান ঘটা নাই ; বৰং ৰাজকীয় পৃষ্ঠপোষকতাৰে ইয়াৰ উত্তাপ অটুট ৰাখিবলৈ প্ৰচেষ্টা চলোৱা হৈছিল। বৌদ্ধ ধৰ্মাৱলম্বী মানুহৰ সংখ্যা সমাজত তাকৰ হৈ যোৱা নাছিল নাইবা বৌদ্ধভিক্ষুসকল তেতিয়াও সমাদৃত নোহোৱাকৈ থকা নাছিল। অৱশ্যে সমাজৰ উচ্চ পৰ্যায়ৰ লোকসকলে তেওঁলোকৰ দৰ্শন অশুভ বা অমাঙ্গলিক বুলি বিবেচনা কৰিবলৈ সমুলি এৰা নাছিল এই কথা চাৰুদত্তৰ উক্তিৰপৰাই বুজা যায়। শূদ্ৰকৰ সমাজত বৌদ্ধমঠ আৰু হিন্দুমন্দিৰ উভয়ৰে ওপৰত ৰাজকীয় প্ৰভুত্ব সমানে বিৰাজমান আছিল। আৰু উভয় ধৰ্ম ৰাজকীয় পৃষ্ঠপোষকতাৰে পৰিপুষ্ট আছিল।

বিভিন্ন সম্প্ৰদায় আৰু নানা জাতি উপজাতিৰ লোকসকলৰ দ্বাৰা সমাজখন গঠিত হলেও সাম্প্ৰদায়িক মৰ্যাদা বা সা-সুবিধাৰ সুকীয়া ব্যৱস্থাৰ বিষয়ে বিশেষ পৰিচয় পোৱা নাযায়। নাটকৰ ষষ্ঠ অঙ্কত হোৱা বীৰক আৰু চন্দনকৰ কথোপকথনৰপৰাও কোনো স্থিৰ সিদ্ধান্তত উপনীত হোৱা সম্ভৱপৰ নহয়। কিন্তু অনুমান কৰিব পাৰি যে উচ্চ শ্ৰেণীৰ লোকসকলে নিৰ্দোষ ভাৱেই সন্মানাৰ্হ বাণিজ্য-ব্যৱসায়ৰপৰা আৰম্ভ কৰি ঘৃণনীয় জুৱা-খেল পৰ্যন্ত সমাজ-বিৰোধী কাৰ্য্যসমূহত অবাধগতিৰে যোগ দান কৰিব পাৰিছিল। নিম্নস্তৰীয় লোকসমূহৰ বাবে এনে সুযোগ গ্ৰহণৰ দুৱাৰখন মুকলি হৈ থকা নাছিল।

**সঙ্গীত আৰু কলা :**

সঙ্গীত আৰু কলা বিদ্যাই সমাজত যথেষ্ট উৎকৰ্ষ লাভ কৰিছিল আৰু এই ক্ষেত্ৰত বেশ্যাসকলৰ অৱদান উল্লেখযোগ্য হিচাপে পৰিগণিত হৈছিল। মাজনিশালৈ গীত-বাদ্যৰ আমোদ উপভোগ চলিছিল। চাৰুদত্তৰ দৰে সমাজৰ সন্মানীয় ব্যক্তিসমূহেও গীত-বাদ্যত মুগ্ধ হৈ শেষ ৰজনীলৈ আনন্দ মুখৰিত হৈ সময় কটাইছিল। চিত্ৰ-কলাৰ চৰ্চাৰো সমাজত যথেষ্ট সন্মান আছিল।

**জ্যোতিষ বিদ্যা :**

ধৰ্ম-ঐশ্বৰ্য, আমোদ-প্ৰমোদ আৰু লাহ-বিলাহৰ মাজেৰে জীৱন অতিবাহিত কৰিলেও মানুহে জ্যোতিষ আৰু মঙ্গলতি বিদ্যাত বিশ্বাস হেৰুওৱা নাছিল ; ঐশ্বৰ্যৰ প্ৰভাৱত আত্মহাৰা হলেও দৈৱৰ প্ৰভাৱত ভুগিব লগীয়া দুৰ্বিপাকৰ কথা পাহৰা নাছিল। সামাজিক বান্ধ শিথিল হলেও মানুহে বিশ্বাসৰ বান্ধৰপৰা মুকলি হ'ব পৰা নাছিল। এতিয়াও মানুহৰ জ্যোতিষ শাস্ত্ৰত প্ৰগাঢ় বিশ্বাস আছে। নাটকৰ ষষ্ঠ অঙ্কত চন্দনকে গোৱালৰ ল'ৰা আৰ্যকক হৰণ কৰি নিয়া দেখি কৈ উঠিছে—কাৰ জন্ম সৌৰৱণিত ৰবি অষ্টমত, চন্দ্ৰ চতুৰ্থত, শুক্ৰ ষষ্ঠত আৰু মঙ্গল পঞ্চমত অধিষ্ঠিত হৈছে। আৰু কোৱা বৃহস্পতি কাৰ জন্মৰাশিৰপৰা ষষ্ঠলৈ গৈছে অথবা কাৰ শনি নৱমৰাশিগত হৈছে। চন্দনক জীয়াই থাকোঁতে দি গোৱালৰ লৰা আৰ্যকক হৰণ কৰিছে সি কোন! আকৌ নৱম-অঙ্কত বিচাৰালয়ত শকাৰ, চাৰুদত্ত আৰু বিদূষকক দেখি মুখ্য-ন্যায়াধীশে কয় যে 'বিকৃতভাৱে মঙ্গলৰ দ্বাৰা আক্ৰান্ত, ক্ষীণ বৃহস্পতিৰ ওচৰত ধূমকেতুৰ দৰে আকৌ আন এটা গ্ৰহ উদয় হ'লহি।" ইয়াত চাৰুদত্তক বৃহস্পতি, শকাৰক মঙ্গল আৰু বিদূষকক ধূমকেতুৰ লগত তুলনা কৰি যেন মঙ্গলগ্ৰহৰ কবলৰপৰা বৃহস্পতিক ৰক্ষা কৰিবলৈ ধূমকেতুৰহে আবিৰ্ভাৱ হৈছে। জ্যোতিষ শাস্ত্ৰৰপৰা লোৱা এনে তুলনাৰপৰা বুজা যায় যে শূদ্ৰকৰ সমাজত জ্যোতিশাস্ত্ৰৰ বিশেষ চৰ্চা আছিল। প্ৰাচীন জ্যোতিষশাস্ত্ৰকাৰসকলৰ মতে মঙ্গল গ্ৰহ বৃহস্পতিৰ শত্ৰু, কিন্তু বৰাহমিহিৰ প্ৰভৃতি জ্যোতিৰ্বিদসকলৰ মতে মঙ্গল গ্ৰহ বৃহস্পতিৰ শত্ৰু নহয় মিত্ৰ গ্ৰহহে।



মঙ্গলতি বিদ্যাতো মানুহৰ বিশ্বাসৰ অৱসান ঘটা নাই। নৱম অঙ্কত চাৰুদত্তই বিচাৰালয়লৈ যোৱাৰ সময়ত সিবোৰ অমাঙ্গলিক লক্ষণে দেখা দিছিল, সেইবোৰৰ বিষয় উল্লেখ কৰি কৈছিল, 'কাউৰীয়ে কৰ্কশস্বৰে শব্দ কৰিবলৈ ধৰিছে, ৰাজ-ভৃত্যসকলে মোক বাৰে বাৰে মাতিবলৈ ধৰিছে, বাওঁ চকুটো নাচিবলৈ ধৰিছে, গতিকে এইবোৰ দুৰ্লক্ষণে মোক ব্যথিত কৰি তুলিছে।' শুকান গছত পৰি সূৰ্যৰ পিনে মুখ কৰি কাউৰীয়ে কৰ্কশ শব্দ কৰিলে অত্যন্ত অনিষ্ট সাধন হয়। এইমত বৰাহ-মিহিৰবনৰে জ্যোতিৰ্বিদেও সমৰ্থন কৰে। পুৰুষ মানুহৰ বাওঁ চকুৰ স্পন্দন অমঙ্গলসূচক। চাৰুদত্তৰ বিচাৰালয়লৈ যোৱাৰ সময়ত এই আটাইবোৰেই ঘটিছিল। যাত্ৰাৰ সময়ত সাপে সন্মুখত সাপৰ উপস্থিতিও অমঙ্গলৰেই কাৰণ আছিল—'ভুজগপতিৰয়ং মে মাৰ্গমাক্ৰম্য সুপ্তঃ।' বাম চকু বা বাহুৰ পুনঃ পুনঃ স্পন্দনে মানুহৰ আৱশ্যম্ভাৱী আগন্তুক বিপদৰ সঙ্কেত দিয়ে। চাৰুদত্তৰ বেলিকাও সেয়ে ঘটিছিল 'স্ফুৰতি নয়নং বামো বাহুৰ্মুহুশ্চ বিকম্পতে।'

বাম চকু বা বাহুৰ স্পন্দন, কাউৰীৰ বিকট ৰব সৰ্পৰ বাধা যে মানুহৰ অনিষ্ট সাধক তাক চাৰুদত্তৰ উক্তিৰ-পৰা স্পষ্টভাৱে বুজা যায়। ইয়াৰপৰা সহজেই অনুমান কৰিব পাৰি যে সমাজত মানুহে এইবোৰ কথাত বিশেষ আস্থা ৰাখিছিল।

মৃচ্ছকটিক নাটকখনক কেৱল সামাজিক নাটক বুলিলেই যথেষ্ট নহয় ; ইতিহাসৰ পিনৰপৰাও ই যথেষ্ট উপাদান যোগাইছে। নাট্যকাৰৰ সময়ৰ সমাজৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম আদিৰ মাজেৰে ইয়াত জাতীয় জীৱনৰ এখনি নিৰ্ভৰশীল চিত্ৰ প্ৰতিফলিত হৈ উঠিছে। বিশ্বাসযোগ্য, আপুৰুগীয়া সভ্যতাৰ উচ্চস্তৰলৈ উঠি অহা সমাজখনক আমোদ-মত্ত মানুহৰ দূষিত স্বভাৱে আৰু কু অভ্যাসগ্ৰস্ত মানুহৰ নিশ্বাসে যেন তাৰ আকাশ বতাহ কলুষিত কৰি তুলিছে আৰু দেশৰ সভ্যতাৰ সম্পদক ক্ষয়োন্মুখী কৰি তোলাত সমাজ-শাসনৰ শক্তি যেন নিষ্প্ৰভ হৈ গৈছে। শূদ্ৰকৰমতে মানুহে যেতিয়া জাতি-ধৰ্ম-নিৰ্বিশেষে নিজৰ নিজৰ কৰ্তব্যকাম নিষ্ঠাৰে সৈতে পালন কৰিব, পৰস্পৰৰ ভিতৰত মিলাপ্ৰীতিৰ ভাব স্থাপন কৰিব, ৰজাই যেতিয়া দেশবাসীৰ কল্যাণৰ বাবে আত্ম নিয়োগ কৰিব, তেতিয়া সমাজত শান্তি আৰু শৃঙ্খলা বিৰাজ কৰিব : দেশৰ ধন-ধান্যেৰে সমৃদ্ধ হ'ব আৰু সমাজ সভ্যতা আৰু সংস্কৃতিৰ পথত আগুৱাই যাব।

অসম সাহিত্য সভা পত্ৰিকাত
বিজ্ঞাপন
দি আপোনাৰ ব্যৱসায়ৰ উন্নতি সাধক।
তলৰ ঠিকনাত খবৰ কৰক :—
সহকাৰী সম্পাদক,
অসম সাহিত্য সভা
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-১

# জ্ঞানৰ প্ৰসাৰত পুথিভঁৰালৰ ভূমিকা

শ্ৰীৰাম গোস্বামী

স্বাধীনতা লাভ কৰা পিছৰ কালছোৱাত অসমত জ্ঞানৰ প্ৰসাৰত পুথিভঁৰালৰ ভূমিকা পৰ্যালোচনা কৰোঁতে পৰাধীন অৱস্থাত আমাৰ পুথিভঁৰালসমূহৰ কেনে দশা আছিল সেই বিষয়ে দুই এষাৰ কথা কোৱা বোধকৰোঁ সমীচীন হ'ব। এইটো সম্ভৱ কোনেও দুই নকৰিব যে বিদেশী শাসকৰ আমোলত আমাৰ দেশত পুথিভঁৰাল নালাগে কোনো সামাজিক অনুষ্ঠানে স্বকীয়ভাৱে উৎকৰ্ষ সাধন কৰিবলৈ সুবিধা নাপাইছিল। শাসকগোষ্ঠীৰ সন্দিগ্ধ দৃষ্টিত প্ৰত্যেকটো মঙ্গলকামী দেশীয় প্ৰতিষ্ঠানে অনিশ্চিত ভৱিষ্যতক আগত লৈ নিজ নিজ কৰ্ম পন্থা স্থিৰ কৰিছিল। পুথিভঁৰাল, সাহিত্য-সন্মিলন, প্ৰভৃতি অনুষ্ঠান গঢ় লৈ উঠাত বিদেশী শাসকবৰ্গই মুঠেই উৎসাহ নেদেখুৱাইছিল। তেওঁলোকে ভাবিছিল—স্বাধীন চিন্তাধাৰাৰ সোঁত বৰলৈ দিলে ভাৰতবাসীৰ মন বিপ্লৱী হৈ উঠিব, স্বাধীনতা সংগ্ৰাম সম্পৰ্কে ওলোৱা গ্ৰন্থ-আলোচনী নাইবা বাতৰি কাকত পঢ়িবলৈ পালে ভাৰতীয়লোকে উত্তেজনাৰ সৃষ্টি কৰিব আৰু ইংৰাজ শাসনৰ বিৰুদ্ধে বিপ্লৱী আন্দোলন গঢ়ি তুলিব। যিবোৰ অনুষ্ঠান অ'ত ত'ত গঢ় লৈ উঠিছিল—সেইবোৰৰ প্ৰায়ে শাসক সম্প্ৰদায়ৰ সাহায্য আৰু সমৰ্থনত নিৰ্ভৰ কৰি প্ৰসাৰতা লাভ কৰিছিল। শাসকসকলক সন্তুষ্ট কৰিবৰ অভিপ্ৰায়ে উদ্যোক্তাসকলে পুথিভঁৰাল স্থাপন কৰি সেইবোৰৰ নামকৰণ কৰিছিল—কটন লাইব্ৰেৰী, কাৰ্জন হল লাইব্ৰেৰী, হেমণ্ড লাইব্ৰেৰী প্ৰভৃতি নামেৰে। সেই সময়ত আমাৰ সাহিত্যত বেছি কিতাপ-পত্ৰ নাছিল। ভাৰতীয় অন্যান্য ৰাজ্য ভাষাত ওলোৱা বিভিন্ন গ্ৰন্থসমূহ, ইংৰাজী ভাষাত ওলোৱা কিতাপ-পত্ৰ আদিৰে এক মুষ্টিমেয় শিক্ষিত সম্প্ৰদায়ক এইবোৰ পুথিভঁৰালে সেৱা কৰিছিল। সন্দেহ নাই যে সৰহ সংখ্যক এনে গ্ৰন্থ আছিল বিদেশী ভাৱধাৰাত ৰচনা কৰা। জনসাধাৰণক দেশীয় সাহিত্যৰ প্ৰতি শ্ৰদ্ধাবান কৰা নাইবা সাহিত্য-সেৱীক সাহিত্য সেৱা-ব্ৰতত উৎসাহিত কৰা এইবোৰ পুথিভঁৰালৰ উদ্দেশ্য নাছিল। স্বাধীনতা লাভৰ আগছোৱাত সেইবাবে অসমীয়া সাহিত্য এক সীমাবদ্ধ শিক্ষিত গোষ্ঠীৰ ৰুচি, মূল্যবোধ আৰু সহৃদয়তাৰ যোগেদি পৰিপুষ্ট হৈছিল। কিন্তু এই সীমাবদ্ধ সাহিত্য চিন্তাই অসমৰ জনসাধাৰণক অন্ধকাৰৰ পৰা উলিয়াই আনি আধুনিক জীৱন-যাত্ৰাৰ পথ সুগম কৰাত প্ৰায়েই বিফল হৈছিল। ইয়াৰ ঘাই কাৰণ আছিল ৰক্ষণশীল সমাজ-ব্যৱস্থা আৰু শিক্ষা লাভৰ ব্যাপক অসুবিধা। অৱশ্যে ব্যৱসায়ী-প্ৰধান বিদেশী শাসকৰ আমোলত উন্নত সমাজ ব্যৱস্থা আৰু ব্যাপক শিক্ষা বিস্তাৰৰ আশা কৰাটো সেই সময়ত অলীক কল্পনাৰ বাহিৰে আন একো নাছিল। শিক্ষাৰ প্ৰধানতম মাধ্যম হ'ল মাতৃ ভাষা। এই ভাষাৰ বিকাশ সাধন কৰাটো নীচাত্মিকা মনোভাৱ নহয়। এই মনোভাৱ হ'ল প্ৰয়োগবাদী সাহিত্য-সেৱা, আৰু জীৱন্ত জাতি এটাৰ যুক্তিবাদী দৃষ্টি ভঙ্গীৰ স্বাভাৱিক পৰিণতি। সেইহে, পুথিভঁৰালক এক সামাজিক অনুষ্ঠান-ৰূপে গঢ় দিয়াটো প্ৰগতিশীল চিন্তাধাৰাৰ অন্য এক বলিষ্ঠ অভিব্যক্তিহে। পুথি অধ্যয়নৰ প্ৰয়োজন মানসিক উৎকৰ্ষ সাধনৰ পথ সুচল কৰিবলৈ। আজি আধুনিক যুগত প্ৰতি মুহূৰ্তত্তে চিন্তা-ভাবনাৰ দিগন্ত দ্ৰুত গতিত প্ৰসাৰিত হৈছে। প্ৰবল গতিৰে জ্ঞান লাভৰ আন্তৰিক স্পৃহা বিভিন্ন দিশত বৰ্ধিত হৈছে। অকল বুদ্ধিজীৱীৰ মাজতে আজিৰ গ্ৰন্থ পাঠ সীমাবদ্ধ হৈ থকা নাই। জ্ঞানৰ আস্বাদ লবলৈ জনগণৰ মাজত আজি প্ৰবল ধাউতি জন্মিছে। ভাৰতবৰ্ষৰ স্বাধীনতা লাভে এই সামগ্ৰিক আশা-আকাঙ্ক্ষা, আগ্ৰহ-উদ্দীপনা ফলৱতী কৰাত ইন্ধন যোগালে। স্বদেশ প্ৰীতিৰ মুক্ত প্ৰবাহত নতুন ভাবধাৰাৰ সূচনা হ'ল, পৰিবৰ্তন হ'ল ভাৰতীয় সমাজ-ব্যৱস্থা। জাতীয়তাবাদী চিন্তা-ভাৱনাই সামাজিক জীৱনত দেখা দিয়া মৰ্মান্তিক বৰ্ণ বৈষম্য, আৰ্থিক বিলাই-বিপত্তি, প্ৰভৃতি দূৰ কৰাৰ অভিপ্ৰায়ে উন্নতমুখী কাৰ্যপন্থা গ্ৰহণ কৰিলে; সাংস্কৃতিক ঐতিহ্য সমৃদ্ধ কৰাৰ লগতে আধুনিক যুগৰ সামঞ্জস্য ৰক্ষা কৰিবলৈ নতুন পদ্ধতিত পুথিভঁৰাল স্থাপন কৰাৰ দিহা কৰিলে। পুথিভঁৰালক এটা জীৱন্ত সংস্থা ৰূপে স্বীকৃতি দিবলৈ কেন্দ্ৰীয় আৰু বিভিন্ন প্ৰাদেশিক চৰকাৰে কাৰ্য পন্থা গ্ৰহণ কৰিলে। ধাৰাবাহিক পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ যোগেদি আন আন উন্নতিমূলক আঁচনিৰ লগতে শিক্ষা প্ৰসাৰৰ অপৰিহাৰ্য অঙ্গ স্বৰূপে পুথিভঁৰাল আন্দোলনক মৰ্যদাপূৰ্ণ গুৰুত্ব দিয়া হ'ল।

বিভিন্ন অঞ্চল আৰু জাতি-উপজাতিসমূহৰ মাজত পুথিভঁৰালৰ আৱশ্যকতা উপলব্ধি কৰি অসম চৰকাৰে ১৯৫৪ চনৰ শেষ ভাগত পুথিভঁৰাল স্থাপনৰ এখন বাস্তৱমুখী আঁচনি গ্ৰহণ কৰে। এই আঁচনিৰ মুখ্য উদ্দেশ্য আছিল পুথিভঁৰালৰ যোগেদি অসমত শিক্ষা বিস্তাৰত সহায়তা কৰা আৰু সাধাৰণ পঢ়ুৱৈ সমাজৰ প্ৰয়োজন অনুসৰি সৎ সাহিত্য ৰচনা আৰু প্ৰচাৰ কৰাত উৎসাহ যোগোৱা আঁচনি অনুযায়ী সেইমতে শ্বিলঙত এটা কেন্দ্ৰীয় পুথিভঁৰাল * আৰু গুৱাহাটী, নগাওঁ, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ, ধুবুৰী আৰু ছিলচৰত প্ৰত্যেকতে একোটা জিলা পুথিভঁৰাল স্থাপন কৰা হয়। পৰৱৰ্তী পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময় ছোৱাত এই জিলা পুথিভঁৰাল প্ৰায়বোৰবে নিজা ঘৰ তৈয়াৰ হৈছে। ডিব্ৰুগড় আৰু ধুবুৰীত ঘৰ সজা কাম আগবাঢ়িছে। মহকুমা পৰ্যায়ত পুথিভঁৰাল সম্প্ৰসাৰণ কৰি নলবাৰী, বৰপেটা, গোৱালপাৰা, কোকৰাঝাৰ, গোলাঘাট, শিৱসাগৰ, লক্ষীমপুৰ, হাইলাকান্দি, কৰিমগঞ্জ, মঙ্গলদৈ প্ৰভৃতি ঠাইত মহকুমা পুথিভঁৰাল সংগঠন কৰা হৈছে। নিজা ঘৰ সজাৰ অৰ্থে আঁচনি যুগুত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে যদিও দেশৰ আৰ্থিক সঙ্কটৰ বাবে এই কামত আগবাঢ়িব পৰা নাই। পঞ্চম পৰিকল্পনাৰ কালছোৱাত লক্ষীমপুৰ পুথিভঁৰালক জিলা পৰ্য্যায়লৈ ৰূপান্তৰিত কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰিও ঠায়ে ঠায়ে গ্ৰন্থ বিতৰণ কৰিবলৈ, লগতে ভ্ৰাম্যমান পুথি প্ৰদৰ্শনী অনুষ্ঠিত কৰিবলৈ চলন্ত পুথিভঁৰাল—নিৰ্ধাৰিত কাৰ্য্য সূচীৰে কামত খটুওৱা হৈছে। ডিফু আৰু হাফলঙত সংগঠন কৰা পুথিভঁৰাল দুটাই সেই অঞ্চলৰ পিছ পৰা লোকসকলক শিক্ষা প্ৰদানত সহায় কৰিছে।

শ্বিলঙত অৱস্থিত ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁৰালকে ধৰি জিলাৰ সদৰ ঠাই আৰু মহকুমা সদৰ ঠাইৰ জিলা আৰু

* অসমৰ শিক্ষিত সমাজে সহজে হাতে ঢুকি নোপোৱা ছিলঙত কেন্দ্ৰীয় পুথিভঁৰাল স্থাপন কৰাটো যে এটা অদূৰদৰ্শিতাৰ কাম হৈছিল সেই কথা আজি সকলোৱে হৃদয়ঙ্গম কৰিব পাৰিছে।

—সম্পাদক

মহকুমা পুথিভঁৰাল সমূহত ১৯৭২ চনৰ মাৰ্চ মাহৰ শেষত যুগুত কৰা এটা বাৰ্ষিক টোকামতে সৰ্বমুঠ চাৰি লাখ, আঠাইছ হাজাৰ, চাৰিশ একাশীখন গ্ৰন্থৰ যোগান হৈছে বুলি গম পাব পাৰি। এইবিলাক পুথিভঁৰালত সেই বছৰটোত গ্ৰন্থ পাঠ কৰা পঢ়ুৱৈৰ সংখ্যা হ'ল—উনত্ৰিশ হাজাৰ এশ বাৰজন জন। এই পঢ়ুৱৈৰ সংখ্যাটো আশানুৰূপ নহয় বুলি আমাৰ বিবেচিত হৈছে। যদিও পুথিভঁৰাল স্থাপনৰ যোগেদি পঢ়াৰ প্ৰতি সাধাৰণ পঢ়ুৱৈৰ সমাজৰ আগ্ৰহ জন্মিছে, গাৱে ভূঞে পুথিভঁৰাল স্থাপন হৈ এক নতুন জাগৰণৰ সৃষ্টি হৈছে, তথাপি অধিক সংখ্যক লোকে এতিয়াও গ্ৰন্থ পাঠক এটা সামাজিক দায়িত্ব-ৰূপে গ্ৰহণ কৰা নাই। ইয়াৰ কাৰণ বিচাৰ কৰিলে দেখা যায় যে অসমৰ শিক্ষিত জনসংখ্যাৰ এটা বৃহৎ অংশই এতিয়াও গ্ৰন্থ পাঠক দৈনন্দিন জীৱনৰ সঙ্গীৰূপে গ্ৰহণ কৰা নাই। জনসংখ্যাৰ তুলনাত অধিকজন বয়স্কলোক নিৰক্ষৰ। এওঁলোকক সাক্ষৰ কৰি তোলা অভিযানত সামাজিক শিক্ষা বিভাগে চেষ্টা চলাই আছে যদিও এতিয়াও আমি আশানুৰূপ ফল পোৱা নাই। এই সমস্যা সমাধানত আৰু ধৰটকীয়া কাৰ্য-পন্থাৰ প্ৰয়োজন। যি-সকলে পঢ়া-শুনা জানে, যাৰ বুদ্ধি আৰু জ্ঞান-অৰ্জনৰ প্ৰবৃত্তি প্ৰত্যক্ষভাৱে জাগ্ৰত, সেইসকল লোকে নিয়মিত ভাৱে পঢ়াশুনাৰ অভ্যাস ৰাখিলে নিজৰ লগতে দেশৰ মঙ্গল আশা কৰিব পাৰে। অলপতে এখন বাতৰি কাকতত ওলোৱা এটা প্ৰবন্ধত কোৱা হৈছিল—"কিতাপ নপঢ়াৰ এটা সাধাৰণ অজুহাত হ'ল সময়ৰ অভাৱ। দিনে মাত্ৰ ১৫ মিনিটো সময় আপুনি উলিয়াব নোৱাৰেনে? দিনো মাত্ৰ ১৫ মিনিটকৈ পঢ়িলেও গোটেই জীৱনত আপোনাৰ ১০০০ খন কিতাপ পঢ়া হ'ব পাৰে, আৰু তাৰ ফলত আপোনাৰ জীৱনৰ গোটেই ৰূপটোৱেই সলনি হৈ যাব পাৰে....।" আমাৰ দেশত এজন বুদ্ধি সম্পন্ন পঢ়ুৱৈ হ'বলৈ ইয়াতকৈ সহজ উপায় বোধকৰো নোলাব। আজিৰ যুগত জ্ঞান লাভৰ আৰু গ্ৰন্থ অধ্যয়নৰ যি সুবিধা ওলাইছে তালৈ চাই বিচাৰ কৰিলে অসমীয়া ভাষাত প্ৰকাশিত কিতাপ-পত্ৰৰ সংখ্যা যথেষ্ট নহয়। অসমত পুথিভঁৰালৰ জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ হ'লে আমাৰ আঞ্চলিক ভাষাত নতুন নতুন গ্ৰন্থ-সম্ভাৰৰ বিশেষ প্ৰয়োজন। লিখক-প্ৰকাশকৰ লগতে চৰকাৰ সজ্যবদ্ধ হলে এই অভাৱ দূৰ কৰিবলৈ সম্ভৱতঃ অসুবিধা নহ'ব।

গল্প

# এখন ছবি

শ্ৰীঘনকান্ত চেতিয়া ফুকন

শিৱসাগৰ নগৰৰ পৰা পাচ মাইলমান নিলগৰ এখন গাঁও। এই গাঁৱৰ লগত মোৰ সম্বন্ধ আছে। ইয়াতে মোৰ জন্ম হৈছিল। অলপ দূৰত থকা দিখৌ নৈখনে আৰু পথাৰৰ সিমূৰে থকা সৰু নৈ দৰিকাই আজিও মোৰ মনত এৰি অহা শৈশৱৰ কথা মনত পেলায়। এটা বিশেষ কামত শিৱসাগৰ কাছাৰীলৈ আহিছিলো, তাৰ পিছত কাম শেষ হলত এইয়া এই গাঁৱত ফুৰিছো।

—ৰাতিপুৱা মানুহবিলাক পথাৰলৈ গৈছে। মই যাৰ ঘৰত আলহী হৈছিলোঁ। তেওঁ মোৰ বংশৰ ককাই-দেউ হয়। তেৱেঁই কৈছিল, "তই যেতিয়া আহিছ গাঁৱৰ দুই-এঘৰত মাত লগাই যাবি। হলিৰাম দাইটিৰো বৰ অসুখ যক্ষাৰোগেই হ'ল। আজি মৰো কালি মৰো হৈ আছে।"

—এইয়া হলিৰাম দদাইদেউইতৰ ঘৰ।

চোতালতে আঠ ন মান বছৰীয়া ছোৱালী এজনী। তাইক সুধিলো,

"ঘৰত কোন আছে অ?"

"দেউতা পথাৰলৈ গৈছে। মই ঘৰত আছো—আৰু—আই আছে।"

"আৰু কোন—"

"নথকাৰ দৰেই, বুঢ়াদেউতা আছে গা ভাল নাই।"

"ব'লচোন দেখুৱাই দে।"

তাইৰ পিছে পিছে গলোঁ।

—আওহতীয়া কোঠা এটাত বুঢ়াক শুৱাই থৈছে। এখন চালপীৰা। তলত খেৰ পাৰি দিয়াটো দেখিলেই ধৰিব পাৰি। খেৰৰ ওপৰত এখন পাটী চাৰি। গাত এখন সস্তীয়া কম্বল আৰু মূৰটো থৈছে তেল চিকটি লগা এটা গাৰুৰ ওপৰত।

"দদাইদেউ" বুলি মই মাত দিলোঁ।

"তই গুৱাহাটীৰ পৰা আহিলি হব বাপু, তোৰ কথা কালি সককণে কৈছিল। তই কেতিয়া যাবিগৈ?"

"মই কালিলৈ যাম দদাইদেউ, তাহানিৰ আপোন গাঁওখন এবাৰ চাই যাওঁ বুলি থাকিলোঁ। —গুৱাহাটীত মোৰ সিমানহে কাম, থাকো বুলিলেও বেছি দিন থাকিব নোৱাৰোঁ।"

—মই গহীনাই কলোঁ। দেশৰ কৰ্ণধাৰ—এজন মন্ত্ৰী নাইবা এম, এল, এৰ দৰে নিজকে লাগিল। গুৱাহাটীত নিজৰ জীৱিকাৰ কাৰণে খটাৰ বাহিৰেনো কি কৰিছো। "কাকোপি....স্বোদৰপূৰণম্" মনত পৰিল।

আকৌ সুধিলো "দদাইদেউ গা কেনে পাইছে?"

"গা কেনে পাইছো কিনো সুধিছ, কিনো কম। মৰণ এইয়া দুৱাৰদলিত। বুকুত বিষ, খুকুটা কাঁহ, হাওঁ-ফাওঁত কেতিয়াবা বৰ জ্বালা কৰে। সোনকালে মৰা হলেই ভালে আছিল। ইহঁতকহে কষ্ট দিছো। সৰুকণৰ বিয়া পতা আজি দহ বছৰেই হ'ল। সিয়েই ঘৰখন চলাইছে—ছমাহৰ ভাত হয়। মাটিও দুবিঘা

বন্ধকত আছে। মোৰ বেমাৰৰ কাৰণেই বন্ধক দিব লগা হ'ল।"

"আমাৰ শইকীয়া মন্ত্ৰী বা দুৱৰা এম, এল, এক কোৱা হলে কি জানি হস্পিটেলত থকাৰ খৰচকে দিলেহেঁতেন।"

"নালাগে বৰ বাপু, ইলেকছনৰ ওচৰত বহুতে আহি বহুতো আশা দি গ'ল। এতিয়া ঘৰলৈ বিচাৰি গলেও লগ নাপায়। সেইবোৰ বজা মানুহ কাম বেছি। আমিনো কেনেকৈ লগ ধৰিম ? মটৰগাড়ী থাকিলেহে মটৰ গাড়ী থকা মানুহক লগ পাব পাৰি। উস্...! জীয়াই থাকিনো কি কৰিম বৰ বাপু, আমাৰ যাবৰ সময় হৈছে। পিছে এই কালৰোগটো হলতহে চিন্তা লাগিছে। ভয়তে কোনো নাহে। তই বহি ওচৰত কথা পতাৰ দৰে কোনো ইমান ওচৰলৈ নাহে।"

মই খন্তেক নীৰৱ হলো। কাঠৰ খুটাটোত আছে এখন দুবছৰীয়া পুৰণা কেলেণ্ডাৰ। তাৰিখৰ কাৰণে নহয় ছবিখনৰ বাবে ৰাখিছে। ফাটি উৰুলি হৈছে—বিবৰ্ণ হৈছে ; এয়া আমাৰ নবীন ভাৰতৰ আশাৰ প্ৰতীক স্বৰ্গগত পণ্ডিত জৱাহৰলাল নেহৰুৰ ছবি !

—আকৌ মই কলো,' 'দদাইদেউ আজিকালি এই টি, বি, বেমাৰটোলৈ ভয় কৰিব লগীয়া একো নাই। আজিকালি অনেক দৰব-পাতিও ওলাইছে। তদুপৰি খোৱাটো ভাল কৰিব লাগে ; মাখন, ঘিউ, গাখীৰ, মাছ, মঙহ এইবোৰ বেছিকৈ খাব লাগে।"

"তই চেখোন বৰ বাপু ডাক্তৰে কোৱাদি কথাবোৰ কৈছ ? এবাৰ সেই মাটি বন্ধক দিয়া টকাৰে সককণে ডিব্ৰুগড়লৈ নি মোক ডাক্তৰক দেখুৱাওঁতে ঠিক এইদৰেই কৈছিল। কিন্তু ঘৰখন চলাবলৈ সককণে টকানো ক'ত পায় ? লোণ, তেল যোগাৰ কৰি ভাতমুঠি আগত দিয়াই টান। গাঁৱত আজিকালি মাছ, পুঠিও পাবলৈ নাই। মঙহ, কণী, গাখীৰতো দেখিবলৈকে নাই।

ইতিমধ্যে নাতিনীয়েকে মোৰ আগত তামোল কেইখন মানেৰে সৰু বটা এটা দি গ'ল। তামোল এখন মুখত ভৰাই কলো, "দদাইদেউ, মই কাইলৈ গুৱাহাটীত সুধি চাম। যদি টি, বি, হস্পিটেলত চিট্ এটা পাওঁ জনাম।"

"বৰবাপু, তই সেইবোৰ যত্ন নকৰিবি। আজিৰ এই পৃথিৱীখনত আমাৰ কোনো মূল্য নাই। সিপাৰলৈ যোৱাৰ কথাই ভাবিছো। মাত্ৰ দুখ থাকিল মনত, ৰাইজে আমাক এঘৰীয়া কৰিলে।"

দদাইদেৱে চকুলো টুকিলে।

মই ভাওনাত বচন মতাৰ দৰে বহুত কথাই কলোঁ। শেষত মযো বুজি পালো মই এইবোৰ নেতাসকলৰ আদৰ্শতেই যেন বক্তৃতাহে দিছো। যি ঘৰ মানুহৰ সো ঘৰৰ চালৰ ফুটাইদি আকাশৰ তৰা লেখিব পাৰি তাত কৈছো—ঘিউ, মাখন, মাছ, মাংসৰ কথা।

দদাইদেউৰ ভৰি চুই প্ৰণাম কৰিলোঁ।

হাতত গুজি দিলো পাঁচটকীয়া নোট এখন। তেওঁ ক'লে, "তোৰ জানো বাট খৰচ হৰগৈ ? তোৰ কথা শুনি ভাল লাগে। একো এটা খাবলৈহে নাপালি। চাহপানী একাটি খাবলৈও—চাহপাত হলেও চেনি নাই।"

তেওঁ লেপ ঢুকি কথাবোৰ ক'লে। মই খুটাৰ গজালত আঁৰি থোৱা ফটোখন চালো। এইখনেই আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীৰ গাঁৱৰ ছবি।

আঠ বছৰীয়া ছোৱালীজনীক মাতিলোঁ।

"তোৰ নাম কি অ' আইকণ ?"

"মোৰ নাম সৰলা—"

"ল, এইটো টকা। মাৰক মাতচোন।"

তাই টকাটো নল'লে। তাইৰ ফ্ৰকটো ফাটিছে। তাই বুকুত কাপোৰ নোলোৱাৰ কাৰণে কোনোবাই কিবা কৰও পাৰে। তাইৰ লাজ কৰা ভাবটো বুজি পালোঁ। মাক আহিল। অকাল বাৰ্দ্ধক্যক মাতি অনা এজনী বোৱাৰী। অভাৱেই হয়তো এনে কৰিছে। তেওঁ সুধিলে—"গুৱাহাটীলৈ কেতিয়া যাব ?"



"কাইলৈ যাম।"

"দেউতাকক লগ নাপালে। একো এটা খুৱাবও নোৱাৰিলো।"

"হব বাক, নেলাগে ভাবিব। মই দদাইদেউক চাও বুলিয়েই-সোমালোঁ।"

বোৱাৰীজনীয়ে বুজাৰ খুজিছিল গিৰিয়েকক লগ পোৱা হ'লে মোক ভালদৰে আলহী সুধিলেহেঁতেন। দোকানৰ পৰা চাহ, চেনি, বিস্কুট আনিলেহেঁতেন।

মই কলোঁ, "মই নবালবিকৈ আহিলোঁ। কাছাৰীত কালি অলপ কাম আছিল।" নিজৰ অলপ বিশেষত্ব দেখুৱাবৰ কাৰণেই কলোঁ। মই যেন বৰ দৰকাৰী মানুহ ! মোৰ যেন বহুতো মূল্য আছে।

"ঘৰত হৰলা ভাল—ইহঁতৰ দেউতাকে কেতিয়াবা গুৱাহাটীৰ কথা উলিয়ায়।"

মই হাঁহিলো। ভাল বুলি উত্তৰো দিলো।

ছালপিৰাত পৰি থকা নিশ্চিত মৰণৰ যাত্ৰী এই গাঁৱৰে এজন প্ৰতিনিধি মোৰ দূৰ সম্পৰ্কীয় দদাইদেউজনক শেষবাৰৰ কাৰণে চালোঁ। ঘূৰি গৈ ওচৰৰ পৰা আকৌ বিদায় ললোঁ। এইবাৰ দেখিলো চকুৰ পৰা তেওঁৰ ধাৰাসাৰে পানী ওলাইছে।

নিজে নিজক কলোঁ, আমাৰ দেশৰ পৰিকল্পনাতে এই চকুলোৰ কথা ধৰি থোৱা আছে হব পায় !

—সিহঁতৰ ঘৰৰ পৰা ওলাই পথৰুৱা বাটেদি গাঁৱৰ কাষে কাষে বাট বুলিলোঁ। এয়া আগত এখন বহল পথাৰ। পথাৰত মানুহে হাল বাইছে, কোনোবাই হয়তো গীত-পদ জুৰিছে।

এতিয়া মই ক'লৈ যাম ?

অভাৱ-অনাটনে গ্ৰাস কৰি থকা এই গাঁৱৰ মানুহবোৰক আশাৰ বাণী শুনাবলৈ মইতো কোনো মেম্বৰ বা মন্ত্ৰী নহওঁ। মই আজি নিজে জানো নিজৰ চিকিৎসা কৰিব পাৰিছো ? মোৰো কেন্সাৰ হৈছে, সমাজৰ শতকৰা সত্তৰ আশী জনৰেই এই মহাব্যাধি হৈছে, ইয়াৰ আন এটা নাম দাৰিদ্ৰ্য। কিন্তু আমি নিজৰ ৰূপ ঢাকি ৰাখোঁ। যাত্ৰা পাৰ্টিৰ অভিনেতাই যেতিয়া ৰজাৰ বচন মাতে তেতিয়া ভুলতো নকয় আজি ৰাতি ভাওনা চাবলৈ আহিবলৈ তাৰ ঘৈণীয়েকে কান্দিছিল—কাপোৰ এখন নাই বুলি। ছোৱালীজনীয়ে ঠেহ লাগি কৈছিল, "ভাওনা চাবলৈ ফ্ৰক এটা দিম দিম বুলি ক'তা পিতায়ে নিদিলে।" কাৰণ আজি ৰাতি ভাওনা আৰু তাইৰ দেউতাকেই ৰজাৰ পাট লৈছে।

—ভাবি ভাবি গাঁওখনৰ গভীৰৰ পৰা গভীৰতম্ প্ৰদেশলৈ মই সোমাই গলোঁ। গোটেই নগৰীয়া বৌদ্ধিক জীৱনটো কৃত্ৰিম যেন লাগিল।

বিশ্ববিদ্যালয়ৰ ডিগ্ৰী, ৰেইনফৰ্চদ কংক্ৰিটৰ বিল্ডিং, গাড়ী, টকা, লাহ-বিলাহ, এইবোৰ সচাঁনে– কেঞ্চাৰ, টি,বি, অভাৱ-অনাটন, উকথা পঞ্জা, বোকা, দুৰ্গন্ধময় পানী, দৰিদ্ৰতা এইবোৰ সঁচা ? হলিৰাম দদাইদেউৰ হয়তো হাওঁফাওটো যক্ষ্মাৰোগৰ জীৱাণুৱে বেছি জখম কৰিলে, খকা-সৰকা কৰি বিন্ধা উলিয়াই পেলালে। সেয়েহে চেকুৰা বান্ধি কোঁহাকোঁহে তেজ ওলাইছে। কিন্তু মোৰো যেন বুকুখন বিষাইছে, কলিজাত কিহবাই কামুৰিছে-দুৰ্বল কৰি পেলাইছে। এনেয়ে হলে জীয়াই হয়তো কিছুদিন থাকিব পাৰিম ; কিন্তু আজি আৰু···

মই আকৌ হলিৰাম দদাইদেউৰ ঘৰলৈকে প্ৰত্যাবৰ্তন কৰিলোঁ। ৰিঙিয়াই মাতিলো, "দদাইদেউ অলপ ৰব। পুৰণা কেলেণ্ডাৰখন গুচাই দিয়ক, মই এখন নতুন কেলেণ্ডাৰ আঁৰি দিম।—য'ত থাকিব এখন ছবি—দাৰিদ্ৰ্যৰ, বুভুক্ষাৰ, যক্ষাৰ, কেন্সাৰৰ আৰু মৃত্যুৰ। তলত থাকিব কেইটামান ৰঙা তাৰিখ অভিনয়ৰ নহয় বাস্তৱৰ, নগ্নতাৰ···বিক্ষোভৰ···উন্মাদনাৰ···বিপ্লৱৰ····।

দদাইদেৱে ক'লে "বৰ বাপু মই ৰলিয়া হৈ যাম—তই কি কৈছ এইবোৰ ? অলপ শুই থাক, অলপ শুই থাক। চব শুই আছে—চাচোন এই দুপৰীয়া গাওঁখনেও চকু মুদি শুই পৰিছে।"

দদাইদেৱে কাঁহিলে বৰ জোৰকৈ। এটুকুৰা কলিজা ছিগি আহিল। তেজ—জীয়াতেজ সচাঁ তেজ।

# কামৰূপী চিত্ৰকলা

( প্ৰথম প্ৰবন্ধ )

শ্ৰীযুগল দাস

বিশ্ব-সংস্কৃতিত কেইবাটাও চিত্ৰকলাৰ নাম পোৱা যায় ; যেনেঃ গ্ৰীক চিত্ৰকলা, ৰোমান চিত্ৰকলা, মিছৰীয় চিত্ৰকলা, পাৰস্য চিত্ৰকলা, জাপানী চিত্ৰকলা, চীনা চিত্ৰকলা ; সেইদৰে ভাৰতীয় চিত্ৰকলা। ভাৰতীয় চিত্ৰকলাৰো আকৌ বিভিন্ন বিভাগ আছে ; যেনে, মোগল চিত্ৰকলা, ৰাজপুত চিত্ৰকলা, কাংৰা উপত্যকাৰ চিত্ৰকলা, বৌদ্ধ চিত্ৰকলা, জৈন চিত্ৰকলা ইত্যাদি। দেখদেখকৈ এই বিভিন্ন চিত্ৰকলাসমূহৰ একোটা ভৌগলিক এলেকা আছে আৰু বিচাৰ কৰি চালে প্ৰত্যেক চিত্ৰকলাৰে সেই এলেকাৰ মাটিৰ গোন্ধ পোৱা যায়। মহাদেশী চিত্ৰকলাসমূহৰ জন্মকাল আওপুৰণি; প্ৰাদেশিক চিত্ৰকলাসমূহৰ জন্মকাল কিছু পিছৰ যুগৰ। অৱশ্যে এই কথাও সঁচা যে নতুনকৈও দুই এক চিত্ৰকলা প্ৰতিষ্ঠিত হৈছে। উদাহৰণ স্বৰূপে মাৰ্কিন চিত্ৰকলা আৰু ভাৰত-বঙ্গীয় চিত্ৰকলালৈ আঙুলিয়াব পাৰি। কিন্তু ইতিমধ্যে এই নৱজাত চিত্ৰকলাসমূহ সুপ্ৰতিষ্ঠিত হৈছে আৰু নিজৰ স্বকীয়া বৈশিষ্ট্য প্ৰতিফলিত কৰিবলৈ সমৰ্থ হৈছে। এই পটভূমিত আমাৰ বিচাৰ্য হোৱা উচিত যে কামৰূপী চিত্ৰকলা বা অসমৰ চিত্ৰকলাই জন্ম লাভ কৰিলে কেতিয়া, অসমৰ চিত্ৰকলাৰ স্বকীয়া কিবা বৈশিষ্ট্য আছে নে নাই বা অসমৰ চিত্ৰকলাত অসমৰ মাটিৰ গোন্ধ পোৱা যায় নে নেযায় ? অসমৰ চিত্ৰকলা ধাৰাবাহী চিত্ৰকলা হয়নে ? অসমখন অষ্ট্ৰিক, দ্ৰাবিড়ীয়, মঙ্গোলীয় আৰু আৰ্য সভ্যতাৰ সংমিশ্ৰণভূমি। সেয়ে হ'লে অসমৰ চিত্ৰকলাত কোন সভ্যতাৰ অৰিহণা কিমান, তাকো বিচাৰ কৰি চোৱা যুক্তিসঙ্গত হ'ব।

এটা কথা স্বীকাৰ কৰিব লাগিব যে পুৰাতত্ত্বৰ গৱেষণাৰ ক্ষেত্ৰত অসম একেবাৰে পাছ কৰা। ভূগৰ্ভস্থ অসমৰ স্থাপত্য, ভাস্কৰ্য আৰু চিত্ৰকলা আদি সম্পদৰাজি ভাৰতৰ ভিতৰত অসমতেই অধিক পৰিমাণে অনাবিষ্কৃত হৈ আছে। এই বিষয়ে ভাৰতৰ পুৰাতত্ত্ব জৰিপ বিভাগৰ ( Archeological Survey of India ) ১৯২৪-২৫ চনৰ প্ৰতিবেদনত শ্ৰীআৰ. ডি. বেনাৰ্জীদেৱে এইদৰে লিখিছে : Assam is the only province in India, the history of the architecture and sculpture of which is still prəctically unknown.

ভাৰতৰ ভিতৰত অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ ইতিহাস অসম্পূৰ্ণ অৱস্থাত আৰু অজ্ঞাত অৱস্থাত ৰ'ল। ইয়াৰ কাৰণ হ'ল কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উদাসীনতা আৰু অসমৰ পণ্ডিত তথা ৰাইজৰ অক্ষমতা। আমবাৰীৰ খননকাৰ্য থমকি নৰ'ল জানো ? অসমৰ মূল্যবান স্থাপত্য আৰু ভাস্কৰ্যৰ চানেকিসমূহ আজিপৰ্যন্ত উদ্ধাৰ কৰা নহ'ল। ১৯০৬ চনতে প্ৰত্নতত্ত্ববিদ্ ডক্টৰ ব্লথ চাহাবে (Dr. Th. Bloch) লিখি থৈ গৈছে যে বৰ্তমান গুৱাহাটী আৰু তেজপুৰত দুখন পুৰণি নগৰ অৱস্থিত আছিল। দুৰ্জয়া নামে খ্যাত মহানগৰীত আকাশলঙ্ঘী অট্টালিকাসমূহ থিয় হৈ আছিল। নগাওঁ গ্ৰাণ্ট[1] মতে বনমালে শাৰী শাৰী প্ৰাসাদ নিৰ্মাণ কৰিছিল; প্ৰাসাদবোৰত অসংখ্য খোটালি আছিল আৰু খোটালিৰ বেৰবোৰত বাস্তৱবাদী (realistic ) কিছুমান চিত্ৰ আছিল। কামৰূপৰ বৃহৎ নগৰী আৰু তাৰ অট্টালিকাসমূহৰ লগতে কামৰূপৰ চিত্ৰৰাজিও জহিখহি গ'ল। চিত্ৰসমূহৰ কোনো বিশদ্ বৰ্ণনাও কতো পাবলৈ নাই। অসমত সঘনে হোৱা প্ৰাকৃতিক দুৰ্যোগ আৰু সেমেকা জলবায়ুৱেও শিল্পসম্পদ, বিশেষকৈ চিত্ৰসম্ভাৰ সংৰক্ষণত বাধাৰ প্ৰাচীৰ স্বৰূপ হৈ পৰিছে।

কামৰূপৰ পৌৰাণিক কাহিনীত পোন প্ৰথমে নামে ধামে জানিব পাৰোঁ, চিত্ৰলেখা[2] এগৰাকী বিচক্ষণা চিত্ৰলেখিকা আছিল বুলি। তেওঁৰ প্ৰিয়সখী উষাদেৱীয়ে দ্বাৰকাত লাস্য নৃত্য প্ৰচলন কৰা কাহিনীৰ পৰা অনুমান কৰিব পাৰি যে চিত্ৰলেখা দেৱীয়ে হিন্দু চিত্ৰশিল্প শাস্ত্ৰমতেই চৰ্চা অনুশীলন কৰিছিল। কামৰূপৰ সাংস্কৃতিক ইতিহাসত চিত্ৰলেখাৰ নাম উলাই কৰিব নোৱাৰি। চিত্ৰ-শিল্পৰ ক্ষেত্ৰত প্ৰসঙ্গক্ৰমে এটা কথা অনুকিয়াই গলে বৰ অবাস্তৱ নহ'ব। অসমখন পৰ্বত-কন্দৰৰ দেশ। অসম পৰ্বতীয়া আদিমবাসীৰ বাসস্থান। বিশেষকৈ নগা আৰু মিজোলোকসকল সুৰুচিপূৰ্ণ শিল্পী। তেওঁলোকৰ শিল্পকলাই সমগ্ৰ বিশ্বতে সমাদৰ লাভ কৰিছে। তথাপি অসমৰ কোনো গুহাতেই আজিলৈকে গুহা-চিত্ৰ এখন ( Cave Painting) আবিষ্কৃত হোৱা নাই। অসমৰ পৰ্বতীয়া আদিমবাসীসকলৰ অতীতৰ পৰিপ্ৰেক্ষিতত ই এক চিন্তনীয় বিষয়। ইউৰোপৰ ফৰাচী আৰু স্পেন দেশত গুহাচিত্ৰ আবিষ্কৃত হৈছে। ভাৰতৰ ৰাজস্থানতো ইয়াৰ সন্ধান পোৱা গৈছে।

ইয়াৰ পিছত কামৰূপৰ চিত্ৰ-শিল্পৰ বিষয়ে অলপ আভাস পাওঁ সপ্তম শতিকাত মহাৰাজ ভাস্কৰ বৰ্মণৰ দিনত। সপ্তম শতিকাৰ মাজ-ভাগত কামৰূপ ভ্ৰমণ কৰিবলৈ আহি চীনা পৰিব্ৰাজক হিউৱেন চাঙে কামৰূপৰ ৰাজপ্ৰাসাদত কেতবোৰ ধুনীয়া চিত্ৰ দেখিছিল বুলি উল্লেখ কৰিছে। চিত্ৰবোৰৰ কিন্তু কোনো বিস্তৃত বিৱৰণ লিখি থৈ যোৱা নাই। সেইকালত যে চিত্ৰকলাৰ বিশেষ সমাদৰ আছিল আৰু চিত্ৰকলাৰ ব্যাপক ভাৱে চৰ্চা হৈছিল তাৰ আৰু এটা আভাস পাওঁ বাণভট্টৰ 'হৰ্ষ চৰিতত'। গ্ৰন্থখনিত উল্লেখ আছে যে কামৰূপাধিপতি ভাস্কৰ বৰ্মণে কনৌজাধিপতি হৰ্ষলৈ অন্যান্য উপঢৌকনৰ লগতে চিত্ৰাংকনৰ কিছুমান সাঁজুলিও পঠাইছিল। শিল্প-চৰ্চাৰ প্ৰচলন নেথাকিলে আৰু এই কলাৰ প্ৰতি শ্ৰদ্ধা নেথাকিলে এজন ৰজাই আন এজন ৰজালৈ চিত্ৰাংকনৰ সা-সঁজুলি উপহাৰ স্বৰূপে আগ বঢ়োৱাৰ কোনো যুক্তি নাই। সংগীত আৰু নৃত্য-চৰ্চাৰ দৰে চিত্ৰকলা-চৰ্চাও নিশ্চয় আভিজাত্য সকলৰ মাজত, বিশেষকৈ ৰাজপুত্ৰ আৰু ৰাজকন্যাসকলৰ এটি বিষয় আছিল বুলি ভাবিবলৈ মন যায়। কামৰূপ ৰাজ্যতো তাহানিৰ সৰ্বভাৰতীয় শিল্পশাস্ত্ৰৰ চৰ্চা শ্ৰদ্ধা সহকাৰে কৰা হৈছিল নিশ্চয়।

ভৌম বৰ্মণ কৈদৰ পিছত (১১০ খৃ.—৬৫০ খৃষ্টাব্দলৈ) কামৰূপত শালস্তম্ভ কৈদ (৬৫০ খৃষ্টাব্দৰ পৰা ৯৯০ খৃষ্টাব্দলৈ) আৰু পালবংশীয় ৰজাৰ (৯৯০ খৃঃ—১২২৮ খৃষ্টাব্দলৈ) ৰাজত্ব আৰম্ভ হয়। ভৌম বৰ্মণ বংশ, শালস্তম্ভ বংশ আৰু পাল বংশৰ ৰজাসকল মঙ্গোলীয় বড়ো সম্প্ৰদায়ৰ লোক বুলি ঠিৰাং কৰা হৈছে। ৬৫০ খৃষ্টাব্দৰ পৰা ১২২৮ খৃষ্টাব্দলৈ এই সুদীৰ্ঘ কালছোৱাত কামৰূপত চিত্ৰকলা চৰ্চাৰ বিষয়ে কোনো

---

১। বস্তুপালৰ বৰগাওঁ ফলি।

২। চিত্ৰলেখা অৰ্থে চিত্ৰ-শিল্পী বুজায়। তাহানিখনৰ পৰাই অসমত চিত্ৰাংকনক চিত্ৰলেখা বোলে, তুলিকাক লেখনী বোলে।

পুথি বা ফলিত বিস্তৃত বিৱৰণ পাবলৈ নাই। সেই বুলিয়ে এই যুগটোক কামৰূপৰ সাহিত্য-সংস্কৃতিৰ অন্ধকাৰ যুগ বুলি সিদ্ধান্ত কৰাৰ কোনো যুক্তি নাই। ইয়াৰ পৰৱৰ্তী যুগৰ সাহিত্য-সংস্কৃতিৰ পৰা বৰং ইয়াকে অনুমান কৰিব পাৰি যে সংস্কৃতিৰ আঁতডাল ক'তো ছিগা নাছিল। দৰাচলতে এই যুগটো আছিল 'আৰ্যকৰণৰ' যুগ (Aryanisation) আৰু প্ৰস্তুতিৰ যুগ, বিচ্ছিন্ন যুগ (Period of isolation) নহয়। সেয়েহে ভৌম বৰ্মণ ৰজাসকলৰ দিনৰ পৰা, বিশেষকৈ হৰ্ষবৰ্ধনৰ দিনত আৰম্ভ হোৱা শিল্প শাস্ত্ৰসন্মত চিত্ৰকলাৰ চৰ্চা ত্ৰয়োদশ খৃষ্টাব্দলৈকে অবিচ্ছিন্নভাৱে চলি আহিছিল বুলি আমি অনুমান কৰিব পাৰোঁ। ইতিহাস স্বীকৃত সিদ্ধাচাৰ্য মীননাথে ৰচা "ব্যাক্যগুৰু-বোধি-চিত্ত-বন্ধে-প্ৰদেশ" আদি পুথিৰ চৰ্যাগীতসমূহত (দোহাৱলী) ভৈৰৱী, কামোদ, ধনশ্ৰী, ৰামক্ৰী, শবৰী, মল্লাৰী আদি বিভিন্ন ৰাগৰ উল্লেখ আছে। এই ৰাগসমূহ পিছৰ যুগত অসমীয়া গীতত, ঘাইকৈ বৰগীতত সংযোগ হৈছিল। কোনো কোনোৱে অসমীয়া পদ বা পয়াৰ ছন্দও দোহা ছন্দৰ পৰা ওলোৱা বুলি অনুমান কৰে। (অঃ ভাঃ আৰু সং—১৪পৃ.)। দ্বিতীয়তে প্ৰাকশংকৰী ওজাপালী নৃত্য-গীতেও পৰৱৰ্তী শংকৰী নৃত্য-গীতত যথেষ্ট অৰিহণা আগ বঢ়ায়। ওপৰৰ অনুমান সত্য হলে সাহিত্যৰ পৰম্পৰাৰ দৰে কলা সংস্কৃতিতো এই যুগত পূৰ্বৰ পৰম্পৰা ৰক্ষিত হৈছিল বুলি ভাবিবলৈ যুক্তি আছে।

চিত্ৰকলাও নিশ্চয় একেদৰেই চৰ্চিত হৈছিল। কিন্তু প্ৰতিকূল অসমৰ জলবায়ু আৰু প্ৰাকৃতিক পৰিস্থিতিৰ বাবে চিত্ৰকলা সংৰক্ষণৰ বিশেষ সুবিধা নাছিল। সেই বুলিয়েই এইটো যুগত চিত্ৰকলা সম্পূৰ্ণ-ৰূপে চৰ্চা হোৱা নাছিল বুলিও কব নোৱাৰি। আৰু এটা কথা। পুৰণি অসমত ৰেচম, বয়ন-শিল্প প্ৰথম খৃষ্টাব্দৰ পৰাই চলি আহিছে বুলি বুৰঞ্জীবিদসকলে মত প্ৰকাশ কৰিছে। কিন্তু উপৰোক্ত কালছোৱাত কামৰূপৰ সৈতে উত্তৰৰ তিব্বত, নেপাল আৰু চীন দেশৰ লেনদেন বৃদ্ধি পাইছিল। বুৰঞ্জীত উল্লেখ আছে যে কামৰূপ-অধিপতি হৰ্ষ-বৰ্মণ বা হৰিষ দুহিতৃ ৰাজ্যমতীক নেপালৰ ৰজা 'জয়-দেৱ পৰা-চক্ৰ কাম' লৈ বিবাহ দিয়া হৈছিল। কামৰূপত সেইকালৰ পৰা আৰ্য আৰু মঙ্গোলীয় সংস্কৃতিৰ ঘনিষ্ঠ সংমিশ্ৰণ ঘটিছিল। ডঃ সুনীতি চেটাৰ্জীয়ে মন্তব্য কৰামতে সেই কালছোৱাত বিভিন্ন উৎকৃষ্ট পট্ট-বস্ত্ৰ, চিত্ৰিত সাঁচিপতীয়া পুথি আৰু অলঙ্কৃত বাঁহবেত আৰু হাতীদাঁতৰ কামত কামৰূপৰ খ্যাতি আছিল। সেয়ে নহলে ত্ৰয়োদশ শতাব্দীৰ লগে লগে অসমৰ চিত্ৰকলা আৰু বয়ন শিল্পই যুগজয়ী অৰিহণা আগ বঢ়াব নোৱাৰিলেহেঁতেন। এই দীৰ্ঘকালৰ প্ৰস্তুতিৰ পৰিণাম স্বৰূপেই ভাৰতত অদ্বিতীয় 'চিহ্ন-যাত্ৰা'ৰ বাবে গুৰুজনাই (পঞ্চদশ শতিকা) তুলাপাতত সাতবৈকুণ্ঠৰ পট ৰচনা কৰে আৰু তাঁতিকুছিৰ তাঁতশিল্পীসকলৰ দ্বাৰাই তিনিকুৰি হাত বহল আৰু ছকুৰি হাত দীঘল বিচিত্ৰ 'নাৰায়ণী বস্ত্ৰ' তৈয়াৰ কৰায়। এই বস্ত্ৰত ইমান আন্তৰিকতা আৰু পবিত্ৰতা সংযোগ কৰা হৈছিল যে বস্ত্ৰৰ চৰিত্ৰসমূহ চিনাক্ত কৰাবলৈ মহাৰাজ নৰনাৰায়ণে এডাল সোণৰ মাৰি ( pointer ) প্ৰস্তুত কৰাই লৈছিল।

ত্ৰয়োদশ শতিকাৰ পৰা প্ৰায় ঊনবিংশ শতিকালৈকে অসমত এটা আলোড়নৰ যুগ পৰে। পৰ্বত-ভৈয়াম আৰু বহিৰাগতসকলক লৈ অসমীয়া ভাষী এটি বলিষ্ঠ জাতিৰূপে সৃষ্টি হয়। এই কালডোখৰত ব্ৰাহ্মণ আৰু বৈষ্ণৱসকলেও অসমৰ বড়ো সংস্কৃতি মিশ্ৰিত সভ্যতাত যথেষ্ট অৰিহণা আগ বঢ়ায়। আমি এই কালছোৱাতে অংসখ্য চিত্ৰপুথি পাওঁ। চিত্ৰপুথিসমূহ আলোচনা কৰাৰ আগতে গুৰুজনাই লিখা, আগতে উল্লেখ কৰা, সাতবৈকুণ্ঠৰ পটৰ বিষয়ে যৎকিঞ্চিৎ আলোচনা কৰা প্ৰয়োজন। আমি জনাত সেই কালৰ অভিনয়ত দৃশ্যপট সংযোগ কৰা কথাটো ভাৰতৰ ভিতৰত অতি দুৰ্লভ আৰু বৈপ্লৱিক। এই বৃহৎ চিত্ৰ ৰচনা কৰাৰ ক্ষেত্ৰত সেইকালৰ চিত্ৰকলা চৰ্চাৰ বাতাৱৰণো মন কৰিব লগীয়া। সাতবৈকুণ্ঠৰ পট ৰচনা কৰোঁতে



গুৰুজনাই "কল্পতৰু লিখবলৈ ভ্ৰম হৈ ঠগিত থাই আছে। চন্দৰী আই এ ধান হতাইছিল। বোলে ডেকাগিৰি (কল্পতৰু বৃক্ষডাল) সেইখিনিতে নিদিয়া কিয়? শ্ৰীমন্দিৰ কাষে, সপ্তমদ্বাৰ আগকৈ? তেহে গুৰু দিছে" (গুৰুচৰিত)। গুৰু চৰিতৰ এই কাহিনীয়ে ইয়াকে প্ৰমাণ কৰে যে গুৰুজনাৰ দিনত চিত্ৰকলাৰ এক স্বাস্থ্যকৰ আৰু বলিষ্ঠ বাতাৱৰণৰ সৃষ্টি হৈছিল।

এই যুগৰ অংসখ্য চিত্ৰ-পুথিৰ ভিতৰত কিছু সংখ্যক উদ্ধাৰ কৰা হৈছে। অনেক চিত্ৰ-পুথি হয়তো বা পোক-উঁইৰ মুখত ধ্বংস পালে। ১৮৯৭ চনৰ বৰভুঁইকপত যা কিমান চিত্ৰ-পুথি বিধ্বস্ত হ'ল তাৰ লেখজোখ পাবলৈ নাই। এই চিত্ৰ পুথিবোৰৰ সম্বন্ধে ইতিমধ্যে কিছু প্ৰবন্ধ-পাতিও প্ৰকাশ পাইছে।

পুথিৰ এই চিত্ৰসমূহক চিত্ৰিকা (miniature painting) বুলিব পাৰি। অজন্তা আদিৰ প্ৰাচীৰ চিত্ৰবোৰ বাদ দিলে বাকী প্ৰায়বোৰ চিত্ৰই চিত্ৰিকা পৰ্যায়ৰ। উদ্ধাৰ পোৱা চিত্ৰপুথি সমূহ হ'ল[3] চিত্ৰ-ভাগৱত (দশম স্কন্ধ) লৱকুশৰ যুদ্ধ, দৰং ৰাজবংশাৱলী, বনমালীদেৱৰ চৰিত, কুমৰ হৰণ, শঙ্খচূড় বধ, গীতগোবিন্দ, ৰামায়ণ (সুন্দৰাকাণ্ড আৰু লঙ্কাকাণ্ড), কল্কি-পুৰাণ, আনন্দলহৰী, হস্তীবিদ্যাৰ্ণৱ, ধৰ্মপুৰাণ, মহাভাৰত (ৰামসৰস্বতী বিৰচিত), মৎস্য চৰিত্ৰ, কৈলাশ পৰ্ব, শ্ৰীমদ্ভাগৱত (১১শ স্কন্ধ), অজামিল উপাখ্যান, সমুদ্ৰ মন্থন নামঘোষা, আহোম জ্যোতিষ ইত্যাদি। এই চিত্ৰপুথিসমূহৰ ভিতৰত একমাত্ৰ চিত্ৰভাগৱতখনহে সম্পূৰ্ণ ভাৱে ৮হৰিনাৰায়ণ দত্তবৰুৱা দেৱৰ দ্বাৰা প্ৰকাশিত হৈছে। বাকীবোৰ চিত্ৰপুথিৰ চিত্ৰ এখন দুখনকৈ কোনো কোনো কিতাপত সন্নিবিষ্ট হৈছে। এতিয়ালৈ কোনো অনুষ্ঠান বা লোকৰ দ্বাৰা চিত্ৰপুথিসমূহৰ প্ৰত্যেকখনৰ জোখ মাখ, চিত্ৰৰ সংখ্যা আৰু অন্যান্য পৰিচয়ৰ কোনো বিৱৰণি প্ৰকাশ পোৱা নাই। এই পুথিবোৰৰ কিছুমান তুলাপাতত আঁকা, কিছুমান সাঁচি পাতত অঁকা আৰু দুই এখন মুগা কাপোৰত অঁকা। সাঁচি পাতৰ চিত্ৰপুথিবোৰ সাধাৰণতে আগৰ কাম,—তুলাপাত আৰু কাপোৰত আঁকা চিত্ৰপুথিবোৰ তাৰ পিছৰ। আন ঠাইত কিছুমান চিত্ৰপুথি তালপাতত আঁকা কিন্তু অসমত প্ৰায়ভাগ পুৰণি পুথি সাঁচি পাতত লিখা আৰু অঁকা। সাঁচিপাত অগৰু চন্দনৰ বাকলিৰ পৰা তৈয়াৰ কৰে। অসমত বিশেষকৈ অসমৰ দক্ষিণকোল—অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে অগৰুচন্দনৰ মহল আছিল আৰু এতিয়াও আছে। অগৰু চন্দনৰ পৰা সাঁচিপাত প্ৰস্তুত কৰাত অসমীয়া মানুহ পাৰ্গত আছিল। তুলাপাতৰ পুথিবোৰ তুলা চেপি (pressed cotton) কৰা হোৱা নাছিল—ইয়াকো গছৰ আঁই সিজাই বিভিন্ন ৰাসায়নিক পদাৰ্থেৰে হাতেৰে কৰা কাগজৰ ( hand-made paper ) দৰে তৈয়াৰ কৰিছিল। তুলাপাতৰ লগত বঙালী "তুলুটি"ৰ কোনো সম্বন্ধ নাই। তুলুটি-ধুনা তুলা আলতীয়া মাটিৰ লগত মিহলাই প্ৰস্তুত কৰে।[4] মুগা কাপোৰত চিত্ৰ আঁকা প্ৰথাটো খুব সম্ভৱ ইয়াৰ পূৰ্বৰ যুগটোত তিব্বত আৰু নেপালৰ লগত লেনদেন হোৱাত মঙ্গোলীয়সকলৰ 'তিব্বতী টঙ্কা'ৰ অনুকৰণত পুথি চিত্ৰিত হৈছিল। নামঘোষা আৰু আহোম জ্যোতিষখন মুগা চিত্ৰপুথি। চিত্ৰভাগৱতখন তুলাপাতত আঁকা বুলি নিশ্চিত কৰা হৈছে।

বহলভাৱে চিত্ৰপুথিবোৰৰ চিত্ৰকলাক আমি সত্ৰীয়া চিত্ৰকলা বা শংকৰী চিত্ৰকলা বোলোঁ। খুব সম্ভৱ—

৩। চিত্ৰভাগৱত—শংকৰদেৱ, লৱকুশৰ যুদ্ধ—হৰিবৰ বিপ্ৰ, দৰং ৰাজবংশাৱলী-সূৰ্যখড়ি দৈৱজ্ঞ, বনমালী দেৱৰ চৰিত—ৰত্নকান্ত দ্বিজ, কুমৰ হৰণ-ৰামানন্দ কায়স্থ, শঙ্খচূড়বধ—কবিৰাজ চক্ৰৱৰ্তী গীত গোবিন্দ ( পদত )—কবিৰাজ চক্ৰৱৰ্তী, আনন্দ লহৰী—অনন্ত আচাৰ্য, হস্তীবিদ্যাৰ্ণৱ—সুকুমাৰ বৰকায়থ, ধৰ্মপুৰাণ-কবিচন্দ্ৰ দ্বিজ বিৰচিত।

৪। আচাৰ্য নন্দলাল বসু প্ৰণীত "শিল্পচৰ্চা" দ্ৰষ্টব্য—১০৯ পৃষ্ঠা।

সত্ৰসমূহ চিত্ৰকলা চৰ্চাৰ কেন্দ্ৰ আছিল বুলি ইয়াক সত্ৰীয়া চিত্ৰকলা আখ্যা দিয়া হৈছে। দ্বিতীয়তে, গুৰুজনাই নিজে তাহানিৰ সৰ্বভাৰতীয় ভিত্তিত যি চিত্ৰ আঁকিছিল আৰু তেওঁৰ ভক্তবৃন্দক আঁকিবলৈ অনুপ্ৰেৰণা, যোগাইছিল, সেইবাবেই এই অসমৰ কলাক শঙ্কৰী চিত্ৰকলা বোলা হৈছিল। পিছে সকলো পুথি সত্ৰতে ৰচনা কৰা নহয়, বিষয়-বস্তুত বৈষ্ণৱ সাহিত্য নহয় আৰু চিত্ৰবোৰো বৈষ্ণৱ আখ্যানমূলক নহয়। উদাহৰণ স্বৰূপে 'আনন্দ লহৰী'খন শাক্ত সাহিত্য—আৰু ৰচিত হৈছিল শিৱসিংহ ৰজা আৰু কুঁৱৰী প্ৰমথেশ্বৰী দেৱীৰ নিৰ্দেশত। সেইদৰে হস্তীবিদ্যাৰ্ণৱখন গজশাস্ত্ৰ আৰু ৰচিত হৈছিল শিৱসিংহ ৰজা তেওঁৰ আন এগৰাকী কুঁৱৰী অম্বিকাদেৱীৰ নিৰ্দেশত। বিষয়-বস্তুৰ লগত সম্বন্ধ থকা চিত্ৰপুথিৰ বাহিৰেও পুথিৰ পাঠ্যখণ্ডৰ চাৰিও কাষে বিভিন্ন কাল্পনিক লতাপাতেৰে অঁকা কিছুমান চিত্ৰপুথি পোৱা যায়। এই চিত্ৰিত পুথিবোৰক 'লতাকটা' পুথি বোলে। ভোলানাথ দ্বিজ প্ৰণীত মহাভাৰতৰ "শল্যপৰ্ব"খন লতাকটা পুথি। লতাকটা পুথিৰ অনুৰূপ "ভক্তি-ৰত্নাৱলী" নামৰ পুথি এখন পোৱা হৈছে।[৫] এই বিচিত্ৰ পুথিখনৰ প্ৰত্যেক পৃষ্ঠাত হেঙুল-হাইতাল লগাই ৰঙা চিয়াঁহীৰে আঁক পাৰি পদ দুলৰী, লেছাৰী প্ৰভৃতি ছন্দবোৰ ভাগ ভাগ কৰাৰ উপৰিও চাৰিওকাষে আঁচ টানি পদ-ছন্দৰ সংখ্যাবোৰ প্ৰতি পৃষ্ঠাতে সোঁ কাষে ৰঙা চিয়াঁহীৰে বেলেগ ঘৰ কৰি থোৱা আছে। প্ৰথম পাতৰ সমুখৰ পিঠি ৰঙা ৰঙেৰে ৰঞ্জিত কৰি তাত নীল বৰণৰ ছটা শ্ৰীকৃষ্ণৰ চতুৰ্ভুজ মূৰ্তিৰ অতি ধুনীয়া ছবিৰে আৰু প্ৰত্যেক পৃষ্ঠাৰ মাজ-ভাগত নানা বিচিত্ৰ ফুল আৰু লতাৰে চিত্ৰিত কৰা আছে। পুথিখনত ৰঙা ৰঙৰ প্ৰলেপ অধিক গুণে ইয়াৰ নাম "ৰৰ ৰঙা পুথি" ৰখা হৈছে। এই পুথিখন ৰজা জয়ধ্বজ সিংহৰ মুখ্য কটকী বেজদলৈ মাধব চৰণ ভণ্ডাৰী বৰুৱাৰ হস্তগত হৈছিল। ৰচনাকাল আনুমানিক ১৬৪০ খৃষ্টাব্দ। বৰ্তমানে এইপুথি আউনিআটী সত্ৰত থাকিব লাগে।

পুথিৰ চিত্ৰবোৰত ৰঙা, নীলা আৰু হালধীয়া এই প্ৰাথমিক ৰং তিনিটা আৰু এই তিনিৰঙৰ পৰা সংমিশ্ৰণত উদ্ভৱ হোৱা ৰংহে ব্যৱহাৰ কৰিছিল। ক'লা ৰং প্ৰস্তুত কৰিছিল কাজল শিলিখাৰ কণৰ পৰা; বগা ৰঙৰ বাবে ধল বা খৰিমাটি ব্যৱহাৰ কৰা হৈছিল। চিত্ৰ আঁকিবলৈ হেঙুল, হাইতাল, নীল বা ধল আঠাৰে ভালদৰে কিন্তিত মাৰি লব লাগে। ৰঙৰ লগত সাধাৰণতে তেঁতেলি গুটিৰ আঠা, নিম আদি গছৰ আঠা আৰু কণীৰ কুহুম ব্যৱহাৰ কৰা হৈছিল। অনুমান হয় কোনো কোনো ক্ষেত্ৰত বজ্ৰলেপো (চিৰিছ আঠা) ব্যৱহাৰ কৰিছিল। চিত্ৰ পুথিৰ কেৱল চিত্ৰভাগ উই আদি পোকে খোৱা চকুত নপৰে। উয়ে ধৰিলে সমস্ত পুথি খনতে উয়ে ধৰে। গতিকে আঠাৰ লগত খুব সম্ভৱ ফিট্‌কেৰী, সুৰগা আদি কীটানুনাশক পদাৰ্থ (insecticides) ব্যৱহাৰ কৰা হৈছিল। নিমগছৰ আঠাও কীটনাশক। তিব্বতী প্ৰথাৰে চিৰিছ আঠাৰ লগত বিঠাৰ ছাল সিজাই কৰা আঠাৰে চিত্ৰ আঁকিও কীটমৰাৰ ব্যৱস্থা আছিল। কণীৰ কুহুমৰ আঠাৰ ৰং দীৰ্ঘদিন স্থায়ী হয় আৰু ৰং শুকাই পুৰণি হ'লে পানীৰে মচিলেও সহজতে ৰং উঠি নেযায়।

চিত্ৰবোৰৰ পৰ্তভীৰ (back ground) ৰং সাধাৰণতে ৰঙা, নীলা, মটীয়া আৰু ধোঁৱা বৰণীয়া। প্ৰত্যেকখন চিত্ৰ বিভিন্ন স্থাপত্য সংযুক্ত কাঠামত (frame) অকা। মানুহ আৰু জীৱজন্তুবোৰৰ মুখ একলীয়াকৈ (profile) অঁকা। স্ত্ৰীচৰিত্ৰত খোপা আৰু পুৰুষৰ ক্ষেত্ৰত শিৰস্ত্ৰাণ অনিবাৰ্যভাৱে দিয়া হৈছে। তিৰোতা প্ৰায়বোৰ খোপাই কলডিলীয়া খোপা; দেৱতা আৰু ব্ৰাহ্মণৰ ক্ষেত্ৰত মূৰত কিৰীটি আৰু আনবোৰ মূৰত অলংকৃত (stylised) মোগলাই পাগীয়া দেখা যায়।[৬] অসুৰ, দৈত্য, দানৱ আদি তামসিক চৰিত্ৰবোৰৰ গাৰ ৰং গোমোঠা আৰু মুখত দাড়িগোফ দি অঁকা হৈছে। মত্তা মানুহৰ গাত চুলিৰ আৰু চাদৰ আৰু তিৰোতাৰ তিনিডুখৰীয়া সাজ দেখা যায়। এই তিনডুখৰীয়া সাজ চিত্ৰিত কৰোঁতে বাস্তৱ ধৰ্মী নহৈ প্ৰতীকধৰ্মী হোৱা যেন লাগে।[৭] আকাশত ঘোৰ নীল ৰং ব্যৱহাৰ কৰিছে আৰু আকাশৰ মেঘক অলংকৃত কৈ আঁকিছে। পানী, নীল ৰঙৰ ওপৰত বগা ৰেখা দি বুজোৱা হৈছে। বৰষুণ বুজাবলৈ ছবিখন অঁকাৰ পিছত ক্ষুদ্ৰ ক্ষুদ্ৰ বগা ৰেখা আঁকি দেখুৱাইছে। পশু-পক্ষী আন্তৰিকতাৰে অঁকা হৈছে। দুই এক ক্ষেত্ৰত পশু-পক্ষীৰ কোনো কোনো অংগ অলংকৃত কৰা হৈছে। চিত্ৰসমূহত সিংহাসন, পীৰা, ৰথ, শৰাই, ঢুকি আদিত স্থানীয় প্ৰভাৱ পৰিলক্ষিত হৈছে। এই সম্ভাৰবোৰ চিত্ৰিত কৰোঁতে প্ৰায় ক্ষেত্ৰত অনুপাত (proportion) সংৰক্ষিত হোৱা নাই। নৃত্য আৰু যুদ্ধৰ ক্ষেত্ৰত চিত্ৰবোৰত সজীৱতা পৰিলক্ষিত হয়। কিছুমান জীৱজন্তুত গতিশীলতাও সংযোগ কৰা হৈছে। ৰস আৰু ভাৱ যোজনাৰ ক্ষেত্ৰত চিত্ৰবোৰ স্থিৰ। কেশৰহীন উৰণীয়া সিংহ (cimara) প্ৰায়বোৰ পুথিতে পোৱা যায়। অসমৰ চিত্ৰকলা আৰু ভাস্কৰ্যত কেশৰহীন উৰণীয়া সিংহ,—চীনৰ ড্ৰেগনৰ দৰেই এক বিশিষ্ট ৰূপ আৰু স্থান গ্ৰহণ কৰিছে। দৰাচলতে গড়ৰ ঠাইত উৰণীয়া সিংহহে অসমৰ প্ৰতীক হোৱা উচিত আছিল। চিত্ৰভাগৱতৰ পাতনিৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ দেৱৰ এই বিষয়ৰ মন্তব্য প্ৰণিধান যোগ্য। "সমুদ্ৰমন্থন" নামৰ পুথিখনত এটা উটৰ চিত্ৰও পোৱা গৈছে। চিত্ৰবোৰত পোহৰ আৰু এন্ধাৰৰ পাৰ্থক্য দেখুওৱা নহয়। হস্তীবিদ্যাৰ্ণৱ পুথিখনতহে এন্ধাৰ আৰু পোহৰৰ (light & shade) প্ৰচেষ্টা দেখা যায়। মানুহৰ অঙ্গপ্ৰত্যঙ্গ চিহ্নিত কৰাৰ ভিত্তি হিন্দু শিল্পশাস্ত্ৰ যেন লাগে। যেনে চকুযোৰ মৎস্যাকৃতিৰে, ভুৰোযোৰ নিম্বাকৃতি বা ধেনুভিৰায়াকৈ—নাক তিলফুল সম জোঙা, কপাল প্ৰশস্তকৈ আৰু তিৰোতাৰ কঁকাল খামুচীয়াকৈ অকাঁ হৈছে।

অসমীয়া চিত্ৰ-পুথিসমূহৰ অনেক ক্ষেত্ৰত চিত্ৰকৰৰ নাম পাবলৈ নাই। চিত্ৰকৰ আৰু ভাস্কৰৰ নাম উল্লেখ নকৰাটো ভাৰতীয় সংস্কৃতিৰ এটা বৈশিষ্ট্য। আমি জনাত গুৰুজনা নিজে এক বিশিষ্ট চিত্ৰকৰ আছিল। তেৰাই হেনো উনৈশ বছৰ বয়সতে সাতবৈকুণ্ঠৰ পট আঁকিবলৈ লৈছিল। অনেক ক্ষেত্ৰত লিখকজনেই চিত্ৰকৰ আছিল।[৮] হস্তীবিদ্যাৰ্ণৱ পুথিখন দিলবৰ আৰু দোচাই নামে দুজন লেখকে চিত্ৰিত কৰিছিল বুলি জনা যায়। "বনমালী দেৱৰ চৰিত" খন বিজয় খনিকৰে[৯] অকাঁ বুলি জনা যায়। 'ধৰ্ম পুৰাণ'খন বোধ লিগিৰাই অঁকা বুলি কয়। এইখিনিতে এটা কথা মন কৰিব লগীয়া যে বোধ লিগিৰা প্ৰকৃততে লিগিৰাই আছিল নে নিজৰ গুণত লিগিৰাৰ পৰা খনিকৰ পদলৈ উন্নীত হয় এই কথা জনা নেযায়। বোধ লিগিৰাই তেনেহলে যি অৱস্থাতে 'ধৰ্ম পুৰাণ'খন চিত্ৰিত নকৰক কিয়, বোধ লিগিৰাৰ নিযুক্তিয়ে গুৰুজনাই সাতবৈকুণ্ঠৰ পট ৰচনা কৰোঁতে ছন্দৰী আৰে গ্ৰহণ কৰা ভুমিকাই গ্ৰহণ কৰিছে। চিত্ৰকলা তেতিয়া আভিজাত্য মুখীয়েই হৈ থকা নাই—চিত্ৰকলাৰ চৰ্চা তেতিয়া জনপ্ৰিয় আৰু জনমুখী হৈ পৰিছিল; সত্ৰীয়া চিত্ৰকলা লোক কলাত পৰিণত হৈছিল।[১০] প্ৰকৃততে

৫। শ্ৰীচন্দ্ৰকুমাৰ বৰুৱাৰ "আউনীআটী সত্ৰৰ চমু বুৰঞ্জী", ৫১ পৃষ্ঠা।

৬। শ্ৰীকৃষ্ণক সৰ্বদায় মূৰৰ টাপনি দি অঁকা হৈছে।

৭। চিত্ৰ ভাস্কৰ্য আৰু নৃত্যত সাজপাৰ অলংকৃত কৰাৰ (stylisation) প্ৰয়োজন থাকে।

৮। "The scribe was sometimes a painter himself". Dr. S. K. Bhuyan.

৯। অসমীয়াতে শিল, কাঠ, মাটি আৰু ৰঙৰ মূৰ্তি কৰা বা চিত্ৰ অঁকা লোকক বহল অৰ্থত খনিকৰ বোলে। হেমকোষ দ্ৰষ্টব্য।

অনেক সত্ৰত খনিকৰৰ একোটা গোষ্ঠী সৃষ্টি হৈছিল, সত্ৰৰ বাহিৰেও ৰাজ পৃষ্ঠপোষকতাত শিল্প গোষ্ঠীয়ে অসম চিত্ৰপুথিৰ সম্ভাৱনা ব্যাপক কৰি তুলিছিল। জাতীয় চিত্ৰকলা প্ৰতিষ্ঠাৰ বাবে বহল ক্ষেত্ৰ এখন যুগত কৰিছিল।

শ্ৰেণী সম্বন্ধে অসমৰ সত্ৰীয়া চিত্ৰ কলাক—ৰাজপুত চিত্ৰকলা, মোগল চিত্ৰকলা বা কেৰে কেৰে জৈন চিত্ৰকলাৰ প্ৰভাৱযুক্ত বুলি মত প্ৰকাশ কৰে। ইয়াকে নিৰাৰী, আৰু উৰিয়া চিত্ৰকলাৰ আৰ্হিৰে চিত্ৰিত কৰা বুলিও দুই এজে অভিমত দিয়ে। পণ্ডিতসকলে অভি-মত প্ৰকাশ কৰোঁতে আওপাকে অসমৰ চিত্ৰকলাৰ ঐতিহ্যত অনুকৰণৰ চেকা মচিবলৈ উদ্যত হোৱা যেন লাগে। জৈন চিত্ৰকলা, ৰাজপুত চিত্ৰকলা, জম্মু আৰু কাংড়াৰ পাহাৰী চিত্ৰকলা, গাৰোৱাল চিত্ৰকলা আৰু বাসলী চিত্ৰকলা আদিত যৎসামান্য সামঞ্জস্য থকাটো অতি স্বাভাৱিক। কিয়নো এই সকলোবোৰ উত্তৰ-ভাৰতীয় চিত্ৰকলা। তদুপৰি জনা যায় যে সম্ৰাট ঔৰংজেৱে হেনো পিতাক আৰু ককাকৰ দিনৰ অনেক মোগল চিত্ৰকৰক—তেওঁলোকৰ কেৰলীয়া স্বভাৱৰ বাবে বিভিন্ন প্ৰদেশলৈ খেদি পঠিয়াইছিল। এই কাহিনী সত্য হ'লে তেওঁলোকে অ'ত ত'ত যৎসামান্য প্ৰভাৱ বিস্তাৰ কৰাটো সম্ভৱপৰ হ'ব পাৰে। ভাৰতীয় চিত্ৰকলাই যেনেকৈ পশ্চিমৰ অসীম ঘাত-প্ৰতিঘাত স্বত্বেও নিজৰ সত্তা বিসৰ্জন দিয়া নাই বা সত্তাৰ বীজ নষ্ট নেপায়, সেইদৰে প্ৰাদেশিক চিত্ৰকলাসমূহৰ কণকঠীয়া, মোগল, জৈন বা ৰাজপুত চিত্ৰকলাই সম্পূৰ্ণভাৱে মাৰিব নোৱাৰে। জৈন চিত্ৰকলাতেই পাৰস্যৰ চিত্ৰকলাৰ পোন-পটীয়া প্ৰভাৱ পৰিছিল—তথাপি জৈন চিত্ৰকলা এক বিশিষ্ট চিত্ৰকলা বুলি প্ৰতিষ্ঠিত হ'ল। সেইদৰে ৰাজপুত্ৰ চিত্ৰকলাত মোগল প্ৰভাৱ আৰু মোগল চিত্ৰ-কলাত ৰাজপুত চিত্ৰকলাৰ প্ৰভাৱ নপৰাকৈ থকা নাছিল। দৰাচলতে ভাৰত সম্ৰাট আকবৰ আৰু জাহাঙ্গীৰৰ ৰাজত্ব কালত পাৰস্যৰ চিত্ৰকলা (মোগল চিত্ৰকলা) আৰু ভাৰতৰ হিন্দু চিত্ৰকলাৰ এক সুষ্ঠ সংমিশ্ৰণ হ'ল। এই সংমিশ্ৰণ অনুকৰণ নহয়। অসমৰ সত্ৰীয়া চিত্ৰকলাৰ ফলক কেতিয়াও তালপাত নাছিল; জৈন চিত্ৰকলাৰ দৰে ইয়াৰ বিষয়-বস্তু কেৱল মাত্ৰ জৈন-তীৰ্থাঙ্কৰসকলৰ দৰে বৈষ্ণৱ দেৱতা বা শাক্ত দেৱতা নহয়। অসমৰ সত্ৰীয়া চিত্ৰকলাৰ পৰি-সৰ ৰাজপুত চিত্ৰকলাৰ দৰে একোখন জাইগীৰ নহয়, আৰু মোগল চিত্ৰকলাৰ স্নায়ুকেন্দ্ৰ বাদছাহী মাজ্লৰ দৰে স্বৰ্গদেউসকলৰ ৰাজকাৰেং নহয়। মিল এঠাইত ধৰ্মীয় কাহিনীমূলক উৎসত। সামান্য সাদৃশ্য থাকিলেই অসমীয়া ভাষা বঙলা ভাষাৰ পৰা উৎপত্তি হোৱা বুলি কোৱা বা বঙলা ভাষা অসমীয়া ভাষাৰ পৰা ওলোৱা বুলি কৰলৈ যোৱাটো বিজ্ঞানসন্মত বিচাৰ হ'ব নোৱাৰে। গুৰুজনাই অসমৰ বৈষ্ণৱ ধৰ্ম আন প্ৰদেশৰ বৈষ্ণৱ ধৰ্মৰ অনুকৰণত প্ৰতিষ্ঠা আৰু প্ৰচাৰ কৰা নাছিল। অসমৰ সত্ৰীয়া চিত্ৰকলা অসমৰ মাটিতেই ওপজা বস্তু। ই সমন্বৰ আহ্বান মাথোন।

সকলোবোৰ চিত্ৰপুথি আজিলৈকে প্ৰকাশিত হোৱা নাই। অসমৰ আগৰ পিছৰ সকলোবোৰ চিত্ৰপুথি প্ৰকা-শিত হলেহে সম্যকৰূপে তাৰ সমালোচনা কৰিব পৰা যাব—আৰু সত্ৰীয়া চিত্ৰকলাত আন চিত্ৰকলাৰ প্ৰভাৱ আছে নে নাই, আৰু আছে যদি কি পৰিমাণে আছে তাক ঠিৰাং কৰিব পৰা যাব। এই সম্বন্ধে ডঃ সুনীতি চেটাৰ্জীৰ মন্তব্য প্ৰণিধানযোগ্য।

"অসমৰ অষ্টাদশ খৃষ্টাব্দৰ চিত্ৰিকা সমূহৰ এটা বিশে-ষত্ব আছে। চিত্ৰিকাবোৰত কিছুমানত সেউজীয়া

(১০) "হিন্দুস্থানৰ থলুৱা সাহিত্যৰ প্ৰতিৰূপ হ'ল ৰাজপুত চিত্ৰ।

—কুমাৰ স্বামী

শান্তিনিকেতনৰ শ্ৰীঅসিতকুমাৰ হালদাৰেও অসমৰ চিত্ৰপুথিসমূহ লোকসকলৰ নিদৰ্শন বুলি অভিমত প্ৰকাশ কৰিছে।



ওখচাপৰ ঘাঁহনি, পাহাৰ, নৈ, নিজৰা আৰু ফুলগছৰ সমাবেশ দেখুওৱা হৈছে। অসমৰ চিত্ৰকৰক প্ৰাকৃতিক সৌন্দৰ্যই যি দৰে মোহিত কৰিছিল, ভাৰতৰ আন প্ৰদেশৰ চিত্ৰকৰক সেইদৰে আকৰ্ষণ কৰা দেখা নেযায়। এই চিত্ৰপুথিবোৰৰ প্ৰকাশ আৰু অধ্যয়ন সম্পূৰ্ণ হ'লে ভাৰতীয় চিত্ৰকলাৰ ইতিহাসত এক বিস্মৃত কিন্তু গৌৰৱ-ময় অধ্যায় মুকলি হ'ব।[১১] সকলো ফালৰপৰা পৰ্যবেক্ষণ কৰিলে দেখা যায় যে অসমৰ সত্ৰীয় চিত্ৰ-কলাৰ জাতীয় চিত্ৰকলা হোৱাৰ সকলোবোৰ গুণ আছিল। কিন্তু নানা কাৰণত এই চিত্ৰকলা ধাৰাবাহী চিত্ৰকলা হ'ব নোৱাৰিলে। পুথি ভিন্ন বৃহৎ আকাৰৰ তুলাপাত বা কাপোৰত চিত্ৰ আঁকি সংৰক্ষণ কৰা অসমৰ জলবায়ুৰ বাবে সহজ নহয়—এই কথা একাধিকবাৰ আলোচনা কৰা হৈছে। সেয়ে অসমৰ তুলাপাত, কাপোৰ আৰু সাঁচিপাতৰ চিত্ৰকলাই বাঁহ কাঠত আলম লবলৈ বাধ্য হ'ল। অসমীয়া চিত্ৰকৰে চাৰু চিত্ৰকলাক কাৰু-কলাৰ লগত সাঙুৰি পেলালে। তাৰ ফলস্বৰূপেই আমি অসমত প্ৰচুৰ পৰিমাণে পাইছোঁ, হেঙুল-হাইতাল বোলোৱা বাঁহ, বেত আৰু কাঠৰ সম্ভাৰ। নামঘৰৰ দুৱাৰ-মুখৰ দ্বাৰপাল বা জয়-বিজয়, নামঘৰৰ ছটিকাঠ, থাপ-নাৰ সিংহাসন, ঠগা, গছা, কাঠৰফলি, নামঘৰৰ হনু-মান আৰু গৰুড়ৰ মূৰ্তি, ভাওনাৰ মুখা, নামঘৰৰ বেৰৰ কাঠৰ ফলিত পৌৰাণিক কাহিনী, ৰাইজৰ খেল নাও, অধিকাৰসকলৰ পাঙ্কি নাও, ডা-ডাঙৰীয়াৰ চালপীৰা, চাকলি পীৰা, দোলা, পাল্কী, আনকি তাঁতৰ শালৰ সঁজুলিবোৰ নানা ৰংৰহণেৰে আমি চিত্ৰিত অৱস্থাত পাইছোঁ। বৰ্তমানে পিছে অসমৰ কোনো সত্ৰ বা অনু-ষ্ঠানত, চাৰুকলা হিচাপে হওক বা কাৰুকলা হিচাপেই হওক—চিত্ৰকলা ধাৰাবাহী হিচাপে চৰ্চা কৰা কথা নেজানো।

১১। "One thnig marks off these 18th century paintings of Assam—there are beautiful landscapes, mostly green and undulating plains with flower trees & hills & rivers. It is a wonder, how the beauty of Nature, as spread out over the face of the earth, could captivate these artists of Assam in a way, it never did artists in other parts of India. With the publication & study of the Assamese miniatures a forgotton & a glorious chapter in the history of Indian Painting will be opened."

Dr. Suniti Kumar Chatterjee :
Banikanta Memorial lecture, 1354

# উমাপতি আৰু শঙ্কৰদেৱৰ বিৰচিত পাৰিজাত-হৰণ নাটক

ডঃ শ্ৰীকৃষ্ণনাৰায়ণ প্ৰসাদ 'মাগধ'

( আগৰ সংখ্যাৰ পিছৰ পৰা )

উমাপতি আৰু শঙ্কৰদেৱৰ দুয়োজনৰ দ্বাৰা অংকিত পাৰিজাত-হৰণ নাটকৰ চৰিত্ৰাৱলী পৌৰাণিকেই; কিন্তু সেই চৰিত্ৰাঙ্কণ ভিন ভিন ৰূপত হৈছে। দুয়োজন নাটকৰ চৰিত্ৰত সামান্যতকৈ বৈষম্য বেছি। মুখ্য সাম্য বৈষম্যবোৰ এনেকুৱা—

(১) দুয়োজনৰে নাটকতে কৃষ্ণ, ৰুক্মিণী, সত্যভামা, নাৰদ, ইন্দ্ৰ, শচী, অদিতি উমৈহতীয়া প্ৰসিদ্ধ চৰিত্ৰ; কিন্তু উমাপতিৰ সুমুখী, মিত্ৰসেনা আৰু শঙ্কৰদেৱৰ ইন্দুমতী, দুৰৱী ইত্যাদি স্বকীয় কল্পনাপ্ৰসূত। অৱশ্যে কল্পনাপ্ৰসূত চৰিত্ৰও পুৰাণ-সম্ভাব্য হ'ব পাৰে।

(২) দুয়োজনৰে কৃষ্ণ, সত্যভামা আদি কেইটামান চৰিত্ৰ সমান্তৰাল হলেও সমান নহয়। উমাপতিৰ অৰ্জুন, সুভদ্ৰা আৰু শঙ্কৰদেৱৰ নৰকাসুৰ, বসুমতী আদি বিভিন্ন চৰিত্ৰৰ উদাহৰণ পোৱা যায়—যিবোৰ ৰচনা-প্ৰক্ৰিয়া আৰু উদ্দেশ্যে ভিন্নতাৰ কাৰণে স্বীকৃত হৈছে।

(৩) দুয়োজন নাট্যকাৰৰে চৰিত্ৰাঙ্কন পদ্ধতি প্ৰায় একে। দুয়োই পাত্ৰৰ বিৱৰণাত্মক পৰিচয় উপস্থাপন-কৰাৰ পিছত তাক গীত, নৃত্য আৰু অভিনয়ৰ দ্বাৰা ৰূপায়িত কৰে। ইয়াক সূত্ৰ-ব্যাখ্যা পদ্ধতি বুলি কোৱা উচিত। তথাপিও দুয়োজনৰ মাজতে এটা প্ৰভেদ আছে যে উমাপতিৰ চৰিত্ৰ (নায়ক-নায়িকা)ক 'দশৰূপক' নতুবা 'সাহিত্য-দৰ্পণ'ৰ লক্ষণ অনুসৰি সহজে শ্ৰেণীভুক্ত আৰু বিশ্লেষণ কৰিব পৰা যায়। আনফালে শঙ্কৰদেৱৰ নায়ক-নায়িকাক যিকোনো শাস্ত্ৰীয় শ্ৰেণীত ভুক্ত কৰা সিমান সহজ নহয়।

(৪) উমাপতিৰ কৃষ্ণ মূলতঃ ৰসিক আৰু প্ৰেমিক, শূৰবীৰ আৰু পুৰুষাৰ্থী, আনফালে শঙ্কৰদেৱৰ কৃষ্ণ অৱতাৰী পুৰুষ, ভক্তবৎসল আৰু লোকৰক্ষক। নাটকৰ আৰম্ভত কৃষ্ণ অৱতাৰী পুৰুষ হোৱা বুলি উমাপতিয়ে ঘোষণা কৰিছে—

ভুমিক ভাৰ উতাৰৱ তাৰৱ লোক।
ধৰম ধৰাতল থাপব হৰব সাধুজন শোক॥

কিন্তু ইয়াক সিদ্ধান্ত-কথ্য বুলিয়েই স্বীকাৰ কৰিব লাগে। কৃষ্ণৰ এই ৰূপটোৰ অঙ্কন সম্পূৰ্ণ নাটকত নাই। নাটকৰ বিশ্লেষণৰ পৰা জনা যায় যে তেওঁ দ্বাৰকাধিপতি, বহুপ্ৰিয়া বল্লভ, ৰসিক আৰু প্ৰেমিক; সেয়েহে নিজৰ প্ৰত্যেক সকবৰ কাৰ্যৰ বিশ্লেষণ নিজ





প্ৰিয়াৰ ৰুচি-অৰুচিৰে সম্পন্ন নকৰাকৈ নেথাকে। তেওঁ নাৰদৰ পৰা পোৱা পাৰিজাত ফুলপাহ ৰুক্মিণীক অৰ্পণ কৰে, কিন্তু সত্যভামাৰ খঙৰ ভয়ত ভয়াতুৰো হয়। কোপ নিবাৰণৰ কাৰণে তেওঁ সত্যভামাৰ ভৰি স্পৰ্শ কৰে, ভিন্ন ভিন্ন ধৰণে অভ্যৰ্থনা অনুৰোধ কৰে[3] আৰু তেওঁ প্ৰসন্ন হৱৰ কাৰণে পাৰিজাত বৃক্ষ উভাৰি আনে আৰু ইন্দ্ৰৰ লগত যুদ্ধও কৰে। "পাৰিজাত তৰু গৰুড় চৰাওল হৰি কৰ কমল উপাৰি"—কৃষ্ণৰ শৌৰ্যৰ পৰিচায়ক। এইদৰে তেওঁ এপিনে ৰসিক আৰু প্ৰেমিক, অন্যপিনে শূৰবীৰ আৰু পুৰুষাৰ্থী। শাস্ত্ৰীয় দৃষ্টিৰে তেওঁৰ মাজত ললিত আৰু ধীৰ নায়কৰ গুণ বৰ্তমান। জ্ঞাতব্য যে প্ৰস্তাৱনাত ঘোষিত "ভূমিক ভাৰ উতাৰব" নতুবা "ধৰম ধৰাতল থাপব"ৰ অঙ্কন বুলি ইয়াক গণনা কৰিব নেলাগিব। সত্যভামাৰ যোগেদি তেওঁক নাৰদক দান ৰূপে দিয়া আৰু আকৌ এটা গৰুৰ মূল্যৰ বিনিময়ত কিনি লোৱাৰ বিনোদপূৰ্ণ ঘটনাত কৃষ্ণৰ ৰসিক ৰূপেই প্ৰত্যক্ষ হৈছে।

উমাপতিৰ বিপৰীতে শঙ্কৰদেৱে কৃষ্ণৰ লোকোত্তৰ আৰু ভক্তবৎসল স্বৰূপক কথ্য আৰু কাৰ্যৰ দ্বাৰা তেওঁৰ নাটকত প্ৰত্যক্ষ কৰি চলা নাটকৰ প্ৰাৰম্ভিক ভটিমা হওক নতুবা মুক্তিমঙ্গল ভটিমাই হওক, প্ৰাৰ্থনা লাগিলে নাৰদৰ হওক নতুবা বসুমতীৰ নতুবা অদিতিৰ বা ইন্দ্ৰৰ—সৰ্বত্ৰ কৃষ্ণ ঈশ্বৰ আৰু ভক্তবৎসল ৰূপতে অঙ্কিত হৈছে। তেওঁ দ্বাৰকাধীশ নহয়, সাক্ষাতে "জগতগুৰু দেৱৰোদেৱ" আৰু 'স্বামী কৃষ্ণ,' যি জনে "মনুষ্য চেষ্টাক দেখায়া সৱলোক মোহিছ।" নৰকাসুৰ বধৰ কথাক পাৰিজাত হৰণৰ কথাত যোগ দিয়াৰ মুখ্য প্ৰয়োজন এইখিনিতে যে কৃষ্ণৰ লোকোত্তৰ আৰু লোকৰক্ষক ৰূপৰ প্ৰতিষ্ঠা হব পাৰে। নিজৰ চোতালত পাৰিজাত বৃক্ষ ৰোপণ কৰাৰ পিছত সত্যভামাৰ ব্যঙ্গযুক্ত কথাৰ ৰুক্মিণীৰ দ্বাৰা দিয়া উত্তৰো কৃষ্ণৰ ঈশ্বৰৰূপৰ ব্যঞ্জক আৰু ভক্তিভাৱেৰে পূৰ্ণ। যেনে—"অয়ে ভগিনি সত্যভামা! কি কহৈছ? জগতক পৰমগুৰু শ্ৰীকৃষ্ণ। উনিকৰ চৰণসেৱা কৰিতে ব্ৰহ্মাণ্ড ভিতৰে কোনো দুৰ্লভ ঠিক? ধৰ্ম, অৰ্থ, কাম, মোক্ষ চাৰি পদাৰথ হাতে মিলায়ে। তোহাৰি পাৰিজাত কোন কথা?"

উল্লেখযোগ্য যে শঙ্কৰদেৱৰ কৃষ্ণ মানৱ নহয়, স্বয়ং পৰমব্ৰহ্ম। সেয়েহে শাস্ত্ৰসন্মত নায়কৰ চাৰিও প্ৰকাৰৰ ভিতৰত তেওঁক যি কোনো একজন নায়ক মানি লোৱাটো ভুল হব। তেওঁক মাত্ৰ দিব্য বুলি কব পাৰি। ব্যৱহাৰিক সুবিধাৰ দৃষ্টিৰে তেওঁক কোনো কোনোৱে ধীৰোদাত্ত বুলি কব পাৰে; কিন্তু তেনেকৈ কোৱা কিমান উচিত হব, এইখিনি ভাবি চাব লগীয়া কথা।

(৫) সত্যভামা আৰু ৰুক্মিণী দুয়ো কৃষ্ণ-পত্নী। উমাপতিয়ে ৰুক্মিণীৰ সংকেতমাত্ৰ কৰিছে। তেওঁৰ চৰিত্ৰৰ ৰেখা তাত স্পষ্ট নহলেই। শঙ্কৰদেৱে ৰুক্মিণীৰ চমু কিন্তু উচিত অঙ্কন কৰিছে। তেওঁ মান-অভিমানৰ চঞ্চল আৰু সামান্য ভাব-ভূমিৰ ওপৰলৈ উঠি যিখিনি গহীন আৰু বিশিষ্ট ভাবভূমি লাভ কৰিছে—যত নিজৰ কাৰণে কোনো স্থান থকাই নাই। তেওঁ ভক্তিৰ আদৰ্শ ৰূপত চিত্ৰিত।

সত্যভামাৰ চিত্ৰণ সৰ্বথা মানবী ৰূপত হৈছে। তেওঁৰ প্ৰেম সামান্য মান-অভিমানেৰে যুক্ত। ইয়াৰোপৰি উমাপতিৰ সত্যভামা ৰূপ আৰু প্ৰেম গৰ্বিতা; কিন্তু শঙ্কৰদেৱৰ সত্যভামা কলহপ্ৰিয়, ঈৰ্ষাযুক্ত আৰু সাংসাৰিক মায়াৰ প্ৰতীক। শাস্ত্ৰীয় দৃষ্টিৰে তেওঁক প্ৰগল্‌ভা আৰু কলহপ্ৰিয়া বুলি ক'ব লাগে। তাৰ মাজত সহজ শালীনতাৰো অভাৱ।

(৬) উমাপতিৰ নাৰদৰ চিত্ৰ অপেক্ষিত ভাবে বেছি শালীন। তেওঁ অগ্ৰৰী, সন্দেশ-বাহক, দান দিয়া আৰু

---

৩। চাওক:—

গীত সংখ্যা—২২, ২৩, ২৪, ২৫, ২৬, ২৮ আৰু ২৯।

লোৱা পুৰোহিত আৰু অন্ততঃ বিনোদী। শঙ্কৰদেৱৰ নাৰদো অঘৰী আৰু বাতবিয়োগনিয়াৰ; কিন্তু ইয়াতকৈও বেছি তেওঁলোকৰ হিত-চিন্তোতা, কৃষ্ণভক্ত আৰু কন্দল সৃষ্টি কৰোঁতা। গাঁৱত ইজন সিজনৰ মাজত দ্বন্দ্বৰ সৃষ্টি কৰি নিজে আনন্দ লাভ কৰা মানুহৰ সজীৱতা শঙ্কৰদেৱৰ নাৰদত জীৱন্ত হৈ উঠিছে। এই দৰে তেওঁ পৌৰাণিক নাৰদতকৈ আৰু বেছি বিশ্বাসযোগ্য।

এই বিবেচনাৰ পিছত কব লাগিব যে চৰিত্ৰ সৃষ্টিৰ দৃষ্টিৰেও শঙ্কৰদেৱৰ ওপৰত উমাপতিৰ কোনো ঋণ পৰিলক্ষিত নহয়। শঙ্কৰদেৱৰ চৰিত্ৰ সৃষ্টি কৌশলো উমাপতিতকৈ ভিন্ন। শঙ্কৰদেৱৰ চৰিত্ৰ সৃষ্টি কৌশল পাত্ৰৰ প্ৰকৃতিকো ৰাঞ্জিত কৰি চলে আৰু এই খিনিয়েই তাৰ লক্ষ্য, সেয়েহে সায়াস প্ৰযত্নও; কিন্তু উমাপতিৰ ভিতৰত এই বৈশিষ্ট্য কিঞ্চিৎ হলেও সহজেই হৈছে।

**ৰচনা শৈলী :**

তৃতীয় তুলনাত্মক তত্ত্ব-ৰচনাশৈলী। এই সন্দৰ্ভত দুইজন নাট্যকাৰৰে সূত্ৰধাৰ পৰিকল্পনা, ভাষা, শৈলী, গীত ইত্যাদিৰ ওপৰত বিচাৰ কৰি চোৱা যাওঁক। এই দৃষ্টিৰে দুয়োৰে নাটকত তলত দিয়াৰ দৰে ভিন্নতা পৰিলক্ষিত হয়।

(১) সূত্ৰধাৰৰ পৰিকল্পনা দুয়োজনেই কৰিছে। উমাপতিৰ সূত্ৰধাৰ সংস্কৃত নাটকৰ হুবহু অনুৰূপ। তেওঁ প্ৰস্তাৱনাত নাটকাৰ্থ আৰু পাত্ৰ পৰিচয় দি ৰঙ্গমঞ্চৰ পৰা একেবাৰে নিষ্ক্ৰান্ত হয় গৈ। শঙ্কৰদেৱৰ সূত্ৰধাৰ ইয়াতকৈ বেলেগতো হয়েই, সকলো ঠাইতে নতুনো। তেওঁ নাট্যশালা, ৰংগমঞ্চ আৰু সম্পূৰ্ণ ভাওনাৰ একমাত্ৰ বিধায়ক। তেওঁ বহুৰূপীতো হয়েই, কলাবিদ, কলাৰম্ভ আৰু বহু উদ্যোগীও। তেওঁ ধৰ্মোপদেশকো আৰু কথা বাচকো, পাত্ৰ পৰিচায়কো আৰু ৰসোদ্‌বোধকো, ভক্ত প্ৰমুখো আৰু গায়কো, অধ্যাপকো আৰু ভাৱৰীয়াও। কাৰ্যতঃ তেওঁ ভাওৰীয়া, নটুৱা আৰু দৰ্শকসমূহৰ মাজত অটুট সেতু যিটোৰ ওপৰত নাটক আৰু ভাওনাৰ কল্পনা সম্ভৱ নহয়েই। সূত্ৰধাৰ পৰিকল্পনাৰ দৃষ্টিৰে উমাপতি আৰু শঙ্কৰদেৱৰ কোনো তুলনা হবই নোৱাৰে।

(২) উমাপতিৰ শৈলী সংস্কৃত নাট্য-শৈলী য'ত লোক ভাষাৰ গীতৰ নিয়োজন লোক নাট্য-শৈলীৰ প্ৰতি তেওঁৰ মোহৰ সূচক। ইয়াৰ বিপৰীতে শঙ্কৰদেৱৰ শৈলীপূৰ্ণত লোকনাট্য-শৈলী আৰু য'ত বিন্যস্ত সংস্কৃত শ্লোক তেওঁৰ অন্তঃকৰণত সংস্কৃত শৈলীৰ প্ৰতি মোহৰ ব্যঞ্জক।

(৩) যদি শাস্ত্ৰীয় লক্ষণবোৰৰ ওপৰত দৃঢ়ভাৱে লক্ষ্য কৰা নাযায়, তেনেহলে ৰচনাবিধানৰ দৃষ্টিৰে উমাপতিৰ নাটক উপৰূপকৰ "উল্লাপ্য" নামৰ ভেদৰ ওচৰৰ বুলি কব লাগিব। এইখিনি কথাই শঙ্কৰদেৱ ৰচিত 'পাৰিজাত হৰণ'ৰ ক্ষেত্ৰতো ক'ব পাৰি; কিন্তু তাত "উল্লাপ্য'তকৈ মধ্যযুগীয় লোকধৰ্মী নাট্য 'যাত্ৰা'ৰ বিশেষত্ব বেছি। স্বয়ং নাট্যকাৰেও ইয়াক 'যাত্ৰা' নাইবা 'লীলা যাত্ৰা' নামেই দিছে।

(৪) উমাপতিৰ নাটকৰ ভাষা সংস্কৃত অপভ্ৰংশ। পুৰুষ-পাত্ৰই সংস্কৃত কয় আৰু নাৰীসকলে প্ৰাকৃত। লোকভাষাত মাত্ৰ গীতহে নিবদ্ধ। শঙ্কৰদেৱৰ নাটকৰ ভাষা ব্ৰজাৱলী। আকৌ পুৰুষ-পাত্ৰ আৰু নাৰী-পাত্ৰৰ ভাষাত কোনো প্ৰকাৰৰ ভেদ নাই। গীতো ব্ৰজাৱলীতেই, মাত্ৰ কেইটামান শ্লোক সংস্কৃতত।

(৫) উমাপতিৰ নাটকত মাত্ৰ কুৰিটা গীত আছে। সেই আটাই কেইটা নিবদ্ধ নতুবা ৰাগবদ্ধ। শঙ্কৰদেৱৰ নাটকত মাত্ৰ সাতাইশটা (১৯+৩+৫) গীত পোৱা যায়; যত ভটিমা আৰু পয়াৰ (৩+৫) অনিবদ্ধ আৰু বাদবাকী নিবদ্ধ।

(৬) উমাপতিৰ সম্বাদ যথাৰ্থমূলক আৰু সংক্ষিপ্ত। শঙ্কৰদেৱৰো কেইটামান সম্বাদ যথাৰ্থমূলক আৰু সংক্ষিপ্ত, কিন্তু বেছি ভাগৰে স্বৰূপ ভাবাত্মক আৰু প্ৰবচনাত্মক (Rhetoric)। কদাচিৎ সেই কাৰণে সেইবোৰ দীঘলীয়া হৈছে। আকৌ শঙ্কৰদেৱৰ সূত্ৰধাৰৰ বেছি ভাগ উক্তিয়ে "লয়বদ্ধ বা বৃত্তগন্ধী গদ্য'ৰ উদাহৰণ প্ৰস্তুত কৰে; উমাপতিৰ মাজত যাৰ সৰ্বথা অভাৱ।



এইদৰে কব লাগিব যে ৰচনাশৈলীৰ দৃষ্টিৰেও উমাপতি আৰু শঙ্কৰদেৱৰ নাটকৰ প্ৰকৃতি ভিন্ন ৰকমৰ।

**নাট্যঃ প্ৰয়োজন আৰু আদৰ্শ**

নাট্য ৰচনাৰ প্ৰয়োজন আৰু আদৰ্শৰ মাজত তুলনামূলকভাৱে বিচাৰ কৰিলে জানিব পৰা যায় যে,

(১) উমাপতিৰ "পাৰিজাত হৰণ" ভূপাল-মণ্ডলৰ বীৰ ৰসোদ্ৰেকৰ শান্তি (বীৰৰসাবেশং শময়ন্তু ভৱন্তো ভূপাল মণ্ডলস্য) আৰু শঙ্কৰদেৱৰ "পাৰিজাত হৰণ" কৃষ্ণ-ভক্তিৰ প্ৰচাৰ-প্ৰসাৰ (কৃষ্ণ ভকতি কৰিতে প্ৰবন্ধে) ৰ দৃষ্টিৰে লিখা হৈছে। কব নেলাগিব যে প্ৰয়োজনৰ এই ভিন্নতা দুয়োৰে ভিন্ন পৰম্পৰা আৰু ভিন্নাদৰ্শৰ পৰিণাম।

(২) প্ৰয়োজনৰ দৃষ্টিৰে নাটকৰ দুটি পৰম্পৰা ৰাজ্যাশ্ৰয়ী আৰু ধৰ্মাশ্ৰয়ী। ৰাজ্যাশ্ৰয়ী পৰম্পৰাৰ নাটকৰ ৰচয়িতা কোনো এটা বিশেষ উদ্দেশ্য নতুবা বিচাৰধাৰা বিশেষৰ আগ্ৰহী হোৱাৰ পৰিবৰ্তে সৰ্বত্ৰ নিৰপেক্ষ হৈ থাকে আৰু জনকল্যাণ আৰু মঙ্গলভাৱৰ দৃষ্টিৰে সামান্য মানবীয় প্ৰবৃত্তিৰ আকলন কৰি মনোৰঞ্জন আৰু ৰসোদ্ৰেকৰ কাৰণে উপকৰণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰমাণ আচাৰ্য ভৰতে কৰা তলত দিয়া প্ৰয়োজনৰ ধাৰাও পোৱা যায়।

যেনে :— কচিদ্ধৰ্মঃ কচিৎক্ৰীড়া কচিদৰ্থঃ কচিচ্ছমঃ।
কচিদ্ধাস্যং কচিদ্যুদ্ধং কচিৎ কামঃ কচিদ্বধঃ॥
ধৰ্মোধৰ্ম প্ৰবৃত্তানাং কামঃ কামাৰ্থসেৱিনাম্।
নিগ্ৰহো দুৰ্বিনীতানাং বিনীতানাং দমক্ৰিয়া॥
—নাট্যশাস্ত্ৰ—১।১০৮-১০৯।

ইয়াৰ পৰা জনা যায় যে নাটক বিবিধ উদ্দেশ্যলৈ ৰচনা হয়; কিন্তু তাত ভিন্ন প্ৰকৃতিৰ আৰু প্ৰবৃত্তিৰ লোকৰ কাৰণে সমানভাৱে উপযুক্ত সামগ্ৰী থাকিব লাগে। সূক্ষ্মভাৱে বিচাৰ কৰিলে ইয়াক বিৰোধাভাস বুলি ক'ব লাগিব, কিয়নো বিশেষ বিচাৰধাৰাৰে প্ৰেৰণা লাভ কৰি লিখা নাটক বিভিন্ন প্ৰবৃত্তিৰ লোকক কেনেকৈ সন্তুষ্ট কৰিব? সংস্কৃত নাটকত গভীৰ জীৱনদৰ্শন নাইবা বিশেষ বিচাৰধাৰাৰ অভাৱৰ কদাচিৎ (?) এয়েই মুখ্য কাৰণ। সংস্কৃত নাট্যকাৰে এই বিৰোধাভাসৰ নিবাৰণ নাটকান্তত 'ভৰত বাক্য'ৰে কৰি আহিছে। মাত্ৰ অশ্বঘোষ আৰু কৃষ্ণমিশ্ৰৰ নাটকেই ইয়াৰ অপবাদ (ব্যতিক্ৰম?) যেন প্ৰতীত হয়। বিশিষ্ট বিচাৰধাৰাৰে প্ৰেৰিত হোৱাৰ কাৰণেই তেওঁলোকৰ নাটক সৰ্বগ্ৰাহ্য নহল। তেওঁলোকৰ নাটক ধৰ্মাশ্ৰয়ী, ৰাজ্যাশ্ৰয়ী নহয়। অশ্বঘোষৰ নাটক ব্ৰাহ্মণবাদৰ খণ্ডন আৰু বৌদ্ধ সিদ্ধান্তৰ প্ৰতিপাদন আৰু কৃষ্ণমিশ্ৰৰ (প্ৰবোধ চন্দ্ৰোদয়) বৈষ্ণৱ অদ্বৈতবাদৰ প্ৰচাৰ-প্ৰসাৰৰ মাধ্যম হৈ উপস্থিত হ'ল।

এই পৰিপ্ৰেক্ষিতত বিচাৰ কৰিলে উমাপতিৰ 'পাৰিজাত-হৰণ'ক ৰাজ্যাশ্ৰয়ী পৰম্পৰাৰ ৰচনা বুলি মানিব লাগিব। কোনো এটা গভীৰ জীৱন দৰ্শনৰ বিবেচনা কৰা নাইবা বিচাৰধাৰা বিশেষৰ প্ৰতিপাদন কৰা তাৰ প্ৰয়োজনো নহয় আৰু লক্ষ্যও নহয়। আভিজাত্য আৰু ৰাজন্য শ্ৰেণীৰ মনোৰঞ্জনৰ দৃষ্টিৰে তাত ৰসিকতা, বিনোদবৃত্তি আৰু শৌৰ্যৰ নিয়োজন হৈছে। ইয়াৰ বিপৰীতে শঙ্কৰদেৱৰ 'পাৰিজাত-হৰণ' ধৰ্মাশ্ৰয়ী পৰম্পৰা, যিটোয়ে বৈষ্ণৱ পৰম্পৰাৰ সংজ্ঞা লাভ কৰিছে, তাৰে নাটক। বৈষ্ণৱ ভক্তি-দৰ্শনৰ গাম্ভীৰ্যভাৱে বিশ্লেষণ কৰি, অভিনয় প্ৰদৰ্শনৰ দ্বাৰা তাক সৰ্বসামান্য লোক-মানসত প্ৰতিষ্ঠিত কৰাই ইয়াৰ একমাত্ৰ লক্ষ্য। ইয়াত শ্ৰীকৃষ্ণ, সত্যভামা আৰু ৰুক্মিণীয়ে ক্ৰমে অদ্বৈত ব্ৰহ্ম, মায়া আৰু ভক্তিৰ সাকাৰ মূৰ্তি-প্ৰতীক।

সেয়েহে বুজিব পাৰি যে প্ৰয়োজন-সিদ্ধি আৰু উদ্দেশ্যমূলকভাৱে নাইবা আদৰ্শ স্থাপনৰ দৃষ্টিৰেও শঙ্কৰদেৱ উমাপতিতকৈ সৰ্বথা ভিন্ন। উমাপতিৰ কোনো ঋণ শঙ্কৰদেৱৰ ওপৰত পৰিলক্ষিত নহয়।

**ৰসোদ্‌বোধন আৰু ৰসনিষ্পত্তি**

ৰসোদ্‌বোধন আৰু ৰসনিষ্পত্তিত দুয়োজন নাট্যকাৰেই

দৃষ্টিপাত কৰিছে; কিন্তু উদ্দেশ্য ভিন্নতাৰ কাৰণে ৰস-সামগ্ৰীৰ নিয়োজনত সৰ্বত্ৰ কৌশল-ভিন্নতা লক্ষিত হয়। সঙ্গীত আৰু নৃত্যৰ ব্যৱহাৰ দুয়োজন লোকেই উদ্দীপনৰ কাৰণে কৰিছে, কিন্তু ইয়াতো কোনো ধৰণৰ সাম্য নাই। এই সম্বন্ধীয় বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণে ৰেখাঙ্কিত কৰিব পৰা যায় –

(১) উমাপতিৰ নাটকাৰম্ভত বসন্ত ৰাগত নিবদ্ধ গীত (অনগিনত কিংশুক চাৰু চম্পক বকুল বহুকুল ফুল্লিয়া—গীত সংখ্যা ৪)ত বৰ্ণনা কৰা ৰৈৱত বনৰ বাসন্তী শোভাই প্ৰথমে ৰসিক সমাজক মুগ্ধ কৰি তোলে। আকৌ সত্য-ভামাৰ পঞ্চম ৰাগত গানে (সখি হে ৰভসে ৰস চলু ফুলবাৰী। অহাঁ মিলত মোহি মদন মুৰাৰি – গীত সং ৯) ৰৈৱত বনৰ বাতাবৰণক চঞ্চল আৰু আকৰ্ষণীয় কৰি তোলে আৰু পাৰিজাত পুষ্প পোৱাৰ পিছত ৰুক্মিণীৰ ৰাজ বিজয় ৰাগত গীত আৰু নৃত্য বাতাবৰণক আনন্দিত আৰু মাদকপূৰ্ণ কৰি অনুকূল ৰসোদ্ৰেক কৰে। ইয়াৰ বিপৰীতে শঙ্কৰদেৱৰ নাটকৰ প্ৰাৰম্ভিক ভটিমাই দৰ্শক-মণ্ডলীক কৃষ্ণ-প্ৰেম মতলীয়া কৰি তোলে আৰু নাৰদ আদিৰ স্তুতিৰ যোগে সেই একে ভাবক পুষ্ট কৰি কৰি শেষলৈকে ভক্তিৰস সম্পন্ন কৰায়।

(২) দুয়োজনাৰে নাটকত ঈৰ্ষাৰ ফলত হোৱা অভিমান অঙ্কন কৰা হৈছে। দুইটাৰে পাৰ্থক্য এইখিনিয়ে যে উমাপতিৰ সত্যভামাৰ ভেম বেছি উগ্ৰ। তাৰ সন্তা-ৱনাৰেই কৃষ্ণ সন্তপ্ত হয়। নাট্যকাৰে তাৰ আধি-ব্যাধি আৰু ভেমমোচন হেতু কৃষ্ণৰ দ্বাৰা কৰা উপচাৰৰ বিস্তৃত বৰ্ণনা কৰিছে। কব নেলাগিব যে ৰসিক আৰু মনো-ৰঞ্জন আকাঙ্ক্ষী দৰ্শকমণ্ডলীৰ সন্তুষ্টিৰ কাৰণে এইখিনিৰয়েই আৱশ্যক আছিল; কিন্তু শঙ্কৰদেৱৰ সমুখত এনে বিবশতা নাছিল। পাৰিজাত-হৰণৰ ঘটনাক মাধ্যম হিচাপে লৈ বৈষ্ণৱ ভক্তিৰ প্ৰকাশ কৰাই তেওঁৰ লক্ষ্য আছিল। সেয়েহে সত্যভামাৰ ভেমত উমাপতিৰ দৰে তেওঁৰ দৃষ্টিৰ সেই ৰূপত কেন্দ্ৰিত নোহোৱাটো অস্বাভাৱিকো নহয় আৰু আকস্মিকো নহয়।

(৩) উমাপতিয়ে যুদ্ধৰ সূচনা মাত্ৰ দিছে, যুদ্ধ বৰ্ণনা কৰা নাই। ইয়াৰ দ্বাৰা কৃষ্ণৰ শৌৰ্য-বীৰ্য স্থাপন হয়গৈ; কিন্তু তেওঁৰ লোকৰক্ষক ৰূপৰ প্ৰকাশ নহয়। ইয়াৰ বিপৰীতে শঙ্কৰদেৱে যুদ্ধোৎসাহ, যুদ্ধ, যুদ্ধৰ ভয়ঙ্কৰতা, নৰকাসুৰ বধ, ইন্দ্ৰৰ পলায়ন ইত্যাদিৰ বিস্তৃত বৰ্ণনাৰ দ্বাৰা যিখিনিত বীৰৰসৰ পূৰ্ণ পৰিপাক কৰায়, সেইখিনিতে ভগৱানৰ ঐশ্বৰ্য, জ্ঞান, যশ, শ্ৰী আৰু বীতৰাগক প্ৰকাশ কৰি সামান্য লোকৰ পঞ্চবিকাৰ–কাম, ক্ৰোধ, মদ, লোভ আৰু মোহক হ্ৰাসো কৰে। ফলস্বৰূপে ব্যক্তিগত শুদ্ধ কৃষ্ণভক্তি-ৰসৰ পৰিপাক হয়।

(৪) সত্যভামাৰ চোতালত পাৰিজাত বৃক্ষ ৰুই দিয়াটোৱে কাৰ্যৰ সমাপ্তি। নাটকৰ প্ৰকৃত সমাপ্তি তাতেই ঘটে। কিন্তু উমাপতিয়ে তাৰ পিছতো কৃষ্ণ আৰু অৰ্জুনক দানত দিয়া আৰু আকৌ এটা গৰুৰ মূল্যত তেওঁলোকৰ ক্ৰমে সত্যভামা আৰু সুভদ্ৰাৰ হাতত বেচা ঘটনাৰ বৰ্ণনা কৰিছে। ফলাগমৰ দৃষ্টিৰে ইয়াৰ ব্যৰ্থতা স্বয়ংসিদ্ধ। এই ঘটনাৰ যোগেদি যিখিনি বিনোদন সৃষ্টি হৈছে তাৰ লক্ষ্য বিশুদ্ধ মনোৰঞ্জনৰ বাহিৰে আন একো নহয়। শঙ্কৰদেৱৰ নাটক ফলাগমতেই সমাপ্ত হৈছে। এইদৰে ই অনাৱশ্যক বিস্তাৰৰ পৰা ৰক্ষা পৰিছেই, নিজৰ লক্ষ্যৰ পূৰ্তি—ভক্তিৰসৰ নিষ্পত্তিৰ দৃষ্টিৰে সম্পূৰ্ণ সফল হৈছে।

ক'ব পাৰি যে ৰসোদ্‌বোধন আৰু ৰস নিষ্পত্তিৰ দৃষ্টিৰে দুয়োজন নাট্যকাৰ ৰচনা সফল। হৈছে। শাস্ত্ৰীয় দৃষ্টিৰে অঙ্গী ৰসৰ ৰূপত বীৰৰ প্ৰতিষ্ঠা দুয়োজনেই কৰিছে. কিন্তু উমাপতিৰ নিৰূপনত কৃষ্ণৰ ৰসিক বৃত্তি আৰু নাৰদৰ বিনোদন গুণ ইমান



বেছি হৈছে যে তাৰপৰা বীৰৰ মহত্ব গৌণ হৈ পৰিছে। শঙ্কৰদেৱৰ নাটকত বীৰৰসৰ অভঙ্গৰূপত বীভৎস আৰু ভয়ানকৰো প্ৰতিষ্ঠা সহজে হৈছে। সত্যভামাৰ ভেমেও মৰ্যাদাৰ সীমা সংযম নকৰে। বৈশিষ্ট্য এইখিনিতে যে এই আটাই কেইটা ৰসে সামাজিকৰ পঞ্চবিকাৰ যুক্ত অহংকাৰক ক্ষীণ কৰি ভগৱদুন্মুখ কৰে আৰু অন্ততঃ ভক্তিৰসৰ নিষ্পত্তি হয়। বীৰ আদি ৰস ভগৱদুন্মুখতাৰ কাৰণে মাত্ৰ যোগ্য ভূমিকা সাজু কৰে। উমাপতিৰ ব্যক্তিত্ব যিখিনিত মাত্ৰ নাট্যকাৰৰ, সেই-খিনিতে শঙ্কৰদেৱৰ ব্যক্তিত্বত নাট্যকাৰ আৰু সন্ত একাকাৰ হৈছে। এইদৰে ইয়াতো শঙ্কৰদেৱ উমাপতিৰ পৰা সম্পূৰ্ণ বেলেগ।

### নাট্য প্ৰদৰ্শন

উমাপতিৰ নাটকৰ অভিনয় কি ৰূপত হৈছিল, তেওঁৰ নাট অভিনয়টো নাট্যশালা কেনে ধৰণৰ আছিল এইবোৰ কথা, আজি মাত্ৰ সম্ভাৱনাৰ বিষয়। নাটকৰ উপলব্ধ ৰূপ আৰু ৰাজা হৰিসিংহ দেৱৰ দ্বাৰা স্থাপিত মধ্যকালীন ৰাজাশ্ৰয়ী ৰঙ্গমঞ্চৰ আধাৰত মাত্ৰ এই-খিনিয়েই অনুমান কৰিবপৰা যায় যে কদাচিৎ তাৰ স্বৰূপ লোকধৰ্মীয়েই আছিল নিশ্চয়। শঙ্কৰদেৱে যি ৰঙ্গমঞ্চ আৰু অভিনয় পদ্ধতিৰ বিকাশ কৰিলে, সিও লোকধৰ্মীয়েই, কিন্তু তাৰ স্থানীয় লোকনৃত্যৰ বেছি প্ৰেৰিত-প্ৰভাৱিত হোৱা অস্বাভাৱিক নহয়। আকৌ প্ৰথম তীৰ্থযাত্ৰাৰ ক্ৰমত সেই সময়ৰ আৰু অনেক লোকধৰ্মী নাট্যৰ দ্বাৰা আকৰ্ষিত হৈ তাৰে অনুৰূপ নবীন নাট্যপদ্ধতিক বিকশিত কৰি লোৱাটোও শঙ্কৰ-দেৱৰ দৰে বহুমুখী কলাকাৰৰপৰা অসঙ্গত আৰু দূৰূহ নহয়। মই মোৰ গ্ৰন্থ "শঙ্কৰদেৱ : সাহিত্যিক আৰু বিচাৰক'ত এই সম্বন্ধে বিতংভাৱে আলোচনা কৰিছো। সঙ্গীত আৰু নৃত্যৰ পৰিকল্পনা দুয়োজনৰেই নাটকত অৱশ্যে সমানভাৱে হৈছে, কিন্তু এই আধাৰতে শঙ্কৰদেৱ উমাপতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল বুলি নিৰ্ণয় কৰাটো অনুচিত হব। এটি সম্ভাৱনা ঘটনা হব পাৰে। দ্বিতীয় সম্ভাৱনা শঙ্কৰদেৱে ব্ৰজমণ্ডল আৰু অন্য বহুতো বৈষ্ণৱ তীৰ্থবোৰত প্ৰচলিত নৃত্য নাট আৰু সংগীতেৰে সম্ভৱতঃ প্ৰেৰণা পাইছিল। প্ৰথমতকৈ পিছৰটো সম্ভাৱনাই বেছি সম্ভৱপৰ বুলি মনে কৰোঁ।

এই প্ৰবন্ধত উমাপতি আৰু শঙ্কৰদেৱৰ 'পাৰিজাত-হৰণ' নাটকৰ বিভিন্ন দিশত তুলনামূলক পৰ্যালোচনা আগবঢ়োৱা হ'ল। অধ্যয়ন পৰীক্ষণৰ ক্ৰমত সাম্য আৰু বৈষম্যৰ যিবোৰ বিচাৰ বিন্দু স্থাপিত হল, সেইবোৰৰ ওপৰত দৃষ্টিপাত কৰিলে স্পষ্ট যে দুয়োজনৰ মিল প্ৰায় নগণ্য। দুয়োজনৰ নাটকত বৈষম্য নাইবা ভিন্নতা বেছি। বৈষম্যৰ দীঘলীয়া তালিকাৰ আধাৰত আমি এনে সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে শঙ্কৰদেৱৰ 'পাৰিজাত-হৰণ' উমাপতিৰ 'পাৰিজাত-হৰণ'ৰ দ্বাৰা প্ৰভাৱান্বিত নহয়। দুইজন প্ৰথিতযশা নাট্যকাৰৰ মাজত যি অলপ-অচৰপ মিল আছে, সেইবোৰ প্ৰেৰণা নাইবা প্ৰভাৱৰ প্ৰমাণ নহয়, বৰঞ্চ আখ্যান আৰু ঘটনা-প্ৰবাহৰ সাদৃশ্যৰহে পৰিচায়ক। সেয়েহে, কব লাগিব যে শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' সৰ্বতো প্ৰকাৰে কবিৰ স্বতন্ত্ৰ সৃষ্টি আৰু নিজা উপলব্ধিৰ পৰিপক্ক ফল।

# ‘হেই আনি মাহোনী গাৱাউ’

শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা

অসম তথা পূৰ্ব ভাৰতৰ জনজীৱনত ইন্দো তিবেতীয় ভাষিক গোষ্ঠীৰ যিমান প্ৰভাৱ পৰিছে—সম্ভৱতঃ আন কোনো ভাষাৰে ইমান প্ৰভাৱ পৰা নাই। আমাৰ চলিত মাতকথা, খোৱা-বোৱাৰ প্ৰণালী, বোৱণ-কাটনৰ সঁজুলি সকলোতে ভোট বৰ্মা গোষ্ঠীৰ প্ৰভাৱ চিৰন্তন আৰু মচিব নোৱাৰা।

“হেই আনী মাহোনী গাৱাউ”
নিংখে খিলিমড়ু।”

এই ফাকি এফাকি ডিমাছা বচন।

অৰ্থ— “হে মোৰ মাতৃভাষা
তোমাক নমস্কাৰ।”

এসময়ত সমগ্ৰ অসম তেওঁলোকৰ অধীনত আছিল। পাণ্ডৱপুত্ৰ ভীমসেন তেওঁলোকৰ বংশৰ প্ৰথম পুৰুষ বুলি বহুতে কয়। অসমৰ নদী নলা, হাটবাট কাপোৰ-কানি সকলোৱে এই সংস্কৃতিৰ কথা বিস্তিয়াই কয়। কছাৰীসকল আহি পোনতে দিলাওব্ৰা আৰু সাঙ্গিব্ৰাৰ সঙ্গমস্থলত ৰাজধানী পাতে। অৰুণাচলৰ আপাতানি বিলাকৰ লগত তেওঁলোকৰ ভাষাৰ সাদৃশ্যৰ পৰা এইটো অনুমান হয় যে তেওঁলোক তিব্বতৰ পৰা সেই বাটেদি অসমলৈ নামি আহিছিল। দিলাও আজি কালিৰ নাহৰ-কটীয়াৰ ওচৰৰ দিল্লী নদী, সাঙ্গিবুঢ়ীদিহিং। এই দুই নদীৰ সঙ্গমস্থলত বিৰাট বটগছৰ তলত—যি ডাল গছত

“পাড়াপাং ডেসৰি পাংসৰি ;
বস্‌বোডাউৰিজিং মিলিবা,
য়াডেৰবো মি বিজিং মিলিবা।”

“ডালে পাতে জাতিস্কাৰ হৈ আছিল ;
হেজাৰ চৰাই গোট থাইছিল ;
হেজাৰ পশু লগ হৈছিল।”

সেই ঠাইৰ পৰা তেওঁলোক লুইতৰ পাৰে পাৰে নামনিলৈ ভটীয়াই আহিল। ইয়াৰ পিচত লুইতত এখন বেতৰ সাঁকো দি ভগবানক প্ৰাৰ্থনা কৰিলে বোলে তেওঁলোক যাতে সুকলমে নদী পাৰ হৈ যাব পাৰে। ভগবানে তেওঁলোকৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ কলে বোলে তেওঁলোক যাব পাৰিব। কিন্তু এটা কথা, সাঁকো পাৰ হওঁতে কোনেও পাছলৈ উলটি চাব নোৱাৰিব। এই কথাত সন্মত হৈ ৰজাক আগত লৈ তেওঁলোক আগবাঢ়িল। ৰজা আৰু কিছু সংখ্যক মানুহ পাৰ হোৱাৰ পিছত আনবোৰ মানুহ পাৰ হৈছেনে নাই জানিবলৈ তেওঁ উভতি চালে। তেওঁ চোৱাৰ লগে লগে সাঁকোখন খহি পৰিল। সেই কাৰণে কিছু সংখ্যক লোক উত্তৰ পাৰে ৰৈ গ'ল।



তেওঁলোক হ'ল বড়ো কছাৰী। যিসকল পাৰ হৈ আহিল তেওঁলোক হল ডিমাছা। এয়ে ডিমাছা কিম্বদন্তী।

কছাৰী ৰাজপৰিয়াল ডিমাছা জনজাতিৰ ; তেওঁলোকৰ শেষ স্থায়ী ৰাজধানী খাছপুৰ। খাছপুৰ কাছাৰৰ কুম্ভীৰগ্ৰাম বিমানকোঠৰ ওচৰত। শেষ অস্থায়ী ৰাজধানী হৰিটিকৰত। এই স্থান বদৰপুৰৰ পৰা তিনি মাইল পুবে বৰাক নৈৰ পাৰত। ইয়াতে তেওঁলোকৰ শেষ ৰজা গোবিন্দ চন্দ্ৰ নিহত হৈছিল।

কছাৰীসকল আহোম সকলৰ পৰা বিতাড়িত হৈ যি যি ঠাইলৈ গৈছিল তালৈকে তেওঁলোকৰ কৃষ্টি কঢ়িয়াই নিছিল। তাৰ তীব্ৰ প্ৰভাৱ উত্তৰ কাছাৰ জিলাত বিদ্যমান। বাকী প্ৰায় সমগ্ৰ পূৰ্ব ভাৰতত এই কলা-কৃষ্টি স্পষ্টভাৱে বিদ্যমান, আমাৰ অসমীয়া কলাকৃষ্টিৰ বড়ো-কছাৰী কৃষ্টি এটা লাইখুটা।

এই কৃষ্টিৰ বিকাশ সুদূৰ বঙ্গদেশত কেনেকৈ বিস্তাৰ হৈছে সেইটো এই শব্দ কেইটাৰ পৰা চাওঁক—

বাংলা—বাংলাই বাংলাই—যি দেশখন পলি মাটি পৰি পৰি বাঢ়ি গৈছে।

হুগলী—হা+গিলি—পলি মাটি।
হাওৰা—হা+ব্ৰা—মাটিৰ মুখ।
টাঙ্গাইল→গাঠাং+হাইল—সেউজীয়া মাটি।

ঢাকা→ডাহা→ডি+হা→যি ঠাইখনত সমান ভাগ মাটি আৰু সমান ভাগ পানী।

ইণ্ডোতিবেতীয় সংস্কৃতি : ডি মানে পানী, শি মানেও পানী। এই প্ৰবন্ধত মাত্ৰ পানীবাচক শব্দবোৰ লৈ আলোচনা কৰা হ'ব।

উজনি অসমৰ নদীবোৰৰ নামত দেখা যায়—
ডিহিং→ডি+গিসিং—শীতল পানী।
ডিবাং→ডি+বাং—বেছি পানী।
ডিৰুং→ডি+বুৰুং—যি নদীত উঠানমা বা সোঁত বেছি (Rapid)।
ডিক্ৰু—>ডি+গুক্ৰ্ৰা—যি নদীত বুৰবুৰণি বেছি। অথবা ঘোলা নদী। গুক্ৰ—লেতেৰা।
ডিখৌ—>ডি+খু—যি নদীত গৰা গহনীয়া বেছি।
ডিমৌ—>ডি+মাও—কোনা ভূমিকম্পৰ পিছত হোৱা নদী।
ডিচৈ—>ডি+গাঁজাই—ৰঙা নদী।
ডিচাং—>ডি+চাং—পগলা নদী।

ডিমাছাবিলাকে ব্ৰহ্মপুত্ৰক ডিলাও বোলে। ডিলাওৰ পৰা লাওতু—>লোহিত হব পাৰে। নদীবোৰৰ নামো জিলা অনুসাৰে পৰিবৰ্তন হৈছে। কোনো কোনো ক্ষেত্ৰত অষ্ট্ৰীক আৰু মিকিৰবিলাকৰ ভাষাই এই নামবোৰক প্ৰভাবিত কৰিছে। খাছিবিলাকে নদীক সন্মানেৰে চায়। তেওঁলোকৰ মনত কপিলী নদী বৰ পবিত্ৰ ; এই নদীক গোঁসানীৰ শাৰীত ধৰে। আজি কিছুদিন আগলৈকে তেওঁলোকে কপিলী নদী পাৰ হোৱা নাছিল। কলং, কপিলী, কলহী ইত্যাদি অষ্ট্ৰীক নাম।

মিকিৰবিলাকে নদীক লাং বুলি কয়। যেনে লাংটিং, লামচা থাং, লামডিং ইত্যাদি। ইয়াৰ বাহিৰেও কামৰূপ জিলাৰ—
ডিগাৰু—>ডুগ্ৰ্‌বা—পৰিষ্কাৰ নদী।
দিঘেলী—>ডী+গিলি—সৰু নদী; নতুন নদী।
পাগলাদিয়া—পাগল নদী।
বৰলীয়া—>বৰডৈয়া—ডাঙৰ নদী অথবা যি নদীত বতাহ বেছি।
ভৰলী—>বাইৰাউলী—নাচি বাগি থকা পগলা নদী।

দৰং জিলাৰ ধনশিৰী, বেলশিৰী ইণ্ডোতিবেতীয় পানীবাচক শব্দৰ পৰা ওলোৱা।

মিকিৰ পাহাৰ জিলাৰ—
ডিফু—>ডি+গুপু—বগা নদী। এই নদীত চূণৰ পৰিমাণ বেছি।

ডিমাপুৰ—> ডিমা —> দৈ+মা—ডাঙৰ পানী।
উত্তৰ কাছাৰ জিলাৰ—
ডিয়ুং—> ডাঙৰ নদী। য়ুং—ডাঙৰ।
ডিংগাজি—> ডি+সাজি—ঠাণ্ডা পানী
ডিমাছাত ডিছা—> ডিনী বাছা—সৰু নদী।
সেই হিচাপে—
নানা ডিছা—> সৰু নদী। নানা মানে কেচুৱা।
মতি ডিছা, আমৰু ডিছা, ডলিয়া ডিছা।
ৰাজাও—> এই নদীৰে ডিমাছাসকল ৰাঁহৰ ডুৰ সাজি উটি আহিছিল।
নাঠুডিছা—>মিছা মাছ থকা সৰু নদী।
দিসাগিসিম—>ক'লা নদী; ইয়াৰ পানী ক'লা।
দৈৰাজি—>দি+হাৰাং—যি নদী বৰ এঢলীয়া ঠাইৰে বৈ গৈছে। সেইদৰে,
দৰঙা—>দি হাৰাংহা—যি নদীৰ অৱবাহিকা খুব এঢলীয়া।
দৰং—>দি+হাৰাং—এই ঠাইৰ নদী আৰু মাটি খুব এঢলীয়া।
ডিজাও—যি নদীত নাও বোৱা যায়। জাওৰা—নাও বা ভেনে জাতীয় ভেল বাই নিয়া।
কাছাৰ জিলাৰ—
নাটকি—>নাঠু+ডি—মিছা মাছ থকা নদী।
কাঁকৰা—>কাংকৰাই—বেছি একাঁবেকাঁ নদী, বা বেছি কেঁকোৰা থকা নদী।
শিংলা—>গিসিং+গালাও—শীতল পানীৰ নদী। গালাও—দীঘল।

মিজো পাহাৰ জিলাত পানীক টুই বোলে। সেই হিচাপে টুইপাং, টুৰিয়ল, টুইপুই ইত্যাদি নামেৰে নদী পোৱা যায়।



এতিয়া আমাৰ জনজীৱনত পানীবাচক শব্দবোৰ আলোচনা কৰিলে আমি দেখা পাওঁ—
ডি ডাব—>পানীময়; ডাব—>ডাব নাৰিকল
ডেমী—>ডুমুৰ (কাছাৰ)—>ডিমৰু
ডাবৰ—চৰিয়া। ডি+গুত্ৰ—হাত মুখ ধোৱা বাচন।

বাৰডিং—ধুমুহা, শিলাবৃষ্টিৰে সৈতে,—>বৰদৈ—বৰদৈ চিলা
দিলাও—>ধলি (কাছাৰ)—ধল।
মাইডি—ভাতৰ মাৰ; মাই মানে ধান, ডি মানে পানী।—>মাৰ।
ঠাইডি—ঔটেঙা, ঠাই=ফল। ডি—পানী চালতা (কাছাৰ) জাল ঠাই—>ৰসযুক্ত ফল।
ডাউডি—>ডিম—>ডাউ=চৰাই
ডিল—>ডেক (কাছাৰ)—>বাথাহনী; ডি—>মাজৰ পানীযুক্ত অংশ।
ডিবু—>ডোবা—> ডুবি (কাছাৰ)—> ডিঠুবি—>দ পানী।
ডঁকা—> ডি+বাথাহ—> পানীৰ কলিজা; বাথাহ—কলিজা।
ডাৱৰ—> ডিনী ৰাৰ—পানীৰ বতাহ।
ডোঁৱাৰ—> ডিগৱাৰ—> বহল পানী।

অসমীয়া ভাষা-সংস্কৃতিত বড়ো-কাছাৰী সংস্কৃতিৰ প্ৰভাৱৰ এইটো প্ৰথম সোপান। নদী-মাতৃক বড়ো-কছাৰী বলাকৰ খিলঞ্জীয়া সংস্কৃতিৰে পৰিপুষ্ট অসমৰ পূৰ্ব ভাৰতৰ মাত-কথা, খোৱা-বোৱা, বোৱা-কটা এই সকলোবোৰ এটি সখ্যৰ এনাজৰীৰ বান্ধোনেৰে বান্ধ খাই আছে।

# 'বনফুল'ৰ কবি দুৰৰা ঃ বেজবৰুৱা-সাহিত্যৰ পটভূমিত

অধ্যাপক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

সাহিত্য সৃষ্টিৰ অন্তৰালত স্বদেশৰ প্ৰতি থকা ঐকান্তিক প্ৰেমে যে বেজবৰুৱাক প্ৰধানকৈ প্ৰেৰণা যোগাইছিল তাত সন্দেহৰ অৱকাশ নাই। কিন্তু বেজবৰুৱাৰ সমসাময়িক আৰু অন্তৰঙ্গ বন্ধু 'মাজিউ' চন্দ্ৰকুমাৰ আৰু 'গোঁসাঁই' হেমচন্দ্ৰই সেই প্ৰেৰণাত ইন্ধন যোগোৱাৰ দৰে তেওঁৰ বয়োকনিষ্ঠ 'young friend' যতীন্দ্ৰ নাথ দুৱৰাৰ সহযোগ এই ক্ষেত্ৰত কম লেখত লব লগীয়া নহয়। ১৯০৪ খ্ৰীষ্টাব্দলৈকে বৰ্ণনা কৰা 'জীৱন সোঁৱৰণ'ত বা 'দিন লেখা'ত বেজবৰুৱাই অৱশ্যে কবি দুৱৰাৰ উল্লেখ কৰা নাই। ১৮৯২ খ্ৰীষ্টাব্দত জন্ম গ্ৰহণ কৰা যতীন্দ্ৰ নাথ দুৱৰাৰ সম্ভৱতঃ বেজবৰুৱাৰ লগত পৰিচয় হয় এই শতিকাৰ দ্বিতীয় দশকতহে। ডক্টৰ মহেশ্বৰ নেওগ দেৱৰ দ্বাৰা সম্পাদিত 'পত্ৰলেখা'ত সন্নিবিষ্ট বেজবৰুৱালৈ লেখা দুৱৰাৰ প্ৰথম চিঠিখন ১৯১৪ চনৰ জানুৱাৰী মাহৰ ৫ তাৰিখৰ আৰু বেজবৰুৱাই দুৱৰালৈ লিখা প্ৰথম চিঠিখন ১৯১৬ চনৰ মাৰ্চ মাহৰ ২১ তাৰিখৰ। অৱশ্যে উক্ত চিঠি দুখনেই যে পৰস্পৰে পৰস্পৰলৈ লেখা প্ৰথম চিঠি হ'ব, সেই কথা থাটাংকৈ ক'ব নোৱাৰি। কিন্তু দ্বিতীয় দশকৰ আৰম্ভণিতে দুয়োজনৰ মাজত পৰিচয় ঘটে বুলি অনুমান কৰিব পাৰি। ১৯০৯ চনত বেজবৰুৱাই কলিকতাৰ পৰা 'বাঁহী' প্ৰকাশ কৰা সময়তে নিশ্চয় কলিকতীয়া কলেজৰ ছাত্ৰ দুৱৰা বেজবৰুৱাৰ সান্নিধ্যলৈ আহিছিল বা বেজবৰুৱাৰ লগত দুৱৰাৰ পৰিচয় দৃঢ় হৈছিল। এই পৰিচয় বা সান্নিধ্যৰ পৰৱৰ্তী কালছোৱাত দুৱৰা আছিল বেজবৰুৱাৰ সাহিত্য সৃষ্টিৰ এটি অন্যতম প্ৰেৰণা।

বেজবৰুৱাৰ 'বাঁহী'ৰ যাৱতীয় কাম-কাজ পৰিচালনা কৰা বা 'বাঁহী'ৰ আহি-কাকত চোৱাত দুৱৰাই যে আত্মনিয়োগ কৰিব লগা হৈছিল ৫।১।১৪ তাৰিখৰ চিঠিখনেই তাৰ প্ৰমাণ। কিন্তু বেজবৰুৱাৰ সম্পাদনাত কেৱল 'বাঁহী'খন চলি থকাটোকে দুৱৰাই বিচৰা নাছিল ; বেজবৰুৱাৰ নৱনৱোন্মেষশালিনী প্ৰতিভাৰ প্ৰকাশত যাতে কোনো ধৰণৰ জড়তা আহিব নোৱাৰে , সেই টোহে আছিল দুৱৰাৰ মূল লক্ষ্য। শাৰীৰিকভাৱে বেজবৰুৱা যেনেকৈয়ে নাথাকক, বেজবৰুৱাৰ মন, বেজবৰুৱাৰ কল্পনা যেন সদায় সজীৱ হৈ থাকে, এয়ে আছিল দুৱৰাৰ কামনা। ৫।১।১৪ তাৰিখৰ চিঠিত তেওঁ বেজবৰুৱালৈ লিখিছে ঃ 'I do not care if you be frozen into ice, but I would particularly request you to take care of your imagination"। একেখন চিঠিতে দুৱৰাই উল্লেখ কৰিছে, তেওঁ ঘুন্টুক-ঘানাকৈ শুনা মতে বেজবৰুৱাই অসমৰ বুৰঞ্জী এখন লিখিবলৈ লোৱা কথাটো। সেই গ্ৰন্থখন ('a history of Assam dealing with not dynasties but with

the social, literary and religious developments from the beginning of the ancient times to the modern age,) বেজবৰুৱাৰ পৰা নোপোৱাটো আমাৰ কাৰণে অজ্ঞাত ; কিন্তু হুৱৰাই বেজবৰুৱাক গ্ৰন্থখন প্ৰণয়ণ কৰাৰ ক্ষেত্ৰত যি আযাৰ কথাৰে প্ৰেৰণা যোগাইছিল, ('I should say that you are the only man to take up the work'), তৎকালীন অসমীয়া সাহিত্যত বেজবৰুৱা প্ৰতিভাৰ মূল্যায়নৰ ৰেলিকা সেই কথাষাৰ নিশ্চয় দিক্-নিৰ্ণায়ক ।

'জোনাকী' যেনেকৈ সৰ্বস্ব আছিল চন্দ্ৰকুমাৰৰ, 'বাঁহী' তেনেকৈ আছিল বেজবৰুৱাৰো। বেজবৰুৱাই নিজে কোৱা মতে "এখন এখন 'বাঁহী' এই নিঃকিনৰ এডোখৰ এডোখৰ" (দ্ৰষ্টব্য :—হুৱৰালৈ বেজবৰুৱাৰ চিঠি : ৮।৩।১৮) । আন-ফালে হুৱৰাও 'লৰালিৰে পৰা 'বাঁহী'ৰ লগত একেলগে ডাঙৰ দীঘল হোৱা'। (দ্ৰষ্টব্য :—বেজবৰুৱালৈ হুৱৰাৰ চিঠি : ২০।৩।২৭) । এই 'বাঁহী'ৰ সুৰ নিমাত হোৱা, দুৰ্বল হোৱা বা সলনি হোৱাৰ কথা হুৱৰাই কল্পনা কৰিবও নোৱাৰিছিল । বেজবৰুৱাৰ লেখা অবিহনে যে 'বাঁহী'ৰ সুৰ মনোগ্ৰাহী হ'ব নোৱাৰে, সেইটো উপলব্ধি কৰি হুৱৰাই বেজবৰুৱালৈ ১৯।৪।২০ তাৰিখে লিখিছে—"আপুনি নতুন বছৰৰ কাৰণেও একোকে 'বাঁহী'ত নেলে-খিলে । বৰ বেজাৰৰ কথা যে 'বাঁহী' আপোনাৰ লেখাৰ পৰাও বঞ্চিত হ'ব লগা হ'ল । আপুনিয়ে যদি 'বাঁহী'ত নেলেখে, তেন্তে 'বাঁহী'নো আৰু কিটো হ'ব ?" 'বাঁহী'-খন সৰ্বতো প্ৰকাৰে সাহিত্য-সংস্কৃতিৰ বাহক হৈ থকা-টোকে হুৱৰাই বিচাৰিছিল আৰু সেইবাবেই বেজবৰুৱাৰ নামতে আঁউজি শেহৰফালে 'বাঁহী'ত ৰাজনীতি সুমুৱাৰ চেষ্টাটোক হুৱৰাই সমৰ্থন কৰিব নোৱাৰিছিল । (দ্ৰষ্টব্য : ২০।৩।২৭ তাৰিখৰ চিঠি) ।

বেজবৰুৱাৰ 'শঙ্কৰদেৱ' গ্ৰন্থ প্ৰণয়নৰ গুৰিত হুৱৰাৰ ভূমিকা বাককৈয়ে লেখত লব লগীয়া । গ্ৰন্থখন সৰ্বাঙ্গ-সুন্দৰ হোৱাটো তেওঁ মনেপ্ৰাণে কামনা কৰিছিল । গ্ৰন্থখন যেন 'Raleigh-ৰ Shakespeare আৰু Miltion-অৰ দৰে' হয়, 'যাতে কিতাপখন একেবাৰে criticism on literature-অৰ দৰে হয়' আৰু 'কিতাপখন একে-বাৰে complete হয়,' তাৰ বাবে হুৱৰাই বেজবৰুৱাক বহুতো খাটনি ধৰিছিল । 'শঙ্কৰদেৱ' গ্ৰন্থত প্ৰথমে সন্নি বেশ কৰা অনন্তকন্দলী আৰু ৰামসৰস্বতী সম্পৰ্কীয় কথাখিনি গ্ৰন্থখনৰ পৰা তুলি দিবলৈ, ৰাতিখোৱা সম্প্ৰদায় আৰু শঙ্কৰদেৱৰ দীক্ষাগুৰু সম্বন্ধীয় কথাখিনি 'body of the book'-অৰ পৰা বাদ দি ওপৰঞ্চিত দিবলৈ আৰু গ্ৰন্থখন পূৰ্ণাঙ্গ হ'বৰ কাৰণে শঙ্কৰদেৱৰ গীত সম্বন্ধে বেলেগ অধ্যায় এটা ৰচনা কৰিবলৈ হুৱৰাই বেজবৰুৱাক সনিৰ্বন্ধ অনুৰোধ কৰিছিল । (দ্ৰ: ২৭।৬।২৪ তাৰিখৰ চিঠি) । "আপোনাৰ কিতাপ মানুহে অসম্পূৰ্ণ বুলিলে মোৰ মৰিবৰ সমান থং উঠে' । চন্দ্ৰ কুমাৰ বা হেমচন্দ্ৰ গোস্বামীয়েও বেজবৰুৱাৰ ক্ষেত্ৰত এনেকৈ ভাবিব পৰা নাছিল । হুৱৰাৰ দৰে ইমান বেজবৰুৱা-প্ৰাণ ব্যক্তি সেই সময়ত কোনোৱেই নাছিল । মন কৰিব লগীয়া যে হুৱৰাৰ সূচনি ক্ৰমেই বেজবৰুৱাই 'শঙ্কৰদেৱ' গ্ৰন্থৰ পৰবৰ্তী সংস্কৰণত পূৰ্বৰ (১৯১১ চনৰ ১ম সংস্কৰণৰ) অনন্ত কন্দলী-ৰামসৰস্বতী সম্বন্ধীয় অধ্যায়টো পৰিহাৰ কৰিলে, শঙ্কৰদেৱৰ দীক্ষা-গুৰু সম্বন্ধীয় অধ্যায়টো ওপৰ-ঞ্চিতো সংযোগ নকৰিলে । শঙ্কৰদেৱৰ গীতৰ বিষয়ে গ্ৰন্থকাৰে নিজে প্ৰণয়ণ কৰা নহলেও বাণীকান্ত কাকতিৰ দ্বাৰা ৰচিত 'বৰগীত' শীৰ্ষক প্ৰবন্ধটি 'অতি আদৰেৰে' গ্ৰন্থখনৰ অন্তৰ্ভুক্ত কৰি ললে ।

অসম সাহিত্য সভাৰ ৭ম অধিবেশনৰ সভাপতি বেজবৰুৱাই যিখন যুগান্তকাৰী ভাষণ যুগুত কৰিছিল, তাতো হুৱৰাৰ হাতৰ পৰশ আছে । বেজ-বৰুৱাৰ মূল ভাষণখনত য'ত চাকৰি সম্বন্ধে আৰু অসম-প্ৰবসুৱা বঙালীসকলৰ সম্বন্ধে বৰ দীঘলকৈ লেখা আছিল, 'সেইটো অলপ digression হোৱাত আৰু আচল বিষয়ৰ লগত সম্বন্ধ নথকাত আৰু প্ৰেছেও ছাপিব নোৱাৰো বোলাত' সেই দুটা points হুৱৰাই 'অলপ touch কৰি conclusion টো নিজে লিখিব



লগীয়া হ'ল'—বেজবৰুৱাৰ 'পুৰণা লেখাবিলাকৰ পৰাই permutation combination কৰি' । কাৰণ বেজবৰুৱাই বোলে 'conclusion একেবাৰে নেলেখিলে ।' হুৱৰাই জানে যে বেজবৰুৱাৰ লেখাত হাত দিবৰ যোগ্যতা তেওঁৰ নাই আৰু দিয়াও তেওঁৰ পক্ষে ধৃষ্টতা ; কিন্তু "you should be above criticism'—এয়ে আছিল বেজবৰুৱাৰ প্ৰতি হুৱৰাৰ অন্তৰৰ মনোভাৱ । হুৱৰাৰ এনে কাৰ্যত বেজবৰুৱাই সমৰ্থন কৰিছিল বুলি ভাবিবৰ থল আছে । ২৭।৪।২৮ তাৰিখৰ চিঠিত "মোৰ সকলো সৰ্বস্ব পৰিত্যাগ কৰিবলৈ মই সাজু, কিন্তু পুৰণি যতীন্দ্ৰ, the dear old soulঅক এৰিবলৈ নোখোজোঁ ।" বুলি নেলেখিলেহেঁতেন, নাইবা ৫।৭।২৯ তাৰিখৰ চিঠিতো নকলেহেঁতেন "তোমাক মই কি চকুৰে দেখোঁ তুমি নাজানানে ? নিশ্চয় জানা । দহৰ ভিতৰত এজন তুমি মোৰ মানত নহয়" বুলি লিখা কথা বিশেষ তাৎপৰ্যপূৰ্ণ ।

এইজন 'যতীন্দ্ৰ বোপাই' আছিল—কৃপাবৰ বৰুৱাৰ এসময়ৰ 'সুদৰ্শন' । হুৱৰাই ২৪।৬।২৮ তাৰিখে বেজবৰুৱালৈ লিখা চিঠিয়ে এই কথাৰ প্ৰমাণ দিছে । 'বৰবৰুৱা-সুদৰ্শন সংবাদ' ৰচনাত বৰবৰুৱাই সুদৰ্শনক কৈছে—"মুখখন ওন্দোলাই আহি ছা দেখোন ? তোমাৰ বদন 'প্ৰসন্ন বদন যেন ডাৱৰৰ তৰা' হোৱাৰ অৰ্থ কি ? এই কথাকেইটাৰ অন্তৰালত যে নিৰাশাবাদী কবি যতীন্দ্ৰ নাথ হুৱৰাই তাৰ সাক্ষ্য বহন কৰিছে বেজবৰুৱাৰ ২০।৪।৩৫ তাৰিখৰ চিঠিখনৰ "তোমালোকৰ ফালে বেজাৰৰ ভাও ইমান সস্তা কিয়" ইত্যাদি কথাখিনিয়েও । (বেজবৰুৱাৰ কৃপাবৰী চৰিত্ৰসমূহ—যেনে, ৰাপুৰাম, সন্তৰাম, জয়ধ্বজ, লম্বাই, দৰ্পকণ্ঠ, লোকাই,—এইবোৰৰো প্ৰত্যেকৰে অন্তৰালৰ ৰহস্য যদি উদ্‌ঘাটিত হ'লহেঁতেন !)

বেজবৰুৱা-হুৱৰা দুয়োজন বৰেণ্য ব্যক্তিৰ মাজত আদান-প্ৰদান হোৱা প্ৰকাশিত চিঠি কেইখনৰ সহায়তে মাথোন আমি বেজবৰুৱাৰ সাহিত্যত হুৱৰাৰ অবিহণা বা হাতৰ পৰশৰ কথা দাঙি ধৰিবৰ সুবিধা পাইছোঁ । ইয়াৰ উপৰিও এই দুজনা ব্যক্তিৰ মাজৰ সম্পৰ্কৰ বহুতো ৰাজহুৱা আৰু ব্যক্তিগত কথা যে বিস্মৃতিৰ গৰ্ভত সোমাই আছে, সেই কথা কোৱা বাহুল্য মাথোন । বেজ-বৰুৱাই তেওঁৰ 'জয়মতী কুঁৱৰী' নাটকৰ পাতনিত উল্লেখ কৰি নোযোৱা হ'লে হুৱৰাই যে বেজবৰুৱাৰ হতুৱাই কাৰ্য কৰিবলৈ (নাটকখন লিখাবলৈ ?) দিনে তেওঁক নেৰানেপেৰাকৈ ধৰে, হুৱৰাইযে তেওঁৰ "নাটৰ ভিতৰৰ ভাৱৰীয়াসকলৰ চৰিত্ৰগত বিশেষত্বৰ বিষয়েও অনেক কথা সূচাই দিয়ে আৰু সেই সূচনিও ব্যক্তিগত চৰিত্ৰৰ অভিব্যক্তিত বৰ কামত লাগিছে"—সেই কথা আমি কেতিয়াও জানিব নোৱাৰিলোহেঁতেন । হুৱৰা বেজবৰুৱাৰ 'মৰমৰ' হলেও তেওঁৰ প্ৰতিভাক বেজবৰুৱাই কিমান শ্ৰদ্ধা কৰিছিল 'শঙ্কৰদেৱ' আৰু 'বাখৰ' গ্ৰন্থৰ আদিতে সন্নিবেশ কৰা কবিতা দুটায়েই তাৰ সাক্ষ্য বহন কৰিছে । 'বনফুল'ৰ কবি হুৱৰাৰ কাব্যৰ অন্তৰালত বেজবৰুৱাৰ ভূমিকা কিমান সুদূৰপ্ৰসাৰী হ'ব পাৰে, এই প্ৰসঙ্গতে সেই কথাও মনলৈ অহাটো স্বাভাবিক, কিন্তু সেইটো এটা বেলেগ প্ৰসঙ্গ ।

# কুৰুক্ষেত্ৰ-যুদ্ধত সৈন্যৰ সংখ্যা

অধ্যাপক শ্ৰীঅমূল্য কুমাৰ ভট্টাচাৰ্য

কুৰুক্ষেত্ৰত কুৰুপাণ্ডৱৰ মাজত হোৱা যুদ্ধ এটা ঐতিহাসিক ঘটনা। প্ৰথম বিশ্বযুদ্ধ নতুবা দ্বিতীয় বিশ্বযুদ্ধ যেনেকুৱা এটা ঐতিহাসিক সত্য ঘটনা, মহাভাৰতত বৰ্ণিত কুৰু-পাণ্ডৱৰ যুদ্ধও তেনেকুৱা সত্য ঘটনা। ধৃতৰাষ্ট্ৰৰ পুত্ৰ দুৰ্যোধন, দুঃশাসন আদি এশ ককাই-ভাইৰে সৈতে পাণ্ডুৰ পুত্ৰ যুধিষ্ঠিৰকে আদি কৰি পাঁচ ককাই-ভাইৰ মাজত এই যুদ্ধ সংঘটিত হৈছিল। ই ঐতিহাসিক সত্য আৰু তাত ওঠৰ অক্ষৌহিণী সৈন্যই অংশ গ্ৰহণ কৰাটোও সত্য। বহুতে সৈন্য সংখ্যা ওঠৰ অক্ষৌহিণী দেখি আৰু তাৰ এটা ঐতিহাসিক দিন উলিয়াব নোৱাৰি এই যুদ্ধৰ বৰ্ণনাক ৰূপক বুলিয়েই কয়। ইয়াত আমি এযাৰ কথা কব খোজো।—এই মহাভাৰতৰ যুদ্ধ—যি যুদ্ধত ভাৰতভূমি বীৰশূন্য হ'ল আৰু যি যুদ্ধত ভাৰতৰ অগণিত ক্ষত্ৰিয় সৈন্য আৰু ৰজাই প্ৰাণবিসৰ্জন দিলে, ই যদি ঐতিহাসিক ঘটনা নহয় তেন্তে ঐতিহাসিক ঘটনানো কি? কলি যুগ আৰম্ভ হোৱাৰ ৬৫৩ বছৰ পিছত অৰ্থাৎ খৃঃ পূঃ ২৪৪৮ অব্দত কুৰুক্ষেত্ৰৰ যুদ্ধ হৈছিল। বৰ্তমান নিবন্ধত যুদ্ধৰ কাল বিচাৰ্য নহয় বুলি সেই বিষয়ে বহলাই নকৈ * পাঠকৰ সুবিধাৰ নিমিত্তে সংক্ষেপেহে এযাৰ কোৱা হ'ব।

বিষ্ণুপুৰাণত মহাৰাজ পৰীক্ষিতৰ জন্মৰ পৰা মহাপদ্ম নন্দৰ ৰাজ্যাভিষেকলৈ ১৫০০ বছৰ বুলি কোৱা হৈছে—

মহাপদ্মাভিষেকাত্তু যাবজ্জন্ম পৰীক্ষিতঃ।
এবং বৰ্ষসহস্ৰন্তু জ্ঞেয়ং পঞ্চাশতোত্তৰম্॥
(বিষ্ণুপুৰাণ, ৪।২৪।১০৪)

মহাপদ্ম নন্দৰ সিংহাসন আৰোহণৰ কালৰ লগত ১৫০০ বছৰ যোগ ধৰিলে পৰীক্ষিতৰ জন্মকাল হ'ব খৃঃ পূঃ ১০৬২ অব্দ। আৰু কুৰুক্ষেত্ৰৰ যুদ্ধৰ কাল তাতকৈ কেইবছৰ মান আগত হ'ব, কাৰণ সেই যুদ্ধৰ সময়ত মহাৰাজ পৰীক্ষিত মাতৃ উত্তৰাৰ গৰ্ভত আছিল বুলি আমি জানো। পাৰজিটাৰ (Pargitar)





চাহাবে পূৰ্বোক্ত শ্লোকৰ 'পঞ্চশতোত্তৰম্'ৰ ঠাইত 'পঞ্চাশদুত্তৰম' পাঠ ধৰি কুৰুক্ষেত্ৰৰ যুদ্ধৰ কাল খৃঃ পূঃ ১৩৯৪ অব্দ বুলি কয়। [ দ্ৰষ্টব্য—Dynasty of the Kali Age, পৃঃ ৫৮ ]।

আকৌ দ্বিতীয় পুলকেশীৰ শিলালিপিত (Aihole Inscription of Pulakesin II) কোৱা হৈছে যে ভাৰত-যুদ্ধৰ সময়ৰ পৰা এই শিলালিপিৰ সময়লৈকে ৩৭৩৫ বছৰ অতীত হৈছে। দ্বিতীয় পুলকেশীৰ শিলালিপিৰ সময় হ'ল ৫৫৬ শকাব্দ অৰ্থাৎ ৬৩৪-৩৫ খৃষ্টাব্দ। গতিকেই শিলালিপি অনুসৰি মহাভাৰতৰ যুদ্ধৰ কাল হয় ৩১৭৯ শক-পূৰ্বাব্দ অৰ্থাৎ ৩১০১ খৃঃ পূৰ্ব।

'বৃহৎসংহিতা'ত কোৱা হৈছে যে নৃপতি যুধিষ্ঠিৰৰ ৰাজ্যকালত সপ্তৰ্ষি মণ্ডল মঘা নক্ষত্ৰত আছিল, আৰু তেওঁৰ ৰাজত্বৰ (ৰাজ্যলাভৰ) সময় হ'ল ২৫২৬ শক-পূৰ্বাব্দ :—

আসন্ মঘাসু মুনয় শাসতি পৃথ্বীং যুধিষ্ঠিৰে নৃপতৌ।
ষড্দ্বিক-পঞ্চ-দ্বিযুতঃ শককালস্তস্য ৰাজ্যস্য॥
(বৃহৎসংহিতা, ১৩ ৩)

'বৃহৎ সংহিতা'ৰ এই মত আটাইতকৈ নিৰ্ভৰযোগ্য। পণ্ডিত প্ৰবৰ কহ্লনে এই মত অনুসৰি সুস্পষ্ট ভাষাত কৈছে যে কৌৰৱ আৰু পাণ্ডৱসকল কলিযুগৰ ৬৫৩ বছৰ অতীত হোৱাত পৃথিৱীত আছিল—

শতেষু ষট্সু সাৰ্ধেষু ত্ৰ্যধিকেষু চ ভূতলে।
কলেৰ্গতেষু বৰ্ষাণামভুৱন্ কুৰু-পাণ্ডৱাঃ॥
(দ্ৰঃ, ৰাজতৰঙ্গিণী, ১-৫১)

কলিযুগ ৩১০১ খৃ.পূ. অব্দত আৰম্ভ হৈছিল। গতিকেই কলিযুগৰ ৬৫৩ অব্দত অৰ্থাৎ খৃ. পূ. ২৪৪৮ অব্দত কৌৰৱ-পাণ্ডৱসকল পৃথিৱীত আছিল। আনফালে 'বৃহৎসংহিতা'ত কোৱা হৈছে যে ২৫২৬ শক-পূৰ্ব অব্দ অৰ্থাৎ খৃ. পূ. ২৪৪৮ অব্দত যুধিষ্ঠিৰে সিংহাসনত আৰোহণ কৰিছিল। সেই কাৰণে খৃ. পূ. ২৪৪৮ অব্দতেই যে কুৰুক্ষেত্ৰৰ যুদ্ধ হৈছিল সেই কথা খাটাং। শিলালিপিত যি খৃ. পূ. ৩১০১ অব্দক যুদ্ধৰ কাল বুলি নিৰ্ধাৰণ কৰিছে দৰাচলতে সি কুৰুক্ষেত্ৰৰ যুদ্ধৰ কাল নহয়, সি কলিযুগৰ প্ৰবৰ্তনৰ কাল। কুৰুক্ষেত্ৰৰ যুদ্ধ যে কলিযুগত হৈছিল আৰু কুৰু-পাণ্ডৱৰ সমসাময়িক পাৰ্থ-সাৰথি ভগবান শ্ৰীকৃষ্ণ যে কলিযুগত অৱতীৰ্ণ হৈছিল তাত অকণো সন্দেহৰ অৱকাশ নাই।

কুৰুক্ষেত্ৰৰ যুদ্ধত ১৮ অক্ষৌহিণী সৈন্যই অংশ গ্ৰহণ কৰিছিল এই কথা মহাভাৰত আৰু অন্যান্য পুৰাণাদিত পোৱা যায়। ই যে অবিশ্বাস্য বা অসম্ভৱ নহয় সেই কথাষাৰ পুনৰাই কোৱা অনাৱশ্যক। আমি জানি ৰখা উচিত যে ইয়াত অক্ষৌহিণী শব্দই এশ কোটি কিম্বা হেজাৰকোটি তেনেকুৱা কোনো সংখ্যাক নুবুজায়। অক্ষৌহিণী শব্দটো সেনাবিভাগত প্ৰচলিত Technical Term বা বিশেষ অৰ্থব্যঞ্জক শব্দ। আজিকালি যেনেকৈ প্লেটুন্ (Platoon), স্কোৱাড্ৰন্ (Squadran), কোম্পেনি (company), ডিভিজন্ (Division), বেটেলিয়ন্ (Battalion) ইত্যাদি বিশেষ বিশেষ শব্দ সেনা-বিভাগৰ নিৰ্দিষ্ট সংখ্যা বুজাবৰ নিমিত্তে ব্যৱহাৰ কৰা হয়, তেনেকৈ প্ৰাচীন ভাৰতৰ সেনা-বিভাগতো এটা এটা নিৰ্দিষ্ট সংখ্যা বুজাবৰ নিমিত্তে এটা এটা নিৰ্দিষ্ট শব্দ ব্যৱহৃত হৈছিল। অক্ষৌহিণী শব্দৰ অৰ্থত 'বাচস্পত্যম্' নামৰ সংস্কৃত অভিধানত আমি পাওঁ—'ৰথগজতুৰগপদাতি-সংখ্যাবিশেষান্বিতে সেনাসমূহে'—অৰ্থাৎ ৰথ, গজ, অশ্ব আৰু পদাতিৰ বিশেষ এটা সংখ্যা সমন্বিত সেনাদলক অক্ষৌহিণী বুলি কোৱা হয় (দ্ৰষ্টব্যঃ বাচস্পত্যম্)।

'অমৰকোষ'তো অক্ষৌহিণী শব্দৰ ব্যাখ্যাত কোৱা হৈছে—এখন ৰথ অৰ্থাৎ এজন ৰথাৰোহী সৈন্য, এটা হস্তী অৰ্থাৎ এজন গজাৰোহী সৈন্য, তিনিটা অশ্ব অৰ্থাৎ তিনিজন অশ্বাৰোহী সৈন্য আৰু পাঁচজন পদাতিক সৈন্যক একেলগে 'পত্তি' বুলি কোৱা হয়। তিনি

* (১) শ্ৰীঅমূল্য কুমাৰ ভট্টাচাৰ্যই লিখা **'Age of the Mahabharata War'**, বিশ্বসংস্কৃত সন্মেলন, নতুন দিল্লী, ১৯৭২, দ্ৰষ্টব্য।

(২) এ, ডি, পুছলকাৰৰ (A. D. Pusalkar : The Vedic Age, Ch. XIV মতে খৃঃ পূঃ ১৪০০–১০০০ অব্দ এই যুদ্ধৰ কাল।

(৩) ঐতিহাসিক ডঃ ৰমেশ চন্দ্ৰ মজুমদাৰৰ মতে (The Vedic Age, Preface, p. 28. দ্ৰষ্টব্য) খৃঃ পূঃ ১৫০০ অব্দৰ পৰা খৃঃ পূঃ ১০০০অব্দ ইয়াৰ কাল।

পত্তিয়ে এক সেনামুখ। তিনি সেনামুখে এক গুল্ম। তিনি গুল্মেৰে গঠিত হৈছিল একোটা গণ। তিনিটা গণেৰে এটা বাহিনী, তিনিটা বাহিনীৰে এক পৃতনা, তিনি পৃতনাৰে এক চমূ, তিনি চমূৰে এক অনীকিনী আৰু দহোটা অনীকিনীৰে গঠিত হৈছিল এক অক্ষৌহিণী।

একেভৈকৰথা ত্ৰ্যশ্বা পত্তিঃ পঞ্চপদাতিকা।
পত্ত্যাঙ্গৈস্ত্ৰিগুণৈঃ সৰ্বৈঃ ক্ৰমাদাখ্যা যথোত্তৰম্ ॥
সেনামুখং গুল্মগণৌ বাহিনী পৃতনা চমূঃ।
অনীকিনী দশানীকিন্যক্ষৌহিনী............ ॥
(দ্ৰঃ অমৰকোষ, ক্ষত্ৰিয়বৰ্গ)।

ওপৰত্ত দেখুৱামতে এক অক্ষৌহিণী বুলি কোৱাত বুজাব ২১, ৮৭০ জন ৰথাৰোহী সৈন্য (১×৩×৩×৩×৩×৩×৩×৩×১০), ২১, ৮৭০ জন গজাৰোহী সৈন্য, ৩×৩×৩×৩×৩×৩×৩×৩×১০=৬৫, ৬১০ জন অশ্বাৰোহী সৈন্য আৰু ৫×৩×৩×৩×৩×৩×৩×৩×১০=১,০৯, ৩৫০ জন পদাতিক সৈন্য—

অক্ষৌহিণ্যামিত্যধিকৈঃ সপ্তত্যা চাষ্টভিঃ শতৈঃ।
সংযুক্তানি সহস্ৰাণি গজানামেকবিংশতিঃ ॥
এৱমেৱ ৰথানান্তু সংখ্যানং কীৰ্তিতং বুধৈঃ।
পঞ্চষষ্টিঃ সহস্ৰাণি ষট্‌শতানি দশৈৱ তু।
সংখ্যাতাস্তুৰগাস্তজ্‌জ্ঞৈৰ্বিনা ৰথ্যতুৰঙ্গমৈঃ ॥
নৃণাং শতসহস্ৰং তু সহস্ৰাণি নৱৈৱতু।
শতানি ত্ৰীণি চান্যানি পঞ্চাশচ্চ পদাতয়ঃ ॥
(দ্ৰষ্টব্যঃ বাচস্পত্যম্)

গতিকে কৌৰৱপক্ষত একাদশ অক্ষৌহিণী অৰ্থাৎ ২, ৪০, ৫৭০ (দুই লাখ চল্লিছ হেজাৰ পাচশ সত্তৰ) জন ৰথাৰোহী, সমান সংখ্যক গজাৰোহী ৭, ২১, ৭১০ (সাত লাখ একৈছ হেজাৰ সাতশ দহ) জন অশ্বাৰোহী আৰু ১২, ০২, ৮৫০ (বাৰ লাখ দুই হেজাৰ আঠশ পঞ্চাশ) জন পদাতিক সৈন্য আছিল। আৰু পাণ্ডৱপক্ষত সাত অক্ষৌহিণী অৰ্থাৎ ১,৫৩, ০৯০ (এক লাখ তেৰাম হেজাৰ নব্বৈ জন ৰথাৰোহী আৰু সমান সংখ্যক গজাৰোহী, ৪, ৫৯, ২৭০ (চাৰি লাখ উনষাঠি হেজাৰ দুশ সত্তৰ) জন অশ্বাৰোহী আৰু ৭, ৬৫, ৪৫০ (সাত লাখ পয়ষষ্ঠি হেজাৰ চাৰিশ-পঞ্চাশ) জন পদাতিক সৈন্য আছিল।

এতেকে কুৰুক্ষেত্ৰৰ যুদ্ধত মুঠ সৈন্য আছিল তিনি লাখ তিৰান্নৈৰ হেজাৰ ছশ ষাঠিজন ৰথাৰোহী আৰু সমান সংখ্যক গজাৰোহী, এঘাৰ লাখ আশী হেজাৰ নশ আশীজন অশ্বাৰোহী আৰু উনৈশ লাখ আঠষষ্ঠি হেজাৰ তিনিশজন পদাতিক। তেতিয়াৰ জনবহুল বিশাল ভাৰতৰ লোকসংখ্যাৰ তুলনাত এই সংখ্যা কোন পধ্যেই অবিশ্বাস্য নহয়, আনকি আজিৰ ভাৰতবৰ্ষতো এইটো অবিশ্বাস্য বুলি কোনেও কব নোৱাৰে।

## অনূদিত গল্প

# ॥ বনৰীয়া সুৰ ॥

মূল লেখকঃ মোপাছাঁ

অনুবাদকঃ শ্ৰীঅনন্ত কুমাৰ শৰ্মা

[ একালত ইউৰোপৰ সাহিত্যিকসকলৰ ভিতৰত সৰ্বোত্তম চুটি-গল্প লেখক বুলি খ্যাত মোপাছাঁৰ (Guy De Maupassant) জন্ম হৈছিল ইংৰাজী ১৮৫০ চনৰ ৫ আগষ্ট তাৰিখে ফ্ৰান্সৰ নৰ্মাণ্ডি নামে এখন ঠাইত। তেওঁ ফ্ৰাঙ্কো-প্ৰছিয়ান যুদ্ধত অংশ গ্ৰহণ কৰিছিল সৈনিকৰূপে। সৈনিক জীৱনৰ অভিজ্ঞতাৰে লেখা সাহিত্যই তেওঁক অলপ দিনৰ ভিতৰতে বিশ্ববিশ্ৰুত কৰি তুলিছিল। 'বল ডি চুইফ' গ্ৰন্থৰে সাহিত্যিক বুলি পৰিচিত হোৱা মোপাছাঁৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ হ'ল 'লা মাছন টেলিয়াৰ' (১৮৮১), 'উনে ভি' (১৮৮৩), 'বেল এমি' (১৮৮৫) আৰু 'পিয়েৰ এট জীন' (১৮৮৮)। ১৮৯৩ চনৰ ৬ জুন তাৰিখে মোপাছাঁৰ মৃত্যু হয়। মৃত্যুৰ এবছৰ পূৰ্বৰে পৰা তেওঁ বলিয়া হৈছিল।

'বনৰীয়া সুৰ' মোপাছাঁৰ 'ইন ডি উডচ্' নামৰ গল্পৰ অসমীয়া ৰূপান্তৰ। —অনুবাদক ]

দুপৰীয়াৰ আহাৰৰ সময়। মেয়ৰে খাবলৈ বুলি লৈছিল, এনে সময়তে তেওঁক আহি খবৰ দিলে যে কনিষ্টবল হোচেচুৰ দুজন আছামী লৈ আহিছে। সিহঁতে তেওঁৰ বাবে 'টাউনহলত' বাট চাই থকা বুলি জানিব পাৰি মেয়ৰ খোৱা এৰি তালৈ গৈছিল। তাত গৈ তেওঁ দেখিছিল বয়সিয়াল মানুহ এহাল আগত ৰাখি হোচেচুৰ ৰৈ আছে।

মানুহজন বয়সীয়া হলেও ৰঙা নাক-মুখেৰে হৃষ্টপুষ্ট আছিল; চুলিখিনি কিন্তু একেবাৰে বগা হৈ পকিছিল। লাজত তেওঁক আজি ম্ৰিয়মান যেন দেখা গৈছিল। উজ্জ্বল গাল-মুখেৰে লগত থকা তিৰোতা গৰাকীৰ স্বাস্থ্যও আছিল নিয়মীয়া। তেওঁৰ পৰিধানত আছিল দেওবাৰে স্বাভাৱিকতে পিন্ধা উত্তম পোচাক। তেওঁ হ'লে তেওঁলোকক আটক কৰাজনৰ লগত ফেপেৰি পাতি থকাৰ দৰে চকু ঘোপা কৰি চাই আছিল।

মেয়ৰে সুধিলে—'বাৰু, কোৱাচোন, কি কথা?' কনিষ্টবল হোচেচুৰৰ প্ৰতিবেদন আছিল এনে ধৰণৰ—

আন দিনাখনৰ দৰে সেইদিনাও নিৰ্দিষ্ট সময়ত তেওঁ

'ডিউটিলৈ গৈছিল। ডিউটি আছিল পেৰিচৰ সিটো মূৰ মানে 'আৰ্জ্জেনটিউল'ৰ লগালগিকৈ থকা 'চেম্পিয়'ক বননিত। বতৰ ফৰকাল, চাৰিওফালৰ লহ্‌পহীয়া ধাননিয়ে অঞ্চলটোকেই মনোৰম কৰি তুলিছিল। আঙুৰ বাগানত কাম কৰি থকা 'ব্ৰেদেলৰ' লৰাটোৱে মাত নলগোৱা হ'লে তাত চকুত পৰিব লগীয়া কোনো অস্বাভাৱিকতা দেখা নাছিল।

"হোচেচুৰ! চাওঁকগৈচোন, এশ আৰু ত্ৰিশ বছৰ প্ৰভেদৰ কপৌ এহাল। সোৱা গছৰ আঁৰ লৈ আছে।"

হোচেচুৰ সেইফাললৈ আগ বাঢ়ি গৈছিল। হাবিত সোমোৱা মাত্ৰেই তেওঁৰ কাণত পৰিছিল ফুচ্‌ফুচাই কথা পতা আৰু দীঘল দীঘল উশাহ লোৱা শব্দ। সামাজিক শালীনতা ভঙ্গৰ দোষত সামান্যভাৱে হলেও দোষী বুলি কাৰোবাক তেওঁ সন্দেহ কৰিবলৈ বাধ্য হৈছিল। তেওঁ চিকাৰ ধৰাৰ উদ্দেশ্যেৰে আঁঠু কাঢ়ি বগুৱা বাই আগুৱাই গৈছিল আৰু মানুহহালক ঠিক সেই মুহূৰ্তত ধৰা পেলাইছিল যি মুহূৰ্তত তেওঁলোক আবেগৰ বলি হবলৈ উদ্যত হৈছিল।

মেয়ৰ খুব আচৰিত হৈ মানুহহাললৈ লক্ষ্য কৰিছিল। কিয়নো মানুহজনৰ বয়স নিশ্চয় তিনিকুৰিৰ ওপৰ নোহোৱাকৈ নাছিল আৰু মানুহজনীও দুকুৰি পোন্ধৰ বছৰ মান বয়সৰ আছিল। মেয়ৰে প্ৰথমে মানুহজনকেই প্ৰশ্ন কৰিছিল। মানুহজনে ইমান ক্ষীণ স্বৰেৰে কৈছিল যে উত্তৰবোৰ কোনোমতেহে বুজিবপৰা গৈছিল।

"আপোনাৰ নাম?"

"নিকোলাচ ব'ৰেইন।"

"কি কাম কৰে?"

"ব্যৱসায়, পেৰিচৰেই ৰুডিমাটিয়াৰ্চত কাপোৰৰ দোকান আছে।"

"বাৰু, হাবিত আপোনালোকেনো কি কৰিছিলহি?"

কাপোৰৰ দোকানীজনে উত্তৰ দিব পৰা নাছিল। তেওঁ তললৈ মূৰ কৰি নিজৰ বৰপেটটোৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখিছিল আৰু এনে অলস ভাৱত থিয় দিছিল যেন হাত দুখন ওলোমাইহে ৰখা হৈছিল।

"বাৰু কনিষ্ট বলে জনোৱা কথাবোৰ আপুনি অস্বীকাৰ কৰেনে?"

"নাই, নকৰোঁ।"

"তেনেহলে মানি লৈছে?"

"হয়, ডাঙৰীয়া।"

"আপোনাৰ সপক্ষে কিবা কব লগীয়া আছে নেকি?"

"নাই ডাঙৰীয়া, একো নাই।"

"আপোনাৰ সঙ্গিনীক আপনি ক'ৰ পৰা লগত ললে?"

"তেওঁ মোৰ পৰিবাৰ ডাঙৰীয়া।"

"আপোনাৰ তিৰোতা?"

"হয় ডাঙৰীয়া।"

"তেনেহলে····তেনেহলে পেৰিচত দুয়ো একেলগে নাথাকে?"

"থাকো, দুয়ো একেলগেই ইয়াত আছো।"

"ডাঙৰীয়া, আপোনালোক তেনেহলে বলিয়া হৈছে, নিশ্চয় বলিয়া হ'ব লাগিব। —এই ৰাতিপুৱাখন, দহ বজাতেই হাবিৰ মাজত এনেদৰে ধৰা পৰিবলৈ কিহে পালে বাৰু?"

কাপোৰৰ দোকানীজন লাজতে কন্দনামুৱা হৈছিল। তেওঁ ভোৰভোৰাই কৈছিল—"সকলো এইজনীৰ বাবে, তাইহে বিচাৰিছিল এনে কৰাটো। মই এয়া বলিয়ালি বুলি তাইক কৈছিলোঁ, কিন্তু চাওঁক এতিয়া কিখন ঘটিল। এবাৰ তিৰোতা মানুহৰ মূৰত কিবা এটা ভাব খেলাবলৈ লাগে তাক আৰু কেতিয়াও আঁতৰাব নোৱাৰে।"

মেয়ৰৰ হাঁহি উঠিছিল। ৰগৰ কৰি তেওঁ কৈছিল—"এৰা, তেওঁ অইন সঙ্গী যোগাৰ কৰি লব পৰা হ'লে আপুনি ইয়ালৈ আহি লটিঘটি হোৱাৰ ভয় নাথাকিল হেঁতেন।"

কাপোৰৰ দোকানীজন খঙত জ্বলি পকি উঠিছিল। তেওঁ ঘৈণীয়েকৰ ফালে চাই কৈছিল—"বুজিলানে এতিয়া? তুমি, তোমাৰ 'কাব্যিক' অনুভূতিয়ে আমাক আনি কোনোখিনি পোৱালেহি? ভাবিচোৱা এই বয়সত অশ্লীলতাৰ বাবে কাছাৰীত হাজিৰ হব লগীয়া কথা। দোকানখন বিক্ৰী কৰি আমি অন্য জিলালৈ যাবলৈ বাধ্য হম। তেতিয়া তুমি বৰ সুখী হবা নহয়নে?"

শ্ৰীমতী ব'ৰেইনে গিৰিয়েকৰ ফালে চোৱা নাছিল। তেওঁ হলে লাজ বা ভয়ত পেপুৱা লগা নাছিল অথবা ভদ্ৰ হৈ দেখুৱাব খোজাও নাছিল। তেওঁ বহাৰ পৰা উঠিছিল আৰু থোকোজা নলগাকৈ বুজাবলৈ আৰম্ভ কৰিছিল—"আঃ ডাঙৰীয়া, আমি বুঢ়া-বুঢ়ীহাল মূৰ্খই সঁচা, মই বুজিব পাৰিছো; কিন্তু কথাটো উকীলে কোৱাব দৰে কবলৈ দিয়ক, নাইবা এগৰাকী সামান্যা নাৰীৰ কথা বুলিয়েই ধৰি লওক, তেতিয়া মই আশা কৰিব পাৰিম আপুনি আমাক আচামীৰ কাঠগড়াত হাজিৰ হোৱাৰ দুৰ্ভাগ্যৰ পৰা ৰেহাই দি ঘৰলৈ যাবলৈ দিব।

"বহুদিনৰ আগৰ কথা। মই তেতিয়া ছোৱালী হৈয়ে আছিলোঁ। এই অঞ্চলতেই মই মোৰ স্বামীক লগ পাওঁ। সেয়া আছিল এটা দেওবাৰ তেওঁ তেতিয়াই কাপোৰৰ ব্যৱসায় কৰিছিল আৰু মই কাম কৰিছিলোঁ এখন দৰ্জীৰ দোকানত। কালিৰহে যেন কথা এনেভাৱে কথাবোৰ মোৰ মনত আছে। মই যিজনী ছোৱালীৰ লগত থাকিবলৈ লৈছিলো তাইৰে সৈতে মাজে সময়ে আহি ইয়াতে দিন কটোৱা আমাৰ অভ্যাস আছিল। সেই ছোৱালীজনীৰ নাম আছিল ৰোজএলভিক। তাইৰ এজন ডেকা বন্ধু আছিল; কিন্তু মোৰতো ল'ৰা বন্ধু কোনো নাছিল। সেই ডেকাজনেহে ফুৰাবলৈ আমাক ইয়ালৈ আনিছিল। এদিন হাঁহিৰ ছলতে তেওঁ মোক কৈছিল যে পিছৰ দিনাখন আহোঁতে তেওঁৰ বন্ধু এজনকো লগত আনিব। দৰাচলতে তেওঁ কি কব খুজিছিল মই বুজিব পাৰিছিলোঁ; কিন্তু কৈছিলোঁ—'কোনো লাভ নহব। এনেয়ে সময় খৰচ কৰাহে হব ডাঙৰীয়া। মই ছোৱালীজনী কিন্তু ঠিক আছো দেই।

এইদৰে পিছদিনাখন মিষ্টাৰ ব'ৰেইনক ষ্টেছনত অপেক্ষা কৰি থকা দেখা পোৱা হৈছিল। মিষ্টাৰ ব'ৰেইন সেই বয়সত দেখিবলৈ সচাঁকৈয়ে খুব সুন্দৰ আছিল; হলেও তেওঁক আসৈ নিদিম বুলি মই মনতে ঠিৰাং কৰিছিলো আৰু দিয়াও নাছিলো।

কিন্তু আমি এবাৰ বিজনলৈ গৈছিলো। বিজনৰ বতৰ আছিল অতি মনোৰম। মনৰ আনন্দত মোৰ চকুপানী ওলাইছিল। তেনে পৰিবেশত মই একেবাৰে আত্মহাৰা হৈ পৰোঁ আৰু কিবাবোৰ কৰি পেলাবলৈ মন যায়। অকল তেতিয়া বুলিয়েই নহয় আজিও বিশেষকৈ গাওঁৰ পৰিবেশত। সেউজীয়া বননি, জাক জাক পখী, বতাহত ঢৌ খেলি থকা শস্য, আকাশৰ বুকুৰে পাৰহৈ যোৱা বালিমাহীৰ জাক, গুকান খেৰৰ গোন্ধ, দেইজী, বাটাৰকাপ আদি ফুল—এই বোৰৰ কথা আপোনাৰ মনলৈ আহিলে ফটিকাৰ ৰাগিয়ে ধৰাদি ধৰে, যদিহে আপুনি এইবোৰৰ লগত অভ্যস্ত নহয়। অ' এৰা, দিনটো অতি মনোৰম আছিল। এনে আছিল যেন ইয়াৰ উম আৰু উজ্জ্বলতা আপোনাৰ চকু-মুখেৰেহে দেহত প্ৰবেশ কৰে। ৰোজ আৰু ছাইমন চুমা খোৱাত মগ্ন আছিল। সিহঁত হালক দেখি মোৰ গা পূৰ্বে অনুভৱ নকৰা অনুভূতিয়ে কিবা কিবা লগাইছিল। মিঃ বৰেইন আৰু মই সিহঁতৰ পিছফালেলৈ গৈছিলোঁ। আপুনি যেতিয়া মানুহ এজনক চিনি নাপায় তেতিয়া সেইজনৰ লগত পাতিব লগীয়া কথা একো নাথাকে। তেওঁ লাজকুৰীয়া ধৰণৰ আছিল আৰু তেওঁ তেনে কৰা দেখি মই এফালৰ পৰা চাবলৈ গলে তৃপ্তিয়েই পাইছিলো। আমি ক্ৰমে গৈ হাবিত সোমাই পৰিছিলো। হাবিত এনে চেঁচা লাগিছিল, আমি যেনিবা গা ধুইহে উঠিছিলো। আটায়ে আমি ঘাঁহনিৰ ওপৰত বহি পৰিছিলো। ৰোজ আৰু তাইৰ বন্ধুয়ে খুব গুৰুত্ব দি মোক ৰৰকৈ জোকাইছিল; কিন্তু চাওক, মইতো অইন একো কৰিব নোৱাৰো। সিহঁত দুটাই আমাৰ উপস্থিতিক উপেক্ষা কৰি আকৌ ইটোৱে সিটোক চুমা খোৱাত লাগিছিল। তাৰ পিছত দুয়ো ফুচ্‌ফুচাই কিবা কোৱা আমি শুনিবলৈ পাইছিলো।

সিহঁত থিয় হৈছিল আৰু আমাক এষাৰো কথা নোকোৱাকৈ বননিৰ মাজত হেৰাই গৈছিল। তেতিয়া আগেয়ে নেদেখা ল'ৰাজনৰ লগত অকলশৰে থাকিব লগীয়া হোৱাত মই খুব অস্বস্তি অনুভৱ কৰিছিলো। সিহঁত সেইদৰে আঁতৰি যোৱা দেখা পাই মই সাহস পাইছিলোঁ। আৰু কথা পাতিবলৈ আৰম্ভ কৰিছিলোঁ।। তেওঁনো কি কৰে মই সুধিছিলোঁ। আৰু এইমাত্ৰ কৈছোৱে তেওঁ কাপোৰৰ দোকানত কাম কৰিছিল। গতিকে অলপকৈ হলেও আমি কথা পাতিছিলোঁ। আৰু সেইটোৱে তেওঁকো সাহস দিছিল। তেওঁ সুযোগ লবলৈ আৰম্ভ কৰিছিল; কিন্তু মই বেগতে তেওঁক ঠিকভাৱে ৰাখিবলৈ যত্ন কৰিছিলোঁ।। এয়া বাৰু সঁচা নহয়নে ব'ৰেইন?

ৰবেইনে মুখেৰে একো কোৱা নাছিল। তললৈ মূৰ কৰি তেওঁৰ ভৰিৰ ওপৰত দৃষ্টি ৰাখিছিল।

গতিকে তেওঁ বুজিব পাৰাছিল যে মই সেই ধৰণৰ ছোৱালী নাছিলো। তেওঁ কৈ গৈছিল "আৰু তেতিয়াৰ পৰা প্ৰকৃত পক্ষে তেওঁ মোক মৰম কৰিবলৈ আৰম্ভ কৰিছিল। তাৰ পিছৰ পৰা প্ৰতি দেওবাৰে তেওঁ আহিবলৈ লৈছিল। ডাঙৰীয়া, আচলতে তেওঁ মোৰ প্ৰেমত পৰিছিল আৰু তেওঁকো মই ভাল পাইছিলোঁ। —সেইদিনবোৰত তেওঁযে কি ভাল লগা ডেকাই নাছিল!"

"কাহিনীটো আৰু দীঘল নকৰোঁ। মুঠতে ছেপ্টেম্বৰ মাহতেই আমাৰ সম্বন্ধ স্থায়ী কৰিবলৈ বিবাহ বান্ধোনত সোমাইছিলো আৰু কদিমাটিয়াৰ্চত দোকান খুলি বহিছিলোঁ।।

"বিয়াৰ পিছৰ বছৰবোৰ আমি আৰ্থিক কঠিনতাৰ মাজেৰে কটাব লগীয়া হৈছিল। ব্যৱসায়ৰ অৱস্থা বেয়া হোৱাৰ বাবে গাওঁৰ ফালে ফুৰিবলৈ যাবলৈকে আমি টকা যোগাৰ কৰিব পৰা নাছিলো। পিছলৈ ক্ৰমে আমাৰ এই গাওঁৰ ফালে ফুৰিবলৈ যোৱাৰ ইচ্ছা লোপ হৈ আহিছিল। আমি বিভিন্ন কামত ব্যস্ত থাকিব লগীয়া হৈছিল। প্ৰকৃততে আপুনি কাৰবাৰ কৰিলে কেৱল টকাৰ চন্দুকৰ চিন্তাত থাকক ফুলৰ সৌন্দৰ্য্যৰ কথা নাভাবিব। আৰু এইষাৰ কথা উপলব্ধি কৰাৰ আগতেই আমি দুয়ো হৈ পৰিলো বুঢ়া। প্ৰেম-প্ৰীতিৰ কথা ভাবিব নজনা হ'লো, দুয়ো সাধাৰণ মূৰ্খ মানুহৰ শাৰীৰেই এহাল হৈ পৰিলোঁ।। জানিব, একোকেই আপুনি নেহেৰুৱায় যেতিয়ালৈকে আপুনি অনুভৱ নকৰে যে আপোনাৰ কিবা এটা বস্তু নাই।

পিছলৈ আমাৰ অৱস্থা ক্ৰমে ভাললৈ আহিবলৈ ধৰিলে। আমি আৰু ভবিষ্যতৰ বাবে চিন্তা কৰি মূৰঘমাব নলগীয়া হ'ল। আৰু তাৰ পিছত—তাৰ পিছত মোৰ যে কি হ'ল মই কব নোৱাৰো। সঁচাকৈয়ে ডাঙৰীয়া, মই কি হৈ গলোঁ। কব নোৱাৰো।

"এজনী অবিবেকী স্কুলীয়া ছোৱালীৰ দৰে মই কল্পনা-বিলাসী হৈ পৰিলো। বাটে-পথে ফুলৰ দোকান দেখিলেই আনন্দত চিঞৰিবৰ মন যোৱা হ'ল। মই পইচাৰ চন্দুক লাৰি 'ভায়োলেট' ফুলৰ গোন্ধ পোৱা হ'লো। আৰু মন নাচি উঠা হ'ল। দুৱাৰ মুখলৈ গৈ মই ঘৰবোৰৰ ওপৰেৰে চাইছিলো নীল আকাশৰ ফালে। আপুনি যেতিয়া আলিৰ ওপৰৰ আকাশ-খনলৈ চায়, এখন নদীৰ দৰে ই পেৰিচলৈ বুলি বৈ অহা যেন দেখিব। বালিমাহীৰ জাক যেন এই নদীৰ মাছহে। এনে ধৰণৰ কল্পনা এই বয়সত মোৰ বাবে হয়তো বিলাসিতা।

কিন্তু, আপুনি যেতিয়া ওৰেও জীৱন কেৱল কাম কাম বুলিয়েই দিন কটাব তেতিয়া আপোনাৰ জীৱনলৈ সম্ভৱত এনে এটা মুহূৰ্ত নহাকৈ নাথাকে যি মুহূৰ্তত আপুনি উপলব্ধি কৰিব যে জীৱনত কিবা এটা আপুনি হেৰুৱাইছে আৰু লগে লগে অন্তৰত আপুনি বিষ অনুভৱ কৰিব। মোৰ নিজৰ কথাকে চাওক, যোৱা একুৰি বছৰে অন্য যিকোনো তিৰোতাৰ দৰে বননিত চুমা যাচিব পাৰিলোহেঁতেন।—গছৰ তলত দীঘল দি পৰি থাকিম, কাষতে থাকিব মৰমৰ মানুহজন মৰম কৰিবলৈ—ভাবিয়েই মই আনন্দ পাইছিলোঁ।। দিনে ৰাতিয়ে কেৱল তাকেই কল্পনা কৰি মই কটাইছিলো। জোনৰ পোহৰে পানীৰ বুকুত খেলা কৰি থকা সপোন মই দেখিছিলো আৰু সেই পানীত যেন বিলীন হৈ যাম, মোৰ তেনে ইচ্ছা হৈছিল।

এনেবোৰ ভাব মই প্ৰথমে মিঃ ব'ৰেইনৰ আগত ব্যক্ত কৰিবলৈ সাহস কৰা নাছিলো। মই জানিছিলো তেওঁ মোক উপলুঙা কৰিব আৰু ক'ব দোকানখন বিক্ৰী কৰি মনৰ ইচ্ছামতে ফুৰিবলৈ। তদুপৰি, আপোনাক আচল কথা কবলৈ হ'লে, তেওঁক মোৰ পিছলৈ ভাল নলগা হৈ আহিছিল। কিন্তু দাপোণৰ সন্মুখত থিয় হৈ মোৰ নিজৰো বুজিবলৈ বাকী নাছিল যে মই নিজেও আনক ভাল লগাব পৰা হৈ থকা নাই।

যি কি নহওক, মই সাহস গোটাই লৈছিলো আৰু তেওঁক সুধিছিলোঁ।—আমিনো বাৰু গাওঁৰ ফাললৈ এবাৰ নাযাওঁ কিয় অন্ততঃ সেই ঠাইলৈ য'ত আমাৰ প্ৰথম দেখাদেখি হৈছিল? তেওঁ মান্তি হৈছিল। অৱশ্যে মোৰ মনৰ ভাব তেওঁ বুজিব পৰা নাছিল। গতিকে আজি পুৱা ন বজাত আমি সেই ঠাইত উপস্থিত হৈছিলোঁ।।

কিন্তু শস্যেৰে ভৰা পথাৰৰ মাজ পোৱাৰ মুহূৰ্ততে আকৌ সেই দিনবোৰ মোৰ মনলৈ ঘূৰি আহিছিল। সঁচাকৈয়ে আমাৰ মন কাহানিও বুঢ়া নহয়—বিশেষকৈ আমি তিৰোতাবোৰৰ। মই মোৰ স্বামীকো আনকি এতিয়া যেনে দেখাইছে তেনে নেদেখি আগেয়ে যেনে দেখা গৈছিল তেনে দেখিছিলোঁ।। ঠিক যেনিবা মোক ফটিকাৰ ৰাগীয়েহে ধৰিছিল, মই তেওঁক চুমা খাবলৈ লৈছিলোঁ।। তেওঁ যেনেহে কৰিছিল আপুনি দেখা হলে কলেহেঁতেন মই তেওঁক হত্যা কৰিবলৈ ওলাইছো বুলি। তেওঁ কেৱল মুখেৰে কৈছিল "আজি পুৱাই তুমি পাগলী হৈছা, কি হৈছে তোমাৰ?" তেওঁ কি কৈছিল মই মন কৰা নাছিলোঁ।; মই কেৱল মোৰ অন্তৰত বাজি থকা হৃদয়ৰ সুৰহে শুনিছিলো। তেওঁক মই হাবিলৈ লৈ গৈছিলো..........আৰু ডাঙৰীয়া তাৰ পিছৰ ঘটনাতো আপুনি জানিছেই। মই আপোনাক কথাটো কলোঁ। ডাঙৰীয়া—প্ৰকৃত সত্য কথা।"

মেয়ৰ যে অনুভূতিহীন আছিল এনে নহয়। তেওঁ হাঁহি এটা মাৰি থিয় হৈছিল—"ডাঙৰীয়ানী নিশ্চিন্তে যাওঁক, চাব আগলৈ যাতে হাবিত এনে দোষ আৰু কৰা নহয়।"




# অসম সাহিত্য সভা পত্ৰিকাৰ

## বিক্ৰী আৰু প্ৰচাৰৰ কাৰণে

**অসমৰ বিভিন্ন ঠাইত এজেণ্টৰ প্ৰয়োজন।**

**তলৰ ঠিকনাত খবৰ কৰক :—**

সহকাৰী সম্পাদক

অসম সাহিত্য সভা

**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন**

গুৱাহাটী-১

# এৰাবোটলা যৎ কিঞ্চিৎ

অধ্যাপক **শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা**

## 'চিৰচেনেহী মোৰ ভাষা-জননী'

( আগৰ সংখ্যাৰ পৰা )

ইয়াৰ পিছত শ্ৰীঅন্নদাশংকৰ ৰায়ে বঙালীসকলৰ মনৰ কথাও বুজিবলৈ আৰু বুজাবলৈ যত্ন কৰিছে। তেওঁ লিখিছে—

(২৮) যিবোৰ অঞ্চলত বঙালীবিলাকে আবহমান কালৰ পৰা বসতি কৰি আহিছে, সেইবোৰ অঞ্চলক অসমৰ লগত জুৰি দিয়া হৈছে যদিও তেওঁবিলাক উৰি আহি জুৰি বহা নাই। জুৰি দিয়াৰ মালিক আছিল ইংৰাজহে, বঙালী নহয়। কৰ্তাৰ ইচ্ছাত কৰ্ম। ইংৰাজৰ ঠাই লৈছে ভাৰত ৰাষ্ট্ৰই, অসম ৰাজ্যই নহয়। ভাৰত ৰাষ্ট্ৰই যদি যোৰ ভাঙি দিবলৈ বিচাৰে তেন্তে ভাৰতৰ স্বাৰ্থতে মূলনীতি অনুসৰণ কৰিব। ভাৰতৰ স্বাৰ্থ জানো অসমক আৰু টুকুৰাটুকুৰ কৰা? আৰু ভাৰতৰ মূলনীতি জানো সকলো ক্ষেত্ৰতে ভাষাৰ ভেটিত ৰাজ্য গঠন কৰা? ভাষাৰ ভেটিত ৰাজ্যতো একপক্ষত সত্তৰভাগ নহলে নহয়।

**আমাৰ মন্তব্য:** এইবোৰ মেৰপাক লগা ৰাজনীতি বা কূটনীতিৰ কথা। আবহমান কাল মানে কি বুজোৱা হৈছে? হোজাই, থাকপেটীয়া, লামডিং, মালিগাঁও, ৰঙিয়া, কাছাৰ, গোৱালপাৰা আদি অসমৰ অবিচ্ছেদ্য অঙ্গস্বৰূপ ঠাইবোৰত বঙালীবিলাক আবহমানকালৰ পৰা বসতি কৰি অহা বুলি কলে মানিব কোনে? ক্ৰমাগতভাৱে আহি যে তেওঁলোকে গিৰিহঁতক আলহীত পৰিণত কৰিবলৈ উপক্ৰম কৰিছে ইয়াৰ প্ৰমাণ জানো আৱশ্যক? এক পক্ষত শতকৰা সত্তৰ ভাগ জনসংখ্যা বৃদ্ধি কৰি থাচ অসমক আন এখন নতুন বঙ্গত পৰিণত কৰিবলৈ তেওঁলোকে জানো অহৰহ চেষ্টা আৰু চক্ৰান্ত চলাই অহা নাই?

(২৯) চৰ্কাৰী ভাষা আইনৰ সময়তে স্থিৰ হৈ গৈছে, অসমীয়া ভাষাই হব থাপে থাপে একমাত্ৰ চৰ্কাৰী ভাষা আৰু জিলাৰ পৰ্যায়ত চৰ্কাৰী ভাষা হব কোনো ঠাইত অসমীয়া, কোনো ঠাইত বঙলা আৰু কোনো ঠাইত ইংৰাজী। সহ-অৱস্থানৰ এয়ে হ'ল সৰ্বজন গৃহীত সূত্ৰ।

**আমাৰ মন্তব্য:** অসমীয়া ভাষা কোনো কোনো ঠাইৰ ভাষা নহয়—পাৰ্বত্য অঞ্চলক বাদ দি সমগ্ৰ অসমৰ ভাষা। জিলা পৰ্যায়ত এক মাত্ৰ কাছাৰ জিলাতহে বঙলা ভাষাক স্থান দিয়া হৈছিল।

(৩০) ঠিক এই নিচিনা আৰু এটা সৰ্বজন গৃহীত সূত্ৰ এতিয়া আৱশ্যক শিক্ষাৰ মাধ্যম সম্পৰ্কত। আপাততঃ বিশ্ববিদ্যালয়ত, ইয়াৰ পিছত মাধ্যমিক বিদ্যালয়ত আৰু তাৰ পিছত প্ৰাথমিক বিদ্যালয়ত। চৰ্কাৰী ভাষা আইনৰ বেলিকা যি স্থলত স্থিৰ হৈ গৈছে যে উচ্চতম স্তৰত কেৱল অসমীয়া ভাষাটোৱে থাকিব, সেইমতে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সিদ্ধান্ত সেই নীতিৰেই সম্প্ৰসাৰণ।

আমাৰ মন্তব্য: প্ৰাথমিক স্তৰত আৰু মাধ্যমিক স্তৰত মাধ্যমৰ প্ৰশ্ন উঠা নাই কেৱল বিশ্ববিদ্যালয় মাধ্যম সম্পৰ্কতহে জেওৰা লাগিছে।

(৩১) কিন্তু এইটো মানি লবলৈ কেৱল বঙালী বিলাকেই নহয়, পাহাৰীবিলাকেও টান পাইছে। বিশ্ববিদ্যালয়ৰ শিক্ষা হ'ল জীৱনৰ বাবে প্ৰস্তুতি— জীৱিকাৰ বাবেও। অসমীয়া ভাষাৰ মাধ্যমত জগতৰ জ্ঞান-বিজ্ঞানৰ যিমানখিনি কথা শিকিব পৰা যাব, ইংৰাজী মাধ্যমত তাতকৈ বহুগুণে বেছি। সেইকাৰণে যিবিলাক ভাষাজনিত ভাবাবেগৰ দ্বাৰা পৰিচালিত নহয়, তেওঁলোকে ইংৰাজী মাধ্যমত শিক্ষালাভৰ সুযোগ হাতছাড়া কৰিবলৈ নিবিচাৰে। এতিয়াতো নহয়েই, দহ-বিছ বছৰৰ পিছতো নহয়। পশ্চিম বঙ্গৰ ভাষাভক্ত বঙালীবিলাকেও যিমানেই চিঞৰবাখৰ নকৰক লাগিলে, ইংৰাজীকেই বিশ্ববিদ্যালয়ৰ মাধ্যম হিচাপে ৰাখি দিছে আৰু যিমান দূৰলৈ দৃষ্টি যায় ৰাখিবই; কিয়নো তেওঁলোকে বুজি পায়, জগতৰ জ্ঞান-বিজ্ঞান বঙলালৈ ৰূপান্তৰিত কৰা দহ-কুৰি বছৰৰ কাম নহয়। বঙলাভাষা যিমানেই চহকী নহওক কিয়, ইংৰাজী ভাষা তাতকৈয়ো চহকী। বঙলা ভাষাৰে যিস্থলত এনে অৱস্থা, অসমীয়া ভাষাৰ অৱস্থা আজিতকৈ দহ বছৰ পিছত জানো ইমান চহকী হব যাৰ দ্বাৰা ইংৰাজী মাধ্যমৰ 'বেৰেক' অসমৰ পৰা তুলি দিব পৰা যাব?

আমাৰ মন্তব্য: পাহাৰীসকলৰ প্ৰশ্ন আৰু এতিয়া নুঠে, কিয়নো খাছি, গাৰো, জয়ন্তীয়া, মিজো, অৰুণাচলবাসী আৰু নগাসকলে ইতিমধ্যে অসমৰ পৰা ওলাই গৈ বেলেগ চৰু জুৰিলেই। দুখন পাহাৰী জিলা মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰহে এতিয়া অসমৰ লগত আছে। মিকিৰ, কাছাৰী আৰু ডৈয়ামৰ জনজাতিবিলাকে ৰাজনৈতিক কাৰণত নাইবা আনৰ প্ৰৰোচনাত নিজকে অসমীয়া নহয় বুলি কলে আৰু অসমীয়া ভাষা নাজানো বুলি কলে আমি কেতিয়াও মানি লব নোৱাৰো; কিয়নো এতিয়া জনজাতি গোষ্ঠীবিলাক অসম আৰু অসমীয়াৰে অবিচ্ছেদ্য অঙ্গ। তেজ ধুলে উটে, মঙহ ধুলে নুটে।

ইংৰাজী ভাষা-সাহিত্যৰ শ্ৰেষ্ঠতা অনস্বীকাৰ্য হলেও শিক্ষাৰ মাধ্যম সম্পৰ্কীয় প্ৰশ্নটো বিতৰ্কমূলক। ইয়াৰ গুৰিতে যত দোষ, নন্দঘোষ। দিল্লীত 'ইংৰাজী হাটাও'ৰ আৰম্ভণি নহলে বহুবোৰ বেমেজালিৰ সৃষ্টি নহলহেঁতেন। আনকি কেন্দ্ৰীয় জনসেৱা আয়োগতো দেখোন ইংৰাজী ভাষাৰ চাউল উঠি আহিছে। ভাৰতবৰ্ষৰ সকলোবিলাক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম একে নীতিৰে নিয়ন্ত্ৰিত হোৱাটো আৱশ্যক বুলি আমি ভাবো। সকলো পৰ্যায়তে শিক্ষালয়বোৰ ৰাজনীতিজ্ঞৰ পৰীক্ষা-নিৰীক্ষাৰ গবেষণাগাৰ হোৱাটোহে দুৰ্ভাগ্যৰ কথা হৈছে।

(৩২) অসমীয়াবিলাকে যদি একতৰফা সিদ্ধান্ত লৈ কাম কৰে, বঙালীবিলাকেও ইংৰাজীৰ সলনি বিচাৰিব বঙলা—অৱশ্যে এইটো দ্বিভাষী স্কুলৰদৰে শুনা যাব পাৰে। বঙলাৰ লগত আৰু কেইটামান ভাষা যোগ দিলে সেইটো বহুভাষী স্কুলৰ দৰে শুনাব। সেয়ে হলে অসমীয়াবিলাকৰ আশংকা হব যে এওঁলোকে ( বঙালী-বিলাকে ) অসমক বহুভাষী ৰাজ্যত ৰূপান্তৰিত কৰিবলৈ মতলব আউটিছে। অসমীয়াবিলাকক এওঁলোকে সংখ্যালঘুত পৰিণত কৰিবলৈ দল গোটাইছে। এওঁলোকৰ প্ৰতিটো দাবিৰ এটা মাত্ৰ উত্তৰ—"নহয়"।

আমাৰ মন্তব্য: নাই বুলিলে সাপতো বিষ নাই। কিন্তু বাস্তৱক্ষেত্ৰত কি হৈছে সেইটো নিশ্চয় টলকি চাব লগীয়া।

(৩৩) সমস্ত গণ্ডগোলৰ পাছত আছে মানসিক গণ্ডগোল। অসমীয়াই যেতিয়া কয় "আসাম" ( অসম ? )

তেতিয়া তেওঁলোকে তেওঁলোকৰ ঐতিহাসিক বাসভূমি ব্ৰহ্মপুত্ৰ উপত্যকাৰ কথাই ভাবে। সেই ঠাইৰ অধিবাসী বিলাকেই অসমীয়া, সেই ঠাইৰ ভাষাই অসমীয়া। তাৰ বাহিৰে যিবিলাক তাত আছে তেওঁলোক অন্‌অসমীয়া (?) বা অনাঅসমীয়া। তেওঁলোকৰ মাজৰ কিছুমানে এতিয়া অসমীয়া ভাষা শিকি পেলাইছে, সেইকাৰণে তেওঁলোকক বোলা হয় নঅসমীয়া বা নয়াঅসমীয়া এই যে মানসিক খ্যেপ (?), তাৰ লগত বঙালীবিলাক খাপ নাখায়। অসমৰ লগত তেওঁলোকৰ (বঙালীৰ) সম্পৰ্ক ঐতিহাসিক নহয়, ভৌগোলিক। "আসাম" তেওঁলোকৰ এটা ভৌগোলিক অভিধা। দেশখনৰ নাম আসাম নহৈ উত্তৰ-পূব সীমান্ত প্ৰদেশ হলেও চলে। আসাম নামটোৱে বঙালীৰ মনত কোনো ভাবানুষঙ্গ নজগায়। 'চিৰচেনেহী ভাষা-জননী' নামটোৱে তেওঁলোকৰ মনত যিটো ভাষাৰ কথা মনত পেলাই দিয়ে সেইটো অসমীয়া নহয়, বঙলা ভাষাহে।

আমাৰ মন্তব্য: শ্ৰীৰায়ৰ এই বিশ্লেষণ তাৎপৰ্যপূৰ্ণ ইয়াত বঙালীবিলাকৰ উচ্চাস্মিকা মনোভাব আৰু আনৰ লগত জাহ যাব নোৱাৰা অজীনপাতকী মনোভাবৰ পৰিচয় আছে। যিখন দেশত তেওঁলোকে নিজ দেশ এৰি আহি নেওঁৰ পাৰি বহিছে সেইখন দেশৰ নামটো পৰ্যন্ত গ্ৰহণ কৰিবলৈ নোপোৱা মনোবৃত্তি কোনো সভ্য জাতিৰ পৰিচায়ক? বঙালীৰ বাহিৰেও অসমত বুজন সংখ্যাৰ আন ৰাজ্যৰ মানুহ আছে। সেই বিলাকৰ এনে আক্ৰোহী মনোবৃত্তি নাই কিয়?

(৩৪) ছুইচবিলাকৰ সকলো মনে-প্ৰাণে এক। ভাষা লৈ তেওঁবিলাকৰ মাজত লেশমাত্ৰ মনোমালিন্য নাই। তাৰ ভাষাবোৰো তেওঁলোকৰ সেই দেশৰ ভাষা নহয়—জাৰ্মানী, ফ্ৰাঞ্চ, ইটালীৰ। অসমৰ উপমাটো ছুইজাৰলেণ্ডৰ লগত নহয় চেকোশ্লোভাকিয়াৰ লগতহে খাপ খায়। সেই দেশৰ ছুডেটেন জাৰ্মান যেনেকুৱা অসমৰ বঙালীও তেনেকুৱা। ছুডেটেন মনোভাব এৰিব নোৱাৰিলে হয়তো এদিন একেই দশা হ'ব। প্ৰাগ্ নগৰত যি জাৰ্মান বিশ্ববিদ্যালয়খন বহু শতাব্দী কাল বিদ্যমান আছিল, এতিয়া তাৰ অস্তিত্ব নাই। ছুডেটেন থাকিলেহে তাক অস্তিত্ব থাকিলহেঁতেন।

আমাৰ মন্তব্য: নিষ্প্ৰয়োজন।

(৩৫) ৰাজ্যত্যাগ আৰু ৰাজ্যভাগ দুটাৰ এটা এদিন বাছি লবই লাগিব যদিহে অসমীয়াবিলাকে অনা অসমীয়াবিলাকক ন অসমীয়া হবলৈ বাধ্য কৰে আৰু যদি বঙালীবিলাকে অসমত বাস কৰিও অসমীয়াবিলাকৰ লগত মনেপ্ৰাণে একৈহে মিলি যাবলৈ দ্বিধাবোধ কৰে।

আমাৰ মন্তব্য: অসমীয়াই কাকো কোনো বিষয়ত বাধ্য কৰিবলৈ নিবিচাৰে। বঙালীবিলাকে যদি আকোৰ-গোজভাৱে অজীণপাতকী মনোভাব পুহি ৰাখে আৰু তাৰ ফলত যদি ৰাজ্যত্যাগ বা ৰাজ্যভাগ হব লাগে তাৰ বাবে অসমীয়া দুঃখিত, কিন্তু নিৰুপায়।

(৩৬) অসম বৰ্তমানে এনে এখন ৰাজ্য যিখন ডেৰশ বছৰ আগে বৃটিছ সাম্ৰাজ্যৰ ভিতৰুৱা নাছিল, কোনো কালেই মোগল সাম্ৰাজ্য বা মুছলিম শাসনৰ তলতো নাছিল। ভাৰতবৰ্ষৰ অন্তৰ্গত আছিল সাংস্কৃতিক অৰ্থত, কিন্তু বাংলা দেশত নাছিল! বিদেশীবিলাকৰ ইচ্ছানুক্ৰমে বাংলাদেশৰ চামিল হৈছিল। সেই কাৰণে কোনো পক্ষ সুখী হব নোৱাৰিলে দুখ বঢ়াই কাৰ কি লাভ?

আমাৰ মন্তব্য: তথাস্তু।

(৩৭) ব্ৰহ্মপুত্ৰ উপত্যকাই 'আসাম প্ৰপাৰ', বাকীখিনি সংযোজন। সংযোজিত অংশই কেতিয়াও স্বত্ব 'ডিক্‌টেট্' কৰিব নোৱাৰে। স্বত্ব ৰক্ষাৰ নোৱাৰিলে সি বিদায় লব পাৰে। ভাৰতীয় বেয়োনেটৰ ওপৰত নিৰ্ভৰ কৰি চলিলে বঙালী অসমীয়াবিলাকৰ সহানুভূতি হেৰুৱাব পাৰে। অসমীয়াবিলাকৰ শুভেচ্ছাই একমাত্ৰ ৰক্ষাকবচ। এওঁলোকক যি ভালপায়, তেওঁলোকেও তাক ভালপাও। তেওঁবিলাকৰ কথাও মই স্বতঃস্ফূৰ্তভাৱে আত্মীয়তা অনুভব কৰোঁ। এই বিৰোধৰ চিৰকালৰ



বাবে অৱসান হওক। সম্প্ৰীতি চিৰস্থায়ী হওক।

আমাৰ মন্তব্য: প্ৰথম বাক্যটোত মতভেদ থাকিব পাৰে। কিন্তু শেষৰ অংশত শ্ৰীৰায়ৰ লগত আমি সম্পূৰ্ণ একমত। তেওঁৰ মুখত ফুল চন্দন পৰক। (ক্ৰমশঃ)

**মৰিলেও নুগুচে ধনঞ্জয় বায়ু**

যোৱা বছৰ ভাষা-অশান্তিৰ সম্পৰ্কত যি অবাঞ্ছনীয় অপ্ৰীতিকৰ অৱস্থাৰ উদ্ভৱ হৈছিল বাহিৰত শাম কটা যেন দেখা গলেও এতিয়াও তাৰ ধনঞ্জয় বায়ু সমূলি মাৰ যোৱা নাই। তলথুচৰীয়াভাবে এতিয়াও এনে অসৎ প্ৰচেষ্টা অসমৰ বাহিৰে-ভিতৰে চলিয়েই আছে। সম্প্ৰতি তাৰ এটা জঘন্য নিদৰ্শন পোৱা গৈছে মেঘালয়ৰ শ্বিলঙৰ পৰা বঙলা-খাছি-ইংৰাজী মাধ্যমত প্ৰকাশিত এখন সাদিনীয়া বাতৰি-কাকতত। কাকতখনৰ নাম 'ইয়ং ইণ্ডিয়া'—সম্পাদক শ্ৰীকপিল চট্টোপাধ্যায়। কাকতখনত অভিসন্ধিমূলক বেনামী বাতাৰিটো প্ৰকাশ হৈছে গুৱাহাটীৰ প্ৰতিনিধিৰ নামত। প্ৰতিনিধিজন অৱশ্যে প্ৰকৃততে গুৱাহাটীৰ মানুহ হোৱা হলে হেম বৰুৱাৰ প্ৰকৃত ঠিকনা জানিলেহেঁতেন আৰু তেওঁক উজান বজাৰত গোজা মাৰি নথলেহেঁতেন। সেই কাৰণে এনে দৰে ভাবিবৰ থল আছে—যে এই বেনামী বাতৰিটো কাকতৰ চেৰাশালি শ্বিলঙতে সৃষ্টি কৰা হৈছে আৰু তাক আইনে ধৰে নোৱাৰাকৈ কূটকৌশল খটাই সজোৱা হৈছে। সেয়ে হলেও দেখাতে চিক্কণ, পিঠিতে কাঁইট। ওপৰে ওপৰে পঢ়ি চালেই কাকতখনৰ চক্ৰান্তমূলক দুৰভিসন্ধি কথা সহজে ধৰা পৰি যায়।

এনে জঘন্য বেনামী বাতৰি এটা পৰ্যালোচনা কৰি আমি নিশ্চয় ভাল পোৱা নাই; কিন্তু চাপৰিলে মেঘ নেযায়! অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত 'পত্ৰিকা'ৰ পাঠকসকলৰ অৱগতিৰ অৰ্থে তলত আমি উক্ত বাতৰিটো হুবহু তুলি দিলোঁ:—

**C.I.A. Agents Provocateur In Assam?**

(From Our Special Representative) Gauhati, May 6, 1973.

Is it a fact or not that Shri Hem Barua ex-M.P. and now running the Assam Express daily of Gauhati has allowed his wife Smti Barua to work as a high official in the American Embassy in New Delhi on a monthly salary of round about Rs. 3000/-?

Is it a fact or not that around October first part in 1972 a big amount was drawn from some foreign Bank and this huge amount entered Assam and is it a fact or not that most of this amount went to the Assam Sahitya Sabha through this said Smti Barua?

Is it a fact or not that some three foreign tourists, young Americans visited some areas of Assam including the Uzanbazar residence of Shri Hem Barua?

And is it a fact or not that shortly after this the second phase of the so-called language riots in Assam started in October 1972?

Can the authorities and the persons referred to here refute these allegations in toto. I hope the Young India will publish the refutation to these questions if given by the persons concerned. (Young India, May 8, 1973.)

বৰুৱা আৰু বৰুৱা-পত্নী সংক্ৰান্ত লিখাবোৰ ব্যক্তিগত, সেই বিষয়ে আমি বিশেষ নকওঁ। তেওঁলোকে ইচ্ছা কৰিলে আৰু আৱশ্যকবোধ কৰিলে নিজেই যথোচিত ব্যৱস্থা লব নতুবা তাক ফটা কাকতৰ পাচিলৈ দলিয়াই দিব। কোনে ক'ত কাম কৰিছে, কিমান দৰ্মহা পাইছে সেইবোৰ কথাৰ উৰহী গছৰ ওৰ আমাক

নেলাগে আৰু লোকে অৰ্জা ধনৰ ভাগো আমি নিবিচাৰো। আমি জনাত শ্ৰীমতী বৰুৱাই মাৰ্কিন দূতাবাসত কাম কৰা নাই ; কিন্তু কোনোবাই মাৰ্কিন দূতাবাসতেই হওক বা ছোভিয়েট দূতাবাসতেই কাম কৰক, তাকো আমি সংবাদদাতাজনে ভবাৰ দৰে দোষ বা মহাপাপ কৰা বুলি নেভাবো, আৰু দূতাবাসত কাম কৰিলেইযে মাৰ্কিন ধনৰ দালালি কৰা হৈছে সেই কথাও আমি বিনা প্ৰমাণে মানি লব নোৱাৰো। পাগলে নবকে কি, ছাগলে নেথায় কি ? শুনা কথাৰ ওপৰত ভেঞ্জা লৈ এগৰাকী ভদ্ৰমহিলা আৰু অসম সাহিত্য সভাৰ গাত জঘন্য অপবাদ জাপি দিবলৈ কাকতখনৰ দুঃসাহস আৰু ধৃষ্টতা হোৱা দেখিহে আমি স্তম্ভিত হৈছো। ক্ষুদ্ৰ কাকতখনৰ যোগেদি বেনামী প্ৰতিনিধিজনে প্ৰকাৰান্তৰে অসম সাহিত্য সভাৰ কৈফিয়ৎ তলব কৰা দেখি অৱশ্যে আমি আমোদ লাভ কৰিছো। তাৰ আগেয়ে তেওঁ নিজৰ মুখা খুলি পোনপটীয়াভাৱে অভিযোগবোৰ হাতত লৈ আমাৰ আগত থিয় দিয়কচোন। পাৰিব জানো ?

সি যি নহওক কুউদ্দেশ্য প্ৰণোদিত হৈ অসম সাহিত্য সভাক হেয় প্ৰতিপন্ন কৰিবলৈ অপচেষ্টা কৰাৰ বাবেহে আমি এই অপ্ৰিয় প্ৰসংগ অৱতাৰণা কৰিছো। কপিলৰ দলে নিজৰ গাতে চিকুট মাৰি চাব লাগিছিল। ভাষা-অশান্তিৰ সময়ত এখন যে সংগ্ৰাম পৰিষদ গঠন হৈছিল তাৰ উদ্দেশ্য কি আছিল ? সংগ্ৰাম চলিছিল কাৰ লগত ? কোনে কেনেকৈ তাৰ বাবে টকা তুলিছিল ? সেই টকা ক'ত কেনেকৈ খৰচ কৰা হৈছিল আৰু কাক ক'ত ভিতৰুৱাভাৱে কি উদ্দেশ্যে দিয়া হৈছিল তাৰ বিতং বিৱৰণ কাকতখনে প্ৰকাশ কৰিব নে ? এনে অভিসন্ধিমূলক বেনামী বাতৰিৰ (মানহানিজনকো) ওপৰত অসম সাহিত্য সভাৰ নিচিনা মহান অনুষ্ঠান এটাই গুৰুতৰ ব্যৱস্থা লোৱাৰ সদ্যহতে আৱশ্যক নাই বুলিয়েই আমি ভাবো। চিকা মাৰি হাত গোন্ধাব নেলাগে, কিন্তু সেয়ে হলেও তলে তলে এনেবোৰ কথাই সম্ভাব্য স্থলত কেনে বিসক্ৰিয়াৰ সৃষ্টি ইতিমধ্যে কৰিছে আৰু এতিয়াও কৰি আছে, আমাৰ মাজত গাৰে-ভুক্ৰে ভিতৰুৱা অঞ্চলত কেনেকৈ বিভেদৰ বীজাণু ছটিয়াই ন্যস্ত স্বাৰ্থ সিদ্ধি কৰিবৰ বাবে অহৰহ চেষ্টা চলাই থকা হৈছে সেইবোৰ কথালৈ আওকাণ নকৰি চকু-কাণ সজাগ কৰি ৰাখিব লাগে। ফিৰিঙতিৰ পৰাই খাণ্ডৱ দাহ হব পাৰে। সেয়েহে জ্ঞানী লোকৰ বচন—বাছি খাবা, জাগি শুবা।

পৰিতাপৰ কথা এইটোহে যে একেখন দেশৰে একমুৰে উদাৰমনা অন্নদাশংকৰ ৰায় আৰু আনটো মূৰে জঘন্য বেনামী বাতৰিৰ পৃষ্ঠপোষক কপিল বাবু। তাহানিৰ মহাত্মা গান্ধী সম্পাদিত 'ইয়ং ইণ্ডিয়া' আৰু আজিৰ কপিল বাবু সম্পাদিত 'ইয়ং ইণ্ডিয়া'—স্বৰ্গ-মৰ্ত্যৰ ব্যৱধান। বেজবৰুৱাৰ ভাষাতে "আকাশৰ তৰা আৰু তপিনাৰ টোপাখহ।" সদৌ শেষত আমি আশা কৰো ভগৱন্তই এই 'খাল-বাবু' সকলক (ড্ৰেইন্ ইন্স-পেক্টৰ) সুমতি দিয়ক আৰু তেওঁৰ কৃপাই সকলো বিভেদকামী দুষ্কৃতিকাৰীৰ অন্তৰৰ মলিবোৰ ধুই-পখালি নিকা কৰি দিয়ক।

## ব্যক্তিয়েই সমাজ, সমাজেই জাতি

আমি সন্তোষেৰে লক্ষ্য কৰিছো, আজি কেইবছৰমানৰ ভিতৰতে অসমীয়া সাহিত্যত আত্মজীৱনী বিভাগটো বিশেষভাৱে পুৰঠ আৰু চহকী হৈ উঠিছে। ব্যক্তিয়েই সমাজ, সমাজেই জাতি। সেইকাৰণে ব্যক্তিৰ বুৰঞ্জীয়ে সমাজৰ বুৰঞ্জী, দেশৰ বুৰঞ্জী। বৰ্তমানে বুৰঞ্জী লিখাৰ দৃষ্টিভংগী সলনি হৈছে। পুৰণি কালত ৰজা-মহাৰজা, মন্ত্ৰী-সেনাপতি, বীৰ-বীৰাংগনা আদিৰ কথাহে বুৰঞ্জীয়ে সামৰি লৈছিল। সাধাৰণ মানুহৰ কথা, সমাজৰ কথাই তাত কেতিয়াবা ছেগাচোৰোকাকৈহে ঠাই পাইছিল। আজিকালি বুৰঞ্জীৰ পৰিসৰ বাঢ়িছে। তাত কেৱল ৰজা-মহাৰজাৰ কথা নাথাকে—দেশৰ ৰাইজ, শিক্ষা-সংস্কৃতি, অৰ্থনীতি আদি সমাজৰ নানা কথা আজিৰ বুৰঞ্জীলিখকসকলে সামৰি লয়। এনে অৱস্থাত আত্মজীৱনীবোৰেও যে বুৰঞ্জীৰ প্ৰচুৰ আহিলাপাতিৰ যোগান ধৰিব পাৰে সেই কথা ন কৈ কব নেলাগে।



এতিয়ালৈকে তলত নাম দিয়া আত্মজীৱনীবোৰ আমাৰ চকুত পৰিছে। ইয়াৰ বাহিৰেও আমি গম নোপোৱা আৰু খনচেৰেক থাকিব পাৰে।

১। হৰকান্ত সদৰামিনৰ আত্মজীৱনী
২। লক্ষ্মীনাথ বেজবৰুৱা —মোৰ জীৱন সোঁৱৰণ, দিনলেখা
৩। পদ্মনাথ গোহাঞিবৰুৱা—মোৰ সোঁৱৰণী
৪। বেণুধৰ ৰাজখোৱা—মোৰ জীৱন-দাপোণ
৫। শ্ৰীবেণুধৰ শৰ্মা—কংগ্ৰেছৰ কাঁচিয়লী ৰদত
৬। পদ্মধৰ চলিহা—জীৱন-বীণৰ সুৰ
৭। শৈলধৰ ৰাজখোৱা—অতীত সোঁৱৰণী
৮। লক্ষ্মীধৰ শৰ্মা—জীৱন-স্মৃতি
৯। নজৰ আলি—মোৰ জীৱনৰ কিছু কথা
১০। হৰিনাৰায়ণ দত্তবৰুৱা—দত্তবৰুৱাৰ আত্মকথা
১১। হেমচন্দ্ৰ গোস্বামীৰ ডায়েৰী
১২। প্ৰতাপচন্দ্ৰ গোস্বামী—মোৰ জীৱন-স্মৃতি আৰু কামৰূপী সমাজ
১৩। ৰাজবালা দাস—তিনিকুৰি দহ বছৰৰ স্মৃতি
১৪। জ্ঞানদাভিৰাম বৰুৱা—মোৰ কথা
১৫। ৰঘুনাথ চৌধাৰী—জেল-কাহিনী
১৬। মৌলানা তৈয়বুল্লা—কাৰাগাৰৰ চিঠি
১৭। কৃষ্ণকান্ত শৰ্মাৰ ডায়েৰী
১৮। অম্বিকাগিৰী ৰায়চৌধুৰী—
মোৰ জীৱনৰ ধুমুহা এছাটি।
১৯। উত্তম চন্দ্ৰ বৰুৱা—

ইয়াৰ উপৰিও ছপাশাললৈ ঠেংদাণ্ডি আছে—

১। শ্ৰীমহেন্দ্ৰনাথ হাজৰিকা—বিয়াল্লিছৰ বিপ্লৱত নগাওঁ
২। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা—স্মৃতিলেখা
৩। শ্ৰীবেণুধৰ শৰ্মা—মজিয়াৰপৰা মেজমেললৈ
৪। শ্ৰীমতী নলিনীবালা দেৱী—এৰি অহা দিনবোৰ
৫। ৺নিত্যানন্দ বৰদলৈ—পুৰণি দিনৰ ৰেঙণি

ইয়াৰ উপৰিও হেমচন্দ্ৰ বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য (মনত পৰা কথা), ৰজনীকান্ত বৰদলৈ (আত্ম জীৱন-চৰিত), কনকলাল বৰুৱা (ইংৰাজী), ডিম্বেশ্বৰ নেওগ (অতীত মাধুৰী), দৈবচন্দ্ৰ তালুকদাৰ, হলিৰাম ডেকা প্ৰভৃতিৰ ডুখৰীয়া আত্মজীৱনীবোৰ আলোচনী বা বাতৰিকাকতৰ পিঠিতে জাহ গৈছে। জে-বৰুৱা আৰু বিহগী কবিৰ গ্ৰন্থ দুখন গৰ্ভতে গেলিল বুলি কব পাৰি ; কিয়নো জে-বৰুৱাৰ আত্মকথাৰ এক অংশ ডঃ নেওগ সম্পাদিত ৰামধেনুত প্ৰকাশ হৈছিল যদিও তাৰ পিছৰ অধ্যায়বোৰ পুতেক মনো বৰুৱাই নিজৰ নামৰ ৰচনালৈ ৰূপান্তৰিত কৰি 'অসম-বাণী'ত প্ৰকাশ কৰি তাৰ চোক একেবাৰে নাইকিয়া কৰি পেলালে। বিহগী কবিয়ে ৰচনা কৰা 'জেল-কাহিনী' খনেই তেওঁৰ এজন দৰদী সাহিত্যিক বন্ধুৱে ছপাবলৈ খুজি নি ভালুকৰ গাতত সুমালে।

বেজবৰুৱা, গোহাঞিবৰুৱা প্ৰভৃতি খ্যাতিমন্ত লিখকসকলৰ কথা নকলেও হয়। নিতান্ত ব্যক্তিকেন্দ্ৰিক আৰু সাহিত্যগুণ-বিবৰ্জিত নীৰস হলে ডাঙৰ লিখকৰ আত্মজীৱনীও ৰংচঙীয়া মদাৰ ফুলৰ দৰে গোসাঁইতো নেলাগে, ভকতেতো নেলাগে। কেতিয়াবা একোজন সাধাৰণ মানুহৰ কাপৰপৰাও একোখন অসাধাৰণ পুথি ওলাব পাৰে। তেনে এখন পুথি হৈছে মণ্ডলদৈৰ মঃ নজৰ আলি পণ্ডিতৰ দ্বাৰা প্ৰণীত 'মোৰ জীৱনৰ কিছু কথা"। এই সম্পৰ্কত 'আগকথা'ত এমইব্ৰাহিম আলিয়ে যথাৰ্থভাৱেই লিখিছে—

'কিছু কথা'ত উপন্যাসতকৈয়ো সঁচা কাহিনী প্ৰায় চাৰিকুৰি বছৰীয়া এটি দীঘল জীৱনৰ পৰশ লাগি জীৱন্ত হৈ উঠিছে। এই কাহিনীত মানুহ-জীৱনৰ সাধাৰণ সংঘাত অতিক্ৰম কৰি একোটাইত বেদনাক্লিষ্ট বাস্তৱ কাহিনীয়ে সফল ৰূপ পাইছেগৈ। তাৰ বৰ্ণনাই লিখকৰ 'বুঢ়া কলিজা' শোকত কেতিয়াবা উথাউল কৰি তুলিছে। বেদনা, বিৰহ, দৈনন্দিন জীৱনৰ নানা আহকাল আদিৰ উপৰিও হাস্যৰসৰ বৰ্ণনাত লিখকে যি প্ৰাণময় সফলতা

লাভ কৰিছে, তাক এই অভাজনে বঢ়াই কবলৈ সাহস কৰা নাই। 'কিছু কথা'ৰ ভিতৰত লিখকৰ আত্মকেন্দ্ৰিক ঘটনাবহুল জীৱনে একোছোৱা সময়ৰ, একোখনি সমাজৰ আৰু একোখন ঠাইৰ ইতিহাস ছুই গৈছে বৰ সফলভাৱে। নিৰ্দয়া মাহী মাকৰ অত্যাচাৰৰ পৰা মণ্ডলদেৱ দুই এখন চাহবাগিছাৰ জন্মলৈকে, শিক্ষাৰ ক্ষেত্ৰত সেই সময়ৰ পৰিচয়, সমাজৰ মধুৰ ছবিৰ পৰা পথৰুঘাটৰ ৰণৰ কাহিনী আৰু স্বাধীনতা লাভৰ ইতিহাস তেওঁৰ লেখনীত জীৱন্ত হৈ উঠিছে।

সাহিত্য কৰোঁ বুলি কৰোঁতাসকলৰ কথা হয়তো অন্যপ্ৰকাৰে প্ৰকাশ পালেহেঁতেন। কিন্তু মৰহুম নজৰ আলি চাহাবৰ এই কিতাপত (মোৰ কিছুকথা) সাহিত্যিক হোৱাৰ দুৰাকাঙ্ক্ষাৰ সপোন নাই যেন লাগে। ই বাস্তৱ আৰু সত্য ঘটনাৰ প্ৰকাশ মাত্ৰ। ইয়াত প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক, থানাৰ ডাৰোগা, বাগানৰ বৰচাহাব, গাঁৱৰ টুটকীয়াসকল আৰু সমাজৰ হিতাকাঙ্ক্ষীসকলৰ লগত তেওঁৰ ওচৰ সম্পৰ্কৰ অভিজ্ঞতাৰ বৰ্ণনাসমূহ, গাঁৱৰ সেই সময়ৰ বিয়া-বাৰু, দহা-কাজ, খেতি-পথাৰ এই সকলো কথাকে তেওঁৰ বৰ্ণনাত আমি বিচাৰি পাওঁ। বিশেষকৈ সমসাময়িক চৰিত্ৰসমূহৰ প্ৰতি লিখকৰ অকপট শ্ৰদ্ধা আৰু অংকন সফল হৈছে যেন লাগে।"

আলিৰ কথাতে হয়তোৰ দি কব পৰা যায় যে দৰাচলতে এই আত্মজীৱনীখন এক সাৰ্থক সাহিত্য সৃষ্টি। অসমৰ হেৰাই যাব খোজা সমাজখনৰ—এসময়ৰ ছবি ঘাইকৈ অসমীয়া মুছলমান সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পিন্ধন-উৰণ আদি কথাৰ ইয়াত হুবহু প্ৰতিফলন হৈছে। পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামীদেৱৰ আত্মজীৱনীখনো প্ৰায় একে পৰ্যায়ৰ। তৈয়বুল্লাৰ 'কাৰাগাৰৰ চিঠি', 'কৃষ্ণ শৰ্মাৰ ডায়েৰী' আৰু শ্ৰীমহেন্দ্ৰনাথ হাজৰিকাৰ 'বিয়াল্লিছৰ বিপ্লৱত নগাওঁ, (অপ্ৰকাশিত)—এই তিনিখন আত্মজীৱনী অসমৰ অসহযোগ আন্দোলনৰ তিনিজন আগশাৰীৰ নেতাই ৰচনা কৰা অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ প্ৰামাণ্য আলেখ্য স্বৰূপ। শ্ৰীঅমিয়কুমাৰ দাসৰ ডায়ৰীবোৰো গ্ৰন্থৰ আকাৰত প্ৰকাশ হলে ভাল হয়। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, শ্ৰীমতী পুষ্পলতা দাস আৰু প্ৰবীণ নেতা শ্ৰীদেবেশ্বৰ শৰ্মায়ো যেন তেওঁলোকৰ আত্মজীৱনী ৰাতৰি কাকতৰ পিঠিতে অধিককৈ নেৰাখে।

ধানপুৰীয়া কঠাল পাতৰ আঁৰ হৈ থকাৰ দৰে আমাৰ সাহিত্যৰ এই বিভাগটো এতিয়াও সাহিত্য-সমালোচক সকলৰ দৃষ্টিৰ অন্তৰালত আছে বুলি কব পাৰি। দুখৰ বিষয় সদ্যপ্ৰকাশিত অসম সাহিত্য সভাৰ-গ্ৰন্থ 'পল্লী'তো প্ৰকাশিত আত্মজীৱনী কেইখনৰ সম্পূৰ্ণ সন্দেহ নাই। সেয়ে হলেও ইয়াৰ মূল্য অনস্বীকাৰ্য। প্ৰকাশন পৰিষদে 'অসমীয়া মানুহৰ ইতিহাস' ৰচনা কৰিবলৈ আঁচনি তৰি লৈছে বুলি জনা গৈছে; অসম সাহিত্য সভায়ো একে বিষয়কে লৈ কুৰুং কাৰাং কৰা শুনা গৈছে। আমি আশা কৰিছোঁ, এনে ইতিহাস ৰচনাৰ বাবে এই আত্মজীৱনীবোৰত প্ৰচুৰ উপাদান পোৱা যাব। কোনো শ্ৰমশীল ডেকা লিখকে এই সকলোবোৰ জুকিয়াই এখন ভাল আলোচনা-গ্ৰন্থ লিখিব নোৱাৰেনে?

## নমস্য শিক্ষাগুৰু

বৰ্তমান শতিকাৰ আদি ভাগতে যিসকল ইংৰাজ আৰু বঙালী শিক্ষাবিদ অসমলৈ হাতত পশ্চিমীয়া শিক্ষাৰ জোৰলৈ আহি গুৱাহাটী বিশ্ববিদ্যালয়ে লুইতৰ পাৰত জ্ঞানৰ দীপাৱলী পাতিবলৈ পূৰ্বপৰিবেশ ৰচনা কৰিছিল আৰু প্ৰাগজ্যোতিষ পঞ্চতীৰ্থত স্থাপিত বিদ্যাভৱন কটন কলেজত বাণীপূজাৰ সুদৃঢ় ভেটি গঢ়ি তুলিছিল সেইসকলৰ প্ৰায় আটাইকেউজনেই আমাৰ মাজৰ পৰা অন্তৰ্ধান হ'ল। সেইসকল অগ্ৰণী বাণীপাঠকৰ অন্যতম লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় বেদশাস্ত্ৰী, কাব্যতীৰ্থ-দেৱ সিদিনা যোৱা ১১ জুনত (১৯৭৩ ইং) স্বৰ্গী হোৱাৰ বাতৰিয়ে অসমবাসীক বিশেষকৈ তেওঁৰ গুণমুগ্ধ—অশেষ ছাত্ৰক শোকত অভিভূত কৰিলে। সেই কালৰ কটনৰ বলিষ্ঠ ব্যক্তিত্বসম্পন্ন শিক্ষাগুৰুৰ ভিতৰত পদ্মবাবু, চুনীবাবু আৰু লক্ষ্মীবাবু এই ত্ৰিমূৰ্তিক অলপ বেলেগ নিৰীক্ষণ কৰিব পাৰি। পদ্মনাথ বিদ্যাবিনোদে 'কামৰূপ শাসনাৱলী' ৰচনা কৰি অমৰ কীৰ্তি ৰাখি গৈছে। ব্যক্তিগত জীৱনত বিদ্যাবিনোদ মহাশয় আছিল নিকপকপীয়া সনাতনী হিন্দু—নমো নমো পাৰিজাত। বাণী কাকতিৰ মুখত তেওঁৰ বিষয়ে বহুত আমোদী সাধু শুনিছিলোঁ। চুনীবাবু আছিল অতিশয় নিষ্ঠাবান শক্তি-উপাসক। এসময়ত তেওঁৰ ঘৰৰ দুৰ্গা প্ৰতিমাই সমগ্ৰ গুৱাহাটীৰ মানুহকে আকৰ্ষণ কৰিছিল। তেওঁ ধৰ্ম আৰু বিজ্ঞানৰ সাদৃশ্য সাধন কৰিবলৈ যত্নপৰ হৈছিল। শ্ৰেণীৰ পাঠদানৰ মাজতো কেনেবাকৈ ঈশ্বৰৰ কথা উলিয়াই লব পাৰিলে তেওঁৰ ৰসায়নৰ বক্তৃতাও সৃষ্টিতত্ত্বৰ বক্তৃতালৈ ৰূপান্তৰিত হৈ গৈছিল।

আৰ্যগঢ়ী ওখ-পাখ বলিষ্ঠ লক্ষ্মীবাবু আৰু নাট্যাচাৰ্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰ এই দুইজনাৰ ছবি একেলগে মোৰ চকুৰ আগলৈ ভাহি আহে। এই সকলৰ দৰে গায়ে-গাৰিয়ে আৰ্যপুৰুষ দেখা পোৱাটো মোৰ মনত নপৰে। কটনত মই সংস্কৃতৰ ছাত্ৰ নাছিলোঁ। সেই কাৰণে পোনপটীয়াভাৱে লক্ষ্মীবাবুৰ সংস্কৃত শিক্ষা-দানৰ সোৱাদ লবলৈ মোৰ সৌভাগ্য নহল। তথাপি তেওঁৰ বক্তৃতাই, তেওঁৰ ব্যক্তিত্বই, অযাচিতভাৱে লাভ কৰা তেওঁৰ মৰমে মোক মুগ্ধ কৰিছিল আৰু আজিও কৃতজ্ঞ কৰি ৰাখিছে।

মোৰ সহপাঠীসকলৰ মুখত লক্ষ্মীবাবুৱে কেনেকৈ শ্ৰেণীত পাঠ দি সংস্কৃত-শিক্ষাৰ সজীৱ পৰিবেশ সৃষ্টি কৰিছিল আৰু বিশেষকৈ কালিদাসৰ 'শকুন্তলা' নাটৰ চৰিত্ৰবোৰ যথোপযুক্তভাৱে নাটকীয় গঢ়েৰে আবৃত্তি কৰি জীৱন্ত কৰি তুলিছিল—সেই সম্পৰ্কে সততে শুনিছিলোঁ। কটনৰ আলোচনী-সভাত আৰু সনাতন ধৰ্ম সভাগৃহত তেওঁৰ দেওবৰীয়া গীতা-পাঠ আলেঙে আলেঙে শুনি ৰস পাইছিলোঁ। কেৱল শিক্ষাৰ ক্ষেত্ৰতে নহয়, গুৱাহাটীৰ আধ্যাত্মিক জীৱনতো তেওঁ তিনি দশকতকৈ বেছি কাল প্ৰভাৱ বিস্তাৰ কৰিছিল।

কটনৰ সংস্কৃত বিভাগৰ অধ্যাপক হিচাপে প্ৰৱেশ কৰি অধ্যক্ষ হিচাপে প্ৰস্থান কৰি—লক্ষ্মী বাবু অসমৰ পৰা বিদায় লৈ গৈছিল যদিও জীৱনৰ শেষ দিনলৈ তেওঁ অসমৰ লগত চিঠি-পত্ৰৰে যোগাযোগ ৰাখিছিল। তেওঁৰ সহজ আৰু প্ৰাঞ্জল ব্যাখ্যাৰে গীতাৰ সংস্কৰণ এটা প্ৰকাশ কৰি উলিয়াইছিল আৰু বন্ধু-বান্ধৱৰ মাজত বিনামূলীয়াকৈ বিলাই দিছিল। 'ৰাঁচী'ৰ পৰা মোলৈকো এখন তেওঁৰ গীতা ৰেজেষ্ট্ৰী ডাকত পঠাই লিখিছিল—"ইয়াৰ মূল্য গীতাপাঠ।" গুৰুনিৰ্মালি স্বৰূপে লাভ কৰা সেই গীতা গ্ৰন্থখনি আজিও মই যতনেৰে সাঁচি ৰাখিছোঁ।

শেষ কালত তেওঁ জীৱনৰ দুই এটা ডাঙৰ ধুমুহা মূৰ পাতি লব লগীয়া হৈছিল। কলিকতাৰ চিৰিয়াখানাত কাম কৰা বৰপুতেক দেৱব্ৰত আততায়ীৰ গুলীত নিহত হোৱাৰ পিছত তেওঁ সৰু পুতেক ডাঃ শ্ৰীশিৱব্ৰতৰ লগত মিৰাটত থাকি গীতাৰ মন্ত্ৰেৰে উদ্বুদ্ধ হৈ তাতেই চাৰিকুৰি আঠ বছৰত শেষ নিশ্বাস ত্যাগ কৰিলে। চকুৰ আঁতৰ হলেই মনৰ আঁতৰ নহয়। লক্ষ্মী বাবু কটন কলেজৰ তথা অসমৰ নমস্য শিক্ষা-গুৰু। অসমৰ শিক্ষা-বুৰঞ্জীত তেওঁৰ নাম সোণালী আখৰেৰে জিলিকি থাকিব।

## বিজ্ঞান-জগৎ

# নিৰামিষ মাংস

অধ্যাপক শ্ৰীৰাজেশ্বৰ শৰ্মা

নামটো কিবা আচহুৱা আচহুৱা লগা নাই নে বাৰু? যেন অহি-নকুল সম্বন্ধৰ দুটা প্ৰাণীৰ মহামিলন; ঠিক যেন দুটা বিৰুদ্ধপন্থী ৰাজনৈতিক দলৰ চামিলকৰণ। কেইদিনমান আগতে বাতৰি কাকতত নিৰামিষ মাংস সম্বন্ধে কেইটামান শাৰী প্ৰকাশ পাইছিল। আমেৰিকাৰ কেইজনমান বিজ্ঞানী চয়াবিনৰ গুটিৰ পৰা নিৰামিষ মাংস প্ৰস্তুত কৰিবলৈ সক্ষম হৈছে। তেনেহলে আৰু নিৰামিষ-আমিষ আহাৰৰ ভেদাভেদ কিছু আঁতৰিব। বৰ্ত্তমান বিজ্ঞানৰ যুগ। বিজ্ঞানৰ যুক্তি নেমানিলেও আমি কিন্তু বিজ্ঞানৰ মাজতে আবদ্ধ হৈ আছো। কি আচৰিত ইয়াৰ অৱদান! আমাৰ শাৰীৰিক পৰিশ্ৰম লাঘৱৰ হকে বিভিন্ন ধৰণৰ যন্ত্ৰ-পাতিৰ আবিষ্কাৰ হ'ল; ফলস্বৰূপে সকলো শ্ৰেণীৰ সমাজে কিছু পৰিমাণে হলেও জিৰণিৰ সময় পায়। আমি মহাকাশত ঘূৰি ফুৰি চন্দ্ৰলৈ যাব পৰা হলোঁ। আমাৰ বিষ-বেমাৰ এই আটাইবোৰকে প্ৰায় বশ কৰিব পাৰো। অধিক উৎপাদনক্ষম উন্নত জাতৰ ধান, ঘেঁহু, মাকৈ আদিৰ আবিৰ্ভাবে আমাৰ খাদ্য-সমস্যা সমাধানৰ পথত যথেষ্ট অৰিহণা আগ বঢ়ালে। আনকি উন্নত শ্ৰেণীৰ খাদ্য পাব পৰা শস্যৰো জন্ম হ'ল। আকৌ কৃত্ৰিম উপায়েৰে গছ-গছনিৰ পৰা প্ৰোটিন-চহকী আহাৰ প্ৰস্তুত কৰি মানৱ জাতিৰ কল্যাণ সাধন কৰা হৈছে।

এতিয়া বাৰু নিৰামিষ মাংসনো কি? প্ৰকৃতাৰ্থত ই চয়াবিন গছৰ গুটিত থকা প্ৰোটিনৰ পৰা বৈজ্ঞানিক পদ্ধতিৰে বিজ্ঞান-সম্মতভাৱে প্ৰস্তুত কৰা এবিধ খাদ্য। জন্তু বা চৰাইৰ মাংস যিদৰে প্ৰোটিনৰ চাহিদা পূৰাবলৈকে ব্যৱহাৰ কৰা হয়, ঠিক সেইদৰে এইবিধ খাদ্যকো ব্যৱহাৰ কৰিব পাৰি। তদুপৰি ইয়াত থকা প্ৰোটিনৰ পৰিমাণ মাংসতকৈ কোনোগুণেই কম নহয়, আৰু মঙহ নাই যদিও খাবলৈ সাইলাখ মাংসৰ দৰে। আকৌ গছৰ গুটিৰ পৰা প্ৰস্তুত কৰা হেতুকে জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে খাব পাৰে।

এইখিনিতে প্ৰোটিন সম্বন্ধে দুআষাৰ আলোচনা কৰি লোৱা ভাল হব। আগতে উল্লেখ কৰি অহা হৈছে যে প্ৰোটিনৰ চাহিদা পূৰাবলৈকে জন্তুৰ মঙহ আহাৰ হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও প্ৰোটিন পাব পৰা আন খাদ্যৰ ভিতৰত মাছ, কণী, গাখীৰ, শাক-পাচলি, মাহজাতীয় ফল ইত্যাদিয়ে প্ৰধান। এক শ্ৰেণীৰ লোকে আকৌ মাছ, কণী, মাংস আহাৰ হিচাপে ব্যৱহাৰ নকৰে; আনকি এইবোৰৰ নাম শুনিলেই দূৰতে বিদুৰ হয়। এই শ্ৰেণীৰ মানুহে প্ৰোটিন-আহাৰ হিচাপে শাক-পাচলি, বুট, মাহ আদিকে সৰহ পৰিমাণে খায়। গতিকে দেখা যায়, আমিষেই হওক বা নিৰামিষেই হওক, প্ৰোটিন জাতীয় আহাৰ সকলোৱে খায়। ইয়াৰ গুণাগুণ জনা লোকে আকৌ সৰহ পৰিমাণে বিচাৰে।



তেন্তে প্ৰোটিননো কি এই বুলি প্ৰশ্ন কৰিলে অতি সহজ ভাষাত কব পাৰি যে প্ৰোটিন হ'ল কিছুমান 'এমিনো এচিদ'ৰ সমষ্টি। এই এচিদবোৰৰ ভিতৰত আঠোটা আমাৰ দেহৰ পুষ্টি-সাধনৰ ক্ষেত্ৰত অপৰিহাৰ্য। ইহঁতে কণ কণ ল'ৰাছোৱালীৰ দেহত নতুন নতুন কোষ বৃদ্ধি কৰি দেহৰ পুষ্টতা আনে। এনেহেন দৰকাৰী এচিদ গছ-গছনিত পোৱা যায়; অৱশ্যে একেডাল গছতে আঠোটা এচিদ নেথাকিবও পাৰে। ইয়াৰ অৰ্থ এনে নহয় যে আন জীৱ-জন্তুৰ দেহত এমিনো এচিদ নেথাকে। যিহেতু গছ-গছনিৰ পৰাই আমি আহাৰ পাওঁ, সেয়ে গছ-গছনিৰ উল্লেখ কৰা হৈছে। গতিকে জীৱ-জন্তুবোৰক গছ-গছনি খাব দিলে দেহৰ প্ৰোটিনৰ পৰিমাণ বাঢ়ে, প্ৰোটিন চহকী মাংসৰ সৃষ্টি হয়। সেই কাৰণে জন্তুবোৰৰ মাংস আহাৰ হিচাপে ব্যৱহাৰ কৰি দেহৰ পুষ্টি সাধন কৰিব পাৰি।

এতিয়া কথা হ'ল, বিজ্ঞানৰ চকুত সকলোবোৰ জন্তুৰ মঙহ মানুহৰ আহাৰৰ উপযোগী হলেও গ্ৰহণযোগ্য নহব পাৰে। তথাপি জাতি-ধৰ্ম নিৰ্বিশেষে গ্ৰহণযোগ্য জন্তুৰ মাংস, গাখীৰ, মাছ, কণী আদিয়েও মানৱ জাতিৰ আৱশ্যকীয় প্ৰোটিনৰ চাহিদা পূৰাব পৰা নাই। ইয়াৰ এটা কাৰণ হিচাপে জনসংখ্যা বৃদ্ধিৰ কথা উল্লেখ কৰিব পাৰি। গতিকে বৈজ্ঞানিকসকল উঠিপৰি লাগিল— কেনেকৈ প্ৰোটিনৰ ভঁৰাল টনকিয়াল কৰিব পাৰি। ইয়াৰ এটা উপায় হিচাপে কৃত্ৰিম পদ্ধতিৰে গছ-গছনিৰ পৰা পোনে পোনে প্ৰোটিন চহকী আহাৰ উৎপন্ন কৰিলে। বজাৰত সস্তীয়া প্ৰোটিন-আহাৰৰ টিন দেখা গল—যাতে এক বৃজন সংখ্যক মানুহৰ সহজলভ্য হয়। আনকি কেইটামান কোম্পানীৰো জন্ম হ'ল। তথাপি প্ৰোটিনৰ অভাৱ পৃথিৱীৰ ঠায়ে ঠায়ে দেখা গ'ল। আমেৰিকা এখন চহকী দেশ। সেই দেশৰ অনুগ্ৰহতেই আন কিছুমান দেশ দুৰ্ভিক্ষৰ কবলৰ পৰা হাত সাৰি আছে। শুনাত আচৰিত যেন লাগিলেও আনপিনে আমেৰিকাতেই বহুতো মানুহৰ ল'ৰাছোৱালী প্ৰোটিনৰ অভাৱত ভুগিব লাগিছে। আফ্ৰিকাত আকৌ জন্ম পোৱা ল'ৰা-ছোৱালীৰ প্ৰায় আধাখিনি বয়স পাঁচ বছৰ পূৰ নহওতেই মৃত্যুমুখত পৰে। ইয়াৰ কাৰণসমূহৰ ভিতৰত পুষ্টিহীনতা অন্যতম। আনকথাত কবলৈ হ'লে প্ৰোটিনৰ অভাৱত উদ্ভৱ হোৱা বেমাৰ। গতিকে মনীষী, বৈজ্ঞানিক, খেতিয়ক, সকলো শ্ৰেণীৰ লোককে সুস্থ, সবল হবলৈ আৰু চিন্তা-চৰ্চাৰ বাবে ভিটামিন, ধাতৱলোণ, প্ৰোটিন আদিৰে পৰিপুষ্ট আহাৰৰ অতি প্ৰয়োজন। আহাৰত কেলোৰি মূল্য যিমানেই নাথাকক লাগে প্ৰোটিন-চহকী আহাৰ অপৰিহাৰ্য। অৱস্থাৰ গুৰুত্ব বুজি বৈজ্ঞানিকসকলে মাংসৰ প্ৰোটিন হিচাপে সম্প্ৰতি ম'হ (Buffalo) আৰু শহাজাতীয় প্ৰাণীৰ (Rabbit) ওপৰতো চকু দিয়া দেখা গৈছে। পৃথিৱীৰ দেশসমূহৰ ভিতৰত একমাত্ৰ অষ্ট্ৰেলিয়াতেই আহাৰ হিচাপে ম'হৰ মাংস ব্যৱহাৰ কৰে। তাত প্ৰোটিন-চহকী খাদ্য হিচাপে চৰকাৰৰ তৰফৰ পৰা ম'হৰ ওপৰত বৃহৎ আঁচনি লৈ কাৰ্যকৰী কৰাত উঠিপৰি লাগিছে। সেইদৰে বৃহদাকাৰ আঁচনিৰে আফ্ৰিকাতো প্ৰোটিন-চহকী আহাৰ হিচাপে বেবিতচ্ৰ ওপৰত পৰীক্ষা নিৰীক্ষা চলাই আছে।

আমাৰ দেশতো প্ৰোটিনৰ অভাৱ পৰিলক্ষিত হৈছে। পৃথিৱীৰ বিভিন্ন ঠাইৰ বৈজ্ঞানিকসকল একত্ৰিত হৈ জাতীয় ভিত্তিত প্ৰোটিনৰ অভাৱ পূৰাবলৈকে আঁচনিৰ পিছত আঁচনি লৈ আছে যাতে প্ৰোটিন-চহকী খাদ্য-সামগ্ৰী হিচাপে গাখীৰ, কণী, মাছ, মাংস, শাক-পাচলি, মাহ জাতীয় শস্য ইত্যাদিৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি; তথাপি বৈজ্ঞানিকসকল নিশ্চিন্ত হব পৰা নাই। কাৰণ পৃথিৱীৰ জনসংখ্যা ভয়লগা হাৰত বাঢ়ি আছে। গতিকে দহবছৰ পিছত পৃথিৱীৰ জনসংখ্যা অনুপাতে বৰ্তমানৰ আঁচনি যথেষ্ট নহবও পাৰে। সেয়ে তেওঁলোকে ভাবে দহবছৰ পিছত অনুমান কৰিব পৰা সম্ভাব্য ঘাটি পূৰাবলৈ চয়াবিন সফল হ'ব।

এইখিনিতে প্ৰশ্ন হয় জন্তুৰ মাংসৰ তুলনাত চয়াবিনৰ প্ৰোটিনৰ স্থান কোনখিনিত? শতকৰা ৪২ ভাগ

প্ৰোটিন থকা উৰ্বৰী জাতীয় শস্যৰ ভিতৰত চয়াবিন প্ৰধান। ইয়াৰ প্ৰোটিন উচ্চ-মানবিশিষ্ট আৰু আগতে উল্লেখ কৰি অহা আঠোটা এমিনো এচিদ ইয়াত পোৱা যায়। তদুপৰি এই প্ৰোটিনত যথেষ্ট পৰিমাণৰ লাইচিন্, ভিটামিন-বি-কমপ্লেক্স, থিয়ামিন, ৰাইবোফ্লেভিন আদি অত্যাৱশ্যকীয় পদাৰ্থসমূহ আছে। অৱশ্যে নিকোটিনিক্ এচিদৰ পৰিমাণ কম। মাংসতকৈ সাধাৰণতে গাখীৰৰ পৰা পোৱা প্ৰোটিন উৎকৃষ্ট। চয়াবিনৰ প্ৰোটিন আৰু গাখীৰৰ প্ৰোটিন সমপৰ্যায়ৰ। তদুপৰি গছৰ গুটি বহুদিনলৈ গুণৰ তাৰতম্য নঘটাকৈ সাঁচি থব পাৰি। এইবোৰৰ উপৰিও অতি দৰ্কাৰী কথা হ'ল একক ঠাইৰ পৰা তুলনামূলকভাৱে অধিক প্ৰোটিন পোৱাটো। এক একৰ মাটিত কৰা চয়াবিনৰ খেতিৰ পৰা প্ৰায় ২৫৪ কিলোগ্ৰাম প্ৰোটিন পোৱা যায়। কিন্তু গাখীৰৰ ক্ষেত্ৰত এক একৰ মাটিৰ ঘাঁহ গৰুক খাবলৈ দিলে মাত্ৰ ৪৮ কিলোগ্ৰাম আৰু মাংস হিচাপে এক একৰ ঘাঁহে খোৱাৰ পিছত জন্তুৱে মাত্ৰ ৩০ কিলোগ্ৰাম পৰিমাণৰ প্ৰোটিন দিব পাৰে।

ইমানবোৰ আলোচনা কৰাৰ পিছত চয়াবিন গছজোপানো কেনে অকণমান উল্লেখ কৰাটো দৰ্কাৰ হব বুলিয়েই ভাবো। গছজোপা দেখিবলৈ মাটিমাহৰ গছৰ দৰেই মাত্ৰ অলপ বেছি ওখ। গছৰ পাত, টেঁই এইবোৰ আকাৰত মাটিমাহতকৈ অলপ ডাঙৰ। আমেৰিকাত প্ৰচুৰ পৰিমাণে ইয়াৰ খেতি কৰা হয়। আমাৰ দেশতো আনকি অসমতো ইয়াৰ খেতি পৰীক্ষামূলক ভাৱে চলি আছে। চয়াবিনৰ গুটিৰ পৰা নিৰামিষ মাংসৰ উপৰিও নানাধৰণৰ মিঠাই, গাখীৰ, দৈ ইত্যাদি তৈয়াৰ কৰি যাব পাৰি।

শেষত এইখিনিকে কব পাৰি যে প্ৰোটিন-চহকী নিৰামিষ মাংস সকলোৱে কৌতূহলৰ বস্তু হোৱাৰ উপৰিও দেহৰ পুষ্টি সাধনৰ ক্ষেত্ৰত যথেষ্ট সমল যোগাব। আমাৰ মাজত থকা আমিষ নিৰামিষৰ প্ৰভেদ কিছু পৰিমাণে কমিব। কিয়নো মূলতে আমি একে মানুহ হলেও গোড়ামিৰ চূড়ান্ত নিদৰ্শন হিচাপে তৰ্ক-বিতৰ্কৰ পৰা হতাহতি, চুলিয়াচুলি হৈ কটা-কটিৰ দৃশ্যৰে যৱনিকা পেলোৱা ঘটনাও মাজে মাজে পৰিলক্ষিত নোহোৱা নহয়। সেয়ে বজাৰত নিৰামিষ মাংস ওলালেই পৰিয়ালৰ সকলোৱে মিলিজুলি আনন্দমনেৰে ব্যৱহাৰ কৰিব পাৰিব। তেতিয়া আৰু বিধবা বুঢ়ী-আইতাইও অকণমান ভটিজনীক 'খেৎ চুৱা কৰিলি" বুলি গালি-শপনি পাৰিব নেলাগিব, নাইবা বেমাৰী দেহেৰে পুহমহীয়া জাৰত কঁপি জঁপি ঠাণ্ডা পানীৰে গা ধুই শুচি হৈ আহি বিচনাত পৰি কেঁকাই থাকিবও নেলাগিব।




# সুমিত্ৰানন্দন পন্তৰ কাব্য-গ্ৰন্থ

অধ্যাপক শ্ৰীধৰ্মদেৱ তিৱাৰী

[ অধ্যাপক শ্ৰীধৰ্মদেৱ তিৱাৰী, শাস্ত্ৰী কটন কলেজৰ হিন্দী বিভাগৰ প্ৰধান অধ্যাপক। তেওঁ ১৯৩৮ চনত অসমলৈ আহে আৰু অলপ দিনৰ ভিতৰতে অসমীয়া ভাষা আয়ত্ত কৰি অসমীয়াত প্ৰবন্ধাদি লিখিবলৈ লয়। আমাৰ পত্ৰিকাৰ যোৱা সংখ্যাত অধ্যাপক তিৱাৰীৰ প্ৰবন্ধ এটি প্ৰকাশ পাইছে। অধ্যাপক তিৱাৰীয়ে মাতৃ-ভাষা হিন্দীত ভালেমান গল্প আৰু কবিতা লিখিছে। আকাশবাণী গুৱাহাটীৰ পৰাও তেওঁৰ স্বৰচিত কেইবাটিও কবিতা প্ৰচাৰিত হৈছে। বৰ্তমানে তেওঁ অসমীয়া পৌৰাণিক নাটকৰ ওপৰত শাস্ত্ৰীয় অধ্যয়ন কৰি আছে। আমি অধ্যাপক তিৱাৰীক স্বাগত জনাইছো।

—সম্পাদক, পত্ৰিকা ]

ছায়াবাদৰ সৰ্বাধিক সুকুমাৰ, প্ৰকৃতিপ্ৰেমী চিৰকুমাৰ কবি সুমিত্ৰানন্দন পন্তৰ ১৯০০ চনৰ ২০ মে তাৰিখে কূৰ্মাচলৰ অন্তৰ্গত কৌসানী গাঁৱৰ এক সুশিক্ষিত ব্ৰাহ্মণ পৰিয়ালত জন্ম হৈছিল। তেওঁৰ মাকৰ নাম সৰস্বতী আৰু পিতাকৰ নাম পণ্ডিত গঙ্গাদত্ত। তেওঁৰ জন্মৰ কেইঘণ্টমানৰ পিছতেই মাক স্বৰ্গী হয়; সেই বেদনা কবিয়ে পিছত এনেদৰে প্ৰকাশ কৰিছে।

"নিয়তিনে হী নিজ কুটিল কৰ সে সুখদ
গোদ মেৰে লাড়কী থী ছীন লী
বাল্য হী মে হোগয়ী থী লুপ্ত হা
মাতৃ অঞ্চল কী অভয় ছায়া মুঝে।" (১)

১) নিয়তিয়ে নিষ্ঠুৰ হাতেৰে মোৰ সুখদাত্ৰী মৰমী কোলা কাঢ়ি নিলে। বাল্যকালতেই মাতৃৰ আঁচলৰ অভয় ছায়া শেষ হৈ গ'ল।

মাতৃ বিয়োগৰ পিছত পিতাক আৰু আইতাকে পন্তক লালন-পালন কৰিছিল। তেওঁলোকে তেওঁৰ নাম প্ৰথমে গোঁসাই দত্ত ৰাখিছিল ; কিন্তু তেওঁ আলমোৰাত পঢ়িবলৈ যোৱাত সেই নাম সলাই সুমিত্ৰানন্দন পন্ত কৰিলে। তেওঁৰ দেউতাক কৌসানীৰ হিচাপ ৰক্ষক (Accountant) পদত আছিল আৰু লগতে তেওঁ কাঠৰ ব্যৱসায়ো কৰিছিল। কবি পন্তৰ চাৰিজন ভাই-ককাই আছিল। তেওঁ সাত বছৰ বয়সৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰিছিল। কবিৰ মনত কাব্যৰ প্ৰতি অভিৰুচি হোৱাৰ মূলতে আছিল ককায়েকৰ ‘মেঘদূত’ পাঠ, ঘৰৰ ধাৰ্মিক বাতাবৰণ আৰু ‘আলমোৰা সমাচাৰ’, ‘সৰস্বতী’ ‘বেংকেটেশ্বৰ সমাচাৰ’ আদি পত্ৰিকাৰ প্ৰভাৱ। এই অভিৰুচিয়েই লাহে লাহে সংস্কাৰ ৰূপত পৰিণত হৈ প্ৰথম ৰচনাৰ আৰম্ভণি কৰায়। ইয়াৰ উপৰিও তেওঁ ছন্দ সৃষ্টিৰ ক্ষেত্ৰত মৈথিলী শৰণ গুপ্ত আৰু হৰি ঔধৰ কাব্যৰ দ্বাৰা প্ৰভাৱান্বিত হয়। ১৯০৭ ৰ পৰা ১৯১৮ চন পৰ্যন্ত কবিৰ প্ৰাৰম্ভিক ৰচনাৰ কাল।

১৯১৮ চনত পন্ত ককায়েকৰ লগত বাৰানসীলৈ পঢ়িবলৈ আহে ; আৰু কুইন্স কলেজত ইণ্টাৰ মেডিয়েট শ্ৰেণীত ভৰ্তি হয়। তেতিয়াৰ পৰা কবিৰ জীৱনলৈ পৰিবৰ্তন আহে আৰু তেওঁৰ প্ৰকৃত কবিজীৱন আৰম্ভ হয়। ইণ্টাৰমিডিয়েট মহলাত উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ কোনো উচ্চ শিক্ষা নলৈ নিজে অধ্যয়ন আৰম্ভ কৰিলে। তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰৰ সাহিত্য আৰু ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক ধাৰা অধ্যয়ন কৰিলে। সেয়ে এই দুয়োৰে প্ৰভাৱ তেওঁৰ ওপৰত যথেষ্ট পৰিলক্ষিত হয়। সেই সময়তে কাব্য-প্ৰতিযোগিতাত ভাগ লৈ তেওঁ প্ৰচুৰ খ্যাতি লাভ কৰে। ইয়াৰ পিছত তেওঁ “সৰস্বতী” পত্ৰিকা আৰু নিজা ৰচনাৰ যোগেদি হিন্দী সাহিত্যৰ নতুন যুগৰ প্ৰবৰ্তকৰূপে প্ৰতিষ্ঠিত হয়।

কবি পন্তৰ প্ৰধান কাব্য-কৃতি সমূহ হৈছে—‘বীণা,’ ‘পল্লৱ,’ ‘গ্ৰন্থী,’ ‘গুঞ্জন,’ ‘যুগান্ত,’ ‘যুগবাণী,’ ‘গ্ৰাম্য,’ ‘স্বৰ্ণকিৰণ,’ ‘স্বৰ্ণধূলি,’ ‘যুগপথ,’ উত্তৰা, ‘অতিমা,’ ‘বাণী,’ ‘কলা ঔৰ বুঢ়া চাঁদ,’ ‘লোকায়তন,’ ‘আধুনিক কবি,’ ‘ৰশ্মিবন্ধ,’ ‘পল্লবিনী,’ আৰু ‘চিদাম্বৰা।’ ইয়াৰ ভিতৰত শেষৰ চাৰিখন কবিৰ দ্বাৰা সম্পাদিত আৰু সংগৃহীত গ্ৰন্থ। ১৯৬৯ চনত তেওঁ ‘চিদাম্বৰা’ৰ বাবে ‘জ্ঞানপীঠ’ বঁটা লাভ কৰে।

পন্তদেৱৰ সমস্ত ৰচনা অধ্যয়ন কৰিলে দেখা যায় যে কবিৰ বিচাৰধাৰা প্ৰকৃতিত আৰম্ভ হৈ মানৱ, পিছত মানৱৰ পৰা মানৱতাৰলৈ উঠিছে। যদ্যপি ‘পল্লৱ’ আৰু ‘গ্ৰন্থি’ৰ পিছতহে ‘বীণা’ৰ প্ৰকাশ হয় তথাপি ইয়াক কবিৰ প্ৰাৰম্ভিক ৰচনাহে বুলিব পাৰি, কিয়নো ইয়াত কবিৰ শৈশৱৰ আৰু প্ৰকৃতি-পূজাৰ ধ্বনি স্পষ্ট শুনিবলৈ পোৱা যায়। এই সময়ত কবিৰ ধাৰণা আছিল—

“ছোড় দ্ৰুমোঁ কী মৃদু ছায়া তোড় প্ৰকৃতি সে মায়া
বালে ; তেৰে বাল জালমেঁ কৈসে উলঝাদূঁ লোচন।(২)

২) বিৰিখৰ ছায়া আৰু প্ৰকৃতিৰ মায়া এৰি হে সুন্দৰী! তোমাৰ চুলিৰ টাৰিত কেনেকৈ মই মোৰ দৃষ্টি নিবদ্ধ ৰাখোঁ ?

ইয়াত কবিৰ নাৰীসৌন্দৰ্যৰ প্ৰতি উদাসীনতা আৰু সদায় প্ৰকৃতিৰ কোলাত খেলিবলৈ ইচ্ছা কৰা যেন লাগে। সেয়ে পন্তে নিজে স্বীকাৰ কৰিছে যে তেওঁৰ কবিতা লিখাৰ প্ৰেৰণা প্ৰকৃতিৰ পৰাই পোৱা ; সেয়ে প্ৰকৃতিৰ প্ৰতি থকা তেওঁৰ মোহ সহজেই অনুমেয়। লাহে লাহে তেওঁ বাস্তৱৰফালে দৃষ্টি নিক্ষেপ কৰিলে আৰু এদিন এগৰাকী নাৰীৰ লগত পৰিচয় হয়। তেওঁৰ স্পৰ্শত কবি ঝংকৃত হৈ উঠিল আৰু প্ৰণয়-পথত খোজ পেলালে। পিছত ক্ৰূৰ সমাজৰ দংশনত তেওঁ আহত হয়। চাওঁতে চাওঁতে সেই প্ৰেমাস্পদৰ বিয়া হৈ যায়। সেই ঘটনাই কবিৰ মনত এটা গভীৰ ছাঁ পেলালে। ‘গ্ৰন্থী’ খণ্ডকাব্যখনৰ পৃষ্ঠভূমি এয়ে ; য’ত কবিৰ বিৰহ স্পষ্ট হৈ পৰিছে। তেওঁ অনুভৱ কৰিলে যে সংসাৰত বেদনাই শাশ্বত নিধি—



“বেদনাকে হী সুৰীলে হাথ সে
হৈ বনা যহ বিশ্ব ইসকা পৰম্পদ
বেদনা কা হী স্বতন্ত্ৰ বিনোদ হৈ।
বেদনা সে হী নিৰাপদ ক্যা অহা।
ঔৰ কোঈ শৰণ হৈ সংসাৰ মেঁ।
নিষ্কপট সাম্ৰাজ্য হৈ ক্যা স্বৰ্গ কা ?” (৩)

৩) বিশ্বৰ পৰম্পদ বেদনাৰ সুৰীয়া হাতেৰেই সৃষ্ট হৈছে। বেদনাৰ নিজস্ব আনন্দ আছে। বেদনাতকৈ কোনো নিৰাপদ বস্তু নাই; আৰু ইয়াৰ বাহিৰে সংসাৰত কোনো আশ্ৰয় স্থল নাই। স্বৰ্গৰ সাম্ৰাজ্যও বেদনা ৰহিত নহয়।

‘পল্লৱ’ৰ প্ৰকাশৰ লগে লগে কবিৰ মানদণ্ড সমালোচকসকলৰ বাবে স্পষ্ট হৈ পৰে য’ত আমি ৰোমাণ্টিক ভাবধাৰাৰ গুণ দেখিবলৈ পাওঁ। তেওঁৰ ৰচনাত টেনিছনৰ স্বৰসাধনা, ছেলীৰ কল্পনা, কীট্ছৰ মাদকতা আৰু ৱৰ্ডছ্ৱৰ্থৰ প্ৰকৃতিত প্ৰেমৰ প্ৰভাৱ পৰিলক্ষিত হয়। সমালোচকসকলে ‘পল্লৱ’ক ছায়াবাদ যুগৰ ‘মেনিফেষ্টো’ (Manifesto) আখ্যা দিয়ে। ইয়াৰ ‘উচ্ছ্বাস’ আৰু ‘আঁসু’ কবিতা দুটা কবিৰ প্ৰেমবিৰহজনিত আত্মানুভূতিৰ পৰিচায়ক। ‘মন নিমন্ত্ৰণ’, ‘বাদল’ আদি প্ৰকৃতি বিষয়ক কবিতা। ‘পৰিবৰ্তন’ কবিতাটিয়ে যুগৰ পৰিবৰ্তন তথা নিষ্ঠুৰ সত্যক উদ্ঘাটিত কৰা সকলো হিন্দী ৰচনাৰ ভিতৰত বিশেষ স্থান লাভ কৰিছে। কবিয়ে ভাৰতীয় দৰ্শনৰ ফালে ঢাল খোৱা দেখা গৈছে—

অচিৰতা দেখ জগতকী আপ
শূন্য ভৰতা সমীৰ নিঃশ্বাস
ডোলতা পত্ৰোপৰ চুপচাপ
ওসকে আঁসু নীলাকাশ
সিসক উঠতা সমূদ্ৰকা মন
সিহৰ উঠতে উডুগণ।” ৪ (৪)

৪) জগতৰ অসাৰতা দেখি সমীৰণে দীঘল নিশ্বাসেৰে শূন্য আকাশ ভৰাই তুলিলে, নীল আকাশৰ চকুলো মনে মনে পাতৰ ওপৰত পৰি ওলমি থাকিল, সমুদ্ৰই উচুপিলে আৰু নক্ষত্ৰসমূহ সিহৰি উঠিল।

সূৰ্যকান্ত ত্ৰিপাঠী ‘নিৰালা’ দেৱে “পন্ত ঔৰ পল্লৱ” নামৰ আলোচনা-গ্ৰন্থত লিখিছে—“পৰিবৰ্তনক নিঃসন্দেহে যিকোনো ডাঙৰ কবিৰ লগত তুলনা কৰিব পাৰি।” আমি ভাবোঁ যে কেৱল তুলনাই নহয় ই শ্ৰেষ্ঠতাৰো দাবী কৰিব পাৰে।

‘পল্লৱ’ত কবিৰ দোদোল্যমান মানসিক অৱস্থা ‘গুঞ্জন’ত একেবাৰে সংযত আৰু গম্ভীৰ হৈ পৰিল। এই ‘গুঞ্জন’ কবিৰ অন্মাৰ গুঞ্জন। সেয়ে যৌৱনৰ উন্মাদ আবেগৰ পৃষ্ঠভূমি শেষ হৈ চিন্তন মননৰ পৃষ্ঠভূমি আৰম্ভ হয়। কোনো কোনো সমালোচকে এই ‘গুঞ্জন’ক ‘ছায়াবাদৰ গীতা’ আখ্যা দিয়ে। কবিৰ বিচাৰধাৰা ব্যাপক হৈ পৰিল। তেওঁ ইয়াত সুকঠিন কামৰ বাবে মনক দৃঢ় কৰিছে :

“ওপৰে মধুৰ মধুৰ মন
বিশ্ব বেদনামেঁ তপ প্ৰতিপল
জগ জীৱন কী জালমেঁ গল
বন অকলুষ উজ্জ্বল ঔ’ কোমল।” (৫)

৫) বিশ্বৰ বেদনাত, হে মধুৰ মন ! তুমি প্ৰতিপলে তাপিত হোৱা। পাৰ্থিৱ জীৱনৰ জালত গলি অকলুষ, উজ্জ্বল আৰু কোমল হোৱা !

কবিৰ মত এয়ে যে জন্ম-জৰা-মৃত্যুযুক্ত জীৱনৰ বিকাশক্ৰম বৰ সুন্দৰ :—

সুন্দৰ মৃদু মৃদু ৰজ কা তন
চিৰ সুন্দৰ সুখ দুখ কা মন
. . . .
সুন্দৰ জীৱনকা ক্ৰমৰে
সুন্দৰ সুন্দৰ জগ জীৱন। (৬)

৬) সুন্দৰ শৰীৰ মৃত্ ধূলিৰ সৃষ্টি আৰু চিৰসুন্দৰ মন হৈছে সুখ-দুখৰ মিশ্ৰণ।

•• •• ••

জীৱনৰ গমনাগমনক্ৰম সুন্দৰ আৰু পাৰ্থিৱ-জীৱন অতি সুন্দৰ।

'যুগান্ত' কবিৰ চিন্তাপ্ৰধান কাব্য। ইয়াত কবিয়ে স্বপ্নলোকৰ পৰা বাহিৰলৈ দৃষ্টি নিক্ষেপ কৰিছে আৰু বাস্তৱৰ পৰিধি অৱলোকন কৰিছে। তেতিয়া কবিয়ে বুজিব পাৰিছিল যে অতীতকাল সমাপ্ত হৈছে আৰু নতুন যুগৰ সূচনা হৈছে। 'দিনকৰ' দেৱৰ ভাষাত— "যুগান্তই ইতিহাসৰ এটা যুগ শেষ হোৱাৰ সংকেত দিয়া নাই; কিন্তু কবিৰ জীৱনৰ যুগান্ত অৱশ্যে সূচনা কৰিছে, কিয়নো ইয়ে এখন কাব্য য'ত কবিৰ দৃষ্টি-ভঙ্গী পোন প্ৰথমে স্বপ্নৰাজ্যৰ পৰা ওলাই আহি বাস্তৱলোকত প্ৰৱেশ কৰিছে।" ইয়াত জ্ঞানবিচাৰৰ নতুন তথ্য তথা জীৱনদৰ্শনৰ উপলব্ধি হৈছে। এই কাৰণেই কবিয়ে "দ্ৰুত ঝৰো জগতকে জীৰ্ণ পত্ৰ" নামৰ কবিতাত প্ৰকৃতৰ নিৰ্মাণ আৰু ধ্বংসৰ দ্বন্দ্বাত্মক দৰ্শন বুজাবলৈ সমৰ্থ হৈছে।

'যুগবাণীত প্ৰকৃতি গৌণ হ'ল আৰু মানৱৰ স্থান মুখ্য হ'ল। এতিয়া কবি গান্ধীবাদৰ লগতে মাৰ্ক্সবাদৰ দ্বাৰা প্ৰভাবান্বিত হ'ল। তেওঁ স্বীকাৰ কৰিছে, "মই যুগবাণীত মধ্যযুগৰ সংকীৰ্ণ নৈতিকতাৰ ঘোৰ খণ্ডন কৰিছোঁ। জনতাৰ মনত যি অন্ধবিশ্বাস আৰু মৃত আদৰ্শৰ প্ৰতি যি মোহ হৈছে তাক ত্যাগ কৰিবলৈ নৱ-জাগৰণৰ বাতৰি দিছোঁ।" এই গ্ৰন্থত কবিয়ে শোষণ, অন্ধবিশ্বাস আৰু পৰম্পৰা-বাদিতাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে। কিন্তু গান্ধীবাদক পাহৰি যোৱা নাই। এইটো কব লাগিব যে ইয়াত গান্ধীবাদ আৰু মাৰ্ক্সবাদক সুসংবদ্ধভাৱে উপস্থাপিত কৰা হৈছে।

অন্তৰ্মুখ অদ্বৈত পৰাগা
যুগ যুগসে নিষ্ক্ৰিয়, নিষ্প্ৰাণ,
জগমে উসে প্ৰতিষ্ঠিত কৰণে
দিয়া সাম্যনে বস্তু বিধান।

গান্ধীবাদ জগতমে আয়া, লে মানৱতা কী নৱমান
সত্য অহিংসাসে মনুজোচিত নব সংস্কৃতি কৰণে
নিৰ্মাণ।
গান্ধীবাদ হমে জীৱনপৰ দেতা অন্তৰ্গত বিশ্বাস
মানৱকী নিঃসীম শক্তিকো মিলতা উসমে চিৰ
আভাস।" (৭)

৭) যুগ যুগ ধৰি নিষ্ক্ৰিয়, নিষ্প্ৰাণ হৈ থকা অদ্বৈত-বাদক জগতত প্ৰতিষ্ঠা কৰিবৰ বাবে সাম্যবাদে বাস্তৱিক ৰূপ দিলে।

সত্য অহিংসাৰ দ্বাৰা মানৱোচিত নতুন সংস্কৃতি দিবৰ বাবে মানৱতাৰ নৱ-মৰ্যদা লৈ গান্ধীবাদ আহিল। গান্ধীবাদে আমাক জীৱনৰ ওপৰত আন্তৰিক বিশ্বাস জন্মায় আৰু তাত মানৱৰ অসীম শক্তিৰ আভাস দিয়ে।

'গ্ৰামাৰ' কবিতাসমূহত কবিয়ে গাঁৱলীয়া জীৱন ওচৰৰ পৰা চাবলৈ চেষ্টা কৰিছে। গঙ্গা সংস্কৃতি আৰু গাঁৱৰ সৌন্দৰ্যৰ লগতে গঙ্গা-ৰাইজৰ প্ৰেম-বিৰহৰ যি চিত্ৰ কবিয়ে আঁকিছে সি সচাঁকৈ বৰ সুন্দৰ তথা আকৰ্ষণীয়। 'স্বৰ্ণকিৰণ' আৰু 'স্বৰ্ণধূলি'ত কবি ঊৰ্ধচেতনাবাদী হৈ পৰিছে। ইয়াত প্ৰকৃতি প্ৰতীক ৰূপত আহি বিশ্বচেতনাৰ লগত সম্পৰ্ক স্থাপন কৰিছে তথা কবিৰ ভাৱধাৰাত সম্পূৰ্ণৰূপে দাৰ্শনিক ভাৱধাৰা আনি দিছে। সমষ্টিৰ মাজত অনুৰাগাত্মক একতা নাথাকিলে কবিয়ে জীৱনক অপূৰ্ণ বুলি ভাবে। তেওঁ সমস্ত মানৱ জীৱনৰ আকাঙ্ক্ষা এক হৈ যোৱাৰ সপোন দেখে।

"বিন্দু সিন্ধু? বুঁদোকা বাৰিধি
বুঁদোঁপৰ অৱলম্বিত
ব্যক্তি সমাজ? ব্যক্তি সে বহতা
অখিল উদধি অন্তৰ্হিত। (৮)



৮) বিন্দুতে সিন্ধু? কণিকাৰ সমুদ্ৰ
কণিকাসমূহৰ ওপৰতে নিৰ্ভৰশীল।
ব্যক্তিয়েই সমাজ। ব্যক্তিৰ মাজতে
অখিল সমুদ্ৰও অন্তৰ্হিত আছে।

'যুগপথ' গ্ৰন্থত কবিয়ে মহাত্মা গান্ধী, অৰবিন্দ, ৰবীন্দ্ৰনাথ, অৱনীন্দ্ৰনাথ ঠাকুৰ প্ৰভৃতিৰ স্তুতি ৰচনা কৰিছে। মহাত্মাৰ মহান ব্যক্তিত্ব আৰু কৃতিত্ব তেওঁ যোল্লটা কবিতাৰ মাজেদি প্ৰকাশ কৰিছে। তাত তেওঁ নিজৰ কলা-কৌশল প্ৰদৰ্শন কৰাৰ লগে লগে মহাত্মাৰ জীৱনদানত অভিনৱ জীৱন-কল্পৰ কল্পনা কৰি অপৰাজিত অহিংসাৰ জ্যোতিৰ্ময়ী প্ৰতিমা নিৰ্মাণ কৰিছে।

'উত্তৰা'ৰ মূল আধাৰ হৈছে ঋষি অৰবিন্দৰ দৰ্শন। অন্য ভাষাত আমি কব পাৰোঁ যে কবিয়ে ইয়াত 'স্বৰ্ণ কিৰণ' আৰু 'স্বৰ্ণধূলি'ৰ ভাৱধাৰাকে অভিব্যক্তিত কৰি ব্যাপক সুস্পষ্ট তথা পৰিমাৰ্জিত ৰূপত উপস্থাপন কৰিছে। ইয়াত কবিৰ মন তৰ্কবাদ এৰি ক্ৰান্তদৰ্শী হৈছে। ইয়েই নৱজীৱনৰ উদ্বোধক হৈ পৰিছে।

"স্বপ্নভাৰসে মেৰে কন্ধে
ঝুক ঝুক পৰতে ভূপৰ।
ক্লান্ত ভাৱনাকে পগ ডগমগ
× × ×
লিপতা ধৰা শিখৰপৰ উজ্জ্বল
নীচে ছায়াকে ঘাটীমেঁ
জগতা ক্ৰন্দন মৰ্মৰ।" (৯)

৯) স্বপ্নৰ দ্বাৰা ভাৰাক্ৰান্তহৈ মোৰ কান্ধ পৃথিবীৰ কালে হালি পৰিছে। ক্লান্ত ভাৱনাৰে ভৰি থলং পলং কৰি উঠিছে।

• • •

পৃথিবীৰ শিখৰৰ ওপৰত উজ্জ্বলতা বিয়পিছে আৰু তলৰ সমভূমিৰ ছায়াত ক্ৰন্দনৰ মৰ্মৰ ধ্বনি উঠিছে।


'অতিমা'ত কবিয়ে' 'স্বৰ্ণকিৰণ' আৰু 'স্বৰ্ণধূলি'ৰ বিচাৰ-ধাৰাকে প্ৰবাহিত কৰিছে। কবিৰ 'উত্তৰোত্তৰ 'বায়বীয়' হৈছে।

'বাণী' তথা 'কলা ঔৰ বুঢ়া চাঁদ'ত কবিয়ে প্ৰকৃতি মাধ্যমেৰে মানৱ যুগৰ ভবিষ্যত চিন্তা কৰিছে। এফালেদি 'ঝৰ্ণা' কবিতাটিত কঠোৰ নিৰৰ্থক জীৱনৰ পৰা অব্যাহতি পাবলৈ আশা জাগৰিত কৰিছে আৰু আনফালেদি 'হিমালয়' কবিতাটিত জীৱনৰ গৌৰৱত শিৰ উচ্চ কৰি ৰাখিবলৈ মহামন্ত্ৰ দিছে। হিমালয়ে সদায় মহত্ব আৰু বিজয় শীলতাৰ পাঠ আমাৰ আগত দাঙি ধৰে। এই মহান পৰ্বতটোৰ লগত কবিয়ে একাত্মবোধ অনুভৱ কৰিছে।

"প্ৰিয় হিমাদ্ৰি তুমকো হিমকণসে
ঘেৰে মেৰে জীৱন কে ক্ষণ।
মুগ্ধ অঞ্চলবাসীকো তুমনে
শৈশব মেঁ আশা দী পাৱন,
নভ মেঁ নয়নোঁ কো থো, তবসে
স্বপ্নো কা অভিলাসী জীৱন। (১০)

১০) হে প্ৰিয় হিমাদ্ৰি, তোমাৰ নিয়ৰকণাই মোৰ জীৱন আগুৰি আছে। তোমাৰ ওচৰত থাকোঁতে মোৰ শৈশৱকালত পবিত্ৰ আশা প্ৰদান কৰিছিলা; তেতিয়াৰ পৰা মোৰ দৃষ্টি আকাশৰ ওপৰত নিবিষ্ট হ'ল আৰু জীৱন স্বপ্নাকাংক্ষী হ'ল।

'লোকায়তন' কবি পন্তৰ একমাত্ৰ মহাকাব্য। ই দুই ভাগত বিভক্ত আৰু আধুনিক যুগৰ বৃহৎ কায় মহাকাব্য। প্ৰথম ভাগক আকৌ চাৰিভাগ আৰু দ্বিতীয় ভাগক তিনিটি উপভাগত তলত দিয়া ধৰণে ভাগ কৰা হৈছে—




এই গ্ৰন্থক কবিয়ে 'লোকজীৱনৰ মহাকাব্য বুলি কৈছে। ১৯৬৫ চনত "ছোভিয়েট ভাৰত মৈত্ৰী সম্বৰ্ধনা নিধি'ৰ পৰা তেওঁৰ প্ৰথম সাহিত্যিক পুৰস্কাৰ ব্যৱস্থা কৰা হয়।

'লোকায়তন'ৰ নায়ক বংশী। এই 'বংশী'ৰ চৰিত্ৰৰ লগত ড. সত্যকাম বৰ্মাই জৱহৰলাল নেহৰুৰ ব্যক্তিত্ব আৰু কৃতিত্ব তুলনা কৰিছে। ড. বৰ্মাৰ মত কিছু পৰিমাণে সত্য বুলিব পাৰি। এই গ্ৰন্থতো গান্ধীবাদৰ বিচাৰধাৰা পৰিলক্ষিত হয়।

> 'নৱযুগকে প্ৰথম পুৰুষ তুম্,
> গতযুগকে অন্তিম মানৱ।
> জীৱন বিকাস ক্ৰম তুমসে
> নৰপৰসে ভূপৰ সম্ভৱ।" (১১)

১১) তুমি নৱযুগৰ প্ৰথম আৰু বিগত যুগৰ শেষ মানৱ। পৃথিৱীত তোমাৰ দ্বাৰাই নৱজীৱনৰ সম্ভৱ হ'ল।

স্বাধীনতা-সংগ্ৰাম আৰু সত্যাগ্ৰহ আন্দোলন চলিল আৰু ভাৰত স্বাধীন হ'ল। লগে লগে ভাৰতবৰ্ষ দুভাগত বিভক্ত হ'ল। এইবোৰ দেখি কবিৰ অন্তৰ ভাগি পৰিল। চাৰিওফালে হাহাকাৰ, অজ্ঞানতা আৰু দাৰিদ্ৰতা বিদ্যমান হ'ল। দেশৰ এই পৰিস্থিতি দেখি 'বংশী'ৰ অন্তৰো বিষাদগ্ৰস্ত হ'ল।

বংশী সততে নতুন ব্যৱস্থাৰ অনুসন্ধানত যত্নশীল আছিল। 'মেৰী'য়ে আন্তঃৰাষ্ট্ৰীয় বিচাৰধাৰা প্ৰতিপাদিত কৰিছিল। 'বংশী'ৰ লগত তেওঁ বিশ্বভ্ৰমণ কৰি ভাৰতলৈ ঘূৰি আহি হিমালয়ত 'প্ৰেম আৰু বন্ধুত্বৰ নিকেতন' প্ৰতিষ্ঠা কৰিছিল য'ত অখিল বিশ্বৰ জনজীৱনে সত্য তথা অৰ্থৰ জিলিঙনি দেখিবলৈ পালে। লগে লগে সম্পূৰ্ণ মানৱতাৰ সাংস্কৃতিক তত্বৰ সম্মিলিত ৰূপ প্ৰকাশ হ'ল। ইয়াৰ পৰাই কবিৰ ভাৰত ঊৰ্দ্ধগামী স্ৰোতস্বিনী প্ৰবাহিত হবলৈ ধৰিলে।

কবি পন্তদেৱে নিজৰ ৰচনা সমূহ আশা-নিৰাশা, আশা-জিজ্ঞাসা, দৰ্শন, আধ্যাত্মিকতা আদি ভাৱৰ লগে লগে প্ৰকৃতি, প্ৰেম, নাৰী, সৌন্দৰ্য, ব্যক্তিনিষ্ঠতা, মানবীকৰণ, লাক্ষণিকতা, প্ৰতীকাত্মকতা, সংগীতাত্মকতা ইত্যাদি বৈশিষ্ট্যৰে ভৰপূৰ কৰিছে।*

---

* প্ৰবন্ধটি যুগুত কৰোঁতে অসমীয়া ভাষাৰ বাবে অধ্যাপক শ্ৰীসুৰেন্দ্ৰমোহন মহন্তদেৱৰ সহায় পোৱা হৈছে। —লিখক।



## ইংলেণ্ডৰ ৰাজকবি চাৰ জ'ন বেটজেমেন

শ্ৰীকমলেশ্বৰ শৰ্মা

ইংলেণ্ডৰ ৰাজ কবিৰ দীঘলীয়া তালিকাখনৰ শেহতীয়া নাম—চাৰ জ'ন বেটজেমেন। যোৱা বছৰৰ ৰাজকীয় সন্মান লাভ কৰোঁতাসকলৰ ভিতৰত বেটজেমেন অন্যতম আৰু নিশ্চয় প্ৰধানতম; তেওঁক ৰাণী এলিজাবেথে ইংলণ্ডৰ চাৰিশ বছৰীয়া পুৰণি ঐতিহ্য মণ্ডিত ৰাজকবিৰ সন্মান প্ৰদান কৰিছে।

শেক্সপীয়েৰৰ সম-সাময়িক বেন জনচনে পোন প্ৰথমে এই সন্মান লাভ কৰিছিল। অৱশ্যে তেওঁক ৰাজকবি আখ্যা দিয়া হোৱা নাছিল; ১৬১৬ চনত ৰজা প্ৰথম জেমছে তেওঁক কেৱল সন্মানসূচক বৃত্তি এটাহে দিছিল। কিন্তু তাৰ পাছতো এই প্ৰথা অব্যাহত ৰখা হ'ল; আৰু সোতৰ শতিকাৰ কবি জ'ন ড্ৰাইডেনে প্ৰথম ৰাজকবি হিচাপে স্বীকৃতি লাভ কৰিলে। ড্ৰাইডেনৰ পিছত ৰাজকবিৰ আসন পুৰোৱা লোকসকল হ'ল—যথাক্ৰমে, ছেডৱেল, টাটে, ৰো, ইউছডেন, ক'লি চিবাৰ, হোৱাইট হেড, টমাচ ওৱাৰ্টন, পাই, ছাদি, ৱৰ্ডছৱাৰ্থ, আলফ্ৰেদ টেনিছন, আলফ্ৰেড অষ্টিন, ৰ্ৰাজেচ মেচ্‌ফিল্ড আৰু চাৰ জ'ন বেটজেমেন। পুৰণি ৰীতিনীতিক খামোচ মাৰি ধৰি থাকি নিজৰ জাতীয় সংস্কৃতিৰ বৈশিষ্ট্য আৰু মৰ্যদাৰ পৰিচয় দিয়া ইংৰাজ জাতিয়ে যুগ যুগ ধৰি ৰাজকবিৰ অনুষ্ঠানটোক জাতীয় অনুষ্ঠান হিচাপে মূল্য দি আহিছে আৰু এজনৰ পাছত আন এজনক ৰাজকবি হিচাপে গ্ৰহণ কৰি অনুষ্ঠানটোৰ প্ৰতি সন্মান দেখুৱাই আহিছে। বৰ্তমান সময়ত এই কৃষ্টি পৰম্পৰাৰ উত্তৰাধিকাৰীত্ব কৰিছে চাৰ জ'ন বেটজেমেনে।

৬৬ বছৰীয়া এই কবিজনে নিচেই সৰু কালৰে পৰা কাব্য-চৰ্চা কৰিছিল; আৰু কবি হোৱাৰ মহতী আশা আশৈশৱ পোষণ কৰিছিল। তেওঁ কৈছে, "মই লিখা-পঢ়া কৰিব পৰা হোৱাৰ পৰাই মনত স্থিৰ কৰিছিলোঁ যে এদিন নহয় এদিন মই কবি হৈ ওলামেই।" যোৱা অক্টোবৰ মাহৰ সামাজিক স্বীকৃতিয়ে তেওঁৰ এই আশা পূৰ্ণ কৰিলে। ওঠৰ শতিকাৰ ইংৰাজ কবি আলেকজেণ্ডাৰ পোপেও এইদৰে ঘোষণা কৰিছিল, "মোৰ অন্তৰত কবিতাৰ আগলি বতাহে সৰ্বদাই খৌকি বাখৌ লগাই থাকে।" (I lisped in numbers as the numbers came) আৰু তেওঁ ভবামতেই এই আগলি বতাহে এদিন প্ৰচণ্ড ধুমুহাৰূপে ইংৰাজী কাব্য-সাহিত্যত আত্মবিকাশ কৰিছিল; আৰু এটা নতুন যুগৰ নায়ক হিচাপে তেওঁ স্বীকৃতি লাভ কৰিছিল। অৱশ্যে তেওঁক ৰাজকবি (পয়েট-লৰেট) পতা হোৱা নাছিল। ৰাজকবি পদবীৰ ই এটা নতুন দিশ। শেক্সপীয়েৰ সলনি বেন জনচন, পোপৰ সলনি চেড্‌বেল, ক'লেৰীজৰ সলনি ছাদী, ব্ৰাউনিঙৰ সলনি টেনিচন ৰাজকবি পদত অধিষ্ঠিত হৈছিল। এই বিসঙ্গতিয়েই ৰাজনীতি। যাৰ ৰাজনীতিৰ লগত বাহি-জোৰা নাহে, যিয়ে সময়ৰ লগত সন্ধি কৰিব নোৱাৰে তেওঁ ৰাজকীয় সন্মানো লাভ কৰিব নোৱাৰে। 'পয়েট লৰেট'ৰ পৰা নবেল ল'ৰেট'লৈকে সকলো সন্মানৰ অন্তৰালত এনে এটা নিগূঢ় সত্য সোমাই আছে; কিন্তু নিষ্ঠা আৰু প্ৰতিভাৰ পৰিচয় কামতহে; সময়ৰ বিজ্ঞাপনত নহয়। সময়ৰ পাক ঘূৰণিত কেতিয়াবা বিখ্যাত আৰু কেতিয়াবা অখ্যাতলোকৰ নাম সমানে উজান ভাটি কৰে। ইতিহাসৰ তেনে কোনো পক্ষপাতিত্ব নাই; অকল প্ৰতিভাৰ পোহৰেহে সভ্যতাৰ ইতিহাস উজ্জ্বল কৰি তোলে। ৰাজকবিৰ ইতিহাসতো সময় আৰু প্ৰতিভাৰ অবিৰাঅবিৰ দৃষ্টান্ত পোৱা যায়। এনেকুৱা ৰাজকবিও পতা হৈছিল যাৰ নাম ইতিহাসৰ ফুটনোটতহে বিচাৰিব লগীয়া হয়। উদাহৰণ স্বৰূপে টেনিছনৰ পাছৰ ৰাজকবি আলফ্ৰেদ অষ্টিন "বোবা ৰাজকবি" হিচাপে পৰিচিত। আনকি তেওঁৰ সময়তে মানুহে ভাবিবলৈ বাধ্য হৈছিল যে টেনিছনৰ মৃত্যুৰ লগে লগে ইংলেণ্ডত কবিতাৰো মৃত্যু হ'ল। সুখৰ বিষয় অষ্টিনৰ

পিছৰ ৰাজকবি ৰবাৰ্ট ব্ৰীজেছে ইংৰাজসকলৰ মনৰ এই সংশয় দূৰ কৰিলে। ব্ৰীজেছৰ পিছত মেছফিল্ডেও এই পদবীৰ সন্মান অক্ষুণ্ণ ৰাখি গ'ল। আৰু সাধাৰণ ইংৰাজৰ অভিমত যে, সম্প্ৰতি বেটজেমেনক ৰাজকবি পাতি যোগ্য ব্যক্তিকে সন্মান দেখুওৱা হৈছে।

১৯৩২ চনত বেটজেমেনৰ প্ৰথম কবিতাৰ পুথি "মাউণ্ট জায়ন" (Mount Zion) প্ৰকাশ হৈ ওলাইছিল। ই তেওঁৰ কলেজীয়া জীৱনৰ লেখা; কিন্তু ইয়াতেই তেওঁৰ পৈণত হাতৰ পৰিচয় পোৱা যায়। ইয়াৰ পিছত তেওঁ পঢ়াশুনা এৰি দি সাংবাদিক হিচাপে কাম কৰিবলৈ লয়। কিন্তু সাংবাদিকৰ কামত তেওঁৰ মন নবহিল। পৈতৃক ব্যৱসায়ৰ পিনে এবাৰ মন কৰিছিল; কিন্তু ব্যৱসায়েও তেওঁক আকৰ্ষণ কৰিব নোৱাৰিলে। অন্তঃসলিলা ফল্গুৰ দৰে কাব্যপ্ৰীতি আৰু কাৰ্যচৰ্চাই তেওঁৰ অন্তঃস্থল দখল কৰি লৈছিল। সময়ে সময়ে তেওঁৰ প্ৰকাশিত কবিতাই সমাজত সমাদৰ লাভ কৰিছিল। ১৯৫৮ চনত তেওঁৰ প্ৰধান কাব্য-গ্ৰন্থ "কবিতাৰ সংগ্ৰহ" প্ৰকাশিত হয়; আৰু প্ৰকাশ হৈ ওলোৱাৰ নিচেই কম সময়ৰ ভিতৰত প্ৰায় $\frac{1}{2}$ নিযুত কিতাপ বিক্ৰী হয়। কবিতাৰ পুথি এনে সৰবৰহী হৈ উঠাৰ দৃষ্টান্ত বিৰল। বেটজেমেন জনপ্ৰিয় কবি। "চামনড্ বাই বেল" নামৰ আত্মজীৱনীমূলক কাব্যত তেওঁ শৈশৱৰ মধুৰ স্মৃতি আৰু অতীতৰ মনোৰম স্থাপত্য আৰু ভাস্কৰ্যৰ আকৰ্ষণৰ কথা সহজ সৰল অথচ নিৰ্দোষ, নিৰ্ভুল মুক্তছন্দত বৰ্ণনা কৰিছে। এয়ে কবি বেটজেমেনৰ পৰিচয়। তেওঁ পণ্ডিত নহয়, সাধক। বুদ্ধিজীৱী নহয়, বন্ধুজীৱী। তেওঁ বন্ধু-বিয়োগত লিখা বহুতো কবিতাই সুন্দৰ শোকৰ কবিতা হিচাপে (এলিজি) উচ্চ স্থান লাভ কৰিছে। ইংৰাজসকলে তেওঁক লৈ গৰ্ব কৰে; আৰু তেওঁ ইংৰাজসকলক লৈ গৌৰৱ কৰে। ইয়াৰে পৰিণতি স্বৰূপে আজি তেওঁ ইংলেণ্ডৰ ৰাজকবি।

\+ \+ \+

**'অসমৰ জনজাতি'**

অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে 'অসমৰ জনজাতি' নামৰ গ্ৰন্থখনৰ দ্বিতীয় সংস্কৰণ উলিয়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ১৯৬২ চনতে সংগৃহীত আৰু সম্পাদিত এই পুথিখনত অসম, নগাভূমি আৰু উত্তৰ-পূব সীমান্ত অঞ্চলৰ জনজাতিবোৰৰ বিৱৰণ বিভিন্ন লেখক-লেখিকাৰ সহযোগত লিখি প্ৰস্তুত কৰি অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশ কৰা হৈছিল। সম্প্ৰতি যোৱা দহ বছৰৰ ভিতৰত ঘটা বিবিধ পৰিবৰ্তনৰ পটভূমিত উক্ত পুথিখনৰ ২য় সংস্কৰণত আৱশ্যকীয় সাল-সলনিৰ বাবে লেখক-লেখিকা আৰু সুধীবৃন্দৰ পৰামৰ্শ বিচৰা হৈছে। এই বিষয়ে অহা পোন্ধৰ আগষ্টৰ ভিতৰত শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, সম্পাদক, 'অসমৰ জনজাতি,' বি-বৰুৱা কলেজ গুৱাহাটী-৭—এই ঠিকনাত লিখিতভাৱে যোগাযোগ কৰিবলৈ আহবান জনোৱা হৈছে।

# ঈশ্বৰচন্দ্ৰ বৰুৱা আৰু তেওঁৰ সাহিত্যৰ আভাস

শ্ৰীশশী শৰ্মা

অধ্যাপক ঈশ্বৰচন্দ্ৰ বৰুৱাদেৱে বৰ বেছি সাহিত্য সৃষ্টি কৰা নাছিল। আচলতে মৃত্যুৰ কিছুদিন আগলৈকে তেওঁৰ ৰচনা প্ৰকাশো হৈছিল কম। তেওঁ আছিল মুখ্যতঃ শিক্ষক আৰু নিৰ্মাতাহে। প্ৰায় এযুগ ধৰি স্কুলত শিক্ষকতা কৰাৰ পিছত পূৰা পঁচিশ বছৰ কাল নলবাৰী কলেজত শিক্ষকতা কৰে অসমীয়া বিভাগৰ মুখ্য অধ্যাপক-স্বৰূপে। নলবাৰীৰ গৰ্ডন হাইস্কুলত শিক্ষকতা কৰি থাকোঁতে স্কুলৰ আলোচনী 'নৈবেদ্য' আৰু 'আৱাহন'ত তেওঁৰ গল্প আৰু নাটক প্ৰকাশ হোৱাৰ উপৰি তেতিয়াৰ গৰ্ডন স্কুলৰ শিক্ষক আৰু সম্প্ৰতি নলবাৰী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীপ্ৰভাত চন্দ্ৰ গোস্বামীৰে সৈতে যুটীয়াভাৱে ৰচনা কৰা 'পৰিণাম' নাটকখনো তেতিয়াই প্ৰকাশ হৈছিল। নলবাৰী কলেজত কাম কৰা সুদীৰ্ঘ পঁচিশ বছৰৰ ভিতৰত কলেজ আলোচনীৰ পাতত দুটা কি তিনিটা আলোচনা আৰু শেষৰ কালে 'মন্দাকিনী', 'মণিকূট' আৰু 'আমাৰ প্ৰতিনিধি'ত কেইটামান গল্প আৰু আলোচনা প্ৰকাশ হৈছিল। মৃত্যুৰ আগে আগে তেওঁৰ দহোটা গল্পৰ আৰু পাঁচখন একাংক নাটকৰ সংকলন দুটা প্ৰকাশ কৰে নলবাৰীৰ নিৰ্মিয়মান সাংস্কৃতিক সংগ্ৰহালয়ে। তেওঁ ৰচনা কৰা প্ৰায় ডেৰকুৰি গীত, আধাকুৰিমান কবিতা, দুখন কি তিনিখন নাটক আৰু কেইবাটাও ব্যঙ্গাত্মক আৰু গধুৰ আলোচনা এতিয়াও অপ্ৰকাশিত অৱস্থাতেই আছে।

১৯১৫ চনৰ ১৯ জানুৱাৰীৰ দিনা কমাৰকুছীয়া কৃষ্ণচন্দ্ৰ বৰুৱা (উকীল)ৰ ঔৰসত মাতৃ হেমকান্তী বৰুৱানীৰ গৰ্ভত গুৱাহাটীত জন্ম লাভ কৰা শিশু ঈশ্বৰচন্দ্ৰই গুৱাহাটীতে শৈশৱ আৰু কৈশোৰ অতিবাহিত কৰি যৌৱনত কটন কলেজৰপৰাই বিজ্ঞানৰ স্নাতক হৈছিল (১৯৩৮)। পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ মহলাত অধ্যয়নৰ কাৰণে গৈ কলিকতা বিশ্ববিদ্যালয়ত ভৰ্তিও হৈছিল; কিন্তু প্ৰবেশিকা মহলাত উঠাৰ আগে আগে মাতৃক আৰু স্নাতক মহলাত উঠাৰ আগে আগে পিতৃক হেৰুৱাই বৰুৱাদেৱে অভাৱৰ তাড়নাত গাঁৱলৈ গুচি আহি পোনতে বৰথালা হাইস্কুলত আৰু পিছত নলবাৰীৰ গৰ্ডন স্কুলত শিক্ষকতা কৰিবলৈ লয়। তাতেই তেওঁ প্ৰাইভেট প্ৰাৰ্থী হিচাপে ১৯৪২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা 'আধুনিক ভাৰতীয় ভাষা' (অসমীয়া)ৰ স্নাতকোত্তৰ মহলাত উঠি এম, এ, উপাধি লাভ কৰে।

সেই সময়তে নলবাৰীত কলেজ প্ৰতিষ্ঠাৰ অনুকূলে আন্দোলন গঢ়ি উঠে আৰু বৰুৱায়ো আন্দোলনত আগ ভাগ লয়। এমুঠি শিক্ষিতলোকৰ অক্লান্ত শ্ৰমৰ ফলত ১৯৪৫ চনত নলবাৰী কলেজ প্ৰতিষ্ঠা হয়। নলবাৰী কলেজ অসমৰ ভিতৰত গাঁৱলীয়া অঞ্চলত নিৰ্মিত প্ৰথম কলেজ। ঈশ্বৰচন্দ্ৰ বৰুৱা নলবাৰী কলেজৰ

অধ্যাপকেই নহয়, তেওঁ প্ৰধান সংগঠক আৰু নিৰ্মিতা-সকলৰ ভিতৰত অন্যতম আছিল। এতিয়ালৈকে নিৰ্মিত সকলোবোৰ ঘৰ-দুৱাৰতে অধ্যাপক ঈশ্বৰচন্দ্ৰ বৰুৱাৰ মন আৰু হাতৰ ছাপ লাগি আছে। সাহিত্য-চৰ্চাৰ প্ৰতি আওকাণ কৰি, আনকি সময়ে সময়ে অধ্যয়ন আৰু অধ্যাপনাকো এলাগী কৰি কলেজৰ ঘৰ-দুৱাৰ আদি সজাতহে মনোনিবেশ কৰাৰ পৰা অনুভৱ কৰিব পাৰি কলেজখনৰ প্ৰতি তেওঁৰ কিমান আগ্ৰহ আছিল। কলেজৰ উপৰি নলবাৰীৰ নাট্যমন্দিৰ বা হৰি মন্দিৰকে ধৰি অন্যান্য ৰাজহুৱা আৰু ব্যক্তিগত মানুহৰ ঘৰ-দুৱাৰ আদি সজোৱাত ঈশ্বৰচন্দ্ৰ বৰুৱাই যি নিৰ্মাণ-কুশলতাৰ পৰিচয় দিছিল তালৈ চালে তেওঁক প্ৰযুক্তি-বিদ্যাবিদ্‌ বুলিবলৈহে মন যায়। বিজ্ঞান আৰু কলাৰ সমন্বয়ত গঢ়ি উঠা কাৰণেই বোধহয় তেওঁৰ জীৱন বাস্তৱ আৰু কল্পনাৰ নিপুণ সমাহাৰ।

তেওঁ সদায় কামৰ মাজত টাকুৰি ঘূৰা দি ঘূৰি ফুৰিছিল। তেওঁ আছিল নীৰৱ কৰ্মযোগী। আচৰিত কথা যে যোৱা ১৯৭২ চনৰ মে মাহত এই কৰ্মযোগী জনা কৰ্কট ৰোগত আক্ৰান্ত হয়। আৰু সকলো চিকিৎসা আৰু বন্ধু-বান্ধৱ, প্ৰিয়পৰিজনৰ সদিচ্ছাক কাটি কৰি থৈ যোৱা ১২ ডিচেম্বৰৰ দিনা (১৯৭২ চন) সন্ধিয়া দেহত্যাগ কৰে।

'বিচাৰ', 'জাতিস্মৰ', 'পাছে পাছে নাহিব', 'নয়া সয়ম্বৰ' আৰু 'কেৰীবালা' এই পাঁচখন একাংক নাটৰ সংকলন 'পঞ্চশৰ' যোৱা অক্টোবৰ মহত প্ৰকাশ হৈছে। লগতে প্ৰকাশ হৈছে 'বৰুৱাৰ গল্প" বোলা গল্প-সংকলনটি। অধ্যাপক ঈশ্বৰচন্দ্ৰ বৰুৱাৰ সান্নিধ্যলৈ অহা ব্যক্তি মাত্ৰেই অনুভৱ কৰিব পাৰিছিল যে তেওঁ আছিল আদৰ্শবান ব্যক্তি, সময়ে সময়ে বিদ্ৰোহী-বিপ্লৱীও। তেওঁৰ প্ৰকাশিত আৰু অপ্ৰকাশিত সকলোখিনি ৰচনাই এই কথা সমৰ্থন কৰে। নাটক পাঁচোখনেই আৰু গল্প কেইটিও কম-বেচি পৰিমাণে ব্যঙ্গাত্মক। ব্যঙ্গ-বাণেৰে সমাজ দেহৰ কদাকাৰ ৰূপটো ক্ষত-বিক্ষত কৰি, অনীতি-অনাচাৰ লোপ কৰি সুন্দৰ-সুঠাম ৰূপে সমাজ গঢ়ি তোলাই তেওঁৰ মুখ্য আদৰ্শ। নগৰীয়া কৃত্ৰিম সভ্যতাৰ তেওঁ কঠোৰ সমালোচক। অৱশ্যে তেওঁ ৰক্ষণশীলো নহয়। নগৰীয়া মানুহৰ মাজতো মহানুভৱতাৰ নিদৰ্শন তেওঁ অনুভৱ কৰে। তেওঁ গল্প 'নীলকণ্ঠ'ত নিজেই কৈছে,—"নগৰৰ কৃত্ৰিম সভ্যতাই সকলোৰে মন অন্ধ আৰু কলুষিত কৰিব পৰা নাই।" 'পণে নাৰী বিবৰ্জিতা'ৰ অধ্যাপক বৰুৱাক নাৰীবিদ্বেষী বুলিবলৈ মন যায় যদিও 'কিয় সজালে', 'নীলকণ্ঠ', 'বিশেষজ্ঞ', 'অন্বেষণ' আদিত আকৌ নাৰীৰ মহত্বপূৰ্ণ সত্তাকো তেওঁ স্বীকৃতি দিছে। নাৰীকো তেওঁ পুৰুষৰ সমানেই স্থান দিছে, পুৰুষৰ দৰেই আৱশ্যক হলে নাৰীকো কঠোৰ-ভাৱে সমালোচনাও কৰিছে। ভালকৈ বিশ্লেষণ কৰিলে তেওঁৰ ৰচনাৱলীয়ে অধ্যাপক বৰুৱাৰ সংস্কাৰহীন মানৱীয় সত্তাৰ হৈ সুন্দৰ পৰিচয় দিয়ে বুলি ক'ব পাৰি।

'অভিনৱ' দেশ স্বাধীন হোৱাৰ কিছুদিন পিছতেই ৰচিত এখন পাঁচোটা দৃশ্যৰ নাটক। অভিনয়ৰ কাৰণে হয়তো ই সিমান উপযোগীও হোৱা নাই। ই এতিয়াও অপ্ৰকাশিত অৱস্থাত। ইয়াৰ মাজেদি প্ৰকাশিত সুস্থ আদৰ্শবাদৰ কাৰণেই ই আদৰণীয়। মধুপুৰ গাওঁ শিক্ষিত আৰু আঢ়্যৱন্ত মানুহৰেই ভৰপুৰ। কিন্তু গাওঁখনৰ আলিবাটৰ অৱস্থা তেনেই শোচনীয়। বৰষুণ দিলেই ক'বো মানুহ ক'লৈকো ওলাব নোৱাৰা হয়। বাৰিষা আলি বাটতেই পানীত বুৰি ল'ৰা-ছোৱালীয়ে মৃত্যু বৰণ কৰে। অথচ গাঁৱৰ কোনো মানুহেই এই দুৰৱস্থাৰ কথা নাভাবে বা আলিবাট বন্ধোৱাৰ চেষ্টা নকৰে। এই গাঁৱৰ স্কুললৈ নতুনকৈ অহা শিক্ষক অভিনৱ শৰ্মাই কিন্তু এই দুৰৱস্থা সহিব নোৱাৰিলে। জহৰ বন্ধত এদল ছাত্ৰক লৈ গৈ তেওঁ গাঁৱৰ আলি বন্ধাত লাগিল। গোনতে গাঁৱৰ তথাকথিত মুখিয়াল সকলে বাধা জন্মালে। কিন্তু ছাত্ৰ-শিক্ষকৰ নিষ্ঠাৰ আগত সকলো বাধা আঁতৰি গ'ল—বাইজ আহি তেওঁলোকৰ লগত সহযোগ কৰিলে। আনকি প্ৰতিক্ৰিয়াশীল চিন্তাৰ



মৌজাদাৰো আহি সহযোগ কৰিবলৈ বাধ্য হ'ল। এয়ে নাটকখনৰ থুলমূল কথা। নাটকখনৰ সৌন্দৰ্য বঢ়াইছে ইয়াত সন্নিবিষ্ট কৰা—

(১) অ' মোৰ ডেকা গাভৰুৰ দল···· ···· ···

(২) অসম অসম সোণৰ অসম··· ···· ··· ···

আদি গীত কেইটাই আৰু নাচিত, মণিৰাম প্ৰভৃতিৰ আবৃত্তি কেইটাই। 'দেশ বিচাৰৰ গীত' বুলি সন্নিবিষ্ট কৰা ব্যঙ্গাত্মক গীত কেইটায়ো নাটকখনৰ আকৰ্ষণ বঢ়োৱাত সহায় কৰিছে।

অধ্যাপক ঈশ্বৰচন্দ্ৰ বৰুৱা সততে সবল আশাবাদীও আছিল। মাধ্যমিক স্কুলৰ অষ্টমমান শ্ৰেণীত পঢ়া দিনৰেপৰা তেওঁ গীত আৰু কবিতা ৰচিছিল। তেতিয়াৰ পৰা মৃত্যুৰ আগলৈকে ৰচিত প্ৰায়ভাগ ৰচনাৰ মাজেদি ই মূৰ্ত হৈ উঠা আমি অনুভৱ কৰোঁ।

১৯৩০।৩১ চনত সৰ্বো ভাৰতব্যাপি স্বাধীনতা আন্দোলন গঢ় লৈ উঠিছিল। তেতিয়া ঈশ্বৰ চন্দ্ৰ বৰুৱা আছিল ৮ ম মান শ্ৰেণীৰ ছাত্ৰ। তেতিয়াই ৰচিত গীতৰ মাজেদিও তেওঁৰ আশাবাদী মন আৰু দেশাত্মবোধৰ সুন্দৰ বিকাশ ঘটিছে। তেওঁ লেখিছে,—

আজি দুখুনী মাতৃৰ
মুক্তি পূজাৰ আৱাহন
কৰা কৰা, সাজা সবে,
হোৱা এবে আগুৱান।
নিদ্ৰালস ভাৰতবাসী
উঠা, উঠা, এইবাৰ,
পৰাধীনা ভাৰত মাতৃক
কৰা, কৰা উদ্ধাৰ।
অহিংস মন্ত্ৰত দীক্ষিত হৈ
আহা সবে আগুৱাই,
নকৰি শংকা, ভয় ভাবনা
যোগ দিয়া সবে ভাই।
মুক্তিৰ পথ মুকলি হ'ব
নাই তাত কোনো শংকা
ভাৰত তেতিয়া স্বাধীন হ'ব
স্বাধীনতাৰ বাজিব ডংকা।

(২৬-১১-৩১)

গীতটোই সেই সময়ৰ কিশোৰ ঈশ্বৰচন্দ্ৰ বৰুৱাৰ কল্পনা-প্ৰৱণ আশাবাদী মনৰেই যে স্বৰূপ দাঙি ধৰিছে এয়ে নহয়, ইয়াৰ মাজেদি সেই সময়ৰ ভাৰতৰ স্বাধীনতা আন্দোলন আৰু স্বাধীনতা কামী মুক্তি-যুঁজাৰু ভাৰতীয় সকলৰ মনৰো উত্তম পৰিচয় দিবলৈ সমৰ্থ হৈছে। সদৃশ ভাৱৰ গীত তেওঁ কেবাটাও ৰচনা কৰিছে। এই গীতবোৰে তেওঁৰ সম্ভাৱনাপূৰ্ণ কবি-মানসৰো পৰিচয় দিব পাৰিছিল।

দেশ স্বাধীন হোৱাৰ সময়ত তেওঁ ৰচনা কৰিছিল 'অ' মোৰ ডেকা-গাভৰুৰ দল···' গীতটো। আমাৰ মনত আছে যে '৪৭ চনৰ ১৫ আগষ্টৰ দিনা গোন প্ৰথম ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পিছত নলবাৰীত যিটো অভূতপূৰ্ব সমদল ওলাইছিল, তাত গৰ্ডন স্কুলৰ ছাত্ৰসকলে এই গীতটো পৰম উল্লাহেৰে গাই গাই সমগ্ৰ নলবাৰী নগৰ উথল-মাথল লগাইছিল। এই গীতৰ সুৰ দিছিল অধ্যাপক বৰুৱাই নিজে আৰু সমদলত ছাত্ৰ-সকলৰ লগে লগে থাকি তেওঁ উৎসাহ-অনুপ্ৰেৰণাও যোগাইছিল।

অধ্যাপক বৰুৱাক অতি সাহসী বা বিপ্লৱী আছিল বুলি কোৱা টান। কিন্তু সাহসী আৰু বিপ্লৱীৰ প্ৰতি আছিল তেওঁৰ অকুণ্ঠ শ্ৰদ্ধা। তেওঁৰ এই ৰূপটোও আমি কৈশোৰৰে পৰা অনুভৱ কৰোঁ। ১৯৩২ চনতে ৰচনা কৰা এটা গীত,—

কল্যাণ মোৰ কাম্য নহয়
কাম্য মোৰ স্বাধীনতা।
অসম আজি সুপ্তি মগন
প্ৰকাশে তাৰ হীনতা ॥
প্ৰতাপে যেতিয়া কৰিলে চিতোৰ
জনমানৱহীন অৰইণ।
নাছিল তেতিয়া মেৱাৰত আৰু

তাতকৈ অকইলাণৰ চিন ॥
(আজি) হাজাৰ কল্যাণে নোৱাৰে জুখিব
চিত্তোৰৰ সেই অকইলাণ।
ভাৰত ইতিহাস মুখৰিত হ'ল
গাই প্ৰতাপৰ মহিমা গান ॥

ইয়াৰ কিছুদিন পিছত ৰচিত আন দুটা গীতৰ মাজেদি ঈশ্বৰচন্দ্ৰ বৰুৱাৰ বিদ্ৰোহী-বিপ্লৱী মনৰো চিনাকি পোৱা যায়। এটা গীতত গাইছে,—

মই অহা নাই ভোগ বিলাসীৰ মন যোগাবলৈ ;
মই অহা নাই দুখ-প্ৰয়াসীক আশা দিবলৈ।
মই ভাঙি দিম ভোগৰে মোহ ভোগ বিলাসীৰ;
মই ছিঙি দিম সুখৰ আশা সুখ-প্ৰয়াসীৰ।
মই জগাই দিম হিয়াই হিয়াই তীব্ৰব্যথা
পৰাধীনতাৰ ;
মই বোৱাই দিম তপ্ত ৰক্ত সিৰাই সিৰাই
বিদ্ৰোহিতাৰ।
মই আঁকি দিম সুপ্ত মনত স্বাধীনতাৰ ৰঙীণ আশা;
মই আজি দিম চিৰ লাঞ্ছিত চিৰ বঞ্চিতৰ মুখত
ভাষা।

পিছৰটো গীতৰ মাজেদিও প্ৰায় একে সুৰ, ভাব আৰু ভাষা অনুভৱ কৰা যায়। তেওঁ গাইছে,—

নিজৰ খ্যাতিৰ হকে
আই তোক পূজিবলৈ খোজা নাই মই ;
দিয়া শক্তি, দিয়া সাহ
অসমক পাৰোঁ যেন জগোৱাব মই।
মোৰ ভাষা-হীন বীণ
তোমাৰ আশিস্ পাই বাগ্‌দেৱী আই ;
বিপ্লৱ ৰাগিণী তুলি
জাগৰণ গীত গাই অসম জগায়।

এই গীতৰ মাজেদি প্ৰকাশিত ভাৱ বাস্তৱত ৰূপায়িত কৰাৰ শক্তি আৰু সাহস হয়তো তেওঁ বাস্তৱত গোটাৰ পৰা নাছিল ; কিন্তু তেওঁৰ অন্তৰত যে এনে ভাব সততে হো হোৱাই বৈ আছিল, তাক হলে অনুভৱ কৰিব পাৰি। অন্তৰত আঘাত লাগিলেই ই গীত, কবিতা, নাটক, গল্প বা ব্যঙ্গাত্মক ৰচনাৰ মাধ্যমত প্ৰকাশ পাইছিল। আন বহুতৰ দৰে ঈশ্বৰচন্দ্ৰ বৰুৱাৰো বিশ্বাস আছিল যে স্বাধীনতা লাভৰ লগে লগে দেশৰ অপূৰ্ব বিকাশ হ'ব, দুখ-কষ্ট, লাঞ্ছনা-গঞ্জনা, শাসন-শোষণ চিৰ দিনৰ কাৰণে বিলোপ হ'ব। কিন্তু স্বাধীনতাৰ পিছত দেশত যেতিয়া তাৰ সম্পূৰ্ণ বিপৰীতমুখী পৰিস্থিতিৰহে উদ্ভৱ হ'ল, দৰিদ্ৰ বেছি দৰিদ্ৰ হ'ল; অত্যাচাৰ, অনাচাৰ, উৎপীড়ন বাঢ়িল, জাতিৰ মান মৰ্যাদা হানি কৰি হলেও নেতৃত্ব ভোগ-বিলাসত মত্ত হ'ল, তেতিয়া তেওঁ সহিব নোৱাৰিলে ; গীত-কবিতা, নাটক-গল্প ৰচনা কৰি এনে পৰিস্থিতিৰ তীব্ৰ বিৰোধিতা কৰিলে। অলস-অজ্ঞানে ঢাকি ধৰা জনতা আৰু নেতৃত্বক তেওঁ গীত ৰচি জনাই দিব বিচাৰিলে,—

সাগৰ সংকাশ শতপুখুৰী দৌল মন্দিৰ গোঁহাই
কমল আলি।
নিশাত ৰচে শিলৰে বাট, মোৰ অসমত যোঁদেও
বান্ধে আলি ॥

লগতে অসমৰ বীৰ গাঁথা, সাহসিকতা, শংকৰ-মাধৱ-কন্দলি প্ৰভৃতিৰ সাহিত্য-কৃতিৰ কথা সোঁৱৰাই দি তেওঁ নতুন পুৰুষক পুৰণিৰ স্মৃতিৰে উদ্ধুদ্ধ কৰিব বিচাৰি "হিয়াৰ সমল সাহস আমাৰ বাহুত আছে বল" বুলি কৈ নতুন অসম তথা ভাৰত গঢ়াত হাতে-কামে ব্ৰতী কৰিবলৈহে বিচাৰে।

আকাল আহকাল এতিয়াও আমাৰ মাজৰপৰা তিৰোহিত হোৱা নাই। কিন্তু ৬৬-৬৭ চনতকৈ অকমাণ সকাহ পোৱা যেন অনুমান হয়। তেতিয়া মাকিন বা ছোভিয়েত প্ৰভৃতি দেশৰ পৰা অহা ঘেহুৰ প্ৰতি সতৃষ্ণ নয়নে চাই থাকিব লগীয়া অৱস্থাৰ সৃষ্টি হৈছিল। সস্তীয়া আটা বা চাউল বিতৰণ কৰা দোকানৰ আগত আধা



মাইল দীঘল 'কিউ' কৰি ঘণ্টাৰ পিছত ঘণ্টা জুৰি একিলো-গ্ৰাম চাউল বা আধা কিলোগ্ৰাম আটাৰ কাৰণে পৰ দিব লগা অৱস্থাৰ সৃষ্টি হৈছিল। গল্প 'অভিমান' বা নাটক 'পাছে পাছে নাহিব' আদিত এই পৰিস্থিতি তেওঁ সুন্দৰকৈ প্ৰকাশ কৰিব পাৰিছে।

এই সময়তে '৬৬ চনৰ মাৰ্চৰ শেষত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে আমেৰিকা ভ্ৰমণ কৰিছিল। 'নিউজ উইক' বোলা আলোচনীখনে প্ৰধান মন্ত্ৰীৰ আমেৰিকা ভ্ৰমণৰ আলোচনা প্ৰচাৰ কৰি লেখিছিল, "জুৱেল ব্ৰাইট চিক্কশাৰী" পৰিহিতা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে মুখৰ গুলপীয়া হাঁহিৰে ওৱাছিংটন ভ্ৰমণ কালত সকলোকে মুগ্ধ কৰা বুলি ৬।৪।৬৬ তাৰিখৰ 'আসাম ট্ৰিবিউন' কাকতে এই বাতৰি পুনৰ পৰিৱেশন কৰাত ঈশ্বৰচন্দ্ৰ বৰুৱাই 'নালাগেনে লাজ' বুলি গৰ্জি উঠি লেখিলে,—

নালাগেনে লাজ ?
হাতত আছে ভিক্ষা-পাত্ৰ দেহত দেখোঁ 'জুৱেল ব্ৰাইট'
শাৰী।
ভাৰতৰ প্ৰতিনিধি আজি দেশে দেশে ঘূৰে অন্ন ভিক্ষামাগি।
বাপুজীও আছিল এদিন ভাৰতৰ প্ৰতিনিধি ;
অন্নহীন বস্ত্ৰহীন জনতাৰ আছিল প্ৰতীক তেওঁ ;
ভিক্ষা পাত্ৰ নাছিল হাতত।
দেশে দেশে ভাৰতৰ প্ৰতিনিধিবোৰে
বিলাসৰ প্ৰতিযোগিতাত ফুৰে ফেৰ মাৰি,
নকৰে অকণো লাজ।
অৰ্ধাহাৰী জনতাৰ নিৰ্বাচিত নিলাজৰ দলে
খায় ৰাজভোগ ; দেহত বিৰিঙি উঠে
তৃপ্ত কামনাৰ উজ্জ্বল আভাস।
লাখ লাখ শিশু, নৰ-নাৰী শীতাৱৰণহীন, মৰে কঁপি ;
মুষ্টিমেয় ভাগ্যবানবোৰে জহৰ দিনতো পিন্ধে
খাৰ গাঁঠি চাক-খোৱা বস্ত্ৰ আৰু জোতা-মোজা।
নিলাজ-নিধক হেৰ গোলামৰ দল ;
মুখত শুনিছো তোৰ ভাৰতৰ ঐতিহ্যৰ জয়-গুণ গান
ৰাজত দেখিলোঁ তোৰ সকলোতে ফুটি উঠে দাসত্বৰ চিন।
নালাগেনে লাজ ?

এয়েই আছিল ঈশ্বৰচন্দ্ৰ বৰুৱাৰ ব্যক্তি-মানসৰ স্বৰূপ। এনে ৰচনাৰ লক্ষ্য কৰিলে তেওঁক অম্বিকাগিৰী ৰায়-চৌধুৰীৰ অনুগামী যেন অনুভৱ হয়। অৱশ্যে ৰায়-চৌধুৰীয়ে আৱশ্যক বুজি কাব্যৰ কথা বাস্তৱত ৰূপায়িত কৰিবলৈ আন্দোলন গঢ়ি তুলিবলৈ শক্তি আৰু সাহসৰ পৰিচয় দিয়াৰ দৰে দক্ষতা ঈশ্বৰচন্দ্ৰ বৰুৱাই দেখুৱাব পৰা হয়তো নাছিল। এই ক্ষেত্ৰত কবিৰ ভাৱ-বিলাসী মনটোৰেহে উকি মাৰে বুলিব পাৰি।

'মোৰ ভাৰণ' বোলা গল্পটোত কোৱাৰ দৰে অধ্যাপক ঈশ্বৰ বৰুৱাই অনুভৱ কৰিছিল যে আমাৰ জাতিটো বিপথগামী হৈছে। তেওঁ ইয়াকো অনুভৱ কৰিছিল যে আদৰ্শবাদী সাহসী নেতৃত্বই শুদ্ধ পথৰ সন্ধান দিব পাৰিলে জাতিৰ বিকাশৰ কাৰণে বহুকাল নালাগিব। 'দিবাস্বপ্ন'ত তেওঁ আদৰ্শবাদী নেতৃত্বৰ পৰিচয় দিছে লক্ষ্মীনাথ বেজবৰুৱা আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ মাজেদি। নতুন পুৰুষৰ প্ৰতি তেওঁ ভালেমান লেখাৰ মাজেদি তীব্ৰভাৱে বক্ৰাঘাত কৰিছে। 'জাতিস্মৰ'ত তেওঁ নতুন পুৰুষক বান্দৰৰ লগতো তুলনা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। 'এখন কাঠৰ দলং' বোলা গল্পটিৰ মাজেদি আজিৰ মানুহৰ সন্দেহবাদী মনৰো সুন্দৰ পৰিচয় দিব পাৰিছে।

বৰুৱাদেৱে বহু ৰচনা কৰা নাই সঁচা, কিন্তু যিখিনি ৰচনা কৰিছে তাৰ মাজেদি তেওঁৰ চাৰিওফালৰ সমাজ-খনৰ নানা সমস্যা, পৰিস্থিতি আৰু ব্যক্তিক সফলভাৱে ৰূপায়িত কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নাই। তেওঁৰ গীত আৰু কবিতাৰ দৰে গল্প আৰু নাটকতো ক'তো জড়তা নাই ; ভাষাৰ সাৱলীলতা আৰু ভাৱৰ মানৱীয় আবেদনে অধ্যাপক বৰুৱাৰ ৰচনাৰ আকৰ্ষণ বঢ়াইছে। সকলো কালৰ সকলো মানুহৰ কাৰণে হয়তো তেওঁ সাহিত্য সৃষ্টি কৰাৰ কথা কল্পনা কৰাই নাছিল ; তথাপি সংযত

ভাষা, সূক্ষ্ম অনুভূতি আৰু ব্যঙ্গৰ কাৰণে তেওঁৰ ৰচনাৱলীৰ আদৰ বহুদিনলৈ অটুট থাকিব। তেওঁ নিজে আশা কৰাৰ দৰে তেওঁৰ ৰচনাই আমাক চিন্তা কৰিবলৈও হয়তো শিকাব।

আলোচনা সামৰাৰ আগে আগে অধ্যাপক বৰুৱাৰ আন এটা দিশৰ কথা অলপ কোৱা উচিত হ'ব। আমি কৈ আহিছোঁ যে তেওঁ সবল আশাবাদী আছিল। আৰু আচলতেই সেই গুণে তেওঁ হাস্য-ৰসিকো আছিল। যাৰ জীৱনত আশা বাসনা নাই, সি হাঁহিব বা হঁহুৱাবও নাজানে। অধ্যাপক বৰুৱাৰ সমগ্ৰ জীৱন বা সমগ্ৰ ৰচনাৱলীৰ কথা বাদ দি কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ পিছৰ কালছোৱালৈ চালেও তেওঁৰ এই ৰূপটো স্পষ্ট হৈ পৰে।

'৭২ চনৰ ২৭ মেৰ দিনা তেওঁ বোম্বাইৰ 'দেশাই মেমোৰিয়েল লক্ষ্মী হস্পিতাল আৰু নাৰ্ছিং হোম'ৰ বিচনাৰ পৰা আমালৈ লিখা চিঠি এখনত অন্যান্য কথাৰ লগত লিখিছিল,—

"আশাকৰোঁ নলবাৰীৰ সকলোৰে একপ্ৰকাৰ মঙ্গল। আমাৰ সাহিত্য সমাজৰ নতুন সমিতি আদি গঠনৰ পিছত কাম-কাজ আদি নিয়াৰিকৈ চলিছে বুলি আশা কৰিছোঁ। কৰ্কট অসুৰৰ দমন কৰিবলৈ নিয়মিত শৰ (Cobalt Ray) নিক্ষেপ আৰম্ভ কৰাৰ লগে লগে ব্যাধিদৈত্যাই সোঁ। তপিনাত ৰণ হুংকাৰ দিবলৈ ধৰিলে; বিষ-বেদনাত অস্থিৰ কৰি তুলিলে। সাধক-চিকিৎসক ডাক্তৰ দেশাইৰ শৰণাপন্ন হলোঁ।। অস্ত্ৰোপচাৰ কোঠা-লিত মোক শুৱাই লৈ ভৰি দুখন দুটা খুটিত বান্ধিলে। মাজতে জ্ঞান হেৰুৱাইছিলোঁ।। যেতিয়া সাৰপাওঁ তেতিয়া দেখোঁ যে মই নাৰ্ছিং হোমৰ নিজা বিছনা-খনতে শুই আছোঁ। ব্যাধি দৈত্যৰ পৰাজয় ঘটিল। এতিয়া একান্তভাৱে কৰ্কট অসুৰৰ লগত সংগ্ৰামৰ কাৰণে যথাশক্তি চেষ্টা কৰিম। মোৰ জীৱনটোৰ যদি কিবা প্ৰয়োজন থকা বুলি ভগবানে ভাবে তেনেহলে সুস্থ হৈ উভতি যাব পাৰিম বুলি আশা ৰাখিছোঁ।"

২৫ জুনৰ দিনা প্ৰথমবাৰ ঘূৰি আহি তেওঁ নলবাৰীৰ ঘৰত উপস্থিত হৈছিল। তেওঁ আহি পোৱাৰ লগে লগে দেখা কৰিবলৈ অহা মানুহৰ সোঁত ববলৈ ধৰিলে। তেতিয়া তেওঁ শ্ৰান্ত-ক্লান্ত। সেয়ে ৰাইজলৈ বুলি সন্নি-ধান স্বৰূপে আগ বঢ়ালে,—

"কোন তুমি ?  
সুধিছাহি ৰণৰ বাতৰি মোক ?  
যাৰকা প্ৰান্তত  
সুদীৰ্ঘ সংগ্ৰাম কৰি  
কৰ্কট অসুৰ আৰু ব্যাধি-দৈত্য স'তে  
ক্লান্ত এবে, শ্ৰান্ত মই।  
আছে মোৰ যোগ্য সেনাপতি  
পুলকেশ ৰণাধীশ।*  
তানহস্তে পাবা মানে  
সংগ্ৰাম সংবাদ।  
মাগিছা দৰ্শন ?  
নকৰোঁ বিমুখ মই  
অভিলাষ কৰিম পূৰণ।  
নতু,  
যোৱাপৈ ভৱিষ্য গণনাকাৰী  
পুৰুষ সমীপে পাবা বাৰ্তা  
সঠিক নিৰ্ভুল।"

মৃত্যুৰ আগলৈকে তেওঁৰ এই হাঁহি-ধেমালি, বিচাৰ-বিবেচনা



অটুট আছিল। মৃত্যুৰ দুদিন আগৰ কথা। ১০ ডিচেম্বৰ দেওবাৰে ৰাতিপুৱা ১০ মান বজাত নল-বাৰীৰ সাংস্কৃতিক সংগ্ৰহালয়ৰ কেইগৰাকীমান প্ৰতি-নিধিয়ে যেতিয়া তেওঁৰ পুথিৰ মাননি আগ বঢ়াবলৈ যায় তেতিয়া লিখিতভাৱে জনোৱা তেওঁৰ মনোভাৱ ব্যক্ত কৰি লেখিছিল,—

"ভগবানৰ ইচ্ছাত কঠোৰ সাধনাৰ দ্বাৰা মই পুনৰ্জন্ম লভিবৰ আশা দেখিছোঁ। মোৰ বাক্যবোধ কৰি কৰা সাধনা পুহ মাহত শেষ হ'ব আৰু মই দ্বিতীয়বাৰ অহা মাঘত জনম লভি দ্বিজ ভোকোলা হৈ টোৰ টোৰাবলৈ ধৰিম। সকলোৰে কৰ্ণকুহৰ সেই সময়ৰপৰা মোৰ বাক্যামৃতেৰে ভৰাই দিবলৈ পাৰিম বুলি আশা ৰাখিছোঁ।"

১২ ডিচেম্বৰৰ দিনা সন্ধিয়া তেওঁ শেষ নিশ্বাস এৰিলে। তেতিয়ালৈকেই তেওঁ আৰু বহুদিন জীয়াই থকাৰ আশা ৰাখিছিল; প্ৰিয়-পৰিজনক অভয়বাণী শুনাই থাকিবলৈও তেওঁ পাহৰা নাছিল। আশা আৰু সাহসৰ সুন্দৰ সমন্বয় স্বৰূপ এই গৰাকী সুপুৰুষ ঈশ্বৰ চন্দ্ৰ বৰুৱাক হেৰুৱাই আমি মৰ্মাহত হৈছোঁ। তেওঁৰ ব্যক্তিত্ব আৰু কৃতিৰ বিষয়ে সোঁৱৰাৰ লগে লগে তেওঁৰ পবিত্ৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছোঁ আৰু আশা কৰিছোঁ তেওঁৰ আদৰ্শৰ জয় হওক।


দুৰ্গা পূজাৰ লগে লগে

অসম সাহিত্য সভা পত্ৰিকাৰ

শাৰদীয় সংখ্যা

বিভিন্ন ৰুচিৰ গল্প-প্ৰবন্ধাদিৰে সমৃদ্ধ হৈ ওলাব।

সৰহ সংখ্যক পত্ৰিকাৰ কাৰণে  
তলৰ ঠিকনাত সোনকালে যোগাযোগ কৰক।

শ্ৰীগোবিন্দ চন্দ্ৰ মহন্ত  
সহকাৰী সম্পাদক অঃ সাঃ সঃ  
ভাগৱতী প্ৰসাদ বৰুৱা ভৱন  
গুৱাহাটী—১


* স্বৰ্গীয় বৰুৱাদেৱৰ দুটি পুত্ৰ। প্ৰথম পুত্ৰ শ্ৰীপুলকেশ বৰুৱা যোৱা ১৯৭২ চনৰ অসমীয়া মাধ্যম আন্দোলনৰ গুৰি ধৰোঁতা সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আছিল।

সম্পাদক, পত্ৰিকা।




[ এই শিতানত আমাৰ হাতত পৰা কিতাপৰ চমু আলোচনা এটি ছুটিকৈ আগবঢ়োৱা হ'ব। পুথিৰ চিনাকিৰ কাৰণে দুকপিকৈ গ্ৰন্থ পত্ৰিকাৰ সম্পাদকলৈ পঠিয়াব লাগে।

সম্পাদক, পত্ৰিকা। ]

## ॥ ১ মণিকূট ॥

ৰচক—**শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা** ; প্ৰকাশক : নিউ বুকষ্টল, গুৱাহাটী—১ ; প্ৰথম তাঙৰণ, ১৯৭৩ চন পৃষ্ঠা সংখ্যা ৮+১১১ ; বেচ—৩'০০।

'দীপালী'ৰ কাব্যজীৱনৰ প্ৰথম দীপিপিতি চালি জীৱনৰ বিয়লি বেলাত কবি হাজৰিকাই 'মণিকূট'ৰ আশ্ৰয় লৈছে এলানি ভক্তিপূৰ্ণ বন্দনা-গীতৰ আঁজলি লৈ, এখনি আবেগ—বিহ্বল অন্তৰ লৈ। ইয়াত সন্নিবিষ্ট কবিতাসমূহ প্ৰায়বোৰেই তেওঁৰ আঢ়ৈ কুৰি বছৰ বয়সৰ পাছৰ ৰচনা, এক সান্ধ্য-প্ৰদীপ।

অজ্ঞাত, অজ্ঞেয় অন্ধকাৰ ভৱিষ্যতৰ ক'লা-ম'লা ঢাকনিখন কবিৰ মানসপটত হঠাতে কেতিয়াবা দাং খাই উঠি সমুখত থকা শত-সহস্ৰ জনা-নজনা ৰূপচ্ছবিৰ ছায়াময় চিত্ৰ দাঙি ধৰে, হঠাতে আকৌ নাইকিয়া হৈ কেনিবাদি লুকাই যায়। ভাব-সাগৰত সততে উটিবুৰি ভাহি ফুৰা কবি-হৃদয়ত নানা ধৰণৰ ভাব-তৰংগ জাগি উঠি থৌকিবাথৌকি লগায়, শংকা হয় তেওঁৰ কোনটো বা কি, কিন্তু শংকিত নহয় ; অনাগত ভৱিষ্যতৰ ভয়াবহ ৰূপ দেখিও তেওঁ কেতিয়াবা চক্ খাই উঠিব পাৰে সঁচা ; কিন্তু ভীত নহয় ; 'মণিকূট'ৰ থাপনাত সেৱা এটি জনাই পৰম শান্তি লাভ কৰে। 'মণিকূট'ত সকবৰ পাৰ্থক্য নাই, উচ্চ—নীচৰ ব্যৱধান নাই ; ভগৱানৰ ৰূপ মোহাচ্ছন্ন মানৱৰ কল্পিত ৰূপ মাথোন। সেয়েহে কবিৰ ভাষাত—

"মচি ললে মোহাঞ্জন জনতাই জনাৰ্দন
ভাহি আহি হাঁহিব চকুত,
যত জীৱ তত শিৱ সত্যকো কৰিব থিৰ
সুন্দৰৰ পাবা মণিকূট।"

উপনিষদৰ "সৰ্বং খল্বিদং ব্ৰহ্ম" মতবাদৰ পটভূমিত তেওঁ যেনিয়েই চায় তেনিয়েই দেখা পায় সত্য, শিৱ, সুন্দৰ অবিনশ্বৰ বিশ্বেশ্বৰৰ মোহন ৰূপ—"গধূলিৰ পদুলিমুখত", "ৰজনীৰ জিৰণি কক্ষত", "ধুমুহাৰ প্ৰচণ্ড বেগত", "ভাৱৰ বজ্ৰ পতনত"—যি একেজন "বিশ্বেশ্বৰে" আকৌ এসময়ত দেখা দিছিল "কৃষ্ণৰূপে সত্য সুন্দৰত", 'ৰুদ্ৰৰূপে প্ৰলয় ছন্দত"—বিভিন্ন দেশত, বিভিন্ন বেশত। এয়ে কবিৰ নাক নিত্য নতুন "সঞ্জীৱনী" সুধাপান কৰাই তেওঁৰ কবিতামালাত চিৰদিন এক শক্তিশালী সাম্যবাদৰ ব্যাপক মনোভাৱ আৰোপ কৰি আহিছে। এই সঞ্জীৱনী তেওঁৰ যে কেৱল ইহলোকৰ লগৰী এনে নহয়, পৰলোকৰো—

"পাৰ হৈ গলে ভৱ বৈতৰণী
পায় শেহান্তৰে মৃত সঞ্জীৱনী।
কৰিলে সেৱন পলায় মৰণ,
পুৰণি আত্মাৰ নতুন জীৱন।"

পুৰুষ-পৰম্পৰা চলি অহা অসমীয়া সমাজ—সংস্কৃতিৰ ঐতিহ্যবাদী মনমোহা মূৰ্তিৰে তেওঁৰ 'মণিকূট' মণ্ডিত আৰু তাৰেই আলমত গঢ় লৈ উঠিছে তেওঁৰ অলেখ সপোন-শুৱনি ভাৱমূৰ্তি। ইয়াত আছে গীতা, ভাগৱত, উপনিষদ প্ৰভৃতিৰ উপদেশ-মালাৰ উচ্চ উদাত্ত নিনাদ। উদাহৰণ স্বৰূপে—

(১) "জন্ম মৃত্যু অৰ্থহীন কথা।" (গীতা) ;
(২) "যাগ যজ্ঞ তপ নাই আৱশ্যক,
নামেই মিলাব বৈকুণ্ঠ ঘাট।" (নামঘোষা) ;
(৩) ধন্য ধন্য এই ভাৰত বৰিষ
মানৱী জীৱন ধন্য,
কৰমে ধৰম ধৰমে মৰম
সেৱাই পৰম পুণ্য। (মানৱ বন্দনা),

মণিকূটৰ 'বংশীধ্বনি', 'মহাৰাস', 'নীলমাধৱ', 'বৌদ্ধ দাতাকৰ্ণ, 'বিষকন্যা' প্ৰভৃতি পৌৰাণিক ইতিবৃত্ত-গন্ধী চমৎকাৰ ৰচনাবন্ধ।

১৯৭১-৭২-৭৩ চনৰ প্ৰতিটো জন্মদিৱসতে কবি হাজৰিকাই তেওঁৰ জন্মদিৱস উপলক্ষে অতীত সুঁৱৰি একো একোপাহি কবিতা—কুসুমৰ অৰিহণা আগবঢ়াই আত্মতৃপ্তি লাভ কৰিছে ; যথাক্ৰমে 'আধকৰা গীত', 'মুক্তিমঙ্গল' আৰু 'চিন্তামণি' ইয়াৰেই নিদৰ্শন। ইয়াৰ প্ৰতিটোতে কবিয়ে জৰা-মৰণৰ আগজাননী শুনি চমক্ খাইছে যদিও ক'তো নিৰাশাৰ হুমুনিয়াহ কঢ়া নাই ; বৰঞ্চ তেওঁৰ কল্পনা ৰাজ্যত ভাহি উঠিছে এখনি "আলোকধাম" য'ত শুনা যাব মুক্তিমঙ্গলৰ শঙ্খধ্বনি আৰু সঙ্গ লাভ কৰিব পৰা হব চিৰন্তন মহানাটকৰ "নায়ক গায়ক, চিন্তামণি মহেশ্বৰ অনন্ত বিশ্বৰ"। 'মণিকূট' আধুনিক অসমীয়া সাহিত্য ক্ষেত্ৰৰ এটি সুৱদি সম্পদ-ৰূপে ঠাইৰ কৰিব পাৰি।

**শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য**

## ॥ ২ অসমীয়া প্ৰবাদ ॥

সংগ্ৰাহক—অধ্যাপক **শ্ৰীসৰ্বেশ্বৰ ৰাজগুৰু**, এম-এ, ডি. ফিল ; প্ৰকাশক : ডঃ সৰ্বেশ্বৰ ৰাজগুৰু, নগাওঁ, অসম; প্ৰথম প্ৰকাশ, জুন ১৯৭২; পৃষ্ঠা—১৬+৫৩+৪৫০ ; মূল্য—১৫'০০

সুন্দৰ ছপা-বন্ধা আৰু বেটুপাতেৰে সৈতে ভাৰত চৰকাৰৰ শিক্ষা আৰু সমাজ-কল্যাণ মন্ত্ৰালয়ৰ আৰ্থিক সাহায্যত প্ৰকাশিত 'অসমীয়া প্ৰবাদ' নামৰ গ্ৰন্থখনি—ডঃ ৰাজগুৰুৰ অসমীয়া ভাষা-সাহিত্যলৈ এক বিশিষ্ট অৰিহণা। জনগণৰ দীৰ্ঘতম অভিজ্ঞতাৰ সংক্ষিপ্ততম অভিব্যক্তিয়েই হ'ল প্ৰবাদ-বাক্য আৰু ই লোক-গীতৰ দৰে লোক-সাহিত্যৰ এক বিশিষ্ট অঙ্গৰূপে স্বীকৃত হৈ আহিছে; কিন্তু দুখৰ কথা যে, আধুনিক সভ্যতাৰ পোহৰ পৰাৰ লগে লগে গীত-মাত, প্ৰবাদ-প্ৰবচন আদিও আমাৰ মাজৰ পৰা লোপ পাবলৈ উপক্ৰম কৰিছে। এনেস্থলত ডঃ ৰাজগুৰুৱে এখন বৃহৎ আকাৰৰ প্ৰবাদ-গ্ৰন্থ উলিয়াই এটি লেখৰ কাম কৰিলে। তাৰ বাবে তেওঁ ধন্যবাদৰ পাত্ৰ।

ডঃ ৰাজগুৰুৱে 'আগকথা'ত ঠিকেই কৈছে যে

প্ৰবাদ সংগ্ৰহ কৰা কামত অৰ্থ আৰু সময় দুয়োটাৰে প্ৰয়োজন। তথাপি তেওঁ এটি জাতীয় কাম বুলি ধৰি লৈ বহু বছৰ ধৰি শিৱসাগৰ, নগাওঁ আৰু কামৰূপ জিলাৰ বিভিন্ন ঠাইৰ বিভিন্ন শ্ৰেণীৰ লোকৰপৰা প্ৰবাদ-বাক্যসমূহ সংগ্ৰহ কৰিছে। তদুপৰি সংগ্ৰহটিত 'ডাকৰ বচন, ভকতীয়া ফকৰা আৰু বুৰঞ্জী পুথি, ৰামায়ণ, মহাভাৰত, কীৰ্তন, দশম, ঘোষা, মনসাকাব্য আৰু চংছাৰী আৰু বহুবালিৰ পৰা প্ৰবাদ হিচাপে ব্যৱহৃত হোৱা উক্তিবোৰো, যথাসাধ্য সংগ্ৰহ কৰি লিপিবদ্ধ কৰা হৈছে। সংগ্ৰাহকে আনকি দৃষ্টান্ত বা পটন্তৰৰ দৰে ব্যৱহৃত খণ্ডবাক্যও সন্নিবিষ্ট কৰিছে। গ্ৰন্থখনি যুগুত কৰোঁতে যে যথেষ্ট শ্ৰম কৰিব লগা হৈছে ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি।

ইতিপূৰ্বে অসমীয়া ভাষাত কেইবাখনিও সৰু বৰ প্ৰবাদ বাক্যৰ (ডাকৰ বচন, ফকৰা-যোজনাৰ পুথিকে ধৰি) সংগ্ৰহ ওলাই গৈছে যদিও পুথিৰ কলেৱৰ আৰু প্ৰবাদ বাক্যৰ সংখ্যাৰ পৰা ৰাজগুৰুখনেই সৰ্ববৃহৎ। ইয়াত প্ৰায় ছয় হাজাৰ প্ৰবাদ সংগ্ৰহ কৰা হৈছে; অৱশ্যে প্ৰবাদ সংগ্ৰহটো সম্পূৰ্ণ হোৱা নাই বুলি সংগ্ৰাহকে নিজেই কৈছে! সংগ্ৰাহকে কোৱা মতে দৰং, গোৱালপাৰা আৰু লক্ষীমপুৰ (বৰ্তমান ডিব্ৰুগড় জিলাকে ধৰি) আদি জিলাৰ পৰা প্ৰবাদ গোটাব পৰা নাই। আমি আশা কৰোঁ এই আধৰুৱা কামটো বৰ্তমান সংগ্ৰাহকেই যোগ্যতাৰে সম্পূৰ্ণ কৰিব পাৰিব।

সংগ্ৰাহকে এটা দীঘলীয়া ভূমিকা (৫৩পৃঃ) সংযোগ কৰি বিষয়-বস্তুৰ মূল্যাঙ্কন কৰাত পুথিৰ সৌষ্ঠৱ আৰু মূল্য বৃদ্ধি হৈছে। ভূমিকাখনিত ফকৰা, যোজনা, পটন্তৰ আৰু ডাকৰ বচনৰ বৈশিষ্ট্য, প্ৰবাদ-বাক্য আৰু জনবিশ্বাস, প্ৰবাদ বাক্যত কৃষি-ব্যৱস্থা, ঘৰখন আৰু ৰাজহুৱা জীৱন, প্ৰবাদ বাক্যৰ অন্তৰালত শ্ৰীচৰিত্ৰ আৰু বৈষ্ণৱ আন্দোলনৰ পটভূমিত প্ৰবাদ বাক্য সম্পৰ্কে উপযুক্ত উদ্ধৃতি দি বিস্তাৰিত ভাৱে আলোচনা কৰা হৈছে।

সংগ্ৰাহকে উল্লেখ কৰিছে যে, অনিবাৰ্য কাৰণত কম সময়ৰ ভিতৰতে পুথিখনৰ পাণ্ডুলিপিটো ছপাশালালৈ পঠিয়াব লগা আৰু প্ৰকাশ কৰিব লগা হ'ল। ইয়াৰ কাৰণেই হয়তো পুথিখনত ঠায়ে ঠায়ে বৰ্ণাশুদ্ধি ৰৈ গৈছে। পুথিখনত সন্নিবিষ্ট প্ৰবাদবোৰ বৰ্ণানুক্ৰমিক ভাৱে সজোৱা হৈছে যদিও ঠায়ে ঠায়ে এই নিয়ম ৰক্ষিত হোৱা নাই।

ব্যক্তিবিশেষৰ উপৰিও যিবোৰ গ্ৰন্থৰ পৰা প্ৰবাদবোৰ সংগ্ৰহ কৰা হৈছে সেইবোৰৰ আৰু ইতিমধ্যে প্ৰকাশিত অসমীয়া প্ৰবাদ বিষয়ক গ্ৰন্থৰ এখন তালিকা দিলে এই সম্পৰ্কে ইতিপূৰ্বে অসমীয়া ভাষাত কিমান কাম হৈছে সেই বিষয়ে জানিবলৈ পাঠকৰ সুবিধা হ'লহেঁতেন। তদুপৰি ভূমিকাত উল্লেখিত দুই চাৰিটা প্ৰবাদ মূল পুথিত দেখা নগ'ল। আশাকৰোঁ পৰৱৰ্তী সংস্কৰণত এইবোৰ নিশ্চয় দূৰ হ'ব আৰু পুথিখনিক সম্পূৰ্ণাঙ্গ ৰূপত দেখিবলৈ পোৱা যাব। প্ৰবাদবোৰৰ লগতে চমুকৈ হলেও একোটি অৰ্থ দিব পাৰিলে সোণত সুৱাগ চৰিব বুলি আশা কৰিব পাৰি। অৱশ্যে তেনেক্ষেত্ৰত পুথিৰ আকাৰ বাঢ়িব আৰু পুথিখনো ব্যয় সাপেক্ষ হ'ব। গোটেই গ্ৰন্থখনিৰ মাজেদি ডঃ ৰাজগুৰুৰ শ্ৰম আৰু অধ্যাৱসায়ৰ পৰিচয় ওলাই পৰিছে। আমি আশা কৰোঁ ডঃ সুশীল কুমাৰ দেৰ 'বাংলা প্ৰবাদ'ৰ দৰে এই উপাদেয় গ্ৰন্থখনিকো পঢ়ুৱৈ সমাজ আৰু জ্ঞানান্বেষী অনুষ্ঠানসমূহে নিশ্চয় আদৰি ল'ব আৰু জাতীয় চৰকাৰেও এনে মহৎ কাৰ্যত উৎসাহিত কৰি থাকিব।

অৱশেষত আমি ক'ব খোজো যে বেণুধৰ ৰাজখোৱাৰ 'খণ্ডবাক্য কোষ', চন্দ্ৰধৰ বৰুৱা, সাহিত্য-ৰত্নৰ 'বত্নকোষ' আৰু হৰেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া বচন ভঙ্গী' আদিৰ লগতে ডঃ ৰাজগুৰুৰ 'অসমীয়া প্ৰবাদো' একে শাৰীতে থব পৰা গ্ৰন্থ হৈছে।

ডক্টৰ ৰাজগুৰুৰ পৰা আমি আগলৈকো এনে ধৰণৰ বুজন বৰঙণি পাবলৈ আশা কৰিলোঁ।



## ॥ ৩. শ্ৰীশ্ৰী৺নৰবৰদেৱৰ চৰিত্ৰ আৰু গীত পদ ॥

প্ৰকাশক শ্ৰীদুৰ্লভ চন্দ্ৰ মহন্ত, যোৰহাট ১, ১৯৭৩ চন; পৃষ্ঠা সংখ্যা ৫৫।

যোৰহাটৰ অন্তৰ্গত "তেলপানী সত্ৰৰ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰী৺নৰবৰদেৱৰ চৰিত্ৰ আৰু গীত-পদ" নামৰ সৰু পুথিখনিক বিষয়-বস্তুৰ ফালৰ পৰা দুটা ভাগত ভগাব পাৰি। প্ৰথম ভাগত আছে শ্ৰীশ্ৰীনৰবৰদেৱৰ চৰিত্ৰ। এই বিষয়ে ছন্দোবদ্ধভাৱে ৰচনা কৰিছে তেওঁৰ জ্যেষ্ঠ পুত্ৰ আৰু তেলপানী সত্ৰৰ দ্বিতীয় ধৰ্মাচাৰ্য শ্ৰীশ্ৰীমহীধৰ দেৱে। আনটো ভাগত শ্ৰীশ্ৰীনৰবৰদেৱৰ ৰচিত একুৰি দুটি গীত, এটি ঘোষা আৰু এটি চতিহা সন্নিবিষ্ট কৰা হৈছে। অধ্যাপক শ্ৰীডিম্বেশ্বৰ শৰ্মাই 'অভিমত' সন্দৰ্ভত তেলপানী সত্ৰৰ চমু ইতিবৃত্ত আৰু শ্ৰীশ্ৰীনৰবৰদেৱৰ চৰিত্ৰ আৰু তেওঁৰ ৰচিত গীত-মাতখিনিৰ বিশেষত্ব সম্পৰ্কে আলোচনা কৰিছে। প্ৰকাশকৰ পাদটীকায়ো পুথিখনিৰ মূল্য বঢ়াইছে। আশোৱাৰী, তুৰ বসন্ত, কল্যাণ, চালেঙ্গী আদি ৰাগত ৰচিত গীতবোৰ পঢ়িলে ধাৰণা হয় যে নৰবৰদেৱে বৈষ্ণৱ পৰম্পৰা অনুসৰি সঙ্গীত আয়ত্ত কৰি গীতসমূহ ৰচিছিল। সৰহখিনি গীততেই বালগোপালৰ বৃন্দাবন-লীলা আৰু কেইটিমান গীতত কৱিৰ ভগৱৎ-ভক্তি প্ৰকাশ পাইছে। 'মন মোৰ ৰাম চৰণে চিত্ত দেহু' গীতটিয়ে শঙ্কৰদেৱৰ 'পামৰ মন ৰাম চৰণে চিত্ত দেহু' বৰগীতটোলৈ মনত পেলায়। গীতবোৰৰ ভাষা সুৱলা আৰু কৱিত্ব গুণেৰে সমৃদ্ধ। ৰসজ্ঞ পাঠকে পুথিখন পঢ়ি আনন্দ পাব বুলি বিশ্বাস।

—উপগুপ্ত।

## ॥ ৪. ৰাজধানী কিমান দূৰত ? ॥

লিখক: শ্ৰীকিনাৰাম নাথ, প্ৰকাশিকা: শ্ৰীকমলা দেৱী, জৰাবাৰী গাওঁ, বাৰপুজীয়া, নগাওঁ, অসম: প্ৰথম প্ৰকাশ মাৰ্চ, ১৯৭২: পৃষ্ঠা—৭৮; মূল্য ২·৫০।

চৰাইবহী হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীকিনাৰাম নাথে ৰচনা কৰা 'ৰাজধানী কিমান দূৰত' নামৰ কবিতা-পুথিখনিত লিখকৰ স্বদেশ-প্ৰেম বিশেষকৈ অসম ৰাজ্যখনৰ প্ৰতি থকা তেওঁৰ গভীৰ অনুৰাগৰ পৰিচয় ওলাই পৰিছে। পয়াৰ ছন্দত ৰচনা কৰা দুকুৰি ছটা কবিতাৰ সৰহখিনিতেই অসমৰ কাৰণে নিজ ৰাজধানীৰ আৱশ্যকতা, স্থায়ী ৰাজধানীৰ কাৰণে অতি শীঘ্ৰে স্থান নিৰ্ণয়ৰ প্ৰয়োজনীয়তা, ৰাজধানী স্থাপনৰ কাৰণে গুৱাহাটী আৰু শিলঘাট সম্পৰ্কীয় বিভিন্ন যুক্তি আৰু অসমৰ বিভিন্ন সমস্যাৰ কথা দাঙি ধৰা হৈছে। লগতে দেশমাতৃক ৰক্ষাৰ কাৰণে সাৱধান হবলৈ লিখকে অসমৰ জনসাধাৰণক আহ্বান জনাইছে—"মাতৃ ৰক্ষা বাবে ভাতৃ হোৱা সাৱধান।" তেওঁ আশা কৰিছে যে অদূৰ ভৱিষ্যতে লুইতৰ পাৰতেই অসমৰ ৰাজধানী স্থাপিত হ'ব আৰু সেইখনেই 'হব মহা ৰম্যস্থান।' কৱিৰ আশা বাস্তৱত পৰিণত হওক —এই বিষয়ে কেন্দ্ৰীয় আৰু ৰাজ্যচৰকাৰে মনোনিবেশ কৰক তাকেই কামনা কৰিলোঁ।

আশাকৰোঁ পুথিখনে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিব।

( ৯৩ পিঠিত চাওক )

# অসম-অৰুণাচল প্ৰসঙ্গ

যোৱা ২৮।৭।৭৩ ইং তাৰিখে আবেলি খিলঙত অৰুণাচলৰ মুখ্য আয়ুক্ত শ্ৰীকে. এ, এ, ৰাজাৰ লগত তেওঁৰ চৰকাৰী বাসভৱনত মোৰ সাক্ষাত হয়। অসম ৰাজ্যিক গ্ৰন্থাগাৰিক আৰু অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্বাহকৰ সদস্য শ্ৰীৰাম গোস্বামীও মোৰ লগত আছিল। আলোচনা আৰম্ভ কৰি মই কওঁ যে অৰুণাচল বৃহৎ অসমৰ (প্ৰাচীন কামৰূপৰ) অন্তৰ্গত আছিল। অৰুণাচলৰ অধিবাসীসকল অসমীয়া। অৰুণাচল আৰু অসমৰ আদান-প্ৰদানৰ উমৈহতীয়া ভাষা অসমীয়া। তেওঁলোকৰ নিজৰ নিজৰ মাত-কথা আছে যদিও ইটো গোষ্ঠীৰ মানুহে সিটো গোষ্ঠীৰ মানুহৰ মাত-কথা বুজি নাপায়। গতিকে তেওঁলোকৰ ভাবৰ আদান-প্ৰদানৰ উমৈহতীয়া মাধ্যম অসমীয়া। তেওঁলোকে বেপাৰ-বাণিজ্য কৰিব লাগিলেও অসমীয়াৰ মাধ্যমেৰে অসমীয়ালোকৰ মাজতে কৰিব লাগে। মোৰ কথাত ৰাজা ডাঙৰীয়াই সম্পূৰ্ণ সমৰ্থন জনাই কলে যে তেওঁৰ ১৪।১৫ বছৰৰ অৰুণাচলৰ প্ৰশাসনীয় বিষয়া হিচাপে অভিজ্ঞতা আছে আৰু অৰুণাচলৰ প্ৰত্যেক ঠাইৰ লোকৰ লগত ভাবৰ আদান-প্ৰদান কৰাৰ সুবিধা তেওঁ পাই আহিছে। সেই অভিজ্ঞতাৰে তেওঁ স্পষ্ট ভাবে কয় যে অৰুণাচলৰ লোকসকলে নিজক অসমীয়া বুলিয়েই চিনাকি দি আহিছে। তেওঁলোকৰ সংস্কৃতি অসমীয়া—তেওঁলোকৰ উমৈহতীয়া মাত কথা অসমীয়া। অৰুণাচলৰ সকলো স্কুল কলেজৰ লৰা-ছোৱালীয়ে অসমীয়া বুজি পায়, কবও পাৰে। তাৰ মাধ্যমিক স্কুলবোৰ উচ্চতৰ মাধ্যমিক। এই স্কুলবোৰ কেন্দ্ৰীয় উচ্চতৰ মাধ্যমিক শিক্ষাপৰিষদৰ অন্তৰ্গত। সেই স্কুলবোৰত ৫ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ অসমীয়া ভাষা তৃতীয় ভাষা হিচাবে পঢ়ুওৱাৰ ব্যৱস্থা আছে। স্কুলবোৰৰ শিক্ষাৰ মাধ্যম যদিও ইংৰাজী, ছাত্ৰ-ছাত্ৰীৰ বুজাৰ সুবিধাৰ কাৰণে পাঠদানৰ সময়ত অসমীয়া ভাষাও ব্যৱহাৰ কৰিবলৈ দিয়া হয়। অসমীয়া শিক্ষকো বহু আছে। মই দশম শ্ৰেণীলৈ অসমীয়া ভাষা হিচাপে শিকোৱাৰ ব্যৱস্থা কৰি মাধ্যমিক স্কুলৰ শেষ পৰীক্ষাৰ পৰীক্ষা-বিষয় কৰাৰ পৰামৰ্শ আগ বঢ়োৱাত তেওঁ কলে যে স্কুলবোৰ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ অন্তৰ্গত যেতিয়া এই কথা কেন্দ্ৰীয় শিক্ষা পৰিষদৰ হাতত। নতুন পাঠ্যক্ৰম অনুসৰি অৰুণাচলতো ১২ বছৰীয়া স্কুলীয়া শিক্ষা আৰু ২ বছৰীয়া স্নাতক পৰীক্ষাৰ ব্যৱস্থা কৰা বুলিও তেওঁ কলে।

ৰাজা ডাঙৰীয়াই আৰু কলে যে তেওঁৰ ভ্ৰমণ-কালত তেওঁ ৰাজহুৱা সভাত অৰুণাচলৰ মানুহক অসমৰ লগত বন্ধু হিচাপে চলিবলৈ উপদেশ দিয়ে, কাৰণ তেওঁলোকে অৰুণাচলৰ পৰা নামিলেই প্ৰথম পদক্ষেপ দিব লাগে অসমত। অন্যান্য পাহাৰী লোকৰ লগত যোগাযোগ কৰিব লাগিলেও অসমৰ ভূমি অতিক্ৰম কৰিহে যাব লাগে। বেপাৰ-বাণিজ্যও চলাব লাগে অসমৰ লগত। বিশেষকৈ তেওঁলোক আজি ৰাজনৈতিক কাৰণত পৃথক হলেও অৰুণাচল অসমৰে অঙ্গ। ইয়াৰ প্ৰাচীন ঐতিহ্য, স্থাপত্য, ভাস্কৰ্য আৰু সংস্কৃতিয়ে এই কথাৰ প্ৰমাণ দিয়ে। তেওঁ আৰু কয় যে মাজে সময়ে যি ভুল বুজা বুজি হোৱা দেখা যায় সি এক মাত্ৰ নেতৃত্বৰ ভুলৰ কাৰণে, প্ৰশাসনৰ ভুলৰ কাৰণে নাইবা দূৰদৃষ্টিহীনতাৰ কাৰণে। এই কথা কৈ তেওঁ দুখ প্ৰকাশ কৰে কাৰণ অৰুণাচল অসমৰ পূৰ্ব প্ৰান্তৰ প্ৰহৰী স্বৰূপ। এই প্ৰহৰীৰ লৈতে সদ্ভাৱ-সম্প্ৰীতিয়ে যি দৰে অসমৰ নিৰাপত্তাৰ ভেটি তৈয়াৰ কৰিব পাৰে ইয়াৰ অন্যথা হলে সেই দৰে বিপদৰ আশঙ্কাও নথকা নহয়। এই কথা আমি সকলোৱে দকৈ ভাবিব লগীয়া। তেওঁ আৰু কয়, ৰাষ্ট্ৰভাষা হিচাপে হিন্দীক জাপি দিবলৈ খোজা কাৰণেই আজিও হিন্দী ৰাষ্ট্ৰ ভাষা হব পৰা নাই, সেইদৰে ভাষাৰ ক্ষেত্ৰত সকলো সময়তে জাপি দিয়াৰ চেষ্টাৰ পৰিবৰ্তে বুজাবুজিৰ মাজেৰে ঘনিষ্ঠ সম্পৰ্কৰ মাজেৰে আৰু সম্প্ৰীতিৰ মাজেৰে আৱশ্যকতাৰ কথা উপলব্ধি কৰাই আগুৱাই গলেহে বেছি সুফল পোৱা যাব পাৰে। এইদৰে আগুৱাই গলে কাৰো বিদ্ৰোহ নাইবা জেদ ওপজাৰ সম্ভাবনা নাথাকে। সাংস্কৃতিক সংহতি আৰু আবেগিক ঐক্যৰ কাৰণে আমি অৰুণাচললৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰাত তেওঁ আনন্দ লাভ কৰে। ভ্ৰমণ-সূচী ঠিক কৰি তেওঁক জনালে যথা সম্ভৱ সুবিধা কৰি দিবলৈ অৰুণাচলৰ সকলো জিলা প্ৰশাসনৰ বিষয়াকে নিৰ্দেশ দিব বুলিও মোক জনায়। অৰুণাচলৰ প্ৰতিখন জিলালৈ গৈ ভাৰ কিছু সংখ্যক লোকৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ মই ইচ্ছা প্ৰকাশ কৰাত তেওঁ নানা পৰামৰ্শ আগ বঢ়ায় আৰু গাৰ্লীয়া লোকসকলৰ লগতো যোগাযোগ কৰিবলৈ কয়। আমাৰ অনুৰোধ ক্ৰমে অৰুণাচলৰ কাউন্সিলাৰ সকল খিলঙলৈ আহিলে আমাৰ লগত যোগাযোগ কৰি দিবলৈকো সন্মতি জনায়।

মুঠতে ৰাজা ডাঙৰীয়াৰ লগত আলোচনা হোৱাৰ পৰা আমাৰ আগৰ ধাৰণা আৰু দৃঢ় হৈছে। এতিয়া যিমান সোনকালে পাৰোঁ অৰুণাচলৰ বিভিন্ন জিলা, নগাৰাজ্য আৰু মেঘালয়ৰো কোনো কোনো ঠাইলৈ যোৱাৰ আশা কৰিছো। ৰাইজৰ শুভেচ্ছা আৰু সহযোগ হলে আৰু চৰকাৰৰো সকলো প্ৰকাৰ সহযোগ হলে অদূৰ ভৱিষ্যতত এই পূৰ্ব প্ৰান্তত ৰাজনৈতিক হিচাপে পৃথক হৈ থকা ৰাজ্যবোৰৰ মাজত সাংস্কৃতিক সমন্বয় সাধন কৰি আবেগিক ঐক্য স্থাপন কৰিব পৰা হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস হৈছে।

জয়তু মাতৃভূমি—জয়তু ভাষাজননী।

শ্ৰীগিৰিধৰ শৰ্মা
সভাপতি, অসম সাহিত্য সভা

---

( ৯১ পিঠিৰ পিচৰ পৰা )

## ॥ ৫. আমাৰ লক্ষ্মীনাথ ॥

লেখক : শ্ৰীযুতীন্দ্ৰ নাথ ফুকন ; প্ৰকাশিকা : শ্ৰীদীপিকা ফুকন, দুলীয়াজান, অসম ; প্ৰথম প্ৰকাশ, ১৯৭২ চন ; মূল্য—১'৫০ টকা।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যলৈ যি মূল্যবান দান আগবঢ়াই গ'ল তাৰ তুলনা বিৰল। এনে এজন কৃতী পুৰুষৰ জীৱনী শিশুৰ কাৰণে সহজ সৰল ভাষাত লিখি লেখক শ্ৰীফুকনে উল্লেখনীয় কাম কৰিছে। ডাঙৰ হৰফত পুথিখন ছপা হোৱাত সৰু লৰা-ছোৱালীৰ কাৰণে পঢ়িবলৈকো সুবিধা হৈছে। মাজে মাজে বেজবৰুৱাৰ স্বৰচিত কবিতা আৰু গীত দিয়াত জীৱনীটো বেচ উপাদেয় হৈছে। অৱশ্যে জীৱনীটো একে লেখেৰিয়ে নিলিখি বিভিন্ন ছোৱা বা অধ্যায়ত ভাগ কৰি লিখা হ'লে আৰু পুথিখনিত বেজবৰুৱাৰ জীৱনৰ বিভিন্ন চিত্ৰ থাকিলে বেছি ভাল হ'লহেঁতেন। সি হলেও পুথিখনি পাঠকৰ দ্বাৰা সমাদৃত হ'ব বুলি বিশ্বাস কৰিছো।

—উপগুপ্ত।

## প্ৰাপ্তিস্বীকাৰ ঃ

**হৃদয়ৰ ফুল :** অমিত্ৰাক্ষৰ ছন্দত লিখা কবিতা-পুথি ; লেখক : আনাৰ ; প্ৰকাশক খাইৰুৰ ৰহমান, ডিফু, মিকিৰ পাহাৰ ; প্ৰথম প্ৰকাশ, এপ্ৰিল, ১৯৭২, পৃষ্ঠা ৩০, মূল্য ১'০০,

**কবিতা লহৰি :** বিভিন্ন ছন্দত লিখা ১৯ টা কবিতাৰ সমষ্টি ; লেখিকা : শ্ৰীযোগ্য দত্ত, শলগুৰি ; প্ৰকাশক পাৰ্বতী প্ৰকাশন, হাতীৰ পিঠি, পশ্চিম চামতা, কামৰূপ ; প্ৰথম প্ৰকাশ, ১৯৭০ চন, পৃষ্ঠা ৩০, মূল্য : ১'০০ টকা।



[এই শিতানত অসম সাহিত্য সভা, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আদিৰ বিষয়ে লিখা পঢ়ুৱৈ সমাজৰ চিঠি প্ৰকাশ কৰা হ'ব। চিঠি চুটি আৰু তাৰ বিষয় বস্তু গঠনমূলক হ'ব লাগিব। পঢ়ুৱৈ সমাজৰ পৰা চিঠি আহ্বান কৰা হ'ল। চিঠিৰ মতামতৰ বাবে সম্পাদক দায়ী নহয়।]

## অসম সাহিত্য সভা পত্ৰিকা

সম্পাদক ডাঙৰীয়া,

অসমত উচ্চমান বিশিষ্ট আলোচনী এখন নিয়মিত ভাবে প্ৰকাশ কৰাটো বিশেষ প্ৰয়োজন হৈ পৰিছে। সেই অভাব কিছু পৰিমাণে আঁতৰ কৰিবলৈ অসম সাহিত্য সভাই চেষ্টা কৰাটো সমীচীন হৈছে। ইতিমধ্যে এই বছৰৰ বহাগ মাহৰ পৰা আপোনাৰ সম্পাদনাত প্ৰকাশ-পোৱা অসম সাহিত্য সভা পত্ৰিকাই সদৌ অসমীয়া পঢ়ুৱৈ সমাজৰ সমাদৰ পোৱাটো এটি সুখবৰ।


অন্যান্য ভাৰতীয় ভাষাসমূহৰ তুলনাত অসমীয়া ভাষাৰ আলোচনীৰ সংখ্যা আৰু প্ৰচাৰ বোধ হয় আটাইতকৈ কম, অথচ মৃত্যুৰ হাৰ আটাইতকৈ বেছি।

বৰ্তমান অসমত উচ্চমান বিশিষ্ট আলোচনী নাই বুলিবই পাৰি। কেৱল 'আমাৰ প্ৰতিনিধি' আৰু 'বিস্ময়' নামৰ দুখন আলোচনীহে নিয়মিত ভাবে প্ৰকাশ পাই থকা দেখা গৈছে; এই আলোচনী দুখনে বাইজৰ সমাদৰ পালেও আমাৰ ভাষা-সাহিত্যৰ সম্পূৰ্ণ অভাব পূৰণ কৰিব পৰা নাই।

এসময়ত 'আৱাহনে' আৰু পিছত 'ৰামধেনু'ৱে অসমীয়া সাহিত্যত নবযুগৰ সৃষ্টি কৰিছিল। এতিয়া 'অসম সাহিত্য সভা পত্ৰিকা'খনেও তেনে এটি গধুৰ দায়িত্ব লৈ অসমীয়া ভাষা-সাহিত্যত আলোড়নৰ সৃষ্টি কৰিব নোৱাৰেনে? মোৰ বোধেৰে সাহিত্য সভাই গতানুগতিক ব্যয়বহুল অধিবেশনবোৰ পাতি থকাতকৈ এনেধৰণৰ কাৰ্য-পন্থা হাতত লোৱাহে উচিত।

আশাকৰোঁ আপোনাৰ সম্পাদনত ওলোৱা আলোচনীখনি কেৱল পণ্ডিতসকলৰ মুখপত্ৰ নহৈ সকলো শ্ৰেণী ৰাইজৰ চাহিদা পূৰণ কৰিবলৈ যত্নপৰ হ'ব। ইতি—

বিনীত—
শুল শৰ্মা,
গুৱাহাটী



## স্মৃতি-তৰ্পণ

**হৰেন্দ্ৰনাথ শৰ্মা**

যোৱা ১ শাওন (১৭ জুলাই, '৭৩) মঙলবাৰে পাটাছাৰকুছি বিদ্যাপীঠৰ ভূতপূৰ্ব প্ৰধান শিক্ষক, বিশিষ্ট শিক্ষাবিদ্ আৰু সুসাহিত্যিক শ্ৰীহৰেন্দ্ৰনাথ শৰ্মা-দেৱ ৬৮ বছৰ বয়সত স্বৰ্গী হয়। উজ্জ্বল ছাত্ৰ হিচাপে খ্যাতি লাভ কৰা স্বৰ্গীয় শৰ্মাই সৰু কালৰে পৰাই তীক্ষ্ণ বুদ্ধি আৰু প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। ছাত্ৰ-জীৱনত বিভিন্ন পৰীক্ষাত জলপানী আৰু সোণৰ পদক লাভ কৰাৰ দৰে শিক্ষক-জীৱনতো—১৯৬০ চনত বিশিষ্ট শিক্ষক হিচাপে শৰ্মাদেৱে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল। পাটাছাৰকুছি বিদ্যাপীঠৰ উপৰিও বিভিন্ন শিক্ষা-সংস্কৃতি-মূলক অনুষ্ঠানৰ লগত তেওঁ জড়িত আছিল।

অসমীয়া সাহিত্যলৈকো শৰ্মাদেৱে বিশিষ্ট বৰঙণি আগ বঢ়াই গৈছে। তেওঁ কলিকতাত পঢ়া কালত 'আৱাহন'ৰ লগত বিশেষভাৱে জড়িত আছিল আৰু পিছত 'পখিলা' আৰু 'বিহুৱান' নামৰ দুখন আলোচনী সম্পাদনা কৰিছিল। ইয়াৰ উপৰিও তেওঁ 'কামালপাছা', 'অশোক', 'ঈছপৰ সাধু', 'ৰত্নমালিকা' আদিকৈ কেইবাখনো পুথি লিখে। শৰ্মাদেৱে ১৯৫৮ চনত 'অশোক' আৰু ১৯৬৭ চনত সময় বালিৰ খোজবোৰ' নামৰ কিতাপ দুখনৰ বাবে দুবাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ পায়। 'অসমীয়া ৰচন-ভঙ্গী' শৰ্মাদেৱৰ অসমীয়া সাহিত্যলৈ এটি যুগমীয়া উপহাৰ। তেওঁ ওৰে জীৱনত সাহিত্য সাধনা কৰিছিল; যদিও দুৰাৰোগ্য কৰ্কট-ৰোগে তেনে এটি সাধনা-লব্ধ জীৱনৰ অকালতেই পৰিসমাপ্তি ঘটালে। আৰু কেইবছৰমান জীয়াই থকা হলে আমি হয়তো শৰ্মাদেৱক অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰা দেখা পালোঁহেঁতেন। তেওঁৰ মৃত্যুত অসমৰ শিক্ষা আৰু সাহিত্য জগতৰ বিশেষ ক্ষতি হ'ল। আমি শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি স্বৰ্গত আত্মাৰ প্ৰতি স্মৃতি-অৰ্পণ যাচিলোঁ।

**জয়ভদ্ৰ হাগজেৰ**

যোৱা ২ শাওন (১৮ জুলাই, '৭৩) বুধবাৰে অসমৰ প্ৰবীণ মন্ত্ৰী আৰু জনপ্ৰিয় দেশনেতা শ্ৰীজয়ভদ্ৰ হাগজেৰ-দেৱৰ ৫৯ বছৰ বয়সত পৰলোক প্ৰাপ্তি হয়। তেওঁ অসম বিধানসভা-গৃহত কৰ্মৰত অৱস্থাতে সংজ্ঞাহীন হৈ অলপ পিছতেই অপ্ৰত্যাশিতভাৱে মৃত্যু বৰণ কৰে। হাগজেৰে ১৯৩৮ চনত ইংৰাজীত অনাৰ্চ সহ স্নাতক উপাধি লাভ কৰে। তেৱেঁই উত্তৰ কাছাৰ জিলাৰ প্ৰথম স্নাতক। শিক্ষা সাং কৰি পোনতে কেইবছৰমান তেওঁ চৰকাৰী চাকৰি কৰিছিল যদিও পিছত চাকৰি এৰি ৰাজনীতি-জগতত প্ৰৱেশ কৰে। আজীৱন সমাজসেৱী স্বৰ্গীয় হাগজেৰদেৱ আছিল অতি অমায়িক আৰু উদাৰ মনৰ লোক; তেওঁ আছিল পৰ্বত আৰু ভৈয়ামবাসীৰ মিলন-সেতু আৰু জাতীয় সংহতিৰ প্ৰতীক স্বৰূপ। অসমৰ দুৰ্ভাগ্য যে যি সময়ত দেশৰ ৰাজনৈতিক পটভূমিত হাগজেৰদেৱৰ অতীৱ প্ৰয়োজন আছিল, সেই সময়তেই দেশে তেওঁক চিৰদিনৰ কাৰণেই হেৰুৱাব লগা হ'ল। আমি হাগজেৰ দেৱৰ পত্নী আৰু বিশিষ্টা লেখিকা শ্ৰীমতী নিৰুপমা হাগজেৰ প্ৰমুখ্যে শোক-সন্তপ্ত পৰিয়ালৰ আটাইকেইজন ব্যক্তিলৈ সমবেদনা জনাইছোঁ আৰু হাগজেৰদেৱৰ স্বৰ্গত আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

× × × ×

বৰ্তমান জুলাই মাহত অগা পিছাকৈ আমি আৰু দুজন কৃতী পুৰুষক হেৰুৱালোঁ। তেওঁলোক হ'ল

যোৰহাটৰ **শ্ৰীজনাৰ্দন ঠাকুৰ** আৰু **শ্ৰীকেশৱকান্ত বৰুৱা**। শিক্ষাবিদ্ স্বৰ্গীয় ঠাকুৰ ডাঙৰীয়া 'সম্ভৱামি যুগে যুগে' আদিকৈ কেইবাখনি নাটক লিখাৰ উপৰিও নিজে নাট্য-শিল্পী আছিল। স্বৰ্গীয় বৰুৱা ডাঙৰীয়া সংস্কৃতি-সেৱী আৰু চাহ-উদ্যোগৰ লগত জড়িত আছিল। তেওঁ ইংৰাজী ভাষাত চাহ-গবেষণা সম্পৰ্কে এখন পুথি ৰচনা কৰি সুখ্যাতি লাভ কৰিছিল।

অসমী আইৰ এই দুগৰাকী সুসন্তানৰ শোকসন্তপ্ত পৰিয়ালৈলৈ সমবেদনা জনাইছো আৰু স্বৰ্গত আত্মাৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি যাচিছো।

## আকাশবাণী ঃ গুৱাহাটী

### ৰূপালী জয়ন্তী

আকাশ বাণী গুৱাহাটী কেন্দ্ৰই ২৫ বছৰ পূৰ হোৱাত যোৱা ১ জুলাইৰ পৰা আঠ দিন ধৰি ৰূপালী জয়ন্তী উৎসৱ পালন কৰিলে। এই উপলক্ষে নাটক, আলোচনা-চক্ৰ, মুকলি চ'ৰা আদিকৈ বিভিন্ন অনুষ্ঠান পতা হ'ল। সেই সম্পৰ্কে বিতংভাৱে আলোচনা নকৰি থোৰতে মাথোন নাটক সম্পৰ্কেহে ক'ব খুজিছো। এই উৎসৱ উপলক্ষে আঠদিন আঠখন নাটক প্ৰচাৰ কৰা হৈছিল। এই নাটকেইখন যোৱা পচিশ বছৰৰ প্ৰতিনিধিমূলক নাট বুলি কোৱা হৈছে। নাট কেইখনৰ ভিতৰত এখন মাথোন পৌৰাণিক, বাকী সাতখনেই আছিল সামাজিক। অনুষ্ঠানৰ বিভিন্ন কাৰ্য-সূচীত জ্যোতিপ্ৰসাদৰ নাম লোৱা হৈছিল যদিও ইয়াৰ ভিতৰত এখনো জ্যোতিপ্ৰসাদৰ নাটক অন্তৰ্ভুক্ত কৰিব পৰা নহ'ল কিয় বুজিব পৰা নগ'ল। জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী" বা 'শোণিত কুঁৱৰী' নাট অন্তৰ্ভুক্ত হোৱা হলে নাট্যসূচীৰ সৌষ্ঠৱ নিশ্চয় বাঢ়িলহেঁতেন। শ্ৰীপ্ৰবীণ ফুকনদেৱৰ যিখন সামাজিক নাট লোৱা হ'ল সেই ঠাইতে একেজন নাট্যকাৰৰ "লাচিত বৰফুকন" বা "মণিৰাম দেৱান" নাট লোৱা হলে অন্ততঃ এখন বুৰঞ্জীমূলক নাটকে স্থান পালেহেঁতেন। তদুপৰি মহাপুৰুষ দুজনাৰ এখন নাটো কাৰ্য-সূচীৰ অন্তৰ্ভুক্ত নোহোৱাটো দুখৰ বিষয়। আমি ভাবোঁ অন্ততঃ শঙ্কৰদেৱৰ নাট এখনেৰে নাট-মহোৎসৱৰ পাতনি মেলি নাট্য-সপ্তাহৰ শুভাৰম্ভ কৰিব লাগিছিল।

এই সপ্তাহত আৰু এটা কথা শুনি আমাৰ ভাল লাগিল যে জন্মদিনৰপৰা এতিয়ালৈকে কেনো এই অনাতাঁৰ কেন্দ্ৰই সক-বৰ প্ৰায় দহহেজাৰ নাটক আৰু আলেখ্য সৃষ্টি কৰালে। কিন্তু এইখিনিতে প্ৰশ্ন উঠে— এই দহহেজাৰৰ ভিতৰত অন্তত: দহখন নাটকেও সৰ্ব-ভাৰতীয় ভিত্তিত দিল্লীৰপৰা প্ৰচাৰিত হ'ব নোৱাৰিলে কিয়? সেই কাৰণে আকাশবাণী গুৱাহাটীয়ে সংখ্যাগত ভাৱে নাটক সৃষ্টিৰ গৌৰৱ কৰিব পাৰিলেও গুণগতভাৱে গৌৰৱ কৰাৰ বিশেষ একো থল নাই বুলি ভাবোঁ। এই সম্পৰ্কে আকাশবাণীয়ে নিজেই পৰ্যালোচনা কৰি চাওক। আজি কেইবছৰ মানৰপৰা আকাশবাণীয়ে সামাজিক নাটকৰ ফালে অধিক দৃষ্টিপাত কৰাত আমি নিশ্চয় বেয়া পোৱা নাই; কিন্তু পৌৰাণিক আৰু বুৰঞ্জী-মূলক নাটকো যাতে অনাদৃত নহয় তালৈকো দৃষ্টি ৰাখিব বুলি আশা কৰিলোঁ।

### আকাশবাণীত ধৰ্মঘট

গুৱাহাটীৰ আকাশবাণীয়ে ৰূপালী জয়ন্তী উৎসৱপালন কৰাত আমাৰ ভাল লাগিছিল; কিন্তু এই উৎসৱৰ কেইদিনমান পিছতেই অৰ্থাৎ ১৮ জুলাইৰ পৰা একেৰাহে তিনিদিন ধৰি যেতিয়া আকাশবাণীৰ 'ষ্টাফ আৰ্টিষ্ট' সকলে চাৰিটা ন্যায্য দাবীৰ কাৰণে ধৰ্মঘট কৰা শুনিলো তেতিয়া গোটেই জয়ন্তী উৎসৱটোৱেই অন্তঃসাৰশূন্য যেন লাগি গ'ল। 'ষ্টাফ আৰ্টিষ্ট' সকলৰ দাবী দৰমহা বঢ়োৱা নাইবা আন তেনে কোনো ব্যক্তিগত স্বাৰ্থৰ কাৰণে কৰা দাবী নাছিল; এই দাবী আছিল আকাশ-বাণীৰ লগত জড়িত সকলো লোকৰ সুবিধাৰ কাৰণে কৰা দাবী। অনাতাঁৰ কেন্দ্ৰত খোৱা পানীৰ সুবিধা-দান, ষ্টুডিওত শীত-তাপ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা, পুৰণি আৰু বেমাৰী যন্ত্ৰপাতি বোৰ মেৰামতি বা আঁতৰোৱাৰ দিহা কৰা, পানী-পায়খানাৰ সুব্যৱস্থা কৰা; এইবোৰ কাৰণে ধৰ্মঘট কৰিব লগীয়া হোৱাটো নিশ্চয় দুৰ্ভাগ্যৰ কথা।

আকাশবাণী গুৱাহাটী ১৯৪৮ চনত 'অল ইণ্ডিয়া ৰেডিও-ছিলং-গুৱাহাটী' নামেৰে প্ৰতিষ্ঠিত হৈছিল। এই কেন্দ্ৰটি প্ৰতিষ্ঠিত হোৱাৰ বহুদিন পিছত পূৱ ভাৰতৰ ভালে কেইখন ঠাইত কেইবাটাও পুতলা আকাশবাণী কেন্দ্ৰ স্থাপিত হ'ল—যিবোৰৰ জীৱনৰ বেছিভাগ সময় 'ৰিলে' কৰোঁতেই পাৰ হৈ যায়। পুতলা আকাশবাণী কেন্দ্ৰ স্থাপন কৰক—আমাৰ কব লগীয়া একো নাই; কিন্তু পুৰণি আৰু অধিক গুৰুত্ব সম্পন্ন কেন্দ্ৰৰ প্ৰতি অৱহেলা কৰাতহে আমি বিষম পাইছো।

আমি আশা কৰোঁ, অনাতাঁৰ কৰ্তৃপক্ষই এই বিষয়ে নীৰৱতা অৱলম্বন নকৰি গুৱাহাটীৰ আকাশবাণীৰ এই অসোঁৱাহবোৰ অতি শীঘ্ৰে দূৰ কৰিব।

# অসম সাহিত্য সভা পত্ৰিকা

## এজেঞ্চিৰ নিয়মাৱলী

১। দহখনতকৈ কম পত্ৰিকাৰ বাবে এজেঞ্চি দিয়া নহ'ব।

২। প্ৰতি সংখ্যা পত্ৰিকাৰ প্ৰত্যেক কপিৰ কাৰণে আগধন এটকাকৈ পঠিয়াব লাগিব। সাহিত্য সভাৰ সংগঠক বা শাখা সভাৰ কাৰণে এই নিয়ম প্ৰযোজ্য নহ'ব।

৩। সকলো অনুমোদিত এজেণ্টে আলোচনীৰ বিক্ৰী-মূল্যৰ ওপৰত শতকৰা ২৫ কমিছন লাভ কৰিব।

৪। আলোচনী পঠিওৱা খৰচ সাহিত্য সভাই বহন কৰিব।

৫। প্ৰতি সংখ্যা আলোচনীৰ কাৰণে পঠিওৱা বিল, বিলৰ তাৰিখৰ পৰা ২০ দিনৰ ভিতৰত পৰিশোধ কৰিব লাগিব। বিলৰ টকা অনুমোদিত বেঙ্ক ড্ৰাফ্ট, চেক্ অথবা মনিঅৰ্ডাৰ যোগে গুৱাহাটীৰ কাৰ্যালয়ত আদায় লব পৰাকৈ আমালৈ পঠিয়াব লাগিব। পঠিওৱা খৰচ এজেণ্টে বহন কৰিব লাগিব।

৬। বিক্ৰী নোহোৱা আলোচনী ঘূৰাই লোৱা নহয়।

৭। এটা সংখ্যাৰ টকা সম্পূৰ্ণ আদায় নোপোৱাকৈ পাছৰ সংখ্যা আলোচনী পঠিওৱা নহ'ব।

৮। আলোচনী ডাকৰকৈ পোৱা অথবা নোপোৱা অনুযোগ উপযুক্ত প্ৰমাণসহ এসপ্তাহৰ ভিতৰত আমাক জনাব লাগিব।

৯। এজেণ্টসকলে আলোচনীৰ সংখ্যা বঢ়োৱা বা কমোৱা সংবাদ, প্ৰতি সংখ্যা আলোচনী ওলোৱাৰ এমাহ আগতে জনাব লাগিব।

১০। এজেঞ্চি সম্পৰ্কীয় সকলো যোগাযোগ এই ঠিকনাত কৰিব—সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১, ফোন নং ৪৭৭৬।

১১। এজেঞ্চিৰ কাৰণে আবেদন কৰোঁতে তলত লিখা কথাবোৰ স্পষ্টভাৱে লিখি পঠিয়াব।

(ক) এজেণ্ট, শাখা সভাৰ সদস্য বা সংগঠকৰ নাম, (খ) আলোচনীৰ সংখ্যা, (গ) ঠিকনা, (ঘ) ব্যৱসায়, (ঙ) এজেঞ্চিৰ এলেকা, (চ) ৰেল ষ্টেচন, ষ্টেট ট্ৰেন্সপোর্ট, প্ৰাইভেট ট্ৰেন্সপোর্ট, (ছ) ডাকঘৰ।

• • **অসমৰ বিভিন্ন অঞ্চলৰ পৰা এজেঞ্চিৰ আবেদন বিচৰা হৈছে।**

# অসম সাহিত্য সভাৰ প্ৰকাশনসমূহ


| নাম | মূল্য | নাম | মূল্য |
|---|---|---|---|
| ১। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ৮'০০ | ৩৫। আনটাঙ্গাৰী অচমীয়াক' কিয়ানী | ২'০০ |
| ২। মফিজুদ্দিন আহমদ হাজৰিকাৰ ৰচনাৱলী | ৫'০০ | ৩৬। অচমীয়া লা-বাবো-লেন অচমীয়া হিকাই-হি (স্বয়ং শিক্ষক) | ৩'০০ |
| ৩। অকনোদইৰ ধল ফাট | ২'৫০ | | |
| ৪। আনন্দৰাম ঢেকিয়ালফুকনৰ অসমীয়া ভাষা | ১'০০ | ৩৭। নীলাচল পাঠ ( আও নগা ভাষা শিক্ষা ) | ১'০০ |
| ৫। ৰজনী বৰদলৈ ৰচনামালা | ৮'০০ | ৩৮। অসমৰ জনজাতীয় সাধু | ৬'০০ |
| ৬। বেজবৰুৱাৰ 'প্ৰবন্ধ বাছনি' | ৭'০০ | ৩৯। অসম সাহিত্য সভাৰ ভাষণাৱলী (৩য় ভাগ) | ৭'০০ |
| ৭। বেজবৰুৱাৰ Religion of Love and Devotion | ৩'০০ | ৪০। অসম সাহিত্য সভা বাৰ্ষিকী ২৯শ গোৱালপাৰা সন্মিলন | ৩'০০ |
| ৮। বেজবৰুৱাৰ পত্ৰলেখা | ৭'০০ | ৪১। অসম সাহিত্য সভা বাৰ্ষিকী ৩০শ নাজিৰা সন্মিলন | ৩'০০ |
| ৯। বেজবৰুৱাৰ দিনলেখা | ৪'০০ | | |
| ১০। বেজবৰুৱাৰ চিত্ৰলেখা | ৬'০০ | ৪২। অসম সাহিত্য সভা বাৰ্ষিকী ৩১শ ডিগবৈ সন্মিলন | ৩'০০ |
| ১১। বেজবৰুৱাৰ বাণী | '৫০ | | |
| ১২। প্ৰমথনাথ চক্ৰবৰ্তী | ১'০০ | ৪৩। অসম সাহিত্য সভা বাৰ্ষিকী ৩২শ নলবাৰী সন্মিলন | ৩'০০ |
| ১৩। বিশ্বনাথ ৰাজবংশী | ১'০০ | | |
| ১৪। ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪'০০ | ৪৪। অসম সাহিত্য সভা বাৰ্ষিকী ৩৩শ উত্তৰলক্ষীমপুৰ সন্মিলন | ৩'০০ |
| ১৫। নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪'০০ | | |
| ১৬। সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা | ৭'০০ | ৪৫। অসম সাহিত্য সভা বাৰ্ষিকী ৩৪শ ডিব্ৰুগড় সন্মিলন | ৩'০০ |
| ১৭। আমাৰ লক্ষীনাথ ( শিশু জীৱনী ) | ১'৫০ | | |
| ১৮। লক্ষীনাথ বেজবৰুৱা ( হিন্দী ) | '৫০ | ৪৬। অসম সাহিত্য সভা বাৰ্ষিকী ৩৫শ তেজপুৰ সন্মিলন | ৩'০০ |
| ১৯। সাহিত্যৰথী বেজবৰুৱা ( ইংৰাজী ) | '৫০ | | |
| ২০। বেজবৰুৱা প্ৰতিভা | ৫'০০ | ৪৭। অসম সাহিত্য সভা বাৰ্ষিকী ৩৬শ বৰপেটা সন্মিলন | ৩'০০ |
| ২১। চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা | ৬'০০ | | |
| ২২। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৫'০০ | ৪৮। অসম সাহিত্য সভা বাৰ্ষিকী ৩৭শ ধিং সন্মিলন | ৩'০০ |
| ২৩। সীমান্তৰ সন্তেদ | ৩'০০ | ৪৯। অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ | ১'০০ |
| ২৪। The Outlook on NEFA | ৪'০০ | ৫০। অসম সাহিত্য সভা পৰিচিতি | ১'০০ |
| ২৫। Assamese Language Question | ১'০০ | ৫১। হেমচন্দ্ৰ গোস্বামী সম্পাদিত কথা-গীতা | ৩'৫০ |
| ২৬। চাহবাগিছাৰ অসমীয়া | ১'০০ | ৫২। শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২'০০ |
| ২৭। বিশাখদত্তৰ মুদ্ৰাৰাক্ষস | ৩'০০ | ৫৩। পবিত্ৰ অসম | ১৫'০০ |
| ২৮। ৰাজশেখৰৰ কৰ্পূৰমঞ্জৰী | ৩'০০ | ৫৪। অসম সাহিত্য সভা বাৰ্ষিকী ৩৮শ মাকুম সন্মিলন | ৩'০০ |
| ২৯। কনকলাল বৰুৱা ৰচনাৱলী | ১০'০০ | | |
| ৩০। কনকলাল বৰুৱাৰ Study in the Early History of Assam | ২০'০০ | ৫৫। অসম সাহিত্য সভা বাৰ্ষিকী ৩৯শ ধুবৰী সন্মিলন | ৩'০০ |
| ৩১। বিশ্বনাথৰ সাহিত্য দৰ্পণ | ১২'০০ | ৫৬। হেম গোস্বামীৰ জীৱনী | ৬'০০ |
| ৩২। শূদ্ৰকৰ মৃচ্ছকটিকা | ৫'০০ | ৫৭। " " ৰচনাৱলী | ২০'০০ |
| ৩৩। আচামিজ ফৰ অল (স্বয়ং শিক্ষক) | ২'০০ | ৫৮। গোহাঞি বৰুৱা প্ৰতিভা | ১০'০০ |
| ৩৪। আপকি অসমীয়া (স্বয়ং শিক্ষক) | ২'০০ | ৫৯। সাহিত্য সমীক্ষা | ৬'০০ |

প্ৰাপ্তিস্থান : ১। **অসম সাহিত্য সভাৰ ঘাই কাৰ্যালয়**
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১।

২। **অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়**
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১।

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক



সম্পাদক : হেমন্তকুমাৰ শৰ্মা

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি অসমীয়া মাহৰ প্ৰথম ভাগত এখনকৈ ওলাব।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০'০০ টকা আৰু ছমহীয়া বৰঙণি ১০'০০ টকা আগ ধৰি দিব লাগিব। প্ৰতি সংখ্যাৰ বেচ ২'০০ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি **এপিঠিত ফট্‌ফটীয়াকৈ লিখি** "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জোঁটনিত দ্বিত্ব বৰ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, গল্প, মৌলিক আলোচনা আদিয়ে ঠাই পাব। প্ৰবন্ধাদি চুটি হোৱাটো বাঞ্চনীয়।

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকাকড়ি, বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন গুৱাহাটী-১"—এই ঠিকনাত পঠাব।


দুৰ্গা পূজাৰ লগে লগে

অসম সাহিত্য সভা পত্ৰিকাৰ

শাৰদীয় সংখ্যা

বিভিন্ন ৰুচিৰ গল্প-প্ৰবন্ধাদিৰে সমৃদ্ধ হৈ ওলাব।

অসমৰ বিভিন্ন ঠাইত বিজ্ঞাপন-সংগ্ৰহ আৰু পত্ৰিকা-বিক্ৰীৰ কাৰণে এজেণ্টৰ প্ৰয়োজন। তলৰ ঠিকনাত যোগাযোগ কৰক।

সহকাৰী সম্পাদক,
অসম সাহিত্য সভা,
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১